

"ঈশ্বৰৰ পৰা বিশেষ কিবা এটা পোৱাৰ আশা কৰক।
ঈশ্বৰৰ বাবে বিশেষ কিবা এটা কৰাৰ চেষ্টা কৰক।"
— উইলিয়াম কেৰি

# ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ

## পবিত্ৰ আত্মাৰ দ্বাৰা পৰিপূৰ্ণ হোৱা

হেলমুট হাউবেইল

# ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ

## *Steps to Personal Revival*

***in***

**ASSAMESE LANGUAGE**

***Translated by :***

**Pr. James Besra**

***Published by :***

**PABON RITCHIL**

Adventist Ley-Services & Industries (ASI) Ministry.

# ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ

## পবিত্ৰ আত্মাৰ দ্বাৰা পৰিপূৰ্ণ হোৱা

হেলমুট হাউবেইল

# ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ


ইংৰাজী সংস্কৰণ ঃ ***Steps to Personal Revival***

অসমীয়া সংস্কৰণ ঃ ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ

অসমীয়া অনুবাদ ঃ জেমছ্ বেচৰা

সাৰ্বিক সহযোগিতা ঃ দীপক বড়ো, প্ৰেমিলা বেচৰা

প্ৰকাশক ঃ অসম ৰিজিঅ'ন অব চেভেন্থ্-ডে-এডভেন্টিষ্ট চাৰ্চ

মুদ্ৰাকৰ ঃ অফসেট আৰ্ট প্ৰিন্টাৰস
৭৩ এলিয়ট ৰোড, কোলকাতা-৭০০০১৬
মোবাইল নং- ৯৮৩১৮১১৭৩৬

## আমাৰ প্ৰভু ৰে নিজেই আদেশ দিছে

“পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ নিৰন্তৰে
আৰু বাৰে বাৰে
নিজকে নবীকৰণ কৰক !”

# সূচীপত্ৰ

**ভূমিকা ঃ**

ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ

**১ম অধ্যায় ঃ**

যীচুৰ আটাইতকৈ মূল্যৱান উপহাৰ ............................................ ১

**২য় অধ্যায় ঃ**

আমাৰ সমস্যাবোৰৰ কাৰণ কি? ............................................ ৩০

**৩য় অধ্যায় ঃ**

আমাৰ সমস্যাবোৰ সমাধানযোগ্য নে — কেনেকৈ? ............... ৬৩

**৪ৰ্থ অধ্যায় ঃ**

আমি কেনেধৰণৰ পাৰ্থক্যসমূহ আশা কৰিব পাৰো? ................ ৮৩

**৫ম অধ্যায় ঃ**

ব্যৱহাৰিক অভিজ্ঞতাৰ চাবিকাঠি ........................................... ১১০

**৬ষ্ঠ অধ্যায় ঃ**

আমাৰ আগত কেনেধৰণৰ অভিজ্ঞতা আছে? ........................ ১৩০

# পাতনি

ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা।

২০১১ চনৰ ২৪ আগষ্টত যেতিয়া আমি চুইজাৰলেণ্ডৰ বাৰ্ণিচ উচ্চভূমিৰ কান্দাৰ গ্ৰাউণ্ডত আছিলো তেতিয়া এটা গুৰুত্বপূৰ্ণ সহযোগ মোৰ বাবে অতি স্পষ্ট হৈ পৰিছিল। আমি কিয় আমাৰ যৌৱন কালৰ কিছু অংশ হেৰুৱাই আছো তাৰে মই এটা আত্মিক কাৰণ চিনাক্ত কৰিছিলো। মই বৰ হতবাক হৈছিলো। মই মোৰ ল'ৰা-ছোৱালী আৰু নাতি-নাতিনীৰ কথা ভাবিছিলো। তেতিয়াৰে পৰা মই এই বিষয়টোত গভীৰভাৱে মগ্ন হৈ আছো।

***এতিয়া মই বিশ্বাস কৰো যে আমাৰ বহুতো সমস্যাৰ আঁৰত একেই আত্মিক কাৰণ আছে ; বিশেষকৈ স্থানীয় মণ্ডলী আৰু বিশ্বব্যাপী মণ্ডলীত ব্যক্তিগত সমস্যা সমূহ আছে। এইটো হৈছে পবিত্ৰ আত্মাৰ অভাৱ।***

যদি এইটোৱে কাৰণ হয়, তেন্তে আমি জৰুৰী ভাৱে এই সমস্যাটো সমাধান কৰা উচিত। এই সমস্যাটো যদি দূৰ কৰিব পাৰি বা হ্ৰাস কৰিব পাৰি, তেন্তে বহুতো সমস্যা দূৰ হ'ব বা সমাধান হ'ব।

## এই অভাৱৰ বিষয়ে আনে কি ক'ব বিচাৰেঃ

- **এমিল বাৰ্ণাৰ ঃ** নামৰ প্ৰচাৰ কাৰ্যৰ সংস্কাৰক ধৰ্মতত্ত্ববিদে লিখিছিল যে পবিত্ৰ আত্মা "সদায়ে কম বেছি পৰিমাণে ধৰ্মতত্ত্বৰ সৎ-সন্তান হৈ আহিছে।"
- **ডি. মাৰ্টিন লয়ড জনচ ঃ** "যদি মই মোৰ সৎ মতামত দিব পাৰো, তেন্তে বাইবেলৰ বিশ্বাসৰ ওপৰত এনে কোনো বিষয় নাই যি অতীত বা বৰ্তমানত পবিত্ৰ আত্মাৰ বিষয় হিচাবে ইমান অৱহেলিত হৈ আহিছে। .......... মই নিশ্চিত যে শুভবাৰ্ত্তা প্ৰচাৰ কাৰ্যৰ বিশ্বাসৰ দুৰ্বলতাৰ কাৰণ এইটোৱেই।"

- **লিৰয় ই. ফ্ৰোমঃ** "মই বিশ্বাস কৰো যে পবিত্ৰ আত্মাৰ অভাৱেই হৈছে আমাৰ ভয়ানক সমস্যা।"

- **ডুইট নেলচনঃ** "আমাৰ মণ্ডলীৰ উন্নয়নৰ প্ৰশংসনীয় ৰূপ, পৰিকল্পনা আৰু কাৰ্যসূচী বিকশিত কৰিব লাগিব, কিন্তু যদি আমি অৱশেষত আমাৰ আত্মিকতাৰ অভাৱ হোৱা (পবিত্ৰ আত্মাৰ অভাৱ) স্বীকাৰ নকৰো, যি আমাৰ অনেক পুৰোহিত আৰু চলাওঁতাক অতিক্ৰম কৰিছে, তেন্তে আমি কেতিয়াও প্ৰো-ফৰ্মা-খ্ৰীষ্টিানীটিৰ ( Pro-Forma-Christianity) পৰা বাহিৰ হ'ব নোৱাৰিম।"

- **গেৰি এফ. উইলচনঃ** "এইটো এনেকুৱা লাগিছে যে পবিত্ৰ আত্মাই এড্‌ভেন্টিষ্টৰ দৈনন্দিন জীৱনত আৰু মণ্ডলীৰ জীৱনত এক সামান্য ভূমিকা পালন কৰিছে। তথাপিও এইটো খ্ৰীষ্টত এক আনন্দময়, আকৰ্ষণীয় আৰু ফলদানকাৰী জীৱনৰ ভিত্তিস্বৰূপ।"

- **এ. ডব্লিউ. টজাৰঃ** "যদি আজি আমাৰ মণ্ডলীৰ পৰা পবিত্ৰ আত্মা লৈ যোৱা হয়, তেনেহ'লে আমি যি কাৰ্য কৰো তাৰ ৯৫ শতাংশ অব্যাহত থাকিব আৰু কোনেও পাৰ্থক্যটো বুজিব নোৱাৰিব। যদি পবিত্ৰ আত্মাক আদি মণ্ডলীৰ পৰা প্ৰত্যাহাৰ কৰা হ'লহেঁতেন তেন্তে তেওঁলোকে যি কৰি আছিল তাৰ ৯৫ শতাংশ বন্ধ হ'লহেঁতেন আৰু সকলোৱে পাৰ্থক্যটো বুজিব পাৰিলেহেঁতেন।"

আৰম্ভণিতে, আমি প্ৰভু যীচুৱে পবিত্ৰ আত্মাৰ বিষয়ে কৰা কেইটামান প্ৰসংগৰ ওপৰত অলপ দৃষ্টি কৰিব বিচাৰো।

# ১ম অধ্যায়

# যীচু ৰ আট াইত কৈ মূল্যৱান উ পহাৰ

## *যীচু ৱে প বিত্ৰ আত্মাৰ বিষয়ে কি শিক াইছিল ?*

*আপুনি যীচুৰ আটাইতকৈ শক্তিশালী বাৰ্ত্তাৰ সৈতে পৰিচিত নে?*

*পবিত্ৰ আত্মাৰ কাৰ্য কি? চৰিত্ৰ সলনি কৰাৰ বাবে আমাক বাহ্যিক সহায়ৰ কিয় প্ৰয়োজন?*

## কে ইট ামান প্ৰথম ব্যক্তিগত সাক্ষ্য।

**আমাৰ "প্ৰথম প্ৰেম"লৈ ঘূৰি যাওঁহক ঃ** এগৰাকী ভনীয়ে মোৰ ওচৰত এই কথাসমূহ লিখিছিল ঃ মোৰ বান্ধৱী আৰু মই দুয়োগৰাকীয়ে মিলি "ব্যক্তিগত পুনজাগৰণৰ কাৰণে পদক্ষেপ" পুস্তকখনৰ বিকল্প হিচাবে বৰ্তমান আমি "৪০ দিন" নামৰ কিতাপখন তৃতীয়বাৰৰ দৰেই পঢ়িছো। আগতে আমি আমাৰ বিশ্বাসৰ অভিজ্ঞতাৰ আৰু প্ৰাৰ্থনাৰ জীৱনৰ উপাদান সমূহ আৱিষ্কাৰ কৰিছিলো, যিটো ইয়াৰ আগতে কেতিয়াও কৰিব পৰা নাছিলো। আমি আমাৰ "প্ৰথম প্ৰেম" বিচাৰিবলৈ ইচ্ছা কৰিছিলো। আমি এটা বিচাৰি পাইছো! আমি সম্পূৰ্ণ হৃদয়েৰে সৈতে ঈশ্বৰক ধন্যবাদ জনাওঁ। আমাৰ দয়ালু পিতৃ ঈশ্বৰে যিদৰে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়ে আৰু তেওঁৰ পবিত্ৰ আত্মা আমাৰ ওপৰত আৰু আমি যি সকলৰ কাৰণে প্ৰাৰ্থনা কৰো তেওঁবিলাকৰ ওপৰত যিদৰে কাৰ্য কৰে, তাৰ প্ৰকাশ অতি আশ্চৰ্যজনক।

**যীচু আমাৰ জীৱনত প্ৰবেশ কৰে ঃ** অন্য এজন লোকে এই পুস্তকখনৰ

বিষয়ে লিখিছিল ঃ .......... "তেওঁবিলাক মোৰ জীৱনৰ বাবে বহু প্ৰতিক্ষিত আৰু মহা আশীৰ্বাদ স্বৰূপ হৈ পৰিছে। আমাৰ মণ্ডলীৰ আন বহুতো সদস্য আৰু এগৰাকী ভনীয়ে অনুভৱ কৰাৰ দৰে, আমাৰ বিশ্বাসৰ অভিজ্ঞতাত সদায়ে কিবা এটা হেৰাই গৈছিল আৰু এতিয়া যীচুৱে আমাৰ জীৱনত কেনেকৈ প্ৰৱেশ কৰিছে আৰু আমাক সলনি কৰিবলৈ আৰম্ভ কৰিছে সেই বিষয়ে অনুভৱ কৰাৰ সৌভাগ্য লাভ কৰিছো। তেওঁ এতিয়াও আমাৰ জীৱনত কাৰ্য কৰি আছে আৰু প্ৰতিটো পদক্ষেপত আমাক তেওঁৰ ওচৰলৈ আকৰ্ষিত কৰিছে।"

**যীচুৰ শিষ্যবিলাকে নিজকে এইদৰে সুধিছিলঃ** যীচুৱে কিদৰে ইমান ডাঙৰ প্ৰভাৱ পেলাব পাৰে? এইটো তেওঁৰ প্ৰাৰ্থনাৰ জীৱনৰ সৈতে সম্পৰ্কিত আছিল নেকি? সেই কাৰণে তেওঁলোকে তেওঁক এইদৰে কৈছিল ঃ "প্ৰভু, আমাক প্ৰাৰ্থনা কৰিবলৈ শিকাওঁক।" যীচুৱে তেওঁলোকৰ অনুৰোধৰ প্ৰতি সহাঁৰি জনাইছিল।

লূক ঃ ১১:১-১৩ পদত তেওঁৰ শিকোৱা প্ৰাৰ্থনাৰ তিনিটা অংশ আছে ঃ প্ৰভুৰ প্ৰাৰ্থনা, মাজ নিশা অহা বন্ধুজনৰ দৃষ্টান্ত আৰু শেষত পবিত্ৰ আত্মাৰ বাবে অবিৰত ভাৱে প্ৰাৰ্থনা কৰা।

দৃষ্টান্তত ( ৫-৮ পদত) এই লোকজনৰ ঘৰত মাজ নিশা এজন পথিক বন্ধু আহিছিল, কিন্তু লোকজনৰ ঘৰত এনেকুৱা একোৱেই নাছিল যিটো তেওঁৰ বন্ধুক দিব পাৰে। তেওঁৰ প্ৰয়োজনীয়তাৰ বাবে, তেওঁ লগে লগে তেওঁৰ চুবুৰীয়াৰ ওচৰলৈ গ'ল। তেওঁ তেওঁক কৈছিল যে, "তেওঁৰ একোৱেই নাই" আৰু তাৰ বাবে তেওঁ পিঠা ধাৰে বিচাৰিছিল। যেতিয়ালৈকে তেওঁ পিঠা নাপালে তেতিয়ালৈকে তেওঁ খুজিয়েই থাকিল। আৰু এতিয়া তেওঁৰ ওচৰত পিঠা আছে— জীৱনদায়ক পিঠা — তেওঁৰ নিজৰ কাৰণে আৰু তেওঁৰ ঘৰত অহা আলহীজনৰ কাৰণেও। তেওঁৰ নিজৰ কাৰণে কিছু আছে আৰু এতিয়া তেওঁ এনে এটা অৱস্থাত যিটো তেওঁক আনক দিব পাৰে।

ইয়াত যীচুৱে এই দৃষ্টান্তক (সমস্যা ঃ মোৰ একো নাই) পবিত্ৰ আত্মাৰ

কাৰণে মিনতি কৰাৰ সৈতে তুলনা কৰিছিল আৰু তেওঁ কৈছিল ঃ “আৰু মই তোমালোকক কওঁ, খোজা, তেহে তোমালোকক দিয়া হ’ব।” (লূক ঃ ১১:৯ পদ)।

## যীচুৰ বিশেষ নিবেদন ঃ পবিত্ৰ আত্মাৰ বাবে যাচনা কৰা

ইয়াত এটা বিশেষ বাইবেলৰ অংশ আছে য’ত যীচুৱে আমাক পবিত্ৰ আত্মাৰ বাবে যাচনা কৰিবলৈ দৃঢ়তাৰে আদেশ দিছে। মই এনেকুৱা কোনো এটা পদ নাজানো য’ত যীচুৱে ইমান প্ৰেমেৰে অন্য কিবা এটা বিচাৰিবলৈ কৈছে। এই পদবোৰ লূক ঃ ১১ অধ্যায়ত তেওঁৰ প্ৰাৰ্থনাৰ বিষয়ে শিক্ষা দিয়া অংশত পোৱা যায়। ইয়াত তেওঁ ১০ বাৰ জোৰ দি কৈছে যে আমি পবিত্ৰ আত্মাৰ কাৰণে যাচনা কৰা উচিত। লূক ঃ ২১:৯-১৩ পদ।

“আৰু মই তোমালোকক কওঁ, খোজা, তেহে তোমালোকক দিয়া হ’ব ; বিচাৰা, তেহে পাবা ; টুকুৰিওৱা, তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হ’ব। কিয়নো যিয়ে যিয়ে খোজে, সিয়ে সিয়ে পায়, যিয়ে বিচাৰে, সিয়ে দেখা পায় আৰু যিয়ে টুকুৰিয়াই, তেওঁলৈকে দুৱাৰ মুকলি কৰা হ’ব। তোমালোকৰ মাজৰ কোনজন বাপেকৰ পুতেকে পিঠা খুজিলে, তেওঁ তাক শিল দিব? বা মাছ খুজিলে, মাছৰ সলনি তাক সাপ দিব? নাইবা কণী খুজিলে তাক কেঁকোৰা-বিছা দিব? এতেকে তোমালোকে দুৰ্জন হৈয়ো নিজ নিজ সন্তান বিলাকক যদি ভাল বস্তু দিব জানা, তেন্তে তাতকৈয়ো তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে, তেওঁত খোজা বিলাকক পবিত্ৰ আত্মা নিদিব নে?”

এই কেইটা পদত যীচুৱে ছয়বাৰ “খোজা” ক্ৰিয়াটো ব্যৱহাৰ কৰিছিল ; ইয়াৰ পিছত খোজাৰ পৰিবৰ্তে “বিচাৰা” ক্ৰিয়াটো ব্যৱহাৰ কৰিছিল— এইটো এটা কাৰ্যক বুজায় — ইয়াৰ পিছত আৰু দুইবাৰ “টুকুৰিওৱা” শব্দটো কৈছিল যিটোও কাৰ্য কৰাক বুজায়।

তেওঁ আমাক স্পষ্টৰূপে দেখুৱাই দিয়া নাই নে যে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ’বৰ বাবে আমি কাৰ্য কৰিব লাগিব? শেষৰ “খোজা” ক্ৰিয়াটো গ্ৰীকত চলি থকা কালত ব্যৱহাৰ হয়। ইয়াৰ অৰ্থ হৈছে যে আমি কেৱল

এবাৰহে খুজিব লাগে এনে নহয়, বৰঞ্চ অবিৰত ভাৱে খুজিব লাগে। ইয়াত যীচুৱে কেৱল তাৎক্ষণিক প্ৰয়োজনীয়তাৰ বিষয়ে খুজিবলৈ কোৱা নাই কিন্তু আমি অবিৰত ভাৱে যাচনা কৰাটো তেওঁ আশা কৰে। নিশ্চিত ভাৱে তেওঁ এই আন্তৰিক আমন্ত্ৰণেৰে পবিত্ৰ আত্মাৰ বাবে আমাৰ আকাংক্ষা জাগ্ৰত কৰিব বিচাৰে। এই জৰুৰী আমন্ত্ৰণে আমাক যীচুৰ দৃঢ় বিশ্বাসক দেখুৱাইছে যে যদি আমি নিৰন্তৰে পবিত্ৰ আত্মা দান কৰাৰ বাবে যাচনা নকৰো তেন্তে আমি অতি গুৰুত্বপূৰ্ণ কিবা এটা হেৰুৱাম। পবিত্ৰ আত্মা যে আমাৰ বাবে অতি প্ৰয়োজন সেই বিষয়ে গুৰুত্ব আৰোপ কৰি তেওঁ স্পষ্টকৈ এই কথাৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰিছিল। এইদৰে তেওঁ বিচাৰে যে আমি অবিৰত ভাৱে পবিত্ৰ আত্মাৰ উত্তম আশীৰ্বাদ সমূহ গ্ৰহণ কৰো।

"খ্ৰীষ্টৰ দৃষ্টান্তমূলক শিক্ষা" পুস্তকখনত কোৱা হৈছে, "ঈশ্বৰে নকয়, এবাৰ খোজক, আৰু আপুনি তাক পাব। আৰু তেওঁ আমাক বাৰে বাৰে খুজিবলৈ কৈছে। ক্লান্তহীন ভাৱে নিৰন্তৰে প্ৰাৰ্থনা কৰি থাকিব লাগিব। অবিৰত ভাৱে খোজাটোৱে নিবেদনকাৰীক অধিক আন্তৰিক মনোভাৱলৈ পৰিণত কৰে আৰু তেওঁ যিবোৰ বস্তু বিচাৰিছে সেইবোৰ লাভ কৰাৰ কাৰণে প্ৰাৰ্থনা কৰাজনক অধিক দৃঢ় আৰু একাগ্ৰতাৰ মনোভাৱ দান কৰে।"

ইয়াৰ পিছত যীচুৱে তিনিটা উদাহৰণ দিছিল, যিটো এনে আচৰণক দেখুৱায় যি আনকি পাপী মনুষ্যৰ পিতৃৰ বাবেও অকল্পনীয়। তেওঁ আমাক দেখুৱাব বিচাৰে যে যেতি য়া আমি পবিত্ৰ আত্মা বিচাৰো তেতিয়া আমাৰ স্বৰ্গীয় পিতৃয়ে আমাক নিদিয়াটো আৰু অধিক অকল্পনীয়। যীচুৱে আমাক নিশ্চিত হোৱাটো বিচাৰে যে আমি যেতিয়া সঠিক ভাৱে যাচনা কৰিম তেতিয়া আমি পবিত্ৰ আত্মা লাভ কৰিম। এই প্ৰতিজ্ঞা আৰু অন্যান্য প্ৰতিজ্ঞাৰ দ্বাৰা আমি বিশ্বাসেৰে খুজিব পাৰো আৰু বিশ্বাস কৰিব পাৰো যে আমি যি যাচনা কৰিছিলো সেয়া আমি ইতিমধ্যে লাভ কৰিছো। ( ১ যোহন ঃ ৫:১৪,১৫, অধিক তথ্য জানিবৰ কাৰণে ৫ অধ্যায় চাওক)।

এই বিশেষ আমন্ত্ৰণে আমাক দেখুৱাইছে যে যীচুৰ মতে যেতিয়া পবিত্ৰ

আত্মাৰ কাৰণে একান্তভাৱে নিৰন্তৰে প্ৰাৰ্থনা নকৰো তেতিয়া কিবা এটা অপৰিহাৰ্য বিষয় বা বস্তুৰ অভাৱ থাকি যায়। তেওঁ আমাক পবিত্ৰ আত্মাৰ প্ৰয়োজনীয়তাৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰে। তেওঁ বিচাৰে যে আমি পবিত্ৰ আত্মাৰ পৰা অবিৰত ভাৱে উত্তম আশীৰ্বাদৰ অভিজ্ঞতা লাভ কৰিব পাৰো।

প্ৰাৰ্থনাৰ ওপৰত তেওঁৰ শিক্ষাৰ এই অংশটো এক অনন্য প্ৰক্ৰিয়া। পবিত্ৰ আত্মা হৈছে ঈশ্বৰৰ আটাইতকৈ ডাঙৰ উপহাৰ — যি উপহাৰটোৱে ইয়াৰ সৈতে আন সকলো উপহাৰ লৈ আনে। এইয়া আছিল শিষ্য বিলাকৰ বাবে যীচুৰ মুকুট লাভ  কৰাৰ উপহাৰ আৰু তেওঁৰ প্ৰেমৰ স্পষ্ট প্ৰমাণ। মই ভাবো আমি সকলোৱে বুজিব পাৰিছো যে এনে মূল্যৱান উপহাৰ কাৰোবাৰ ওপৰত জোৰ কৰি জাপি দিয়া নহয়। এইটো কেৱল তেওঁলোকক দিয়া হ'ব যিসকলে এই উপহাৰৰ প্ৰতি তেওঁলোকৰ ইচ্ছা প্ৰকাশ কৰে আৰু ইয়াক প্ৰশংসা কৰে।

যিসকলে তেওঁবিলাকৰ জীৱন যীচুৰ ওচৰত সমৰ্পণ কৰিব কেৱল তেওঁবিলাককেই এই বৰ বা উপহাৰ দিয়া হ'ব ; যি সকলে নিৰন্তৰ ভাৱে প্ৰতিজ্ঞাবদ্ধ হৈ জীৱন-যাপন কৰে কেৱল তেওঁবিলাককেই এই বৰ দিয়া হ'ব। (যোহন ঃ ১৫:৪,৫) প্ৰতিজ্ঞা প্ৰকাশিত হয় ঃ

- ঈশ্বৰলৈ হাবিয়াস কৰা ("কোনো মানুহৰ যদি পিয়াহ লাগে" — যোহন ঃ ৭:৩৭ পদ)।
- ঈশ্বৰত বিশ্বাস কৰা ("যিকোনোৱে মোত বিশ্বাস কৰে, ধৰ্মশাস্ত্ৰে কোৱাৰ দৰে" — যোহন ঃ ৭:৩৮ পদ)।
- ঈশ্বৰক বিশ্বাস কৰাৰ ফলস্বৰূপে সম্পূৰ্ণৰূপে সমৰ্পণ কৰা ("ঈশ্বৰৰ গ্ৰহণীয় বলিস্বৰূপে উৎসৰ্গা কৰা" — ৰোমীয়া ঃ ১২:১ পদ)।
- সকলোতে ঈশ্বৰক অনুসৰণ কৰা ("তেওঁৰ আজ্ঞা মনাবিলাক" — পাঁচনিকৰ্ম ঃ ৫:৩২ পদ)।
- তেওঁবিলাকৰ নিজৰ পথ ত্যাগ কৰে আৰু ঈশ্বৰৰ পথত চলে আৰু ঈশ্বৰৰ

ইচ্ছানুসাৰে কাৰ্য কৰে ("মন পালটোৱা আৰু বাপ্তাইজিত হোৱা" — পাঁচনিকৰ্ম ঃ ২:৩৮ পদ)।

- কোনো ভুল পৰিকল্পনা নকৰা ("যদি মই অন্তঃকৰণত অধৰ্ম মানিলোহেঁতেন, তেন্তে প্ৰভুৱে নুশুনিলেহেঁতেন" — গীতমালা ঃ ৬৬:১৮ পদ)।
- আমাৰ মহান প্ৰয়োজনীয়তা আৰু অভাৱ উপলব্ধি কৰা ("মোৰ একো নাই"— লূক ঃ ১১:৬ পদ)।
- পবিত্ৰ আত্মাৰ বাবে অবিৰত ভাবে যাচনা কৰা (লূক ঃ ১১:৯-১৩ পদ)।

আপুনি এই প্ৰত্যাশাৰ যোগেদি স্পষ্টভাৱে চাব পাৰিছেনে যে আমাৰ বাবে ঈশ্বৰে ৰখা এই বৰটো কিমান মূল্যৱান? আপুনি যেতিয়া এই সকলোবোৰৰ প্ৰাথমিকতাৰ বিষয়ে চিন্তা কৰিব তেতিয়া নিশ্চয় আপুনি নিজৰ ভিতৰত অভাৱ বিচাৰি পাব।

যোহন ঃ ৭:৩৭ পদত পবিত্ৰ আত্মাৰ বাবে থকা আকাংক্ষাৰ বাবে প্ৰতিদিনে প্ৰাৰ্থনা কৰাৰ অভ্যাস মই গঢ়ি তুলিছো। ইয়াত কোৱা হৈছে ঃ "কোনো মানুহৰ যদি পিয়াহ লাগে, তেওঁ মোৰ ওচৰলৈ আহি পান কৰক।"

**আমি এইদৰে প্ৰাৰ্থনা কৰিব পাৰেঃ** "প্ৰভু যীচু, মই পবিত্ৰ আত্মা লাভ কৰাৰ বাবে সকলো পূৰ্বচৰ্ত্তৰ পৰিপ্ৰেক্ষিতত সম্পূৰ্ণৰূপে হয় বুলি কওঁ। মই আন্তৰিকতাৰে প্ৰাৰ্থনা কৰিছো যে আপুনি এতিয়া — আজিৰ বাবে সেইবোৰ মোৰ হৃদয়ত পৰিপূৰ্ণ কৰক।" আমাৰ মহান ঈশ্বৰে প্ৰাথমিক আৱশ্যকতা সমূহ পূৰণ কৰাৰ বাবে এতিয়াও আমাক সহায় কৰে।

## পবিত্ৰ আত্মা হৈছে এক পৰিপূৰ্ণ জীৱনৰ উৎস

যীচুৰ মতে তেওঁ কিয় এই পৃথিৱীলৈ আহিছিল? তেওঁ কৈছিল ঃ "মই হ'লে, তেওঁবিলাকে যেন জীৱন পায় আৰু তাকেই যেন প্ৰচুৰকৈ পায়, এই নিমিত্তে আহিলো।" (যোহন ঃ ১০:১০ পদ)।

যীচুৱে বিচাৰে যে আমি এতিয়া এই নতুন জীৱনৰ অভিজ্ঞতা লাভ

কৰো আৰু এই অভিজ্ঞতাৰ ধাৰাবাহিকতা তেওঁৰ দ্বিতীয় আগমনৰ পাছত ঈশ্বৰৰ ৰাজ্যত অনন্ত জীৱন হিচাবে সম্পূৰ্ণ বেলেগ পৰিমাণত অব্যাহত থাকিব।

তেওঁ আমাক এইটোও দেখুৱায় যে এক পৰিপূৰ্ণ জীৱনৰ উৎস হৈছে পবিত্ৰ আত্মা ঃ *"......... কোনো মানুহৰ যদি বিয়াহ লাগে, তেওঁ মোৰ ওচৰলৈ আহি পান কৰক। যি কোনোৱে মোত বিশ্বাস কৰে, ধৰ্মশাস্ত্ৰে কোৱাৰ দৰে, তেওঁৰ ভিতৰৰ পৰা জীৱনময় জলৰ নৈবোৰ ওলাই বৈ যাব। তেওঁত বিশ্বাস কৰা বিলাকে যে আত্মা পাব, তাৰ অৰ্থে তেওঁ এই কথা ক'লে.........।" (যোহন ঃ ৭:৩৭-৩৯ পদ)।*

"জীৱনময় জলৰ নৈ" — এইটো এক পৰিপূৰ্ণ জীৱনৰ বাবে ভাল তুলনা নহয় নে?

## পৃথিৱীত থকা জীৱনকালত যীচুৱে আমাক এক উপযুক্ত উদাহৰণ দেখুৱাইছিল নে?

আমি জানো যে পবিত্ৰ আত্মাৰ দ্বাৰাই মৰিয়মে যীচুক গৰ্ভধাৰণ কৰিছিল (মথি ঃ১:১৮ পদ)। আমি এইটোৱো জানো যে, তেওঁৰ বাপ্তিষ্মাৰ পিছত তেওঁ প্ৰাৰ্থনা কৰিছিল, *"আৰু পবিত্ৰ আত্মাই দৈহিক আকাৰ ধৰি, কপৌৰ নিচিনা হৈ, তেওঁৰ ওপৰলৈ নামি আহিল........" (লূক ঃ ৩:২২ পদ)।* এই পৰিস্থিতিত তেওঁ দৈনিক পবিত্ৰ আত্মা লাভ কৰা প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ আছিল নে? মই এই বাক্যবোৰ ইলেন. জি. হুৱাইটৰ লিখনিৰ পৰা লৈছো ঃ

*"প্ৰতিদিন অতি ৰাতিপুৱাই তেওঁ তেওঁৰ স্বৰ্গীয় পিতৃৰ সৈতে যোগাযোগ কৰিছিল আৰু তেওঁৰ পৰা প্ৰতিদিন পবিত্ৰ আত্মাৰ দ্বাৰাই বাপ্তাইজিত হৈছিল।"*

"পাঁচনিবিলাকৰ কাম" পুস্তকখনত এটা বিবৃতি আছে, য'ত কোৱা হৈছে ঃ "উৎসৰ্গীকৃত প্ৰচাৰক সকলৰ বাবে এই জ্ঞানত এক আশ্চৰ্যজনক

সান্ত্বনা আছে যে পৃথিৱীত থকা সময়ছোৱাত খ্ৰীষ্টেও তেওঁৰ পিতৃৰ ওচৰত প্ৰয়োজনীয় অনুগ্ৰহ দান কৰাৰ বাবে প্ৰতিদিনে যাচনা কৰিছিল।"

যীচু সঁচাকৈয়ে আমাৰ বাবে এক আৰ্হি। আমি নিজকে সুধিব লাগিব ঃ স্বয়ং যীচুৱেই যদি প্ৰতিদিন পবিত্ৰ আত্মাৰ পৰা সবল হোৱাৰ প্ৰয়োজন হয়, তেন্তে আপোনাৰ আৰু মোৰ বাবে এইটো কিমান গুৰুত্বপূৰ্ণ?

পাঁচনি পৌলে প্ৰকৃততে যীচুৰ উদ্দেশ্য উপলব্ধি কৰিব পাৰিছিল। ইফিচীয়া মণ্ডলীলৈ লিখা পত্ৰত পৌলে ঃ ১:১৩ পদত নিশ্চিত কৰিছে যে তেওঁলোক বিশ্বাসী হোৱাৰ সময়ত পবিত্ৰ আত্মাই তেওঁলোকক মোহৰ মাৰিছিল। ৩:১৬-১৭ পদত তেওঁ তেওঁলোকক আত্মাত শক্তিশালী হ'বলৈ উৎসাহিত কৰে আৰু ৫:১৮ পদত পৌলে এজন কৰ্তৃত্বশীল পাঁচনিৰ দৰে ইফিচীয়া আৰু লগতে আমাকো আহ্বান জনায় ঃ "........ আত্মাৰে পৰিপূৰ্ণ হোৱা" বা "নিজকে অবিৰত ভাৱে আৰু বাৰে বাৰে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ কৰক।" আমি দেখিছো যে আমি নতুন জন্ম হোৱাৰ সময়ত পবিত্ৰ আত্মা লাভ কৰিলেও, সাধাৰণতে আমাক প্ৰতিদিন পবিত্ৰ আত্মাৰ যোগেদি সবল হোৱাৰ প্ৰয়োজন। আত্মিক জীৱনৰ কাৰণে আৰু খ্ৰীষ্টিয়ান জীৱনত বৃদ্ধি হোৱাৰ কাৰণে প্ৰতিদিনে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাটো অতি গুৰুত্বপূৰ্ণ।

আমাৰ চাবাথ স্কুল পাঠত ইফিচীয়া ঃ ৫:১৮ পদৰ বিষয়ে তলৰ বাক্যসমূহ কোৱা হৈছে ঃ "প্ৰতিদিনে পবিত্ৰ আত্মাৰ দ্বাৰা বাপ্তাইজিত হোৱাৰ অৰ্থ কি? প্ৰভু যীচুক একে অৰ্থৰ সৈতে আমাৰ ওচৰত ব্যক্তিগত ভাৱে ব্যাখ্যা কৰিছে। যেতিয়া কোনো এজন ব্যক্তিৰ ওপৰত পবিত্ৰ আত্মা আহিব (৮ পদ) তেতিয়া তেওঁ পবিত্ৰ আত্মাত "বাপ্তাইজিত হয়" (পাঁচনিকৰ্ম ঃ ১:৫ পদ)। বাপ্তাইজিত হোৱাৰ অৰ্থ হৈছে কিবা এটাত সম্পূৰ্ণৰূপে নিমজ্জিত হোৱা— বিশেষকৈ পানীত। ইয়াত সম্পূৰ্ণ লোকজন জড়িত থাকে। পবিত্ৰ আত্মাত বাপ্তিস্মা লোৱাৰ অৰ্থ হৈছে সম্পূৰ্ণৰূপে পবিত্ৰ আত্মাৰ প্ৰভাৱত থকা তেওঁৰ যোগেদি সম্পূৰ্ণৰূপে পৰিপূৰ্ণ হোৱা। এইটো কেৱল এবাৰৰ অভিজ্ঞতা নহয় কিন্তু এনে এক অভিজ্ঞতা যিটো বাৰে বাৰে পুনৰাবৃত্তি কৰিব লাগিব।

যেনেকৈ পৌলে ইফিচীয়া ঃ ৫:১৮ পদত “পৰিপূৰ্ণ হোৱা” গ্ৰীক ক্ৰিয়াপদৰ যোগেদি প্ৰকাশ কৰিছে।”

## যীচুৰ স্বৰ্গাৰোহণৰ বাক্যসমূহ আৰু পবিত্ৰ আত্মা

যীচুৰ স্বৰ্গাৰোহণৰ আগত কোৱা কথাত তেওঁ আনন্দ আৰু আশা প্ৰকাশ কৰিছিল যে তেওঁৰ পৰিবৰ্তে পবিত্ৰ আত্মা আহিব। তেওঁ যোহন ঃ ১৬:৭-১৪ পদত পবিত্ৰ আত্মাৰ কাৰ্যসমূহ উপস্থাপন কৰিছিল ঃ

“তথাপি মই তোমালোকক সত্য কথা কওঁ যে, মই যোৱাই তোমালোকৰ হিতহে ; কিয়নো মই নগ'লে, তোমালোকলৈ সেই সহায়কৰ্ত্তা নাহিব ; কিন্তু মই গ'লে, তোমালোকলৈ তেওঁক পঠাই দিম। তেওঁ আহি, পাপৰ বিষয়ে, ধাৰ্মিকতাৰ বিষয়ে, আৰু সোধ বিচাৰৰ বিষয়ে, জগতক দোষৰ প্ৰমাণ দিব ; পাপৰ বিষয়ে, কিয়নো তেওঁবিলাকে মোত বিশ্বাস নকৰে ; ধাৰ্মিকতাৰ বিষয়ে কিয়নো মই পিতৃৰ ওচৰলৈ যাওঁ, আৰু তোমালোকে মোক আৰু দেখিবলৈ নাপাবা আৰু সোধ-বিচাৰৰ বিষয়ে, কিয়নো এই জগতৰ অধিপতিৰ সোধবিচাৰ কৰা হ'ল।

*তোমালোকলৈ ক'বলৈ মোৰ আৰু অনেক কথা আছে, কিন্তু সেই কথা এতিয়া সহিব নোৱাৰো। কিন্তু সেই সত্যৰ আত্মা যেতিয়া আহিব, তেতিয়া তেওঁ আটাই সত্যলৈ তোমালোকক পথ দেখুৱাই নিব ; কিয়নো তেওঁ নিজৰ পৰা নক'ব ; কিন্তু যিহকে শুনিব, তাকে ক'ব ; আৰু তোমালোকক ভৱিষ্যত কথা জনাব।”*

## এটা নতুন হিতজনক সমাধান

যীচুৱে শিষ্যবিলাকক কিবা আচৰিত হোৱাৰ কথা কৈছিল ঃ “মই যোৱাই তোমালোকৰ হিতহে।” ইয়াৰ অৰ্থ হৈছে যে পবিত্ৰ আত্মাৰ যোগেদি তেওঁ আমাৰ সৈতে থকাৰ নতুন সমাধানটো যীচু ব্যক্তিগত ভাৱে উপস্থিত থকাতকৈ অধিক হিতজনক। এনেদৰে তেওঁ সীমাবদ্ধ হোৱা নাই, তেওঁ এতিয়া য'তেই নাথাকক কিয় কিন্তু এতিয়া তেওঁ প্ৰত্যেকজন ব্যক্তিৰ সৈতে থাকিব পাৰে।

# অবিশ্বাস আৰু সন্দেহৰ পৰা যীচুত বিশ্বাস কৰিবলৈ চলাই নিয়া

পবিত্ৰ আত্মাই জগতৰ চকু মুকলি কৰা কাম কৰিছে আৰু জগতখন কিছু পৰিমাণে মণ্ডলীৰ নহয় নে? পবিত্ৰ আত্মাই জগতৰ চকু মুকলি কৰে। তেওঁ হৈছে একমাত্ৰ যিয়ে লাইডিকিয়াৰ চকু মুকলি কৰিব পাৰে। তেওঁ সাংসাৰিক লোক সকলৰ মাজত ঈশ্বৰৰ প্ৰতি থকা ইচ্ছা আৰু কুহুমীয়া খ্ৰীষ্টিয়ান সকলৰ যীচুৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলাৰ ইচ্ছা জাগ্ৰত কৰে। কাৰণ তেওঁ আমাক পাপটোক দেখুৱায় যি আন সকলো পাপৰ কাৰণ ঃ "কাৰণ তেওঁলোকে মোক বিশ্বাস নকৰে।" আপুনি যীচুত বিশ্বাস কৰে নে? বিশ্বাসৰ মূল ভিত্তি হৈছে ভাৰযা। যেতিয়া আমি নিজকে যীচুৰ ওচৰত সম্পূৰ্ণৰূপে সোধাই দিওঁ তেতিয়া আমি যীচুক সঁচাকৈয়ে বিশ্বাস আৰু ভাৰযা কৰো। এইটো সম্পূৰ্ণ প্ৰতিশ্ৰুতিৰ বিষয়, সকলো ক্ষেত্ৰতে তেওঁক অনুসৰণ কৰাৰ আমাৰ ইচ্ছাৰ বিষয়।

# বিশ্বাসৰ গুণে ধাৰ্মিক বুলি গণিত হোৱা আৰু ৰক্ষা পোৱা

তদুপৰি তেওঁ যীচুৰ ধাৰ্মিকতাৰ প্ৰতিও আমাৰ চকু মুকলি কৰিলে। যেতিয়া যীচুৱে স্বৰ্গাৰোহণ কৰিছিল তেতিয়া তেওঁৰ বলিদান পিতৃয়ে গ্ৰহণ কৰিছিল। সেয়েহে অসম্ভৱটো সম্ভৱ হৈ পৰিছিল অৰ্থাৎ ঈশ্বৰে প্ৰেমৰ অনুশীলন কৰিছিল আৰু একেসময়ত ধাৰ্মিকো আছিল। পবিত্ৰ আত্মাই আটাইতকৈ মূল্যৱান বিনিময়ৰ বাবে আমাৰ চকু মুকলি কৰিব বিচাৰে ঃ যি সকলে নিজকে তেওঁৰ ওচৰত সোধাই দিয়ে যীচুৱে তেওঁলোকৰ সকলো অপৰাধ ক্ষমা কৰে আৰু তেওঁলোকক তেওঁৰ ধাৰ্মিকতা প্ৰদান কৰে। বিশ্বাসৰ দ্বাৰা ধাৰ্মিকতা ঃ ইয়াৰ সৈতে বাইবেলৰ মূল শিক্ষাৰ সম্পৰ্ক আছে।

# পবিত্ৰ আত্মাই ঈশ্বৰৰ বিকল্পক দেখুৱায়

এই পৃথিৱীৰ ৰাজকুমাৰক ইতিমধ্যে নিন্দা কৰা হৈছে। এই সত্যতাৰ বিষয়ে পবিত্ৰ আত্মাই আমাৰ চকু মুকলি কৰে। চয়তানক স্বৰ্গৰ পৰা বাহিৰ কৰা হৈছে। তাৰ অন্তিম দিন অতি ওচৰ। যেতিয়া আমি খ্ৰীষ্টত থাকো,

তেতিয়া তেওঁ বিশেষকৈ আমাক হানি কৰিব নোৱাৰে, যদিও আমি বাৰে বাৰে পৰীক্ষাত পৰিব পাৰো আৰু এই পৃথিৱীত দুৰ্বল হ'ব পাৰো। ১ যোহন ঃ ৫:১৮ পদত এইদৰে কয় ঃ

"আমি জানো যে, যি কোনো ঈশ্বৰৰ পৰা জন্ম পোৱা হয়, তেওঁ পাপ নকৰে ; কিন্তু ঈশ্বৰৰ পৰা জন্ম পোৱা জনাই নিজকে ৰাখে আৰু পাপ আত্মাই তেওঁক স্পৰ্শ নকৰে।" খ্ৰীষ্টই নতুনকৈ জন্ম পোৱা বিশ্বাসী সকলক সকলো বেয়াৰ পৰা ৰক্ষা কৰিব।

আমাৰ জীৱনত নেতৃত্বৰ পৰিবৰ্তন ঘটিছে। যীচুৱে আমাক পাপৰ পৰা উদ্ধাৰ কৰিব বিচাৰে আৰু আমাক চয়তানৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিব বিচাৰে।

আনহাতে, সোধ বিচাৰ যে আহি আছে তাৰ বিষয়ে পবিত্ৰ আত্মাই লোক বিলাকৰ চকু মুকলি কৰিব বিচাৰে। তেওঁৰ পৰিত্ৰাণৰ বৰ গ্ৰহণ নকৰিলে কোনেও এই বিচাৰৰ পৰা ৰক্ষা নাপাব। এই বিচাৰে দেখুৱায় যে মানুহক ভয় দেখুৱাৰ যোগেদি বিশ্বাস কৰাটো নিশ্চিতভাৱে ঈশ্বৰৰ উদ্দেশ্য নহয়। কিন্তু বিচাৰ আহি থকাৰ জ্ঞানে বহুতো লোকৰ বাবে অনুতাপ কৰাৰ বাবে এক উদ্দীপনা হ'ব পাৰে।

যদি আমি লোকবিলাকক যিটো আহি আছে তাৰ বিকল্পটো দেখুৱাই নিদিওঁ তেন্তে এইটো অনুচিত হ'ব। এইবোৰ আমাৰ বাবে সিদ্ধান্তৰ সহায়ক।

## আমাক সত্যৰ বিষয়ে জ্ঞান দিয়ে

পবিত্ৰ আত্মাই আমাক সকলো সত্যতাত চলাই নিব। তেওঁ আমাক মিছা ধাৰণা, ভুল আৰু প্ৰলোভনৰ পৰা মুক্ত কৰে। হয়, তেওঁ আমাক সত্যতাত চলাই নিয়ে, যাতে আমি ঈশ্বৰৰ সহায়ত য'ত প্ৰয়োজন তাত আমাৰ পথ সংশোধন কৰিব পাৰো।

সেই সান্ত্বনা দিওঁতাজনক "সত্যৰ আত্মা" বুলি কোৱা হয়। তেওঁৰ কাম হৈছে সত্যক সংজ্ঞায়িত কৰা আৰু বজায় ৰখা। তেওঁ প্ৰথমে সত্যৰ আত্মা হিচাবে হৃদয়ত বাস কৰে আৰু এনেদৰে তেওঁ সান্ত্বনা দিওঁতাৰ ভূমিকা

পালন কৰে। সত্যত শান্তি আৰু সান্ত্বনা আছে, কিন্তু মিথ্যাচাৰত কোনো প্ৰকৃত শান্তি বা সান্ত্বনা বিচাৰি পোৱা নাযায়।”

## ভৱিষ্যতৰ বিষয়ে আমাৰ জ্ঞানৰ চকু মুকলি কৰে

পবিত্ৰ আত্মাই আমালৈ ভৱিষ্যতৰ কথা ঘোষণা কৰাৰ কাৰ্য কৰে। উদাহৰণ স্বৰূপে, যীচুৱে নিজেই মথি ২৪ অধ্যায়ত ভৱিষ্যতৰ বিষয়ে স্পষ্টকৈ কৈছে। কিন্তু পবিত্ৰ আত্মাই আমাক ভৱিষ্যতৰ বিষয়ে আৰু অধিক পোহৰ দিয়াৰ কাম আছে। যেতিয়া আমি তেওঁক ঠাই দিওঁ, তেতিয়া তেওঁ আমাৰ বাবে ভৱিষ্যতবাণীও প্ৰকাশ কৰিব পাৰে। আৰু এইটো আশ্চৰ্যজনক নহয় নে প্ৰকাশিত বাক্যৰ ২ আৰু ৩ অধ্যায়ৰ সাতোখন পত্ৰ যীচুৰ একে প্ৰত্যাহ্বানৰ সৈতে বন্ধ হৈছে ঃ “মণ্ডলীবিলাকলৈ আত্মাই যি কথা কৈছে, যাৰ কাণ আছে, তেওঁ তাক শুনক।” (প্ৰকাশিত বাক্য ঃ ২:৭ পদ)। ইয়াৰ উপৰিও যীচুৱে আমাক শেষৰ দিনৰ মণ্ডলীলৈ, আত্মাৰ কথা শুনিবলৈ নিৰ্দেশ দিছে। আমি সঁচাকৈয়ে সেইটো কৰিছো নে?

## যীচুক আমাৰ বাবে অধিক মূল্যৱান কৰি তোলে

পবিত্ৰ আত্মাই যীচুক উচ্চ প্ৰশংসা কৰে। যেতিয়া আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হয়, তেতিয়া যীচু আমাৰ বাবে অধিক মূল্যৱান আৰু মহান হৈ পৰিব। যীচুৰ বাবে উচ্চ প্ৰশংসা আমাৰ মাজত বিকশিত হ'ব।

## পবিত্ৰ আত্মাৰ দ্বাৰাই শক্তি

যীচুৱে তেওঁৰ অন্তিম বক্তৃতাত পবিত্ৰ আত্মাৰ কাৰ্যৰ বিষয়ে উল্লেখ কৰিছিল। তেওঁ স্বৰ্গাৰোহণৰ সময়ত কৈছিল ঃ “কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পবিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে শক্তি পাবা। আৰু যিৰূচালেম আদি কৰি গোটেই যিহুদীয়া আৰু চমৰীয়া দেশত, আৰু পৃথিৱীৰ সীমালৈকে তোমালোক মোৰ সাক্ষী হ'বা।” (পাঁচনিকৰ্ম ঃ ১:৮ পদ)।

পবিত্ৰ আত্মাৰ আন এটা কাৰ্য হৈছে আমাক শক্তি দিয়া যাতে আমি তেওঁৰ সাক্ষী হ'ব পাৰো।

"দুষ্টতা আৰু অধাৰ্মিকতালৈ লৰ মৰা সকলো ধৰণৰ বংশগত স্বভাৱ আৰু হৃদয়ত পুহি ৰখা প্ৰবৃত্তিবোৰক জয় কৰিবলৈ আৰু নিজৰ মণ্ডলীটোৰ ওপৰত তেওঁৰ নিজ চৰিত্ৰক চাপ মাৰিব পৰাকৈ এক ঐশ্বৰিক শক্তি হিচাবে খ্ৰীষ্টই তেওঁৰ আত্মাটোক প্ৰদান কৰিছে।"

স্বাস্থ্য শিক্ষাৰ বাবেও শক্তি প্ৰয়োজনীয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰেইমাৰত নতুন ষ্টাৰ্ট প্ৰ'গ্ৰামৰ সঞ্চালক ডন মেকিনটছে এইদৰে কৈছে ঃ "আমাৰ স্বাস্থ্যৰ বিষয়ে কাৰ্যকৰী কৰাৰ ক্ষমতাৰ সন্দৰ্ভত, ইয়াৰ কিছু তথ্যৰ প্ৰয়োজন। পৰিবৰ্তন কৰাৰ শক্তিৰ সৈতে ইয়াৰ সম্পৰ্ক আছে। ইয়াত ইয়াৰ সৈতে শুভবাৰ্ত্তাৰ শক্তিৰ সম্পৰ্ক আছে আৰু অধিক সঠিক ভাৱে পবিত্ৰ আত্মাৰ শক্তিৰ সৈতেও আছে।

আমি পবিত্ৰ আত্মাৰ পৰা অধিক মূল্যৱান আশীৰ্বাদৰ বিষয়ে উল্লেখ কৰিব পাৰো। কিন্তু এটা কথা নিশ্চিত ঃ ঈশ্বৰৰ প্ৰচুৰ পৰিমাণৰ আশীৰ্বাদ আমাৰ বাবে অপেক্ষা কৰি আছে।

## পবিত্ৰ আত্মাৰ চাৰিটা কাৰ্য

ইয়াৰ সংক্ষিপ্ত বিৱৰণ দিবলৈ আমি এইদৰে ক'ব পাৰো ঃ ঈশ্বৰৰ বাক্যত আমি পবিত্ৰ আত্মাৰ কাৰ্যৰ চাৰিটা মুখ্য ক্ষেত্ৰক বুজিব পাৰো। প্ৰথম আৰু দ্বিতীয় প্ৰয়োগটো হৈছে পাপৰ বিষয়ে অৱগত হোৱা আৰু যীচুক জনা, মোক এজনা উদ্ধাৰকৰ্ত্তাৰ প্ৰয়োজন বুলি অনুভৱ কৰা আৰু তেওঁৰ ওচৰত নিজকে সমৰ্পণ কৰা আৰু সকলো লোকৰ ওচৰত তেওঁৰ কাৰ্যৰ বিষয়ে বৰ্ণনা কৰা। তৃতীয় আৰু চতুৰ্থ প্ৰয়োগ হৈছে আত্মা আৰু আত্মিক উপহাৰ আৰু যীচুৰ অনুসৰণকাৰী সকলৰ সৈতে কৰা কাৰ্যক দেখুৱাইছে।

## আত্মিক জাগৰণৰ উপাদানবোৰ কাৰ্যকৰী কৰা

আমি ইতিমধ্যে আত্মিক জাগৰণৰ বাবে কিছু সময় প্ৰাৰ্থনা কৰিছো। এইটো কেৱল আত্মিক জাগৰণ হোৱাৰ বাবে প্ৰাৰ্থনা কৰাৰ প্ৰশ্ন নহয়, বৰঞ্চ মাৰ্ক ফিনলে কোৱাৰ দৰে এইটোও "........... আমি বাইবেলৰ আত্মিক

জাগৰণ উপাদানবোৰ অনুশীলন কৰিবলৈ ব্যৱহাৰ কৰাৰ দৰে।”

মণ্ডলীত আত্মিক জাগৰণ হোৱাটো প্ৰত্যেকজন ব্যক্তিৰ আত্মিক জাগৰণৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে মই আপোনালোকক ব্যক্তিগত আত্মিক জাগৰণৰ বাবে পদক্ষেপ ল’বলৈ অনুৰোধ কৰিব পাৰোনে? ই এক অধিক শক্তিশালী আৰু পৰিপূৰ্ণতা জীৱনলৈ চলাই নিয়ে।

## যীচু আৰু “নিৰ্ব্বুদ্ধি কন্যা”

যীচুৱে নিৰ্ব্বুদ্ধি কন্যাকেইজনীক এইদৰে কৈছিল ঃ “তোমালোকক মই নিচিনো।” সেইকাৰণে তেওঁলোকক বিয়া ঘৰত সোমাবলৈ দিয়া হোৱা নাছিল, আন কথাত ঈশ্বৰৰ ৰাজ্যত। কাৰণটো আছিল তেলৰ অভাৱ। ইয়াৰ সৈতে তেওঁলোকৰ আত্মিক জীৱনৰ অভাৱৰ সম্পৰ্ক আছিল। ইলেন জি. হুৱাইটে এইদৰে কৈছিল ঃ “নিৰ্ব্বুদ্ধি কন্যা” শব্দটোৱে সেই লোক সকলৰ চৰিত্ৰক বৰ্ণনা কৰিছে, যিসকলে পবিত্ৰ আত্মাৰ কাৰ্যৰ যোগেদি হৃদয়ৰ আন্তৰিক পৰিৱৰ্তন অনুভৱ কৰা নাই।” আমাৰ এটা পাপ প্ৰকৃতি আছে। এইদৰে আমি সকলোৱে অহংকাৰী আৰু আমি এই অহংকাৰত ভুগি আছো। যিহেতু কোনো অহংকাৰীয়ে ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে, সেয়েহে চৰিত্ৰৰ পৰিৱৰ্তন কৰা অতি প্ৰয়োজনীয়। ঈশ্বৰৰ বাক্যই আমাক দেখুৱাইছে যে সকলোৱে যীচুৰ ওচৰলৈ আহিব পাৰে। কিন্তু আমি এইটোও জানো যে তেওঁৰ দৰে কোনেও হ’ব নোৱাৰে। এটা স্পষ্ট উদাহৰণ ঃ “যেতিয়া এজন চোৰ সলনি হয়, তেওঁ কেতিয়াও চুৰ নকৰিব পাৰে আৰু হয়তো কৰিবও পাৰে ।

**মন কৰিবলগীয়া যে নিৰ্ব্বুদ্ধি কন্যা কেইজনীয়ে ঈশ্বৰক নাজানে কিয়নো তেওঁলোকে পবিত্ৰ আত্মাৰ কাৰ্যত নিজৰ জীৱনটো সোধাই দিয়া নাই।**

আমাৰ পৰিত্ৰাণ আমি কি জানো তাৰ ওপৰত নিৰ্ভৰ নকৰে। (যোহন ঃ ১৭:৩ পদ)। কিন্তু আমি কাক জানো তাৰ ওপৰত নিৰ্ভৰ কৰে আৰু আমি কি জানো সেয়া গুৰুত্বপূৰ্ণ। কিন্তু যীচুৰ সৈতে ব্যক্তিগত সম্পৰ্ক ৰক্ষা

নকৰিলে আমি পৰীক্ষিত হম আৰু শেষত হেৰাই যাম। ঈশ্বৰৰ বিষয়ে জ্ঞান এক অন্তৰংগ, আন্তৰিক পৰিচয়ৰ দৰে এক নহয়।" যীচুৰ সৈতে থকা অন্তৰংগ, উদ্ধাৰৰ সম্পৰ্কৰ ফলত আমি তেওঁৰ দৰে হৈ পৰিছো, আৰু ইয়াৰ ফলত চৰিত্ৰৰ ইতিবাচক পৰিবৰ্তন ঘটিছে আৰু জীৱন আনন্দেৰে পৰিপূৰ্ণ হৈছে (যোহন ঃ ১০:১০ পদ ; ইফিচীয়া ঃ ৩:১৭ পদ প্ত কলচীয়া ঃ ২:১০ পদ ; যোহন ঃ ১৫:১১ পদ)।

কিয় যীচুৱে আমাক জৰুৰী ভাৱে পবিত্ৰ আত্মাক নিৰৱচ্ছিন্ন ভাৱে বিচাৰিবলৈ আমন্ত্ৰণ কৰিছে, এইটো নিশ্চিতভাৱে এটা গুৰুত্বপূৰ্ণ কাৰণ।

পৰৱৰ্তী সময়ত যীচুৱে আমাক আমাৰ জীৱনত পবিত্ৰ আত্মাই পৰিবৰ্তন কৰা শক্তিৰ বিষয়ে গুৰুত্বপূৰ্ণ প্ৰাথমিক নীতিবোৰ দেখুৱাইছে।

## যীচুৱে পবিত্ৰ আত্মাৰ বিষয়ে খমিৰৰ দৃষ্টান্ত দিয়া

এই দৃষ্টান্তত যীচুৱে পবিত্ৰ আত্মাৰ পৰিবৰ্তিত শক্তিৰ বিষয়ে কৈছে। যেতিয়া আপুনি প্ৰথমবাৰৰ বাবে দৃষ্টান্তটো পঢ়িব, আপুনি আনকি ভাবিব নোৱাৰিব যে ইয়াৰ সৈতে পবিত্ৰ আত্মাৰ কিবা সম্পৰ্ক থাকিব পাৰে। আমি লূক ঃ ১৩:২০-২১ পদত খমিৰৰ বিষয়ে দৃষ্টান্তটো পঢ়িবলৈ পাওঁ ঃ

"পাছে তেওঁ আকৌ ক'লে, ঈশ্বৰৰ ৰাজ্যক কিহৰ লগত তুলনা দিম? যি খমিৰ এগৰাকী তিৰোতাই লৈ, তিনি দোন পিঠাগুড়িৰ মাজত আটাইখিনি নুফুলালৈকে ঢাকি থ'লে, তাৰ নিচিনা সেই ৰাজ্য।"

খমিৰ বিভিন্ন ধৰণৰ পিঠা বেক কৰাত ব্যৱহাৰ কৰা হয়। যেতিয়া ইয়াক ময়দা বা আটাত মিহলোৱা হয়, ই এক কিন্বন প্ৰক্ৰিয়া আৰম্ভ কৰে, যি ময়দাক কোমল আৰু পাতল কৰি তোলে। এইদৰে মানুহৰ সোৱাদৰ বাবে ইয়াক অধিক উপভোগ্য কৰি তোলা হয়।

যীচুৱে এই দৃষ্টান্তৰ জৰিয়তে কিছুমান নীতি আমাৰ বাবে স্পষ্ট কৰি দিব বিচাৰে। এইদৰে এই দৃষ্টান্তৰ সৈতে এক আশ্চৰ্যকৰ প্ৰক্ৰিয়াৰ সম্পৰ্ক আছে, যিটো অতি সৰুৰ পৰা আৰম্ভ হয় কিন্তু তাৰ পিছত এক আশ্চৰ্যজনক

ভাৱে সমাপ্তি হয়, যি দৰে কোৱা হৈছে ঃ “আটাইখিনি নুফুলালৈকে ঢাকি থ'লে।” যীচুৱে আমাৰ অহংকাৰৰ ঠাইত আমাৰ হৃদয়ত তেওঁৰ নিঃস্বাৰ্থ প্ৰেম সৃষ্টি কৰিব বিচাৰে।

মই ভাবো যীচুৱে জগতত শুভবাৰ্ত্তাৰ প্ৰভাৱ দেখুৱাব বিচাৰে। যদিও শুভবাৰ্ত্তাটো অতি কমকৈ আৰম্ভ হৈছিল, তথাপিও এইটো শেষত গোটেই জগতত বিয়পি পৰিব।

আনহাতে তেওঁ আমাক দেখুৱাইছে যে ঈশ্বৰৰ পৰিবৰ্তনশীল শক্তিয়ে পবিত্ৰ আত্মাৰ যোগেদি আমাৰ ওপৰত কেনেদৰে কাৰ্য কৰে। তেওঁ লূক ঃ ১৭:২০-২১ পদত কৈছে ঃ

“ঈশ্বৰৰ ৰাজ্য দৃশ্যৰূপে নাহে ; ইয়াতে বা সেইখিনিতে চোৱা, এনে কথা নক'ব ; কিয়নো চোৱা, ঈশ্বৰৰ ৰাজ্য তোমালোকৰ ভিতৰতে আছে।”

সেই সময়ত যীচুৰ যোগেদি ঈশ্বৰৰ ৰাজ্য তেওঁলোকৰ মাজত আহিছিল। যীচুৱে ঈশ্বৰৰ ৰাজ্য আৰু চয়তানে দুষ্টতাৰ ৰাজ্যক চিহ্নিত কৰিছিল। যেতিয়া আমি যীচুক আমাৰ উদ্ধাৰকৰ্ত্তা আৰু প্ৰভু হিচাবে গ্ৰহণ কৰো তেতিয়া আমাৰ জীৱনত ঈশ্বৰৰ ৰাজ ্য আৰম্ভ হয়। যেতিয়া আমি তেওঁত বিশ্বাসী হৈ থাকিম আৰু তেওঁ আমাৰ ভিতৰত থাকিব, তেতিয়া যীচুৰ দ্বিতীয় আগমন আমাৰ বাবে দৃশ্যমান ৰাজ্য আৰম্ভ হ'ব। এই সময়ত আমি যীচুৱে আমাৰ হৃদয়ত বাস কৰাৰ যোগেদি আমাত ঈশ্বৰৰ ৰাজ্য বৃদ্ধি হোৱা দেখিবলৈ পাওঁ আৰু যীচুৱে কেৱল পবিত্ৰ আত্মাৰ জৰিয়তেহে আমাত বাস কৰিব পাৰে। দৃষ্টান্তৰ পৰা ইয়াত গুৰুত্বপূৰ্ণ শিক্ষা দিয়া হৈছে ঃ

## পৰিবৰ্তন কৰা শক্তিয়ে নিৰবে কাম কৰে

“ঈশ্বৰৰ ৰাজ্যক প্ৰতিনিধিত্ব কৰিবলৈ খমিৰক ব্যৱহাৰ কৰা হৈছে। এইটোৱে ঈশ্বৰৰ অনুগ্ৰহক দ্ৰুত কৰা আৰু আত্মিকৰণ কৰা শক্তিক বৰ্ণনা কৰে। পৰিবৰ্তন কেৱল পবিত্ৰ আত্মাৰ যোগেদিহে কৰিব পাৰি।” ইয়াত ইয়াৰ এটা আভ্যন্তৰীণ শক্তিৰ সৈতে সম্পৰ্ক আছে যি সকলোবোৰ বিয়পি পৰে

আৰু আমাক সম্পূৰ্ণ ৰূপে পৰিবৰ্তন কৰিব পাৰে। এইদৰে ঈশ্বৰে পবিত্ৰ আত্মাৰ যোগেদি আমাৰ চৰিত্ৰক ইতিবাচক ভাৱে সলনি কৰিব বিচাৰে।

বাইবেলে আমাক দেখুৱাইছে যে পবিত্ৰ আত্মাৰ প্ৰথম উদগণি কেতিয়াবা শ্ৰৱণযোগ্য আৰু দৃশ্যমান কাৰকৰ দ্বাৰা সম্পূৰ্ণ কৰিব পাৰে। যদিহে আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হওঁ তেন্তে চৰিত্ৰৰ পৰিবৰ্তন নিৰৱে হয়। আৰু আমি পাছত অনুভৱ কৰো যে আমাৰ এক ইতিবাচক পৰিবৰ্তন হৈছে। ইলেন জি. হুৱাইট ঃ "ময়দাৰ মাজত লুকাই থকা খমিৰে গোটেই ল'দাটো ফুলাবৰ কাৰণে অদৃশ্য ভাৱে কাম কৰে ; সেইদৰে সত্যই আত্মাক পৰিবৰ্তন কৰিবলৈ গোপনে, নীৰৱে, স্থিৰভাৱে কাৰ্য কৰে। প্ৰাকৃতিক প্ৰৱণতাবোৰ কোমল আৰু নিয়ন্ত্ৰিত। নতুন চিন্তা, নতুন অনুভূতি, নতুন উদ্দেশ্যসমূহ হৃদয়ত প্ৰতিষ্ঠাপন কৰা হৈছে। চৰিত্ৰৰ এক নতুন মানদণ্ডৰে খ্ৰীষ্টৰ জীৱন স্থাপন কৰা হৈছে। মন পৰিবৰ্তন হৈছে ; দক্ষতাসমূহক নতুন আত্মাত কাৰ্য কৰিবলৈ জাগ্ৰত কৰা হৈছে। মানুহক নতুন কৰ্মদক্ষতা প্ৰদান কৰা নহয়, কিন্তু তেওঁত থকা কৰ্মদক্ষতাবোৰ শুচি কৰা হয়। বিবেক জাগ্ৰত হয়। আমি চৰিত্ৰৰ বিশেষত্বৰে সমৃদ্ধ যিয়ে আমাক ঈশ্বৰৰ সেৱা কাৰ্যৰ বাবে সক্ষম কৰে।"

কিয় ঈশ্বৰে আমাক ইমান নীৰৱে, ইমান অবোধভাৱে পৰিবৰ্তন কৰে যেতিয়ালৈকে আমি ইয়াৰ পৰিণাম দেখা নাপাওঁ? প্ৰকৃতিয়ে যেনেকৈ শীতকালৰ পৰা পুনৰ সজীৱ হৈ আহে ঠিক তেনেকৈ পৰিবৰ্তনৰ কাৰণে এটি দীঘলীয়া সময়ৰ প্ৰয়োজন নেকি? শক্তিশালী গছ, যেনে— অ'ক, সাধাৰণতে অতি লাহে লাহে বৃদ্ধি হয়। ঈশ্বৰে আমাক এনেদৰে পৰীক্ষা কৰে নেকি যে আমাৰ পবিত্ৰ আত্মাৰ প্ৰতি সঁচাকৈয়ে আকাংক্ষা আছে নে নাই? তেওঁ আমাৰ বিশ্বাসৰ পৰীক্ষা কৰে নেকি?

**আমাৰ চৰিত্ৰ সলনি কৰা শক্তি বাহিৰৰ পৰা আহে— এইটো আমাৰ ভিতৰৰ পৰা নহয়।**

প্ৰথমতে আমি অনুভৱ কৰা উচিত ঃ "কিন্তু মানুহে তেওঁৰ ইচ্ছাৰ অনুশীলনৰ দ্বাৰা নিজকে পৰিবৰ্তন কৰিব নোৱাৰে। তেওঁৰ এনে কোনো

শক্তি নাই যাৰ দ্বাৰা এই পৰিবৰ্তনক প্ৰভাৱিত কৰিব পৰা যায়। খমিৰ, সম্পূৰ্ণৰূপে বাহিৰৰ পৰা কিছু পছন্দ অনুসৰি পৰিবৰ্তন কৰাৰ আগতে আটাত মিহলি কৰিব লাগিব।" এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। যীচুৱে ইয়াত আমাক দেখুৱাইছে যে চৰিত্ৰ পৰিবৰ্তন কৰিবৰ বাবে আমাক বাহিৰৰ পৰা অহা শক্তিৰ প্ৰয়োজন। আমি যীচুৰ কথাবোৰক গুৰুত্বপূৰ্ণ বিষয় নহয় বুলি বিবেচনা কৰা উচিত নহয় ঃ "কিয়নো মোৰ বাহিৰে তোমালোকে একো কৰিব নোৱাৰা।" (যোহন ঃ ১৫:৫ পদ)।

যীচুৰ এই গুৰুত্বপূৰ্ণ পৰামৰ্শটো সাধাৰণতে আজিৰ দিনত শিকোৱাতকৈ সম্পূৰ্ণ বিপৰীত। মানৱতাবাদ হওঁক বা ৰহস্যবাদ হওঁক, মানৱ দৰ্শন হওঁক বা শিক্ষাৰ কিছুমান ক্ষেত্ৰই হওঁক, আমাৰ বিকাশৰ শক্তি আমাৰ নিজৰ ভিতৰতে আছে। এইটো কেৱল ইয়াৰ যোগেদি বা সেই পদ্ধতিৰ যোগেদি জাগ্ৰত কৰিব লাগিব। আত্ম-উপলব্ধিৰ বিষয়েও প্ৰায়ে আলোচনা কৰা হয়। পাঁচনি পৌলে নিজৰ বিষয়ে কৈছিল আৰু এইটো আমাৰ সকলোৰে বাবে প্ৰযোজ্য ঃ "কিয়নো মই জানো যে, মোত অৰ্থাৎ মোৰ মাংসত উত্তমতা বাস নকৰে.........." (ৰোমীয়া ঃ ৭:১৮ পদ)। এই পৰিস্থিতিত আত্ম-উপলব্ধিৰ ফল কি হ'ব? আমি ইয়াৰ বিষয়ে ২ তিমথী ঃ ৩:১ পদত পঢ়িব পাৰো ঃ "কিন্তু শেষকালত ভয়ঙ্কৰ সময় উপস্থিত হ'ব।" অহংকাৰৰ ৰাজত্ব হ'ব। আমাৰ বাবে আত্ম-উপলব্ধিৰ সৈতে সম্পৰ্ক নাই, বৰঞ্চ খ্ৰীষ্ট উপলব্ধিৰ সৈতে সম্পৰ্ক আছে। মূল কথাটো হৈছে যে পবিত্ৰ আত্মাই আমাত বাস কৰে আৰু আমাক ইতিবাচক ভাৱে সলনি কৰে।

"খমিৰে ঈশ্বৰৰ অনুগ্ৰহৰ দ্ৰুত, একত্ৰীকৰণ শক্তিক আলোকিত কৰে। নবীকৰণ শক্তি ঈশ্বৰৰ পৰা আহে। পৰিবৰ্তন কেৱল পবিত্ৰ আত্মাৰ দ্বাৰাহে কৰিব পাৰি।"

আমাৰ চৰিত্ৰ সলনি কৰাৰ কোনো শক্তি আমাৰ নাই। এইটো বেলেগৰ পৰা আহিব লাগিব। সেইবাবে যীচুৱে লূক ঃ ১১:৯-১৩ পদত স্পষ্টকৈ এই কথাৰ প্ৰতি মনোযোগ দিবলৈ কৈছে যে আমি পবিত্ৰ আত্মা বিচাৰিব লাগে, দৰাচলতে আমি নিৰৱচ্ছিন্ন ভাৱে পবিত্ৰ আত্মাক বিচাৰিব লাগে। এই

পৃথিৱীত যীচুৱে সময়ত তেওঁ প্ৰতিদিনে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈছিল। আমাৰ বাবে এইটো আৰু অধিক প্ৰয়োজনীয়। ঈশ্বৰে আমাক প্ৰতিদিনে পবিত্ৰ আত্মাৰ যোগেদি কি দিব বিচাৰে, তেতিয়া মই ভাবো যে আমাৰ আশ্চৰ্যজনক ঈশ্বৰে সদায় ৰাতিপুৱা আমাক সাৱটি ধৰিব বিচাৰে। ঠিক যেনেদৰে বিবাহিত দম্পতিয়ে প্ৰত্যেক ৰাতিপুৱা ইজনে সিজনক আলিঙ্গন কৰে।

**ইলেন জি. হুৱাইটে এই দৃষ্টান্তৰ বিষয়ে কৈছে** "জগতে দিব পৰা সকলো সংস্কৃতি আৰু শিক্ষাই পাপৰ অৱনমিত সন্তানক স্বৰ্গৰ সন্তান হিচাবে নিৰ্মাণ কৰাত ব্যৰ্থ হ'ব। নবীকৰণ শক্তি ঈশ্বৰৰ পৰা আহিব লাগিব। পৰিবৰ্তনটো কেৱল পবিত্ৰ আত্মাৰ দ্বাৰাহে কৰিব পাৰি। যি সকলক উদ্ধাৰ কৰা হ'ব, তেওঁলোক উচ্চ বা নিম্ন, ধনী বা দৰিদ্ৰই হওঁক এই শক্তিৰ কাৰ্যৰ অধীন হ'ব লাগিব।"

এই জ্ঞানৰ ব্যৱহাৰিক পৰিণামো আছে। এগৰাকী মহিলাই তেওঁৰ স্বামীৰ চৰিত্ৰ সলনি কৰিব পাৰে নে বা তেওঁ তাইক সলনি কৰিব পাৰে? এতিয়া মই ১ পিতৰ ঃ ৩:১-৬ পদত স্বামী-ভাৰ্য্যা বিলাকৰ বাবে দিয়া ঈশ্বৰৰ পৰামৰ্শক ভালদৰে বুজি পাওঁ। যেতিয়া ভাৰ্য্যাবিলাকে পবিত্ৰ আত্মাক তেওঁবিলাকৰ ভিতৰৰ পৰা সলনি কৰিবলৈ দিয়ে, তেতিয়া স্বামী বিলাকে "নিজ নিজ ভাৰ্য্যাৰ আচাৰ-ব্যৱহাৰৰ দ্বাৰাই অৰ্থাৎ তোমালোকৰ ভয়যুক্ত শুচি আচাৰ-ব্যৱহাৰ দেখিলে, তাৰ দ্বাৰাই বিনা বাক্যেৰে যেন তেওঁবিলাকক পোৱা যায়, এই কাৰণে বশীভূত হোৱা।" ( ১ পিতৰ ঃ ৩:১-২ পদ)। আৰু ৪ পদত ইয়াৰ বিষয়ে কোৱা হৈছে ঃ "নম্ৰ আৰু শান্ত আত্মাৰূপ অক্ষয় বস্ত্ৰ পিন্ধা যি গুপ্ত আন্তৰিক মনুষ্য, সিয়েই তোমালোকৰ ভূষণ হওঁক ; এনে আত্মাহে ঈশ্বৰৰ দৃষ্টিত বহুমূলীয়া।" আমি নিজকে প্ৰশ্ন কৰা উচিত ঃ মই কোৱা কথাবোৰ ভাল হৈছে নে? কিন্তু যেতিয়া আমি নম্ৰতা আৰু স্থিৰতাৰে জীৱন-যাপন কৰো আৰু পবিত্ৰ আত্মাৰ যোগেদি আমাৰ স্বামী (বা ভাৰ্য্যা বা সন্তান বিলাকৰ) কাৰণে প্ৰাৰ্থনা কৰো, তেতিয়া আমাৰ আশা আৰু অধিক হ'ব পাৰে। আমাক পবিত্ৰ আত্মাত প্ৰাৰ্থনা কৰিবলৈ আদেশ দিয়া হৈছে

(যিহুদা ২০ পদ)। কিছুমান ভাল খবৰ অষ্ট্ৰিয়াৰ পৰা আহিছে ঃ “যীচুৰ ওচৰত মই সম্পূৰ্ণৰূপে উৎসৰ্গা কৰাৰ পিছত, ঈশ্বৰে এক মাহৰ ভিতৰতে মোৰ জীৱন সলনি কৰিবলৈ সক্ষম হৈছিল।” ( ১৩ টা বিষয় উল্লেখ কৰা হৈছে, কিন্তু মই তাৰে ভিতৰৰ দুটা ক’ব বিচাৰো) ঃ

- মই আগতকৈ অধিক শান্ত হৈ গ’লো— মোৰ দৈনিক অনেক দায়িত্ব থকা স্বত্বেও মই অধিক শান্তভাৱে কামবিলাক কৰিব পাৰিছিলো আৰু মোৰ মানসিক চাপে আৰু কেতিয়াও পেট বেয়া কৰা নাছিলো।
- মোৰ স্বামীয়ে যোৱা তিনি সপ্তাহ ধৰি মোৰ পৰিবৰ্তন হোৱা লক্ষ্য কৰিছিল আৰু কৈছিল ঃ “তুমি এতিয়া আৰু দাঁত নাকামোৰা।”

আমি এই জ্ঞানটোক শিক্ষাত অধিককৈ অন্তৰ্ভূক্ত কৰা অনুচিত নেকি? ইলেন জি. হুৱাইটে কৈছে ঃ “আপোনাৰ সন্তান বিলাকক শিক্ষা দিয়ক যে প্ৰতিদিন পবিত্ৰ আত্মাৰ বাপ্তিষ্মা লোৱাটো তেওঁবিলাকৰ বিশেষাধিকাৰ।” আমাৰ সৰু ল’ৰা-ছোৱালী বিলাকক এইদৰে প্ৰাৰ্থনা কৰিবলৈ শিকোৱা উচিত নহয় নে ঃ স্বৰ্গত থকা পিতৃ, আজি মোক সকলোতে আপোনাক অনুসৰণ কৰিবলৈ সহায় কৰক আৰু অনুগ্ৰহ কৰি মোলৈ আপোনাৰ পবিত্ৰ আত্মা দান কৰক?

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত গ্ৰেট ব্ৰিটেনৰ প্ৰধান মন্ত্ৰী চাৰ উইনষ্টন চাৰ্চিলে কোৱা বুলি বিশ্বাস কৰা হয় ঃ আমি এটা ব্যতিক্ৰমৰ যোগেদি সকলো বিলাকৰ ওপৰত নিয়ন্ত্ৰণ লাভ কৰিছো, বিশেষকৈ মানুহৰ ওপৰত। এইটো সঠিক। কেৱল মানুহৰ প্ৰভাৱৰ দ্বাৰা মানুহক স্বাভাৱিকতে পৰিবৰ্তন কৰা নাযায়। এই কাৰ্যত এই জগতৰ বাহিৰৰ এটা শক্তি প্ৰয়োজন। এইটো ঈশ্বৰৰ শক্তিৰ সৈতে সম্পৰ্কিত, যিটো কেৱল পবিত্ৰ আত্মাৰ যোগেদি আমাৰ মাজত কাৰ্যকৰী ভাৱে কাম কৰিব পাৰে।

**আহক চ মুকৈ চ াওঁহক** আমাৰ চৰিত্ৰৰ পৰিবৰ্তনশীল শক্তি আমি নিজেই বাহিৰৰ পৰা লাভ কৰিব লাগিব। যিহেতু ঈশ্বৰৰ বাক্যই আমাক কয় যে আন্তৰিক পুৰুষ দিনে দিনে নতুন হৈ গৈছে ( ২ কৰিন্থীয়া ঃ ৪:১৬ পদ)।

এইটো প্ৰত্যেকদিনৰ কাৰণে অতি গুৰুত্বপূৰ্ণ, ৰাতিপুৱাৰ প্ৰথম কাৰ্য হৈছে পবিত্ৰ আত্মাৰ কাৰণে বিশ্বাসেৰে যাচনা কৰা।

**পবিত্ৰ আত্মাই আমাৰ হৃদয়ত প্ৰথমে তেওঁৰ কাৰ্য আৰম্ভ কৰে আৰু ইয়াৰ পিছত বাহিৰত কাৰ্য সম্পাদন কৰে ।**

ইয়াৰ পিছৰ গুৰুত্বপূৰ্ণ পাঠ, যিটো যীচুৱে খমিৰৰ বিষয়ে দৃষ্টান্তত শিক্ষা দিছিল, যিটো তলত কোৱা হৈছে । মই "দৃশ্যমান বস্তুৰ যোগেদি খ্ৰীষ্টৰ শিক্ষা" নামৰ পুস্তকখনৰ পৰা তুলি আনিছো ঃ

"যিদৰে খমিৰ, আটা বা ময়দাৰ সৈতে মিহলি কৰিলে ভিতৰৰ পৰা বাহিৰলৈকে কাম কৰে, সেইদৰে এইটো হৃদয়ৰ নবীকৰণৰ যোগেদি যি ঈশ্বৰৰ অনুগ্ৰহ জীৱনটো সলনি কৰাৰ কাৰ্য কৰে। আমাৰ ঈশ্বৰৰ সৈতে মিল হ'বৰ কাৰণে কেৱল বাহ্যিক পৰিবৰ্তন যথেষ্ট নহয়। অনেকে আছে যিসকলে বেয়া অভ্যাসবোৰ ত্যাগ কৰি নিজকে শুধৰণি কৰিবলৈ চেষ্টা কৰে আৰু তেওঁবিলাকে এইদৰে খ্ৰীষ্টিয়ান হোৱাৰ আশা কৰে তেন্তে তেওঁবিলাকে ভুল ঠাইৰ পৰা আৰম্ভ কৰিছে। আমাৰ প্ৰথম কাৰ্য হৃদয়ৰ পৰা আৰম্ভ হয়।

বিশ্বাসৰ বৃত্তি আৰু আত্মাত সত্যৰ অধিকাৰ এই দুয়োটা বেলেগ বিষয়। সত্যৰ বাবে কেৱল জ্ঞানেই যথেষ্ট নহয়। আমি অধিকাৰী হ'ব পাৰো, কিন্তু আমাৰ চিন্তাৰ ভাৱ সলনি কৰিব নোৱাৰিব পাৰো। আমাৰ হৃদয় পৰিবৰ্তন আৰু পবিত্ৰ কৰা উচিত। যি মানুহে ঈশ্বৰৰ আজ্ঞা সমূহক কেৱল বাধ্যবাধকতাৰ অনুভূতিৰে পালন কৰিবলৈ চেষ্টা কৰে, তেওঁ কেতিয়াও ঈশ্বৰৰ আজ্ঞাধীন হোৱাৰ আনন্দ লাভ কৰিব নোৱাৰে। সেইজন বাধ্যতা নহয়। যেতিয়া এজন ব্যক্তিয়ে ঈশ্বৰৰ প্ৰয়োজনীয়তা সমূহক বোজা হিচাপে গণ্য কৰে আৰু নিজ ইচ্ছা মতে চলে, তেতিয়া আমি জানো যে সেই জীৱনটো খ্ৰীষ্টিয় জীৱন নহয়। প্ৰকৃত বাধ্যতা হৈছে ঈশ্বৰৰ নীতিবোৰৰ অনুসৰি কাৰ্য কৰা। যেতিয়া আমাৰ হৃদয় পৰিবৰ্তন হয় তেতিয়া ই আমাৰ চৰিত্ৰ আৰু আমাৰ ৰূপ সলনি কৰে।

ৰালফ লুথাৰে এইদৰে কৈছিল ঃ যীচুৱে এনেকুৱা এটা বিশ্বাসৰ স্বীকৃতিৰ

কাৰণে শক্তিশালী বাক্যৰ যোগেদি বিৰোধ কৰিছিল, যিটো কেৱল আন্তৰিক ধৰ্মীয় মনোভাৱ, যিয়ে ব্যৱহাৰিক জীৱনটোক গুৰিত অপৰিবৰ্তিত কৰি ৰাখে।

সৰ্ব যুগৰ আকাংক্ষা পুস্তকখনত আমি পঢ়িবলৈ পাওঁ ঃ "এজন ব্যক্তি বা এটা আত্মাৰ আত্মিক জীৱনৰ শ্বাস-প্ৰশ্বাস হৈছে পবিত্ৰ আত্মা। আত্মা বাকি দিয়াৰ অৰ্থ হৈছে খ্ৰীষ্টৰ জীৱনটোক বাকি দিয়া অৰ্থাৎ দান কৰা। ই খ্ৰীষ্টৰ সৎ গুণবোৰৰ সৈতে গ্ৰহণ কৰোতাজনৰ সৈতে একাকাৰ হৈ মিলি যায়। ঈশ্বৰৰ দ্বাৰাই যিবিলাকক এইদৰে শিকোৱা হয় মাত্ৰ তেওঁবিলাকেহে, যিবিলাকে, নিজৰ ভিতৰত পবিত্ৰ আত্মাই কাম কৰাৰ অভিজ্ঞতা লাভ কৰে আৰু যিবিলাকৰ জীৱনত, খ্ৰীষ্টৰ জীৱনটো প্ৰতিফলিত হয় কেৱল তেওঁবিলাকেহে মণ্ডলীৰ হৈ পৰিচৰ্যা কৰিবলৈ মানুহৰ প্ৰতিনিধি হিচাবে থিয় হ'ব লাগে।"

যীচুৱে পবিত্ৰ আত্মাৰ বিষয়ে শিকোৱা মূল্যৱান শিক্ষাৰ বিষয়ে আমি চমুকৈ চাব বিচাৰো ঃ

১। পবিত্ৰ আত্মাৰ পৰিবৰ্তনশীল শক্তিয়ে আমাৰ মনত লাহে লাহে কাম কৰে। আমি প্ৰায়ে কেৱল ফলাফলবোৰহে লক্ষ্য কৰো।

২। আমাৰ জীৱনত পৰিবৰ্তনশীল শক্তি আমাৰ বাহিৰৰ পৰা আহিব লাগিব।

৩। পৰিবৰ্তনশীল শক্তি আমাৰ হৃদয়ত আৰম্ভ হয় আৰু তাৰ পিছত বাহিৰত কাৰ্য কৰে।

মই দৃঢ়ভাৱে পৰামৰ্শ দিওঁ যে, আপুনি "দৃশ্যমান বস্তুৰ যোগেদি খ্ৰীষ্টৰ শিক্ষা" পুস্তকখনত খমিৰৰ বিষয়ে লিখা দৃষ্টান্তৰ অধ্যায়টো পঢ়িব। মোৰ বাবে বহুত সহায়ক আছিল।

## যীচুৰ অন্তিম বাক্য ঃ পবিত্ৰ আত্মাক শুনা

আপুনি জানেনে যীচুৱে স্বৰ্গত তেওঁৰ সিংহাসনৰ পৰা শেষৰ দিনৰ মণ্ডলীলৈ কোৱা অন্তিম বাক্যবোৰ কি আছিল? "মণ্ডলী বিলাকলৈ আত্মাই

যি কথা কৈছে, যাৰ কাণ আছে, তেওঁ তাক শুনক।" (প্ৰকাশিত বাক্য ঃ ৩:২২ পদ)।

## মোক সলনি কৰা!?

যীচুৱে মোক সঁচাকৈয়ে সলনি কৰিব পাৰিব নে? এটা সুন্দৰ পেইন্টিংক উদাহৰণ হিচাবে লওঁ আহক। ইয়াৰ মূল্য ব্যৱহৃত সামগ্ৰীৰ মানদণ্ডৰ পৰা নাহে। এজন পাৰ্গত লোকে হাতত কেৱল অলপ ৰং লৈ, সেইটো কেতিয়াবা নিম্ন মানদণ্ডৰ হ'ব পাৰে, তাৰ পৰাই এক মূল্যৱান চিত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰে। আমাৰ এটা পাপ প্ৰকৃতি আছে। এইটো গুৰুত্বপূৰ্ণ যে এই "কাৰ্যটো" এজন মহান শিল্পীৰ দ্বাৰা কৰা হৈছে।

যীচুৱে এইটো কৰিবলৈ বিচাৰে আৰু তেওঁ এইটো কৰিবলৈ সক্ষম। তেওঁ আপোনাক আৰু মোক এনেৰূপে নিৰ্মাণ কৰিব বিচাৰে যাতে তেওঁক সন্মান কৰে। নিজকে সম্পূৰ্ণৰূপে প্ৰতিদিনে তেওঁৰ হাতত সোধাই দিয়ক আৰু পবিত্ৰ আত্মাৰ বাবে বিশ্বাসেৰে যাচনা কৰক। আপোনাৰ জীৱনত আৰু আপোনাৰ যোগেদি, আপোনাৰ বাবে তেওঁ কি কৰিব পাৰে, তাক জানি আপুনি আচৰিত হ'ব।

এজন বৃদ্ধ ভিক্ষাৰীয়ে লণ্ডনৰ লণ্ডন ব্ৰীজৰ ওপৰত তেওঁৰ ভায়োলিন বজাই আছিল। তেওঁৰ পুৰণি টুপীত মাত্ৰ কেইটামান মুদ্ৰা আছিল। এজন ব্যক্তিয়ে তেওঁৰ ওচৰৰ পৰা পাৰ হৈ গৈছিল, কিন্তু তাৰপিছত তেওঁ পুনৰাই ঘূৰি আহি তেওঁক ক'লে ঃ মোক এক মিনিটৰ বাবে আপোনাৰ ভায়োলিনটো দিয়কচোন। ইয়াৰ পিছত মানুহজনে ভায়োলিনটো লৈ ইমান ধুনীয়াকৈ বজাবলৈ আৰম্ভ কৰিছিল যে সকলো মানুহ শুনিবলৈ ৰৈ গৈছিল। আনকি যান-বাহনৰ চলাচলও স্থবিৰ হৈ পৰিছিল। মানুহজন নিকোলো পাগনিনি আছিল। আপোনাৰ ওচৰত সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে, আপোনাৰ জীৱনৰ প্ৰথম ভায়োলিনটো নিজে বজাব নে আপুনি মহান গুৰুৰ হাতত ভায়োলিনটো দিব।

# এগৰাকী শিক্ষক আৰু তেওঁৰ এজন শিক্ষাৰ্থীৰ ব্যক্তিগত সাক্ষ্য ঃ

যেতিয়া এইচ. হাউবেইলৰ পৰা "ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ" নামৰ পুস্তকখন প্ৰায় এবছৰৰ আগতে মোৰ ঘৰৰ ওচৰৰ মণ্ডলীত দিয়া হৈছিল, মই এই পুস্তকখন অতি সোনকালে পঢ়িছিলো। ইতিমধ্যে এই কিতাপখন পঢ়ি থাকোতে মই ঈশ্বৰৰ সৈতে আগতকৈ অধিক অভিজ্ঞতা লাভ কৰিছিলো। এইটোৱে মোক অধিক আকৰ্ষিত আৰু উৎসাহিত কৰিছিল।

পুস্তকখনৰ পৰিশিষ্টত মই নিম্নলিখিত পৰমৰ্শটো বিচাৰি পাইছিলো ঃ "শিক্ষা বিষয়ক গৱেষণাই দেখুৱাইছে যে আমি ভালদৰে বুজি নোপোৱালৈকে এটা গুৰুত্বপূৰ্ণ বিষয় ছয়ৰ পৰা দহবাৰ লৈকে পঢ়া বা শুনা প্ৰয়োজন।"

এই উৎসাহজনক বাক্যবোৰে মোৰ মনোযোগ আকৰ্ষণ কৰিছিল ঃ "কমেও এবাৰ চেষ্টা কৰক। ফলাফলে আপোনাক সৈমান কৰাব।"

মই এই মুগ্ধ কৰা ফলাফলৰ অভিজ্ঞতা লাভ কৰিব বিচাৰিছিলো আৰু ইতিমধ্যে তৃতীয়বাৰ পঢ়াৰ সময়তে এইটোৱে মোক মুগ্ধ কৰিছিল ; আৰু মই আমাৰ ত্ৰাণকৰ্ত্তাৰ বাবে এক মহান প্ৰেম উপলব্ধি কৰিছিলো, যিজনাৰ কাৰণে গোটেই জীৱন আগ্ৰহী আছিলো। দুমাহৰ ভিতৰত মই এই পুস্তকখন ছয়বাৰ পঢ়িছিলো আৰু ইয়াৰ ফলাফল অতি মূল্যৱান আছিল।

এইটো এনেকুৱা আছিল যে, যীচু যেতিয়া আমাৰ ওচৰলৈ আহিব আৰু আমি তেওঁৰ শুদ্ধ, দয়ালু আৰু মৰমীয়াল চকুবোৰলৈ চাই কি ঘটিব তাক যদি আমি বুজিবলৈ পাৰিলোহেঁতেন। তেতিয়াৰে পৰা মই আমাৰ উদ্ধাৰকৰ্ত্তাৰ এই আনন্দৰ অবিহনে থাকিব বিচৰা নাছিলো।

যেতিয়া মই ৰাতিপুৱা সাৰ পাইছিলো, তেতিয়া মই ঈশ্বৰৰ সৈতে পুনৰ সহভাগিতা লাভ কৰাৰ বাবে ৰাতিপুৱা উপাসনা কৰাৰ বাবে মই অতি আগ্ৰহী হৈছিলো আৰু গোটেই দিন নিৰৱে প্ৰাৰ্থনা কৰিছিলো যাতে পবিত্ৰ আত্মাই মোক কথোপকথনৰ সময়ত, মোৰ চিন্তাত, মোৰ জীৱন-যাপনত শিক্ষা দিয়া আৰু যোগাযোগৰ ক্ষেত্ৰত সহায় কৰে।

যেতিয়া এজন শিক্ষাৰ্থীয়ে মনোযোগ নিদিয়ে আৰু কামত ব্যাঘাত দিয়ে তেতিয়া তেওঁৰ সৈতে সঠিক ব্যৱহাৰ কৰাৰ বাবে ঈশ্বৰে মোক শক্তি আৰু জ্ঞান দান কৰিছিল।

তেতিয়াৰে পৰা মোৰ কামৰ দিনবোৰত সৃষ্টিকৰ্ত্তাৰ উপস্থিতিৰ পৰিপূৰ্ণতা লাভ কৰিছো। তেওঁ মোক মোৰ জীৱনৰ সকলো ক্ষেত্ৰতে আক্ষৰিক ভাৱে সহায় কৰে। তেতিয়াৰে পৰা মই ৰাতিপুৱা আৰু সময় পালেই পবিত্ৰ আত্মা দান কৰাৰ বাবে প্ৰাৰ্থনা কৰো। সকলো সময়তে মোৰ অনুভৱ হয় যে মই স্বৰ্গৰ অতি ওচৰত আছো আৰু ইতিমধ্যে স্বৰ্গ কেনেকুৱা হ'ব তাৰ কিছু আস্বাদ ল'ব পাৰিছো।

এই সৰু পুস্তকখনি যেতিয়া মই পঢ়ি আছিলো তেতিয়া মোৰ মনলৈ এটা চিন্তা আহিল যে বিদ্যালয়ত থকা মোৰ শিক্ষাৰ্থী সকলেও এই অভিজ্ঞতাৰ বিষয়ে আনক জনোৱা উচিত। মই অষ্ট্ৰেলিয়াৰ ভোৰালবাৰ্গ অঞ্চলৰ আমাৰ এড্‌ভেন্টিষ্ট স্কুল এলিয়াত ১০ৰ পৰা ১৫ বছৰীয়া ল'ৰা-ছোৱালী বিলাকক শিকাওঁ। গতিকে মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছিলো যে তেওঁ এই কাৰ্যৰ কাৰণে মোক সুযোগ দিয়ে। অতি সোনকালেই মই মোৰ আটাইতকৈ আশ্চৰ্যজনক অভিজ্ঞতা লাভ কৰিছিলো যিটো হৈছে কেনেকৈ পবিত্ৰ আত্মাই যুৱক-যুৱতী সকলৰ হৃদয়ত কাম কৰিব পাৰে।

## ৰাফিয়ান নামৰ এজন ১৩ বছৰীয়া ল'ৰা আৰু পবিত্ৰ আত্মা

এই অভিজ্ঞতাটো এক বছৰ আগতে আৰম্ভ হৈছিল, যেতিয়া মই পবিত্ৰ আত্মাৰ বিষয়ে লিখা এই পুস্তকখন পঢ়িছিলো। এজন নতুন শিক্ষাৰ্থী আমাৰ বিদ্যালয়লৈ আহিছিল আৰু কেইদিনমানৰ ভিতৰতে আমাৰ শান্তিপূৰ্ণ শ্ৰেণীকক্ষটো মাৰপিট কাজিয়াৰ কোঠালৈ পৰিণত হ'ল। ল'ৰাটোৰ বয়স তেতিয়া মাত্ৰ ১৩ বছৰ আছিল, তেওঁ সকলো ল'ৰা-ছোৱালীৰ ভিতৰত ডাঙৰ আছিল আৰু শক্তিও বেছি আছিল। বিদ্যালয়ৰ কৰ্ম জীৱনত বহুখিনি কথা শিকিছিলো আৰু বহুতো ভাল ফল লাভ কৰিছিলো আৰু সেই সকলোবোৰ এক মুহূৰ্ত্ততে নাইকিয়া হোৱা যেন লাগিছিল।

তেওঁ নিজেই এই বিষয়ে কোৱা শুনোহঁক ঃ যেতিয়া মই এই বিদ্যালয়খনলৈ আহিছিলো, তেতিয়া মোৰ কোনো ধাৰণা নাছিল যে মোৰ বাবে কি অপেক্ষা কৰি আছে। স্কুলৰ দ্বিতীয় দিনাই মই মোৰ এজন সহপাঠীৰ ওপৰত ভীষণ খং উঠিছিলো, চিঞৰিছিলো আৰু কাজিয়া আৰম্ভ কৰিছিলো। যদিও তেওঁ মোৰ তুলনাত যথেষ্ট দুৰ্বল আছিল তথাপিও মই তেওঁক জোৰেৰে আঘাত কৰিছিলো, গালি পাৰিছিলো আৰু তেওঁক পুনৰ কেতিয়াও চাবলৈ বিচৰা নাছিলো।

পিছত মই ভুলটো অনুভৱ কৰিছিলো আৰু তেওঁৰ ওচৰত ক্ষমা বিচাৰিছিলো। ঠিক যিদৰে মই অতীতত সদায়েই কৰি আহিছো। তাৰ পিছত প্ৰধান শিক্ষকে মোক মাতিছিল আৰু মোৰ সৈতে কথা পাতিছিল। পিছৰ মাহত মোৰ এটা পৰিবৰ্তন আৰম্ভ হ'ল। এইটো আচৰিত যে, এই প্ৰক্ৰিয়াটো এতিয়াহে আৰম্ভ হৈছে কিন্তু মই এজন পাষ্টৰৰ ল'ৰা আছিলো। মই যীচুৰ সৈতে আৰু অধিক সময় কটাবলৈ আৰম্ভ কৰিলো।

মই ভাবিছিলো যে এই যুৱকজনক অতিৰিক্ত বিশেষ মনোযোগ দিয়াৰ প্ৰয়োজন হ'ব। তেওঁ তেওঁৰ বিফলতাৰ বিষয়ে অৱগত আছিল, এই কাৰণে অনুশোচনা কৰিছিল আৰু পুনৰ চেষ্টা কৰিছিল, কিন্তু তেওঁৰ নিজৰ শক্তিত দীৰ্ঘদিনৰ বাবে সফলতা ধৰি ৰাখিব পৰা নাছিল। আগতে তেওঁ খুব কমেই এটা দিন কাজিয়া নকৰাকৈ পাৰ কৰিছিল কিন্তু লাহে লাহে তেওঁ ধৈৰ্যশীল হৈছিল আৰু ভাল ব্যক্তি হৈ গৈছিল।

ছয় মাহৰ পিছত তেওঁ কৈছিল যে, তেওঁ ভাবিছিল প্ৰাৰ্থনাই তেওঁক ঈশ্বৰৰ ওচৰলৈ লৈ আহিছে। ইতিমধ্যে তেওঁ ঈশ্বৰৰ পৰা শক্তি পাবৰ কাৰণে প্ৰতিদিনে ৰাতিপুৱাই প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিছিল। ক্ৰোধ আৰু কাজিয়া কৰা লাহে লাহে কমি আহিছিল।

তেওঁ আমাৰ বিদ্যালয়লৈ অহা প্ৰায় এঘাৰ মাহ পাৰ হৈ গৈছিল আৰু আমি তেওঁত অধিক উন্নতি দেখিবলৈ পাইছিলো। কিন্তু তেওঁৰ খং, খঙত অবাইচ গালি-শপনি পৰা আৰু মুষ্ঠিবদ্ধ হাত তেতিয়াও সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণত অহা নাছিল।

এইটো অতি স্বাভাৱিক আছিল— তেওঁ নিজৰ শক্তি আৰু বুদ্ধিৰে জিকিবলৈ চেষ্টা কৰিছিল, যিটো কেতিয়াবা কামত আহিছিল আৰু কেতিয়াবা একেবাৰে কামত অহা নাছিল। আমাৰ প্ৰাৰ্থনাৰ ফলত কিছু সফলতা লাভ কৰিছিল, কিন্তু তেওঁৰ মনোভাৱ এতিয়াও সঠিক নাছিল আৰু পবিত্ৰ আত্মাৰ নবীকৰণকাৰী শক্তিৰ অভাৱ আছিল।

যেতিয়া এজন ব্যক্তিয়ে তেওঁলোকৰ ভুলবোৰ দেখে, তেওঁলোকৰ খং নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে আৰু পৰৱৰ্ত্তী সময়ত পুনৰ বিফল হয়, তেতিয়া এইটো কি লাভ হ'ব? ঠিক সেই সময়ত মই অনুভৱ কৰিব পৰিছিলো যে মই বিভ্ৰান্ত হোৱাৰ অন্তিম চৰণত আছো, সেই সময়ততে মই "ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ" পুস্তকখন পাইছিলো। এইটো একেবাৰে উপযুক্ত সময়ত মোৰ হাতত আহি পাইছিল। তেতিয়া মই অনুভৱ কৰিলো যে আমি কি হেৰুৱাই আছো। এয়া আছিল পবিত্ৰ আত্মাৰ শক্তি। আমি আনকি তেওঁক আমাক সহায় কৰিবলৈও কোৱা নাছিলো।

যিহেতু মই "ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ" পুস্তকখনৰ বাৰ্ত্তাৰ যোগেদি অনুপ্ৰাণিত হৈছিলো, সেইকাৰণে মই তেওঁক সুধিবলৈ সাহস পাইছিলো যে তেওঁ কেতিয়াবা পবিত্ৰ আত্মাৰ বাবে প্ৰাৰ্থনা কৰিছিল নে। নহয় তেওঁ তেতিয়াও কৰা নাছিল। তেতিয়া মই পুস্তকখনৰ প্ৰতি তেওঁৰ আগ্ৰহ জগাই তুলিবলৈ চেষ্টা কৰিছিলো। যদিও মই তেওঁক এই পুস্তকখন দিয়া নাছিলো। তেওঁ সঁচাকৈয়ে এই পুস্তকখন বিচাৰিব লাগিব। আৰু তেওঁ অতি সোনকালেই পুস্তিকাখন বিচাৰিছিল।

পুনৰায় তেওঁৰ নিজৰ মুখেৰে কোৱা কথা শুনক ঃ " ২০১২ চনৰ নৱেম্বৰ মাহত মোৰ শিক্ষকে মোক "ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ" পুস্তিকাখন দিছিল। মই আগ্ৰহেৰে এইটো পঢ়িবলৈ আৰম্ভ কৰিলো। সেই সময়ত মই পবিত্ৰ আত্মাৰ কাৰ্যৰ সৈতে সঁচাকৈয়ে পৰিচিত নাছিলো।"

প্ৰথম দিনাই তেওঁ প্ৰায় দুটা অধ্যায় পঢ়ি শেষ কৰিছিল, আৰু ইয়াৰ পিছত তেওঁ মোক সুধিছিল যে মই কিতাপখন কিমানবাৰ পঢ়িছিলো। তেওঁ

লগে লগে অধ্যায়বোৰ পুনৰ পঢ়িবলৈ আৰম্ভ কৰিলে আৰু পুস্তকখনত যি পৰামৰ্শ দিয়া আছিল সেইবোৰ অনুসৰণ কৰিবলৈ চেষ্টা কৰিছিল ঃ পুস্তকখন ৬ৰ পৰা ১০ বাৰ পঢ়ক।

তেতিয়াৰ পৰা তেওঁৰ জীৱনত অনেক পৰিবৰ্তন দেখা গৈছিল। ডিচেম্বৰ ২০১২ ৰ পৰা আৰু কোনো মুষ্ঠিযুদ্ধ বা কাজিয়া কৰা নাছিল— মই এইটো বিশ্বাস কৰিব পৰা নাছিলো। তেওঁ প্ৰতিদিনে মাৰপিট কৰা ল'ৰাবোৰ তেওঁৰ বন্ধু হৈ পৰিছিল আৰু তেওঁলোকৰ সৈতে মিলাপ্ৰীতিৰে থাকিবলৈ লৈছিল।

তেওঁ সম্পূৰ্ণৰূপে সলনি হৈছিল— তেওঁৰ উগ্ৰ স্বভাৱৰ পৰিবৰ্তে এতিয়া তেওঁ নম্ৰ, ভদ্ৰ আৰু শান্তশিষ্ট স্বভাৱৰ হৈ পৰিছিল। তেওঁৰ সহপাঠী সকলে নিশ্চিত কৰিছিল যে তেওঁৰ জীৱনত ঈশ্বৰে কাৰ্য কৰিছিল। আপুনিও প্ৰতিদিনে ইয়াৰ প্ৰভাৱসমূহ দেখা পাব পাৰে। ঈশ্বৰৰ গৌৰৱৰ বাবে মই উল্লেখ কৰিব বিচাৰো যে, এই ল'ৰাজনে ২০১৩ চনৰ জুন মাহত বাপ্তিস্মা লোৱাৰ সিদ্ধান্ত লৈছিল। এইটো পবিত্ৰ আত্মাৰ কাৰ্য নহয় নে?

মই সদায়ে ভাবিছিলো যে মই যিকোনো ল'ৰা-ছোৱালীক পৰিচালনা কৰিব পাৰো আৰু যুক্তি দি বুজাব পাৰো। ধৈৰ্য, মনোযোগ আৰু অনেক কথাৰ যোগেদি এইটো কৰিব পাৰো, কিন্তু এইটো দীৰ্ঘদিন কাম নকৰিলে। ইয়াত ঈশ্বৰে হস্তক্ষেপ কৰিব লগা হৈছিল আৰু মোক শিকাইছিল যে কেৱল তেওঁৰ আত্মাই অসম্ভৱক সম্ভৱ কৰি তুলিব পাৰে।

কোনোবা এদিন যেতিয়া এই ল'ৰাজন স্বৰ্গত যাব, তেতিয়া মই জানিব পাৰিম যে ঈশ্বৰে তেওঁৰ হৃদয়ত কিদৰে কাৰ্য কৰিছিল। যেতিয়া মোৰ জ্ঞানে কাম কৰা নাছিল আৰু তেতিয়া মই শেষত বুজি পাইছিলো যে মই তেওঁক পথ প্ৰদৰ্শন কৰিব নোৱাৰো, তেতিয়া ঈশ্বৰে তেওঁৰ ওপৰত গঠনমূলক কাৰ্য কৰিবলৈ আৰম্ভ কৰিলে। এই ঘটনাটোৱে মোক উপলব্ধি কৰিবলৈ সহায় কৰিলে যে, ঈশ্বৰৰ বাবে সকলো সফল কৰা সম্ভৱ।

**প্ৰাৰ্থনা ঃ** *স্বৰ্গত থকা পিতৃ, যীচুৱে পবিত্ৰ আত্মাক বিচাৰিবলৈ জৰুৰী আমন্ত্ৰণ জনোৱাৰ বাবে আপোনাক ধন্যবাদ দিওঁ। পবিত্ৰ আত্মাৰ অভাৱৰ কাৰণে মই অনুভৱ কৰা লোকচানৰ বাবে মই দুঃখিত। যীচুৱে যাতে মোৰ হৃদয়ত বাস কৰিব পাৰে তাৰ বাবে মোক ঐশ্বৰিক সহায়ৰ প্ৰয়োজন আৰু মোৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে মোক তেওঁৰ সহায়ৰ প্ৰয়োজন। পবিত্ৰ আত্মাই মোৰ চৰিত্ৰ সলনি কৰিবৰ বাবে আৰু মোক ঈশ্বৰৰ ৰাজ্যৰ বাবে যোগ্য কৰি তুলিব পাৰে তাৰ বাবে ধন্যবাদ। মই আৰু মোৰ যি আছে সেই সকলোবোৰৰ সৈতে সম্পূৰ্ণ ৰূপে আপোনাৰ ওচৰত নিজকে সমৰ্পণ কৰিছো। মোক গ্ৰহণ কৰাৰ বাবে আৰু আপোনাৰ আশীৰ্বাদ দান কৰাৰ বাবে ধন্যবাদ জনাওঁ আৰু পবিত্ৰ আত্মাৰ বিষয়ে জ্ঞান বৃদ্ধি কৰাত মোক সহায় কৰক। আমেন।*

——

## ২য় অধ্যায়

# আমাৰ সমস্যাবোৰৰ কাৰণ কি ?

***আমাৰ সমস্যাৰ মূলত কি বা আত্মিক কাৰণ আছে নেকি ? সেই কাৰণটো পবিত্ৰ আত্মাৰ অভাৱৰ কাৰণে নেকি ?***

## অভাৱৰ কাৰণসমূহ ঃ

পবিত্ৰ বাইবেলৰ উত্তৰ হৈছে ঃ *"তোমালোকে অভিলাষ কৰা, কিন্তু নোপোৱা ; তোমালোকে নৰ-বধ আৰু ঈৰ্ষা কৰা, তথাপি কৃতাৰ্থ হ'ব নোৱাৰা ; তোমালোকে বিৰোধ ৰণ-যুদ্ধ কৰা। তোমালোকে নোপোৱা, কাৰণ তোমালোকে যাচনা নকৰা ; যাচনা কৰিলেও নোপোৱা ; কিয়নো কুভাবেৰে, অৰ্থাৎ নিজ নিজ সুখাভিলাষত ব্যয় কৰিবৰ কাৰণেহে যাচনা কৰা।"*যাকোব ঃ ৪:২-৩ পদ।

আমাৰ প্ৰভু যীচুৱে আমাক পবিত্ৰ আত্মাৰ কাৰণে প্ৰেমেৰে আৰু অবিৰত ভাৱে যাচনা কৰিবলৈ আমন্ত্ৰণ জনাইছে। (লূক ঃ ১১:৯-১৩)। আমি উপলব্ধি কৰিব পাৰিছো যে আমি এইটো অবিৰত ভাৱে কৰিব লাগিব। এই পুস্তকৰ তৃতীয় অধ্যায়ত ইয়াৰ বিষয়ে আৰু অধিক বিতং ভাৱে অধ্যয়ন কৰিম।

"তেওঁলোকে খ্ৰীষ্টৰ বিষয়ে আৰু পবিত্ৰ আত্মাৰ বিষয়ে কয় কিন্তু তথাপিও ইয়াৰ পৰা কোনো ধৰণে লাভৱান নহয়। এনেবিলাক মানুহে ঐশ্বৰিক প্ৰতিনিধিয়ে তেওঁলোকক নিয়ন্ত্ৰণ কৰি সত্যৰ পথত আগুৱাই নিব

পৰাকৈ নিজ নিজ আত্মাক সমৰ্পণ নকৰে।" (ইলেন জি. হুৱাইট : *সৰ্বযুগৰ আকাংক্ষা, ৬৭২ পৃষ্ঠা*)।

আমি কিছু সময়ৰ পৰা আত্মিক জাগৰণৰ বাবে প্ৰাৰ্থনা কৰি আছো। এইটো অতি গুৰুত্বপূৰ্ণ। ইলেন জি. হুৱাইটে কৈছিল : "বৰ্তমান সময়ৰ মণ্ডলী সমূহ পবিত্ৰ আত্মাৰ দ্বাৰাই বাপ্তিষ্মা লোৱাটো অতি প্ৰয়োজন।" "যিহেতু পবিত্ৰ আত্মাই একমাত্ৰ উপায় যিজনৰ যোগেদি আমি শক্তি লাভ কৰিব পাৰো তেনেহ'লে আমি কিয় পবিত্ৰ আত্মাৰ বৰৰ কাৰণে ভোক আৰু পিয়াহ অনুভৱ নকৰো? আমি কিয় পবিত্ৰ আত্মাৰ বিষয়ে নকওঁ আৰু প্ৰাৰ্থনা নকৰো?" *(ইলেন জি. হুৱাইট, টেষ্টিমনিজ ফৰ দ্যা চাৰ্চ, খণ্ড ৮, ২২ পৃষ্ঠা)।*

আমাৰ আত্মিক জাগৰণৰ কাৰণে প্ৰাৰ্থনা কৰো এইটো বৰ ভাল কথা কিন্তু আমি কেৱল ইয়াৰ কাৰণে প্ৰাৰ্থনা কৰিলেই নহ'ব, মাৰ্ক ফিললেৰ মতে, "আত্মিক জাগৰণৰ কাৰণে বাইবেল ভিত্তি উপাদানবোৰ চৰ্চা কৰিব লাগিব।" ব্যক্তিগত জাগৰণৰ বাবে এটা খোজ ল'বলৈ মই আপোনাক আমন্ত্ৰণ জনাব পাৰোনে? অনেকৰ জীৱনত এই বিষয়টোৱে হয়তো শক্তিশালী আৰু পৰিপূৰ্ণতা জীৱনৰ দিশে পৰিচালিত কৰিব।

কাম আৰম্ভ কৰিবৰ বাবে, আমি সমস্যা বিলাক চিহ্নিত কৰিব বিচাৰো। আমি এইটো সম্পূৰ্ণ ৰূপে কৰিব বিচাৰো ; অন্যথা আমি পৰিবৰ্তনৰ প্ৰয়োজন নাই বা গুৰুত্বপূৰ্ণ নহয় বুলি বিবেচনা কৰাৰ এটা ভয় থাকিব। তাৰ পিছত আমি ঈশ্বৰে দিয়া সমাধাৰ প্ৰতি লক্ষ্য ৰাখিব বিচাৰো, যিয়ে আমাক আশ্চৰ্যজনক আশীৰ্বাদ প্ৰদান কৰে আৰু শেষত, আমি কেনেকৈ এইটো ৰূপায়ণ কৰিব পাৰো আৰু ইয়াৰ পৰা অভিজ্ঞতা লাভ কৰিব পাৰো তাৰ বিষয়ে চাম।

আমাৰ বাবে পবিত্ৰ আত্মাৰ অভাৱে এইটো প্ৰকাশ নকৰে যে আমি যি কৰিলো আৰু যি কৰিছো সেই সকলোবোৰ অসাৰ। অনেক উত্তম উত্তম পৰিকল্পনা আৰু কাৰ্যসূচী আগেও আছিল আৰু এতিয়াও আছে। ঈশ্বৰে নিশ্চিতভাৱে মানুহৰ প্ৰচেষ্টাক আশীৰ্বাদ কৰে। কিন্তু আমি যেতিয়া প্ৰকৃততে

পবিত্ৰ আত্মাৰ সৈতে আৰু অধিক ঘনিষ্ঠ হৈ জীৱন-যাপন কৰিম তেতিয়া ফলাফলবোৰ কিমান সাফল্য হ'ব আৰু পৰিস্থিতি কিমান ভাল হ'ব, সেইয়া কেৱল ঈশ্বৰহে জানে।

হেনৰি টি. ব্লেকবাই যিদৰে বিষয়টো প্ৰকাশ কৰিছে ঃ "যি লোকসকল ঈশ্বৰৰ প্ৰতি সমৰ্পিত তেওঁলোকে ছয় মাহত যিমান কৰিব পাৰে, তেওঁৰ অবিহনে ষাঠি বছৰতো সিমান কৰিব নোৱাৰে।"

এইটো হৈছে ঈশ্বৰৰ পৰিচালনাত তৎক্ষণাৎ সঠিক পথলৈ যোৱা আৰু এনেদৰে অধিক কাৰ্যকৰী হোৱাৰ প্ৰশ্ন। এইটো ঠিক সেই সময়ত হয় যেতিয়া আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হওঁ।

**উদাহৰণঃ** কোনো এজন ব্যক্তিয়ে উপাসনাত উপদেশ দিয়ে আৰু তেওঁ কোৱা কথাখিনি হয়তো কোনেও শুনা নাই। হয়তো কেইজনমানে শুনিলে অথবা এনেকুৱাও হ'ব পাৰে সকলোৱেই বাৰ্ত্তাটো গ্ৰহণ কৰিলে। যদি বহুতে বা সকলোৱে বাৰ্ত্তাটো গ্ৰহণ কৰে আৰু ইয়াক কাৰ্যকৰী কৰে, তেন্তে এইটো যথেষ্ট ফলপ্ৰসূ হ'ব। আৰু এইটো পবিত্ৰ আত্মাই দান কৰে।

## তিনি ধৰণৰ লোক আৰু ঈশ্বৰৰ সৈতে তেওঁবিলাকৰ ব্যক্তিগত সম্পৰ্ক

ঈশ্বৰৰ বাক্যই ঈশ্বৰৰ সৈতে থকা ব্যক্তিগত সম্পৰ্কৰ ভিত্তিত লোক বিলাকক তিনিটা ভাগত বিভক্ত কৰে। এই প্ৰতিটো গোটৰ ভিতৰত পিতৃ-মাতৃ, চৰিত্ৰ, নিজৰ নিজৰ প্ৰশিক্ষণ, বয়স, সংস্কৃতি, শিক্ষা আদিৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ধৰণৰ ৰূপভেদ কৰা হৈছে। কিন্তু সকলো ধৰণৰ পাৰ্থক্য থকা স্বত্বেও **ঈশ্বৰৰ প্ৰতি কেৱল তিনিটা মৌলিক বৈশিষ্ট্য আছে**

- কোনো সম্পৰ্ক নাই— বাইবেলে ইয়াক স্বাভাৱিক মানুহ বুলি কয়।
- সম্পূৰ্ণ, প্ৰকৃত সম্পৰ্ক— বাইবেলে এনেধৰণৰ লোকক আত্মিক লোক বুলি কয়।

- বিভক্ত বা মিছা সম্পৰ্ক— বাইবেলে এনেধৰণৰ লোকক **মাংসিক বা জাগতিক লোক** বুলি অভিহিত কৰে।

ঈশ্বৰৰ বাক্যত স্বাভাৱিক, আত্মিক আৰু মাংসিক শব্দবোৰ এই স্বভাৱৰ ক্ষেত্ৰত মূল্যাংকণ নহয়। কেৱল ঈশ্বৰৰ সৈতে এজন ব্যক্তিৰ ব্যক্তিগত সম্পৰ্ক বৰ্ণনা কৰে।

এই তিনি ধৰণৰ লোকৰ কথা ১ কৰিন্থীয়া ঃ ২:১৪-১৬ আৰু ১ কৰিন্থীয়া ঃ ৩:১-৪ পদত বৰ্ণনা কৰা হৈছে। এতিয়া আমি অতি সংক্ষেপত স্বাভাৱিক মানুহৰ স্বভাৱৰ বিষয়ে আলোচনা কৰিম। তেওঁ পৃথিৱীতেই বাস কৰে। মণ্ডলীত থকা দুই ধৰণৰ বা দলৰ লোকৰ ওপৰত এবাৰ চকু ফুৰালে আমাক বুজাত সহায় কৰিব যে সমস্যাটো মুখ্যতঃ ক'ত লুকাই আছে। উপলব্ধি কৰিব লগা আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল আপুনি কোনটো দলত অন্তৰ্ভূক্ত। এনেদৰে আমাৰ পৰীক্ষাই নিজকে চিনাক্ত কৰাত সহায় কৰে। আমি আনৰ জীৱনৰ ওপৰৰ নহয় কিন্তু আমাৰ নিজৰ জীৱনৰ ওপৰত এবাৰ চকু দিব বিচাৰো।

**যি কোনো এটা দলৰ অন্তৰ্ভূক্ত হ'বৰ বাবে বৈশিষ্টবোৰ কি কি ?** আমি নিশ্চিত যে, এই তিনিওটা দলতে পবিত্ৰ আত্মাৰ সৈতে তেওঁলোকৰ ব্যক্তিগত সম্পৰ্কৰ ভিত্তিতেই পদমৰ্যাদা প্ৰতিষ্ঠিত হয়।

## স্বাভাৱিক লোক

"কিন্তু স্বাভাৱিক মানুহে ঈশ্বৰৰ আত্মাৰ কথা গ্ৰাহ্য নকৰে ; কিয়নো তেওঁৰ মানত মূৰ্খতা আৰু তেওঁ সেই কথাৰ তত্ত্বও পাব নোৱাৰে ; কিয়নো আত্মিক ৰূপেহে তাৰ বিচাৰ কৰা হয়" ( ১ কৰিন্থীয়া ঃ ২:১৪ পদ)।

স্বাভাৱিক মানুহৰ প্ৰকৃততে পবিত্ৰ আত্মাৰ সৈতে কোনো সম্পৰ্ক নাই। তেওঁ জাগতিক মানসিকতাৰ সৈতে জগতত বাস কৰে আৰু তেওঁ ঈশ্বৰৰ বিষয়ে জানিবলৈ একেবাৰে আগ্ৰহী নহয় অথবা কেতিয়াবাহে হয়তো ঈশ্বৰৰ বিষয়ে জানিবলৈ বিচাৰে।

## মণ্ডলীৰ আত্মিক আৰু মাংসিক লোকসকল

এই দুই দলৰ লোক সকলৰ বিষয়ে ১ কৰিন্থীয়া ২ আৰু ৩ অধ্যায়ত একেদৰে ৰোমীয়া ঃ ৮:১-১৭ পদত আৰু গালাতীয়া ৪ আৰু ৬ অধ্যায়তো বৰ্ণনা কৰা হৈছে। আমি মন কৰিব লাগিব যে এই দুটা দলৰ চৰ্ত হৈছে পবিত্ৰ আত্মাৰ সৈতে তেওঁলোকৰ সম্পৰ্ক। সেয়েহে ঈশ্বৰে এইটো নিৰ্দ্ধাৰণ কৰিছে যে পবিত্ৰ আত্মাই হৈছে স্বৰ্গৰ সৈতে আমাৰ সম্পৰ্কৰ একমাত্ৰ মাধ্যম। (সৰ্বযুগৰ আকাংক্ষা, পৃষ্ঠা - ৩২২ ; মথি ঃ ১২:৩২ পদ)। “পবিত্ৰ আত্মাৰ যোগেদি প্ৰভাৱিত হ’বৰ কাৰণে হৃদয়ক অৱশ্যে উন্মুক্ত কৰিব লাগিব, নতুবা ঈশ্বৰৰ আশীৰ্বাদ লাভ কৰিব নোৱাৰিব।”

## আত্মিক মণ্ডলীৰ সভ্যসকল

আহক আমি ১ কৰিন্থীয়া ২:১৫-১৬ পদ পঢ়োহঁক ঃ “**কিন্তু আত্মিক জনে** আটাইৰে বিচাৰ কৰে, তথাপি সেইজনৰ বিচাৰ কাৰো দ্বাৰাই কৰা নাযায়। কিয়নো, প্ৰভুক শিকাবলৈ, তেওঁৰ মন নো কোনে জানে? (যিচয়া ঃ ৪০:১৩) **কিন্তু খ্ৰীষ্টৰ মন আমাৰ আছে।**”

“আত্মাৰ সৈতে থকা লোকজনে সকলো বিষয়ৰ বিষয়ে বিচাৰ বিবেচনা কৰে, কিন্তু এনে লোক অতি কমেই মানুহৰ বিচাৰৰ অধীন হয়, কিয়নো, প্ৰভুক শিকাবলৈ, তেওঁৰ মন নো কোনে জানে? **কিন্তু খ্ৰীষ্টৰ মন আমাৰ আছে।**”

আত্মিক লোকজনেই হৈছে প্ৰকৃত খ্ৰীষ্টান। তেওঁক ‘আত্মিক’ বুলি কোৱা হয় কাৰণ তেওঁ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ। ইয়াতো, এজন আত্মিক লোক হিচাবে মৰ্যাদা ৰখাৰ চৰ্ত হৈছে পবিত্ৰ আত্মাৰে সৈতে সম্পৰ্ক। পবিত্ৰ আত্মাৰ সৈতে তেওঁৰ এক ভাল আৰু বৰ্দ্ধিত সম্পৰ্ক আছে। যীচু হ’ল “তেওঁৰ জীৱনৰ উৎস” ; আমি কেতিয়াবা এইটোও কওঁ যে যীচু আমাৰ হৃদয়ৰ সিংহাসনত বহি আছে। আত্মিক লোকজনে যীচুৰ ওচৰত নিজকে অপৰিহাৰ্য ভাৱে আৰু সম্পূৰ্ণৰূপে সমৰ্পণ কৰে আৰু ইয়াৰ ধাৰাবাহিক ভাৱে তেওঁৰ

যি আছে সেই সকলোবিলাকৰ সৈতে প্ৰতিদিন ৰাতিপুৱা যীচুৰ ওচৰত নিজকে সমৰ্পণ কৰি বিষয়টো দৃঢ়ভাৱে প্ৰকাশ কৰে। লায়দেকিয়া মণ্ডলীৰ বাৰ্ত্তাত এনেধৰণৰ লোক সকলক "তপত" বুলি কোৱা হৈছে, দহ গৰাকী কন্যাৰ দৃষ্টান্তত তেওঁবিলাকক "সুবুদ্ধি" কোৱা হৈছে। ৰোমীয়া ঃ ৮:১-১৭ পদ আৰু গালাতীয়া ঃ ৫ অধ্যায়ত এনেধৰণৰ লোকৰ বিষয়ে অধিক বিতং ভাৱে ব্যাখ্যা কৰা হৈছে। তেওঁ জীৱন পায় আৰু প্ৰচুৰকৈ পায় (যোহন ঃ ১০:১০ পদ), অথবা পৌলে যিদৰে প্ৰকাশ কৰিছে *"ঈশ্বৰৰ সকলো পৰিপূৰ্ণতালৈকে তোমালোক পৰিপূৰ্ণ হোৱা"* (ইফিচীয়া ঃ ৩:১৯ ; কলচীয়া ঃ ২:৯ পদ)।

## মণ্ডলীৰ জাগতিক সভ্যসকল

এজন ব্যক্তি কম সময়ৰ বা বহু বছৰৰ বাবে মণ্ডলীৰ সদস্য-সদস্যা হ'লেও তেওঁ মাংসিক খ্ৰীষ্টান হ'ব পাৰে। আপোনাৰ ওচৰতো বিস্ময় কৰাৰ কিবা কথা হ'ব পাৰে, যিটো এই সময়ত আপুনি হয়তো নিজকে মাংসিক খ্ৰীষ্টিয়ান হিচাবে জানিব পাৰিছে, তেন্তে ইয়াৰ বাবে বিচলিত নহ'ব, কিন্তু আনন্দিত হওঁক, কাৰণ আপোনাৰ ওচৰত ইয়াৰ পৰা অতি শীঘ্ৰে পৰিবৰ্তন হোৱাৰ সম্ভাৱনা আছে। পবিত্ৰ আত্মাৰ আশীৰ্বাদত মহা আনন্দ লাভ কৰাৰ সুযোগ আপোনাৰ হাতত আছে। মই দেখা পাইছো যে বেছিভাগ মাংসিক খ্ৰীষ্টিয়ানে তেওঁবিলাকৰ অৱস্থাৰ বিষয়ে অজ্ঞাত আৰু বিশ্বাসত দৃঢ় হোৱাৰ অভিজ্ঞতা লাভ কৰাৰ ইচ্ছা আছে। তেওঁবিলাকৰ এই অজ্ঞতাৰ কাৰণে অধিকাংশ ক্ষেত্ৰত তেওঁবিলাকক একো দোষ দিয়া নাযায়। চিন্তা কৰি চাওক ঃ পবিত্ৰ আত্মাৰ যোগেদি হৃদয়ত খ্ৰীষ্টক স্থান দিলে আপুনি মহা আনন্দৰ অভিজ্ঞতা লাভ কৰিব পাৰিব। (যোহন ঃ ১৫:১১ পদত যীচুৱে কৈছে ঃ "আৰু তোমালোকৰ আনন্দ যেন সম্পূৰ্ণ হয়")। এই পৰিবৰ্তনৰ যোগেদি লাহে লাহে জীৱনৰ সম্পূৰ্ণতাৰ অভিজ্ঞতা লাভ কৰিব পাৰিব। (যীচুৱে যোহন ঃ ১০:১০ পদত কৈছে— তেওঁবিলাকে যেন জীৱন পায়, আৰু তাকেই যেন প্ৰচুৰকৈ পায়) আৰু অনন্ত জীৱনৰ বাবে আপুনি দৃঢ় আশা পাব।

**প্ৰাৰ্থনা ঃ** *স্বৰ্গত থকা পিতৃ, মোক আশীৰ্বাদ কৰক যাতে মই নিজকে এই প্ৰশ্ন সুধিবলৈ ইচ্ছুক হওঁ। মই যদি মাংসিক খ্ৰীষ্টান হওঁ, তেন্তে সঠিক পথটো জানিবলৈ মোক সহায় কৰক। আপুনি যি বিচাৰে তাকে কৰিবলৈ আগ্ৰহী হ'বৰ বাবে মোক অনুপ্ৰাণিত কৰক। অনুগ্ৰহ কৰি মোক সুখী আৰু প্ৰচুৰ পৰিমাণে জীৱন, প্ৰতিজ্ঞাৰ জীৱন আৰু অনন্ত জীৱন দান কৰক। অনুগ্ৰহ কৰি মোৰ হৃদয় নতুন কৰক। মোৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়াৰ বাবে ধন্যবাদ। আমেন।*

১ কৰিন্থীয়া ঃ ৩:১-৪ পদত পৌলে মাংসিক মণ্ডলীৰ সদস্য সকলক কি কৈছিল তাক পঢ়োহঁক ঃ "হে ভাই সকল, আত্মিক লোকক কোৱাৰ দৰে মই তোমালোকক ক'ব নোৱাৰি, মাংসিক লোকক কোৱাৰ দৰে, খ্ৰীষ্টৰ সম্বন্ধীয় শিশুবোৰক কোৱাৰ দৰেহে ক'ব পাৰিলো। মই তোমালোকক টান আহাৰ নুখুৱাই, গাখীৰ খুৱাইছিলো ; কিয়নো তেতিয়া টান আহাৰ খাব নোৱাৰিছিলা ; এনেকি, এতিয়াও নোৱাৰা ; কাৰণ তোমালোক এতিয়াও মাংসিক হৈ আছা। কিয়নো তোমালোকৰ মাজত ঈৰ্ষা আৰু বাদ-বিবাদ থকাত, তোমালোক মাংসিক নোহোৱা নে? আৰু মানুহৰ দৰেই আচাৰ-ব্যৱহাৰ নকৰা নে? কিয়নো কোনোৱে, মই পৌলৰ, আন কোনোৱে, মই আপল্লোৰ বুলি কোৱাত, তোমালোক মানুহ নোহোৱা নে?"

আপুনি ইয়াত স্পষ্টকৈ দেখা পাইছে নে যে এই দলত মৰ্যাদাৰ মানদণ্ড হৈছে পবিত্ৰ আত্মাৰ সৈতে ব্যক্তিগত সম্পৰ্ক? এইকেইটা পদত পাচনি পৌলে চাৰিবাৰ উল্লেখ কৰিছিল যে, তেওঁলোক মাংসিক। মাংসিকৰ অৰ্থ কি? ইয়াৰ অৰ্থ হ'ল ঃ এনেধৰণৰ লোক মাংসৰ শক্তিৰ অধীনত জীয়াই থাকে, আৰু সেইটোৱে হৈছে তেওঁৰ স্বাভাৱিক শক্তি আৰু সামৰ্থ। তদুপৰি ইয়াৰ অৰ্থ হৈছে **তেওঁ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা নাই বা পৰ্যাপ্ত পৰিমাণে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা নাই।** কিছুমান লোকে ভাবে যে এনেধৰণৰ লোকসকল এই দলৰ অন্তৰ্ভূক্ত, যিসকলে জঘন্য পাপৰ মাজত থাকে। কিন্তু এইটো এই দলত থকা বহুতো দিশৰ ভিতৰত

এটা দিশ। মই পুনৰায় জোৰ দি ক'ব বিচাৰো যে এই প্ৰতিটো দলৰ মাজত যথেষ্ট পাৰ্থক্য আছে।

পাঁচনি পৌলে মাংসিক লোক সকলক "হে ভাই সকল" বুলি সম্বোধন কৰিছিল। এইটোৱে দেখুৱায় যে তেওঁ মণ্ডলীৰ লোক সকলৰ বিষয়ে কৈছিল। পৌলে তেওঁলোকৰ সৈতে "আত্মিক লোক সকলৰ দৰে" কথা ক'ব পৰা নাছিল। ইয়াৰ অৰ্থ হৈছে ঃ তেওঁলোক পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ নাছিল বা যথেষ্ট পৰিমাণে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা নাছিল। তেওঁ তেওঁলোকক "খ্ৰীষ্টৰ সম্বন্ধীয় শিশুবোৰক" কোৱাৰ দৰে ক'ব লগা হৈছিল। এইটোৱে দেখুৱায় যে তেওঁলোকে যিদৰে বিশ্বাসত বৃদ্ধি হ'ব লাগিছিল তেনেদৰে হোৱা নাছিল। এজন ব্যক্তিৰ বাইবেলৰ জ্ঞান যথেষ্ট হ'ব পাৰে তথাপিও তেওঁ আত্মিক ভাৱে বৃদ্ধি নহ'ব পাৰে। আত্মিক বিকাশৰ সৈতে যীচুৰ ওচৰত আমাৰ সম্পূৰ্ণ সমৰ্পণ আৰু তেওঁলোকৰ আত্মিক জীৱনত নিৰন্তৰ প্ৰচেষ্টাৰ সম্পৰ্ক আছে।

বহুতো মাংসিক খ্ৰীষ্টিয়ানে অসন্তুষ্টি, হতাশা, উদ্দেশ্যহীনতা অনুভৱ কৰে বা তেওঁলোকৰ আত্মিক জীৱনত নিৰন্তৰ প্ৰচেষ্টা চলাই আছে।

মণ্ডলীৰ অনেক মাংসিক সদস্য সকলে এই অৱস্থাক মানি লৈছে অথবা এই অৱস্থাক লৈ সন্তুষ্ট হৈছে। সেই বাবে তেওঁবিলাকে হয়তো ক'ব পাৰে ঃ আমি অধম প্ৰাণী! আমি ইয়াৰ বিষয়ে একো কৰিব নোৱাৰো!

আকৌ আন এটা দলৰ মাংসিক খ্ৰীষ্টিয়ান সকলে উৎসাহী হ'ব পাৰে। তেওঁলোকে এইটো ভাবি আনন্দিত হয় যে, বাইবেলৰ বিষয়ে তেওঁবিলাকৰ অনেক জ্ঞান আছে। মণ্ডলীৰ মাংসিক সদস্য সকলেও মণ্ডলীৰ কামত অতি সক্ৰিয় হ'ব পাৰে আনকি স্থানীয় মণ্ডলীত বা মণ্ডলীৰ পৰিচালনা পৰিষদৰ নেতৃত্বৰ আগশাৰীৰ পদবী বা সভ্যও হ'ব পাৰে। তেওঁলোকে আনকি ঈশ্বৰৰ কাৰণে অনেক কাৰ্যও কৰিব পাৰে।

*মথি ঃ ৭:২২-২৩ ঃ "সেইদিনা অনেকে মোক ক'ব, হে প্ৰভু, হে প্ৰভু, আমি তোমাৰ নামেৰে ভাবোক্তি প্ৰচাৰ কৰা নাই নে? আৰু তোমাৰ*

*নামেৰে ভুতবোৰক খেদোৱা নাই নে? আৰু তোমাৰ নামেৰে অনেক পৰাক্ৰম কাৰ্য কৰা নাই নে? তেতিয়া মই সিহঁতক স্পষ্টকৈ ক'ম, মই তহঁতক কেতিয়াও জনা নাই ; হে অধৰ্মচাৰীবোৰ ; মোৰ ওচৰৰ পৰা দূৰ হ।"*

সমস্যাটো আছিল ক'ত? যীচুৱে কৈছিল যে তেওঁ তেওঁলোকক চিনি নাপায়। খ্ৰীষ্টৰ সৈতে তেওঁলোকৰ কোনো প্ৰকৃত সম্পৰ্ক নাছিল, বৰঞ্চ কেৱল এক ভাওলোৱা সম্পৰ্ক আছিল। আনকি তাত প্ৰকৃত কোনো দৃঢ় প্ৰত্যয় নাছিল বা ইয়াক পালন কৰা হোৱা নাছিল। যীচুৱে পবিত্ৰ আত্মাৰ যোগেদি তেওঁলোকৰ হৃদয়ত বাস কৰা নাছিল। সেয়েহে খ্ৰীষ্টৰ সৈতে তেওঁলোকৰ কোনো ব্যক্তিগত সম্পৰ্ক নাছিল। হয়তো খ্ৰীষ্টৰ সৈতে মাত্ৰ চকুৰে দেখা এটা বন্ধনহে আছিল.....। খ্ৰীষ্ট কেতিয়া আমাত নাথাকে? মই এই বিষয়ে কিছুমান গুৰুত্বপূৰ্ণ কথা পঢ়িছিলো। মই সেইবোৰ উল্লেখ কৰাৰ আগতে, মই ক'ব বিচাৰো যে যদি আমি পবিত্ৰ আত্মাৰ সৈতে জীৱন-যাপন কৰো তেন্তে আমি নিম্নলিখিত বিষয়বোৰৰ পৰা মুক্ত হ'ব পাৰো ঃ

"খ্ৰীষ্টৰ জীৱনৰ বিপৰীতাত্মক এটা জীৱনে তেওঁক অস্বীকাৰহে কৰিব, লাগিলে তেওঁৰ বৃত্তি যিয়েই নহওঁক। অসৎ কথা-বতৰা পতাৰ দ্বাৰাই, মুৰ্খামী কথা কোৱাৰ দ্বাৰাই, অসত্য আৰু টান অমৰমীয়াল কথা কোৱাৰ দ্বাৰাই মানুহে খ্ৰীষ্টক অস্বীকাৰ কৰিব পাৰে। জীৱনৰ বোজা এৰাই চলাৰ দ্বাৰায়ো আৰু পাপযুক্ত আনন্দ উপভোগ কৰাৰ দ্বাৰায়ো সিহঁতে তেওঁক অস্বীকাৰ কৰিব পাৰে। জগতৰ নিচিনাকৈ চলাৰ দ্বাৰাই, অভদ্ৰ আচৰণৰ দ্বাৰাই, নিজৰ মতকহে অধিক গুৰুত্ব দিয়াৰ দ্বাৰাই, নিজকেহে শুদ্ধ বুলি ধাৰণা কৰাৰ দ্বাৰাই, সন্দেহ কৰাৰ দ্বাৰাই, সমস্যা সৃষ্টি কৰাৰ দ্বাৰাই আৰু অন্ধকাৰত জীৱন কটোৱাৰ দ্বাৰায়ো সিহঁতে তেওঁক অস্বীকাৰ কৰিব পাৰে। **এই সকলোবোৰ কাৰ্যৰ মাজেদি সিহঁতে ইয়াকেহে ঘোষণা কৰে যে খ্ৰীষ্ট সিহঁতত নাই।"** ইলেন জি. হুৱাইট, সৰ্ব যুগৰ আকাংক্ষা, পৃষ্ঠা - ৩৫৭।

*"এতেকে, হে ভাইবিলাক, ঈশ্বৰৰ সকলো কৰুণাৰ দ্বাৰাই মই*

*তোমালোকক এই বিনয় কৰো, তোমালোকে নিজ নিজ শৰীৰক জীৱিত, পবিত্ৰ আৰু ঈশ্বৰৰ গ্ৰহণীয় বলিস্বৰূপে উৎসৰ্গা কৰা।”*

ঈশ্বৰৰ অনুগ্ৰহৰ যোগেদি এই পৰিস্থিতি অতি সোনকালে পৰিবৰ্তন হ’ব পাৰে। তৃতীয় আৰু পঞ্চম অধ্যায়ত আমি পুনৰায় এই বিষয় লৈ ঘূৰি আহিম।

## আমাৰ জীৱন ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰা আৰু প্ৰতিশ্ৰুতিবদ্ধ হোৱা কিয় ইমান গুৰুত্বপূৰ্ণ?

ঈশ্বৰৰ বাক্যই কৈছে ঃ “এতেকে, হে ভাইবিলাক, ঈশ্বৰৰ সকলো কৰুণাৰ দ্বাৰাই মই তোমালোকক এই বিনয় কৰো, তোমালোকে নিজ নিজ শৰীৰক জীৱিত, পবিত্ৰ আতু ঈশ্বৰৰ গ্ৰহণীয় বলিস্বৰূপে উৎসৰ্গা কৰা”। (ৰোমীয়া ঃ ১২:১ পদ)।

“ঈশ্বৰে আমাক পাপ ৰোগৰ পৰা সুস্থ কৰিব বিচাৰে, তেওঁ আমাক আমাৰ অহংকাৰ আৰু পাপৰ বন্ধনৰ পৰা মুক্ত কৰিব বিচাৰে। কিন্তু, ইয়াৰ বাবে এক সম্পূৰ্ণ পৰিবৰ্তনৰ প্ৰয়োজন, আমাৰ গোটেই প্ৰকৃতিৰ এক নবীকৰণৰ প্ৰয়োজন তাৰ বাবে আমি সম্পূৰ্ণৰূপে তেওঁৰ ওচৰত নিজকে সমৰ্পণ কৰিব লাগিব।” (ইলেন জি. হুৱাইট, শান্তিৰ সন্ধানত, ৪৩ পৃষ্ঠা)। আমাৰ অহংকাৰ কৰা, ঈৰ্ষা কৰা, বিৰক্ত হোৱা আৰু ক্ৰুদ্ধ কৰা ইত্যাদিয়েই হৈছে বিধান লঙঘন কৰা।

“তেওঁ আমাক আহ্বান কৰিছে যে, আমি নিজকে তেওঁৰ ওচৰত সোধাই দিওঁ, যাতে তেওঁ তেওঁৰ ইচ্ছা মতে আমাৰ মাজত কাৰ্য কৰিব পাৰে। ইয়াত আমি পাপৰ বন্দীত্বৰ পৰা মুক্ত হ’ম নে নাই, ঈশ্বৰৰ পুত্ৰৰ গৌৰৱময় স্বাধীনতাৰ সহভাগী হ’ম নে নাই তাৰ সিদ্ধান্ত লোৱাৰ আমাৰ সুযোগ আছে।” (ইলেন জি. হুৱাইট, শান্তিৰ সন্ধানত, পৃষ্ঠা- ৪৩)।

ঈশ্বৰে আমাৰ নতুন জন্মৰ যোগেদি আমাৰ মৌলিক প্ৰতিজ্ঞাৰ উত্তৰ দিয়ে (যোহন ঃ ৩:১-২১ পদ)। ইয়াৰ পিছত আমি তেওঁৰ প্ৰতি সমৰ্পিত

জীৱন-যাপন কৰা উচিত (যোহন ঃ ৫:১-১৭ পদ)। ইয়াৰ বিষয়ে আমি তৃতীয় অধ্যায়ত অধিক বিস্তাৰিত ভাৱে আলোচনা কৰিম।

মৰিছ ভেণ্ডেনে ঈশ্বৰৰ ওচৰত আমাৰ জীৱন সমৰ্পণ কৰাৰ বিষয়ে কৈছে ঃ "আংশিকভাৱে সমৰ্পণ কৰা বুলি তেনেকুৱা একো নাই। অলপ গৰ্ভৱতী হোৱা যিদৰে অসম্ভৱ তেনেদৰে আংশিক ভাৱে সমৰ্পণ কৰাটো সম্ভৱ নহয়। আপুনি সম্পূৰ্ণ সমৰ্পণ হ'ব লাগিব নতুবা সমৰ্পণ হ'ব নালাগিব। ইয়াত কোনো মাজৰ পথ নাই।"

প্ৰতিদিনে সমৰ্পণ হোৱাৰ বিষয়ে ইলেন জি. হুৱাইটে কৈছিল ঃ "মাত্ৰ যি সকলে খ্ৰীষ্টৰ সহকৰ্মী হ'ব, মাত্ৰ যি সকলে, "হে প্ৰভু মোৰ যি আছে সেই সকলোবোৰ তোমাৰেই" বুলি ক'ব পাৰিব, সেই সকল লোককহে ঈশ্বৰৰ পো-জী বুলি স্বীকাৰ কৰি লোৱা হ'ব।" — সৰ্ব যুগৰ আকাংক্ষা, পৃষ্ঠা-৫২৩।

গতিকে এজন ব্যক্তি মণ্ডলীত থাকিও হেৰাই যাব পাৰে। কিমান দুখজনক বিষয়! (দহ গৰাকী কন্যাৰ দৃষ্টান্ত আৰু লায়দিকেয়াৰ মণ্ডলীলৈ দিয়া বাৰ্ত্তাও এই বিষয়টোক বৰ্ণনা কৰে।)

## মাংসিক খ্ৰীষ্টিয়ান সকলক চিহ্নিত কৰা কিয় ইমান কঠিন?

যিহেতু এজন মাংসিক খ্ৰীষ্টিয়ানৰ জীৱন "ধৰ্মৰে" পৰিপূৰ্ণ হৈ আছে, তেওঁ প্ৰায়ে অনুভৱ নকৰে যে তেওঁ কিবা এটা গুৰুত্বপূৰ্ণ বস্তু হেৰুৱাইছে ঃ যিটো হৈছে ঈশ্বৰৰ সৈতে এক অন্তৰংগ আৰু পৰিত্ৰাণকাৰী সম্পৰ্ক। খ্ৰীষ্টক যদি আমাৰ গোটেই জীৱন শাসন কৰিবলৈ সুযোগ নিদিওঁ, তেন্তে তেওঁ দুৱাৰত থিয় হৈ টুকুৰিয়াই থাকিব (প্ৰকাশিত বাক্য ঃ ৩:২০ পদ)। আৰু তেওঁ কৈছে ঃ ইয়াৰ যোগেদিও যদি পৰিবৰ্তন নহয়, মই নিজ মুখৰ পৰা তোমাক বঁতিয়াই পেলাবলৈ উদ্যত আছো।

আৰু তেতিয়া আন কোনোবাই এই ভূমিকা পালন কৰে। বাইবেলৰ ওপৰত আধাৰিত আমাৰ শক্তিশালী শিক্ষাৰ ভেটিৰ যোগেদি আমি দৃঢ়

বিশ্বাস ৰাখিছো। (একে সময়তে আমি এতিয়াও অধিক পোহৰৰ বাবে উন্মুক্ত থাকিব বিচাৰো)। আমাৰ নিশ্চয়তা আছে যে, আমি সত্যক বিশ্বাস কৰো ; যিটোৱে আমাক শিহৰণ কৰে। আমাৰ বহুত ভাল জ্ঞান আছে। আমি সঠিক কথা কওঁ। আৰু এইবোৰৰ কাৰণেই মাংসিক লোক সকলক চিনাক্ত কৰাটো অনেক কঠিন। যদি মই সঁচাকৈয়ে পবিত্ৰ আত্মাৰ সৈতে বাস কৰি আছো তেন্তে ই কোনো ভূমিকা পালন নকৰে নেকি? যদি নহয়, তেনেহ'লে মই কেতিয়াবা পাৰ্থক্যটো লক্ষ্য কৰিব পাৰিম নে?

এজন পাষ্টৰে এইদৰে লিখিছিল ঃ অলপ আগতে মই এগৰাকী ভনীৰ পৰা এটা ফোন কল পাইছিলো, যি আমাৰ ৪০ দিনৰ প্ৰাৰ্থনাৰ সময়ত অংশগ্ৰহণ কৰিছিল। ( ৪০ দিনৰ প্ৰাৰ্থনাৰ বিষয়ে বিশেষকৈ ৫ অধ্যায়ত আলোচনা কৰা হ'ব)। তাই কৈছিল যে এই প্ৰাৰ্থনাৰ সময়টোৱে তাইৰ জীৱন সলনি কৰিছে। তাইৰ গোটেই আত্মিক জীৱনত কি অভাৱ আছিল তাৰ বিষয়ে তাই জানি আচৰিত হৈছিল আৰু এতিয়া তাই পবিত্ৰ আত্মাৰ বিষয়ে জানিলে। মই আশা কৰো আপুনিও তাইৰ সাক্ষ্য শুনিব পোৱাহেঁতেন। তাই কৈছিল যে, তাই জীৱনত প্ৰথমবাৰৰ বাবে লক্ষ্য কৰিছিল যে, ঈশ্বৰৰ সৈতে তাইৰ এটি জীৱন্ত সম্পৰ্ক আছে............। অন্য লোকবিলাকেও ইতিমধ্যে তাইৰ জীৱনৰ পৰিবৰ্তন লক্ষ্য কৰিছে। আমি দেখিবলৈ পাওঁ যে এজন ব্যক্তিয়ে লক্ষ্য কৰিব পাৰে যে কিবা এটা অভাৱ আছে, কিন্তু কি সেইটো বুজিব নোৱাৰে। বহুতৰে অনেক বিষয়ৰ বাবে অনেক আকাংক্ষা থাকে কিন্তু সেইটো কি আৰু কেনেকৈ পাব লাগে তাক নাজানে।

মই কৃতজ্ঞ যে ১ কৰিন্থীয়া ঃ ৩:১-৪ পদত "এতিয়াও" শব্দটো তিনিবাৰ ব্যৱহাৰ কৰা হৈছে। "তোমালোক এতিয়াও মাংসিক হৈ আছা।" এইটোৱে আমাক দেখুৱায় যে মাংসিক লোক সকল আত্মিক হোৱা সম্ভৱ। কোনেও মাংসিক হৈ থকাটো উচিত নহয়। যিহেতু মণ্ডলীত আছে, এইটো উপলব্ধি কৰা আৰু পৰিবৰ্তন হোৱাৰ ভাল সুযোগ আছে। আপুনি কেনেকৈ আত্মিক হ'ব পাৰে সেই বিষয়ে আমি পিছত আলোচনা কৰিম।

বিবেচনা কৰিব লগা আন এটা দিশ হৈছে ঈৰ্ষা আৰু বাদ-বিবাদ, অথবা

নতুন নিয়মত কোৱাৰ দৰে ঃ "কিয়নো তোমালোকৰ মাজত ঈৰ্যা আৰু বাদ-বিবাদ" আছে। এই আচৰণে পৌলক প্ৰমাণ কৰে যে মণ্ডলীৰ মাংসিক লোক সকল ঈশ্বৰৰ আত্মাৰ দ্বাৰা পৰিচালিত হৈ জীৱন-যাপন কৰা নাই বৰঞ্চ আন লোকৰ দৰে ইচ্ছাকৃত ভাৱে কাম কৰি আছে। ইয়াৰ অৰ্থ এইটো নেকি যে মণ্ডলীৰ বাদ-বিবাদ মূলত মাংসিক মানসিকতা সম্পন্ন লোকৰ পৰা উদ্ভৱ হয়? (যিহূদা ঃ ১১ পদ চাওঁক)। যীচুৰ সময়ত ফৰীচী আৰু চদ্দুকী সকলে ইজনে-সিজনৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰা নাছিল নে? ইয়াৰ অৰ্থ হৈছে যে সেই সময়ত ৰক্ষণশীল আৰু উদাৰবাদী / প্ৰগতিশীল লোকৰ মাজত উত্তেজনা বা মানসিক চাপ আছিল। এটা দল অতি পৃথক আছিল আৰু আনবিলাকে বিষয়টো অতি সহজভাৱে লৈছিল। কিন্তু দুয়োটা দলেই নিশ্চিত আছিল যে তেওঁলোকৰ বাইবেলৰ সঠিক ব্যাখ্যা আৰু সঠিক মনোভাৱ আছে। কিন্তু যীচুৱে আমাক দেখুৱাইছিল যে দুয়োটা দলেই মাংসিক আছিল অৰ্থাৎ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ নাছিল। আজিও সেই একেদৰে ঘটি আছে। ৰক্ষণশীল খ্ৰীষ্টিয়ান সকলেও মাংসিক খ্ৰীষ্টিয়ান হ'ব পাৰে।

দুৰ্ভাগ্যবশতঃ বৰ্তমান সময়ৰ লোক সকলেও প্ৰায়ে "ৰক্ষণশীল বা উদাৰ/প্ৰগতিশীল" আইনাৰে দৃষ্টি কৰে। সুবিধাটো হ'ল পৰ্যবেক্ষকজন ভালদৰে ওলাই পৰে। যিয়েই নহওঁক, বাইবেলত "মাংসিক বা আত্মিক" শ্ৰেণী বিভাজনৰ দ্বাৰা আমাক আত্মিকত তালিকাভূক্ত হ'বলৈ প্ৰত্যাহ্বান জনোৱা হৈছে। আমাৰ নিজৰ মঙ্গলৰ বাবে আমি এইটো কৰা উচিত। গালাতীয়া ঃ ৬:৭-৮ পদত ঈশ্বৰে আমাক স্পষ্টকৈ কি কৈছে তাক বিবেচনা কৰক ঃ

*"......কিয়নো মানুহে যিহকে ৰোপণ কৰে, তাকেহে দাব। কাৰণ যি জনে নিজৰ মাংসৰ পৰা ক্ষয়ৰূপ শস্য দাব ; কিন্তু যিজনে আত্মাৰ উদ্দেশ্যে ৰোপণ কৰে, আত্মাৰ পৰা অনন্ত জীৱনৰূপ শস্য দাব।"*

মাংসিক লোকে যীচুক অনুসৰণ কৰিব বিচাৰে আৰু তেওঁক সন্তুষ্ট কৰিব বিচাৰে, কিন্তু তেওঁ সম্পূৰ্ণ জীৱন যীচুৰ ওচৰত সমৰ্পণ কৰা নাই বা

কেতিয়াবা কৰিছেও তথাপি তেওঁ কিবা কাৰণত বিশ্বাসৰ পৰা খহি পৰে। (গালাতীয়া ঃ ৩:৩ পদ ; প্ৰকাশিত বাক্য ঃ ২:৪-৫ পদ)। ইয়াৰ অৰ্থ হৈছে যে তেওঁ হয়তো অজ্ঞাত ভাৱে, ঈশ্বৰৰ ইচ্ছা অনুসৰি জীৱন-যাপন কৰিব বিচাৰে লগতে নিজৰ ইচ্ছাও বজায় ৰাখিব বিচাৰে। কিন্তু এইটো কৰা সম্ভৱ নহয়। ইয়াৰ পৰিণাম হৈছে তেওঁৰ নিজৰ হাতেৰে নিজৰ জীৱনটো চলাই নিয়া। প্ৰবাদত যি দৰে কোৱা হৈছে, তেওঁৰ হৃদয়ত দুটা আত্মা বাস কৰে। তেনেক্ষেত্ৰত ঈশ্বৰে পবিত্ৰ আত্মাক প্ৰেৰণ কৰিব পাৰেনে? যাকোব ঃ ৪:৩ পদত ইয়াৰ উত্তৰ এইদৰে দিয়া হৈছে ঃ "তোমালোকে নোপোৱা, কাৰণ তোমালোকে যাচনা নকৰা ; যাচনা কৰিলেও নোপোৱা ; কিয়নো কু-ভাৱেৰে অৰ্থাৎ নিজ নিজ সুখাভিলাষত ব্যয় কৰিবৰ কাৰণেহে যাচনা কৰা।" মই সিদ্ধান্তত আহিছো যে, এইদৰে যাচনা কৰাৰ অৰ্থ হ'ল আমি মাংসিক মনোভাৱে যাচনা কৰিছো। এনেকুৱা এটা প্ৰাৰ্থনাৰ উত্তৰ দিয়া মানে অহংকাৰক জগাই তোলা নহয় নে? ফলস্বৰূপে, মণ্ডলীৰ এনেধৰণৰ সভ্য সকলে মানুহৰ স্বাভাৱিক শক্তি আৰু সামৰ্থৰে জীয়াই থাকে। প্ৰকাশিত বাক্য ঃ ৩:১৬ পদত এনেধৰণৰ লোকক "কুহুমীয়া" আৰু মথি ২৫ অধ্যায়ত "নিৰ্বোধ" বুলি অভিহিত কৰা হৈছে।

## যীচুৱে কিয় মণ্ডলীৰ মাংসিক সদস্য সকলক কুহুমীয়া বুলি কৈছে?

কিয় ইমান অধিক খ্ৰীষ্টিয়ান সকলে পবিত্ৰ আত্মাৰ অভিজ্ঞতাৰ পৰা বঞ্চিত হৈছে? এই প্ৰশ্নৰ উত্তৰ দিবলৈ হ'লে আমি প্ৰথমে লায়দিকেয়াৰ বিষয়ে লক্ষ্য কৰিব লাগিব। লায়দিকেয়া মণ্ডলীৰ লোক সকলক কিয় যীচুৱে কুহুমীয়া বুলি আখ্যা দিছিল? এই বিষয়ে তেওঁ আমাক এক স্পষ্ট নিৰ্দেশনা দিছে ঃ "চোৱা, মই দুৱাৰত থিয় হৈ টুকুৰিয়াই থাকো।" (প্ৰকাশিত বাক্য ঃ ৩:২০ পদ)। যীচু সেই বিশ্বাসী সকলৰ জীৱনৰ কেন্দ্ৰ নাছিল কিন্তু কেৱল বাহ্যিক দিশ সমূহ আছিল। তেওঁ বাহিৰত দুৱাৰৰ সন্মুখত থিয় হৈ টুকুৰিয়াই আছিল। তেওঁ কিয় ভিতৰলৈ সোমোৱা নাছিল? কাৰণ তেওঁক ভিতৰলৈ

সোমাবৰ কাৰণে আমন্ত্ৰণ জনোৱা হোৱা নাই। তেওঁ কেতিয়াও জোৰ কৰি ভিতৰলৈ নোসোমায়, কাৰণ তেওঁ আমাৰ স্বাধীন ইচ্ছা শক্তিক সন্মান কৰে।

বিশ্বাসী সকলে কিয় যীচুক দুৱাৰৰ বাহিৰত থিয় কৰাই ৰাখিছে? ইয়াত বিভিন্ন কাৰণ আৰু যুক্তি আছে। কিছুমানে কেৱল তেওঁলোকৰ আত্মিক জীৱনত এক সম্পূৰ্ণ বৌদ্ধিক আৰু বুদ্ধিবৃত্তিক ভাৱে চলি যাব বিচাৰে। যিদৰে নীকদীম, তেওঁ বুজিব পৰা নাছিল যে প্ৰকৃততে খ্ৰীষ্টিয়ান জীৱন কি? (যোহন ঃ ৩:১-১০ পদৰ সৈতে তুলনা কৰক)। আন সকলৰ বাবে শিষ্যত্বৰ "মূল্য" বহুত বেছি, তেওঁলোকে ইয়াৰ বাবে সকলো ত্যাগ কৰিব লাগিব, ঠিক সেই "ধনী শাসনকৰ্ত্তাৰ" দৰে (মথি ঃ ১৯:১৬-২৪ পদৰ সৈতে তুলনা কৰক)। যীচুক অনুসৰণ কৰিবলৈ হ'লে নিজকে দমন কৰিব লাগিব আৰু নিজৰ জীৱন পৰিবৰ্তন কৰাৰ ইচ্ছা শক্তি থাকিব লাগিব (মথি ঃ ১৬:২৪-২৫ পদৰ সৈতে তুলনা কৰক) আৰু নিজকে সম্পূৰ্ণ ৰূপে ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰিব লাগিব (ৰোমীয়া ঃ ১২:১ পদ)। যীচুক দুৱাৰৰ বাহিৰত থিয় কৰি ৰখাৰ আন এটা কাৰণ হ'ব পাৰে সম্পূৰ্ণ ৰূপে অৱহেলা কৰা— যীচুৰ সৈতে ব্যক্তিগত সম্পৰ্ক গঢ়ি তোলাৰ বাবে পৰ্যাপ্ত সময় নিদিয়া।

মই পুনৰায় কওঁ ঃ প্ৰকাশিত বাক্য ঃ ৩:২০ পদত লিখা "কুহুমীয়া" অৱস্থাৰ কাৰণ হ'ল ঃ "চোৱা মই দুৱাৰত থিয় হৈ আছো।" যীচু তেওঁলোকৰ জীৱনৰ কেন্দ্ৰ নহয়, বৰঞ্চ তেওঁবিলাকৰ জীৱনৰ বাহিৰত বা কাষত আছে। গতিকে কুহুমীয়া হোৱা বিষয়টো খ্ৰীষ্টৰ সৈতে থকা ব্যক্তিগত সম্পৰ্কৰ সৈতে জড়িত। আন ক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তিজন নিশ্চিত ভাৱে কুহুমীয়া হোৱাৰ বিষয়ে সচেতন।

এটা উ'দাহৰণ ঃ এজন লোকে তেওঁৰ ব্যৱসায়ত যথেষ্ট বিনিয়োগ কৰিব পাৰে আৰু একে সময়তে তেওঁৰ পত্নীক অৱহেলা কৰিব পাৰে। তেওঁ তেওঁৰ কামৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ, কিন্তু তেওঁৰ বিবাহৰ সম্পৰ্কত কুহুমীয়া। এজন ব্যক্তি আনকি মণ্ডলীৰ অংগীকাৰবদ্ধ সদস্য হ'ব পাৰে, মণ্ডলীৰ এজন সক্ৰিয় চলাওঁতা বা পাষ্টৰ বা অধ্যক্ষ হ'ব পাৰে কিন্তু তথাপিও খ্ৰীষ্টৰ সৈতে তেওঁৰ সম্পৰ্ক কুহুমীয়া হ'ব পাৰে। লোকজন

তেওঁৰ দায়িত্ব পালন কৰাৰ বাবে ইমানেই সমৰ্পিত যে তেওঁ খ্ৰীষ্টৰ সৈতে তেওঁৰ ব্যক্তিগত সম্পৰ্কক অৱহেলা কৰিছে। যীচুৱে এই কুহুমীয়া অৱস্থাক দূৰ কৰিব বিচাৰে। এইটো অতি দুখজনক বিষয় যে এজন ব্যক্তি ঈশ্বৰৰ কাৰ্যত (মণ্ডলীত বা মিচনৰ কাৰ্যত) ইমানেই ব্যস্ত থাকিব পাৰে যে তে ওঁ কামৰ প্ৰভুকেই অৱহেলা কৰিছে।

## দহ জনী কন্যাৰ দৃষ্টান্ত

দহ গৰাকী কন্যাৰ দৃষ্টান্তত যীচুৱে আমাক মণ্ডলীৰ আত্মিক আৰু মাংসিক সদস্য সকলৰ বিষয়ে কি দেখুৱায়?

- দহ গৰাকীয়েই কন্যা আছিল।
- প্ৰত্যেকৰে প্ৰকৃত বাইবেল সম্বন্ধীয় বিশ্বাস আছিল।
- প্ৰত্যেকৰে চাকি আছিল।
- প্ৰত্যেকৰে বাইবেল আছিল।
- তেওঁবিলাক সকলোৱে আগবঢ়াবলৈ গৈছিল।
- প্ৰত্যেকেই দ্বিতীয় আগমনৰ অপেক্ষাত আছিল।
- সকলোৱেই কলমটীয়াই টোপনি গৈছিল।
- সকলোৱে দৰা অহাৰ মাত বা ৰিঙিওৱা শুনি সাৰ পাইছিল।
- সকলোৱে চাকি জ্বলিছিল।
- তাৰে মাজৰ পাঁচ গৰাকীয়ে লক্ষ্য কৰিলে যে তেওঁবিলাকৰ চাকি তেলৰ অভাৱত নুমাওঁ নুমাওঁ হৈছে।

তেওঁলোক সকলোৱে নিজৰ নিজৰ চাকি যুগুত কৰিছিল **আৰু সকলোৱে চাকি জ্বলিছিল। চাকি জ্বলাবৰ কাৰণে তেলৰ প্ৰয়োজন। শক্তি কমি আহিছিল।** অলপ সময়ৰ পিছত তেওঁলোকৰ মাজৰ পাঁচগৰাকীয়ে লক্ষ্য

কৰিলে যে তেওঁলোকৰ চাকিবোৰ নুমাওঁ নুমাওঁ হৈছে। নিৰ্ব্বুদ্ধি কন্যা কেইগৰাকীৰ চাকি কেৱল অলপ সময়ৰ বাবে জ্বলিছিল, যিটোৱে আমাক দেখুৱায় যে তেওঁবিলাকে পবিত্ৰ আত্মাৰ কিছু অংশতে পাইছিল। তেওঁবিলাকৰ চাকিত অতি কম তেল আছিল। **সেইটো ৱেই এক মাত্ৰ পাৰ্থক্য আছিল।**

যেতিয়া সেই নিৰ্ব্বুদ্ধি পাঁচজনী কন্যাই ভিতৰলৈ সোমাবলৈ যীচুৰ ওচৰত অনুমতি বিচাৰিছিল তেতিয়া যীচুৱে উত্তৰ দিছিল ঃ "তোমালোকক মই নিচিনো।" তেওঁলোকে পবিত্ৰ আত্মাৰূপে, তেল বিচাৰি ফুৰোতে অধিক পলম কৰিছিল। সেয়েহে তেওঁবিলাকৰ বাবে চিৰদিনৰ কাৰণে দুৱাৰ বন্ধ হৈ গৈছিল।

যীচুৰ উক্তিয়ে আমাক দেখুৱায় যে, তেওঁৰ সৈতে আমাৰ ব্যক্তিগত সম্পৰ্কৰ ক্ষেত্ৰত পবিত্ৰ আত্মাৰ কৰণীয় কিছুমান আছে। যি সকলে নিজকে পবিত্ৰ আত্মাৰ দ্বাৰা পৰিচালিত হ'বলৈ নিদিয়ে, তেওঁলোকক যীচুৱে স্বীকাৰ নকৰিব। ৰোমীয়া ঃ ৮:৮-৯ পদত কোৱা হৈছে ঃ *"আৰু যিবিলাক মাংসৰ বশত আছে, তেওঁবিলাকে ঈশ্বৰক সন্তুষ্ট কৰিব নোৱাৰে। .......... কিন্তু যিজনত খ্ৰীষ্টৰ আত্মা নাই, তেওঁ খ্ৰীষ্টৰ নহয়।"*

প্ৰকৃততে, কেৱল পবিত্ৰ আত্মাৰ যোগেদিহে আমি যীচুৰ সৈতে প্ৰকৃত ব্যক্তিগত সম্পৰ্ক স্থাপন কৰিব পাৰো। ১ যোহন ঃ ৩:২৪ পদে কৈছে ঃ "আৰু তেওঁ যে আমাত থাকে, ইয়াকে তেওঁ আমাক দিয়া আত্মাৰ দ্বাৰাই আমি জানো।" ইয়াৰ অৰ্থ হৈছে যে, মই পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ আশ্বাস আৰু একে সময়তে মই যীচুত আছো আৰু তেওঁ মোত আছে বুলি আশ্বাস দিয়া হৈছে।

৪০ দিনৰ প্ৰাৰ্থনাৰ সময়ত অংশগ্ৰহণ কৰা ভনী গৰাকীৰ অভিজ্ঞতাটো ঠিক এইটোৱেই আছিল। তাইৰ জীৱনত পবিত্ৰ আত্মাৰ উপস্থিতিৰ জৰিয়তে তাই ঈশ্বৰৰ সৈতে তাইৰ সম্পৰ্ক এক সম্পূৰ্ণ বেলেগ ধৰণে অনুভৱ কৰিছিল আৰু আনেও তাইৰ জীৱনৰ এই পৰিবৰ্তন লক্ষ্য কৰিছিল। জাৰ্মানৰ দক্ষিণ অঞ্চলৰ এগৰাকী ভনীয়ে এই পুস্তিকাখন পঢ়াৰ পিছত নিম্নলিখিত কথাবোৰ

কৰিলে যে তেওঁলোকৰ চাকিবোৰ নুমাওঁ নুমাওঁ হৈছে। নিৰ্ব্বুদ্ধি কন্যা কেইগৰাকীৰ চাকি কেৱল অলপ সময়ৰ বাবে জ্বলিছিল, যিটোৱে আমাক দেখুৱায় যে তেওঁবিলাকে পবিত্ৰ আত্মাৰ কিছু অংশতে পাইছিল। তেওঁবিলাকৰ চাকিত অতি কম তেল আছিল। **সেইটোৱেই এক মাত্ৰ পাৰ্থক্য আছিল।**

যেতিয়া সেই নিৰ্ব্বুদ্ধি পাঁচজনী কন্যাই ভিতৰলৈ সোমাবলৈ যীচুৰ ওচৰত অনুমতি বিচাৰিছিল তেতিয়া যীচুৱে উত্তৰ দিছিল ঃ "তোমালোকক মই নিচিনো।" তেওঁলোকে পবিত্ৰ আত্মাৰূপে, তেল বিচাৰি ফুৰোতে অধিক পলম কৰিছিল। সেয়েহে তেওঁবিলাকৰ বাবে চিৰদিনৰ কাৰণে দুৱাৰ বন্ধ হৈ গৈছিল।

যীচুৰ উক্তিয়ে আমাক দেখুৱায় যে, তেওঁৰ সৈতে আমাৰ ব্যক্তিগত সম্পৰ্কৰ ক্ষেত্ৰত পবিত্ৰ আত্মাৰ কৰণীয় কিছুমান আছে। যি সকলে নিজকে পবিত্ৰ আত্মাৰ দ্বাৰা পৰিচালিত হ'বলৈ নিদিয়ে, তেওঁলোকক যীচুৱে স্বীকাৰ নকৰিব। ৰোমীয়া ঃ ৮:৮-৯ পদত কোৱা হৈছে ঃ *"আৰু যিবিলাক মাংসৰ বশত আছে, তেওঁবিলাকে ঈশ্বৰক সন্তুষ্ট কৰিব নোৱাৰে। .......... কিন্তু যিজনত খ্ৰীষ্টৰ আত্মা নাই, তেওঁ খ্ৰীষ্টৰ নহয়।"*

প্ৰকৃততে, কেৱল পবিত্ৰ আত্মাৰ যোগেদিহে আমি যীচুৰ সৈতে প্ৰকৃত ব্যক্তিগত সম্পৰ্ক স্থাপন কৰিব পাৰো। ১ যোহন ঃ ৩:২৪ পদে কৈছে ঃ "আৰু তেওঁ যে আমাত থাকে, ইয়াকে তেওঁ আমাক দিয়া আত্মাৰ দ্বাৰাই আমি জানো।" ইয়াৰ অৰ্থ হৈছে যে, মই পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ আশ্বাস আৰু একে সময়তে মই যীচুত আছো আৰু তেওঁ মোত আছে বুলি আশ্বাস দিয়া হৈছে।

৪০ দিনৰ প্ৰাৰ্থনাৰ সময়ত অংশগ্ৰহণ কৰা ভনী গৰাকীৰ অভিজ্ঞতাটো ঠিক এইটোৱেই আছিল। তাইৰ জীৱনত পবিত্ৰ আত্মাৰ উপস্থিতিৰ জৰিয়তে তাই ঈশ্বৰৰ সৈতে তাইৰ সম্পৰ্ক এক সম্পূৰ্ণ বেলেগ ধৰণে অনুভৱ কৰিছিল আৰু আনেও তাইৰ জীৱনৰ এই পৰিবৰ্তন লক্ষ্য কৰিছিল। জাৰ্মানৰ দক্ষিণ অঞ্চলৰ এগৰাকী ভনীয়ে এই পুস্তিকাখন পঢ়াৰ পিছত নিম্নলিখিত কথাবোৰ

লিখিছিল ঃ “ডেনিচ স্মিথে লিখা “Prayer and Devotions to Prepare for the Second Coming” আৰু ৪০ দিন নামৰ পুস্তিকাখন মোৰ জীৱনত এক মহান আৰু দীৰ্ঘদিনৰ প্ৰতীক্ষিত আশীৰ্বাদ স্বৰূপ আছিল। আমাৰ মণ্ডলীৰ আন বহুতো সদস্য-সদস্যা আৰু এগৰাকী ভনীয়েও একেই অভিজ্ঞতা লাভ কৰাৰ দৰে, আমাৰ বিশ্বাসৰ অভিজ্ঞতাত সদায়ে কিবা এটা অভাৱ হৈছিল আৰু এতিয়া যীচুৱে কেনেকৈ আমাৰ জীৱনত প্ৰৱেশ কৰিছে আৰু আমাক পৰিবৰ্তন কৰিবলৈ আৰম্ভ কৰিছে সেই বিষয়ে অভিজ্ঞতা লাভ কৰাৰ সুযোগ লাভ কৰিছো। তেওঁ এতিয়াও আমাৰ মাজত কৰ্ম কৰি আছে আৰু লাহে লাহে আমাক তেওঁৰ ওচৰলৈ আকৰ্ষিত কৰিছে।”

এজন ভায়ে তলৰ কথাবোৰ লিখিছিল ঃ “ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ” পুস্তিকাখনে মোক গভীৰভাৱে স্পৰ্শ কৰিছিল। দহ গৰাকী কন্যাৰ বিষয়ে লিখা অধ্যায়টো আৰু বিশেষকৈ ৰোমীয়া ঃ ৮:৯ পদত লিখা “কিন্তু যি জনত খ্ৰীষ্টৰ আত্মা নাই, তেওঁ খ্ৰীষ্টৰ নহয়” বাক্যটোৱে মোক সঁচাকৈয়ে হতবাক কৰি তুলিছিল। হঠাতে, মই নিশ্চিত নাছিলো যে মোত পবিত্ৰ আত্মা আছে নে নাই আৰু তেওঁ মোত কাৰ্য কৰিছে নেকি, কাৰণ মই মোৰ জীৱনৰ অনুৰূপ “ফলৰ” অভাৱৰ বাবে দুখ অনুভৱ কৰিছিলো। এই বিশ্ৰামবাৰৰ আবেলি মই পুস্তিকাখন পঢ়ি শেষ কৰিলো আৰু এক অসীম গভীৰ দুখে মোক অভিভূত কৰিলে। ইয়াৰ পিছত মই ১০৮ পৃষ্ঠাৰ প্ৰাৰ্থনাৰ বিষয়ে পঢ়িছিলো আৰু তেতিয়া পবিত্ৰ আত্মা লাভ কৰিবলৈ মোৰ মনত গভীৰ আকাংক্ষা জাগি উঠিছিল, যে মোৰ হৃদয় সলনি কৰিব আৰু পিতৃ ঈশ্বৰে মোৰ জীৱনটো তেওঁৰ ইচ্ছামতে পৰিবৰ্তন কৰিব। ...... এই পুস্তিকা আৰু ইয়াৰ সুন্দৰ বাক্যবোৰৰ বাবে আপোনাক ধন্যবাদ, যিটোৱে মোক গভীৰ ভাৱে প্ৰেৰিত কৰিছিল।

মাংসিক খ্ৰীষ্টিয়ান সকলৰ বাবে আটাইতকৈ ডাঙৰ বিপদটো হ'ল যে যদি তেওঁবিলাকৰ অৱস্থা সলনি নহয় তেন্তে তেওঁবিলাকে কোনোমতে অনন্ত জীৱন লাভ নকৰিব। ৰোমীয়া ঃ ৮:৯ পদত কোৱা হৈছে ঃ “কিন্তু যি

জনত খ্ৰীষ্টৰ আত্মা নাই, তেওঁ খ্ৰীষ্টৰ নহয়।”

এতিয়া সংক্ষিপ্ত ৰূপত ক'বলৈ গ'লে ঃ মণ্ডলীৰ আত্মিক আৰু মাংসিক সদস্য সকলৰ মাজত প্ৰধান পাৰ্থক্যটো পবিত্ৰ আত্মাৰ যোগেদি নিৰূপিত হয়। আত্মিক খ্ৰীষ্টান সকল পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হয়। আৰু মাংসিক খ্ৰীষ্টান সকল পবিত্ৰ আত্মাৰে যথেষ্ট পৰিমাণে পৰিপূৰ্ণ হোৱা নাই বা নহয়।

আপুনি যদি অনুভৱ কৰে যে আপুনি এজন মাংসিক খ্ৰীষ্টিয়ান, তেনেহ'লে খং নকৰিব। ঈশ্বৰে আপোনাৰ বাবে এটা প্ৰতিকাৰ দিছে ঃ আৰু সেইটো হ'ল পবিত্ৰ আত্মা।

কিছুমান দলত পবিত্ৰ আত্মাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয় ; আনহাতে কিছুমান দলত পবিত্ৰ আত্মাক অৱহেলিত কৰা হয়। বাইবেলৰ সত্যতাৰ অনুসৰি তেওঁৰ পথত চলিবলৈ ঈশ্বৰে আমাক আগুৱাই নিয়ক।

## আদি মণ্ডলী আৰু শেষকালৰ মণ্ডলীৰ তুলনা

বৰ্তমান সময়ৰ মণ্ডলীৰ সৈতে আদি মণ্ডলীৰ তুলনা কৰিলে দেখা পোৱা যায় যে আদি মণ্ডলীত আত্মিক লোকেৰে পৰিপূৰ্ণ আছিল। পাঁচনি কৰ্ম পুস্তকে দেখুৱায় যে এইটোৱেই তেওঁলোকৰ দ্ৰুত আৰু ইতিবাচক ভাৱে বৃদ্ধি পোৱাৰ কাৰণ আছিল। তেওঁলোকৰ আন কোনো সহায় নাছিল। কিন্তু তেওঁলোকৰ ওচৰত পবিত্ৰ আত্মা আছিল। আমাৰ ওচৰত প্ৰচুৰ পৰিমাণে উৎকৃষ্ট সহায়ক আছে। কিন্তু আমাৰ পবিত্ৰ আত্মাৰ অভাৱ আছে। এ. ডব্লিউ টোজাৰে যি কৈছিল তাক সোঁৱৰণ কৰক ঃ “বৰ্তমান সময়ত আমাৰ মণ্ডলীৰ পৰা পবিত্ৰ আত্মাক লৈ যোৱা হয়, তেনেহ'লে আমি এতিয়া যি কৰি আছো তাৰ ৯৫ শতাংশই কাম চলি থাকিব, একো সমস্যা নহ'ব, আৰু কোনেও একো পাৰ্থক্য বুজিব নোৱাৰিব। যদি আদি মণ্ডলীৰ পৰা পবিত্ৰ আত্মাক লৈ যোৱা হয় তেন্তে তেওঁবিলাকে যি কৰিছিল, তাৰ ৯৫ ভাগ কাম (ইয়াৰ অৰ্থ প্ৰায় সকলো বিলাক কামেই) স্থগিত হৈ গ'লহেঁতেন, আৰু প্ৰত্যেকেই ইয়াৰ পাৰ্থক্য বুজিব পাৰিলেহেঁতেন।”

# আমি পবিত্ৰ আত্মাৰ অবিহনে চলিবলৈ শিকিছো নে? বৰ্তমান সময়ৰ মণ্ডলীত বিশেষকৈ মাংসিক খ্ৰীষ্টিয়ান সকল আছে নেকি?

ইয়াৰ ফলস্বৰূপে, আমি প্ৰায়ে শক্তিহীন হৈ পৰিছো নেকি আৰু বহু পৰিমাণে কোনো বিজয় লাভ কৰা নাই নেকি? আমাৰ মাজত মাংসিক মনোভাৱৰ ফলত অনেক ঠাইত দুৰ্বল মণ্ডলীৰ বৃদ্ধি পাইছে নেকি? অনেক ক্ষেত্ৰত বহুতো গুৰুত্বৰ সমস্যা মাংসিক মনোভাৱৰ ফলত আহে নেকি? আমাৰ ব্যক্তিগত আৰু পাৰস্পৰিক মুখ্য সমস্যাবোৰ দিনে দিনে অধিক বৃদ্ধি হোৱা দেখিবলৈ পোৱা যাব, যিবোৰ পবিত্ৰ আত্মাৰ অভাৱৰ ফলত ঘটিব। ব্যক্তিগত দিশসমূহত আমি ঈশ্বৰৰ সহায়ত অতি সোনকালে এই পৰিস্থিতি সলনি কৰিব পাৰিম। তলৰ কথাসমূহ স্বাভাৱিকতে প্ৰত্যেকজন পৰিচাৰকৰ বাবে কোৱা হৈছে।

জোহানছ মেগাৰে কৈছে ঃ "পৌলে আত্মিক আৰু মাংসিক খ্ৰীষ্টিয়ান সকলৰ মাজত পাৰ্থক্য দেখুৱাইছে ; এটা দল পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ আৰু আন বিলাকৰ অন্তৰত পবিত্ৰ আত্মাৰ বাবে কোনো স্থান নাই, তেওঁবিলাকে পবিত্ৰ আত্মাৰ দ্বাৰাই বাপ্তিষ্মা লৈছে কিন্তু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা নাই।"

এজন পৰিচাৰকৰ কাৰণে ইয়াৰ অৰ্থ হৈছে ঃ মই ধৰ্মতত্ত্বৰ প্ৰশিক্ষণ লোৱা বুলি ক'ব পাৰো, সলসলাই বাইবেলৰ পদবোৰ মুখস্থ ক'ব পাৰো আৰু দক্ষতাৰ সৈতে শাস্ত্ৰৰ ব্যাখ্যা কৰিব পাৰো ; মই বাইবেলৰ মহান সত্যবোৰ বুদ্ধিমত্তাৰ সৈতে গ্ৰহণ কৰিব পাৰো আৰু অতি সহজেই সেইবোৰ বুজি পাব পাৰো আৰু বিভিন্ন শতিকাৰ গোড়া ধৰ্মতত্ত্বৰ যুক্তি বিজ্ঞতাৰ সৈতে অৱগত কৰিব পাৰো ; মই ধৰ্মোপদেশৰ শিক্ষাৰ ওপৰত সুন্দৰ ধাৰণা দিব পাৰো আৰু প্ৰাসঙ্গিক আৰু বাস্তৱিক উপদেশ প্ৰচাৰ কৰিব পাৰো, কিন্তু মোৰ সকলো জ্ঞান আৰু প্ৰতিভা থকা স্বত্বেও পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ নহ'ব

পাৰো। কিতাপ, শিক্ষা, ভাল কাৰিকৰী সঁজুলি আনকি অসাধাৰণ দক্ষতাই পবিত্ৰ আত্মাহীন জীৱনৰ কাৰণে বিকল্প কিবা এটা গঠন কৰিব পাৰে।

প্ৰচাৰ কৰা, ৰাজহুৱা ভাৱে প্ৰাৰ্থনা কৰা, মণ্ডলীৰ জীৱন গঢ়ি তোলা, শুভবাৰ্ত্তা প্ৰচাৰ কাৰ্যৰ কাৰ্যসূচী প্ৰস্তুত কৰা, পৰিচাৰক বিলাকক পৰামৰ্শ দিয়া— এই সকলোবোৰ শিকিব পাৰি আৰু পবিত্ৰ আত্মাৰ অবিহনেই চৰ্চা কৰিব পাৰি। ইলেন জি. হুৱাইটে এই ভয়াবহ সম্ভাৱনাটোক এইদৰে বৰ্ণনা কৰিছিল ঃ "ঈশ্বৰৰ আত্মা ইমান কম পৰিলক্ষিত হোৱাৰ কাৰণ হৈছে পৰিচাৰক সকলে ঈশ্বৰৰ আত্মাৰ অবিহনে কাৰ্য কৰিবলৈ শিকে।" ( E. G. White, Testimonies for the Church, Volume 1, (1868), p. 383-1)

জোহানছ মেগাৰ বহু বছৰ ধৰি এজন পাষ্টৰ, প্ৰচাৰক আৰু চিষ্টেমেটিক থিয়ল'জি বিভাগৰ অধ্যাপক আছিল। তেওঁ চুইজাৰলেণ্ডৰ বেৰানত ইউৰো-আফ্ৰিকান ডিভিজনৰ (বৰ্তমান ইন্টাৰ ইউৰোপিয়ান ডিভিজন) মিনিষ্ট্ৰিৰিয়েল ডিপাৰ্টমেন্টৰ সচিব হিচাবে শেষবাৰৰ বাবে কাম কৰিছিল। তেওঁ এতিয়া অৱসৰপ্ৰাপ্ত আৰু জাৰ্মানীৰ ফ্ৰেইডেনচাউত বাস কৰে।

*সংক্ষিপ্তত ক'ব পাৰি ঃ মাংসিক সভ্য-সভ্যা হোৱাৰ অৰ্থ হৈছে পবিত্ৰ আত্মাৰ অবিহনে বা পবিত্ৰ আত্মাৰ অপৰ্যাপ্ত সহায়ৰ অবিহনে সাধাৰণ মানৱ শক্তি আৰু সামৰ্থ্যৰ দ্বাৰা জীয়াই থকা।*

## মাংসিক খ্ৰীষ্টিয়ান ধৰ্মৰ মুখ্য বাধা

পবিত্ৰ বাইবেলৰ মহান নৈতিকতা বা বিধান হ'ল— নিজৰ শত্ৰুক প্ৰেম কৰা, সকলোবোৰৰ বাবে লোকবিলাকক ক্ষমা কৰা, পাপক জয় কৰা ইত্যাদি। এই সকলো কেৱল পবিত্ৰ আত্মাৰ শক্তিৰ দ্বাৰাইহে কৰা সম্ভৱ, মানৱ শক্তিৰ দ্বাৰা কৰা কোনোমতেই সম্ভৱ নহয়। এইটোৱে আমাক দেখুৱায় যে মাংসিক খ্ৰীষ্টিয়ান ধৰ্মৰ মুখ্য সমস্যাটো হৈছে ই কেৱল মনুষ্যৰ শক্তিৰ এটা

সীমাবদ্ধ জীৱন। আমি অকলে আমাৰ নিজৰ শক্তিৰ যোগেদি ঈশ্বৰৰ ইচ্ছা পালন কৰিব নোৱাৰো।

এই বিষয়ে কেইটামান শাস্ত্ৰপদ পঢ়োহঁক ঃ

**যিচ য়া ঃ ৬৪:৬** ঃ "আমাৰ সকলো ধাৰ্মিকতা চুৰা হোৱা কাপোৰৰ দৰে হ'ল।"

**যিৰিমিয়া ঃ ১৩:২৩** ঃ "কুচীয়া লোকে জানো নিজৰ ছাল বা নাহৰফুটুকী বাঘে জানো নিজ গাৰ ফুটুকা-ফুটুকবোৰ সলনি কৰিব পাৰে? যদি পাৰে, তেন্তে কু-কৰ্মত অভ্যাস থকা যি তোমালোক, তোমালোকেও সৎকৰ্ম কৰা সম্ভৱ।"

**যিহিস্কেল ঃ ৩৬:২৬,২৭** ঃ "মই তোমালোকক এক নতুন হৃদয় দিম, আৰু তোমালোকৰ অন্তৰত এক নতুন আত্মা স্থাপন কৰিম ; আৰু মই তোমালোকৰ শৰীৰৰ পৰা শিলৰূপ মন গুচাই তোমালোকক মাংস ৰূপ মন দিম। আৰু মই তোমালোকৰ অন্তৰত মোৰ আত্মা স্থাপন কৰি, তোমালোকক মোৰ বিধিবোৰত চলাম ; তাতে তোমালোকে মোৰ শাসন-প্ৰণালীবোৰ পালন কৰি সেই মতে কাৰ্য কৰিবা।"

**ৰোমীয়া ঃ ৮:৭** ঃ "কিয়নো মাংসৰ ভাৱ, ঈশ্বৰলৈ শত্ৰুতা ; কাৰণ সেয়ে ঈশ্বৰৰ বিধান বশীভূত নহয়, আৰু হ'বও নোৱাৰে।"

**ইলেন জি. হুৱাইটে অতি স্পষ্ট আৰু সঠিক ভাৱে কৈছিল**

"যিজনে বিধান পালন কৰাৰ দ্বাৰাই নিজৰ কৰ্মৰ যোগেদি স্বৰ্গত যাবলৈ চেষ্টা কৰি আছে, তেওঁ এটা অসম্ভৱতাৰ চেষ্টা কৰি আছে। আজ্ঞাধীন নোহোৱাকৈ মানুহে পৰিত্ৰাণ পাব নোৱাৰে, আনকি তেওঁৰ কৰ্মও তেওঁৰ পক্ষে কাৰ্য কৰিব নোৱাৰে, কেৱল খ্ৰীষ্টই তেওঁৰ ইচ্ছা আৰু মঙ্গলৰ কাৰণে কাম কৰিব লাগিব।"

মই ভাবো এই প্ৰসংগটো আমাক দেখুৱাবৰ বাবে যথেষ্ট যে আমি পবিত্ৰ আত্মাৰ অবিহনে ঈশ্বৰৰ ইচ্ছা পালন কৰাত সক্ষম নহওঁ। আমাৰ মূল

লক্ষ্য হৈছে আমি সদায়ে ঈশ্বৰৰ ইচ্ছা পালন কৰিবৰ কাৰণে সিদ্ধান্ত ল'ব লাগিব আৰু ঈশ্বৰে আমাক এইটো কাৰ্যকৰী কৰিবলৈ শক্তি প্ৰদান কৰিব। বিশ্বাসৰ দ্বাৰা ধাৰ্মিকতাৰ তত্ত্বৰ বিষয়ে এই জ্ঞান থকা অতি গুৰুত্বপূৰ্ণ আৰু যুক্তিদায়ক। অৱশ্যে, ইয়াত এই বিষয়টো বিতংভাৱে আলোচনা কৰা সম্ভৱ নহয়।

## যেতিয়া কোনোবাই তেওঁলোকৰ শক্তি অতিক্ৰম কৰি কিবা কৰিবলৈ চেষ্টা কৰে তেনেহ'লে কি হ'ব পাৰে?

মই যেতিয়া প্ৰায়ে বিষয়টো অনুভৱ কৰো তেতিয়া কি হয় ঃ মই এইটো কৰিব নোৱাৰো। এতিয়া মই পুনৰায় বিফল হৈছো! মই ভাবো কিছুমান ক্ষেত্ৰত আমি হতাশাজনক অভিজ্ঞতা লাভ কৰো।

মই ভাবো বয়স্ক সকলৰ তুলনাত নতুন প্ৰজন্মৰ বাবে এই সমস্যাটো অধিক গুৰুত্বপূৰ্ণ। বয়স্ক লোকসকল পৰিয়াল, বিদ্যালয় আৰু ব্যৱসায়ৰ ক্ষেত্ৰত শক্তিশালী ভাৱে দায়িত্ব বা কৰ্ত্তব্যৰ সিদ্ধান্ত ল'ব পাৰে। এনেদৰে তেওঁলোক যুৱপ্ৰজন্মৰ দৰে অতি সহজে হতাশাত নোভোগে। কিন্তু বয়স্ক বা যুৱ-প্ৰজন্মই হওঁক সকলোৰে বাবে সমস্যাটো সমানেই। কেৱল এজন কম বয়সীয়া ব্যক্তিয়েহে এইটো অধিক স্পষ্টভাৱে লক্ষ্য কৰে। প্ৰত্যেক মাংসিক খ্ৰীষ্টিয়ানে নিজৰ শক্তিত বিশ্বাসৰ পথত চলায় হৈছে তেওঁবিলাকৰ কাৰণে আন এটা প্ৰধান সমস্যা, এইটো তেওঁলোকে জানক বা নাজানক কিন্তু এইটোৱেই সত্য।

আমি কেনেদৰে এই সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰো? কোনো ব্যক্তি হয়তো অধিক আগ্ৰহেৰে ঈশ্বৰৰ কাৰ্যত সহায় কৰিবৰ বাবে অধিক প্ৰাৰ্থনা কৰিব পাৰে আৰু অধিক চেষ্টা কৰাৰ সিদ্ধান্ত ল'ব পাৰে। আন এজন ব্যক্তিয়ে ভাবিব পাৰে যে আমি ঠেক মনৰ হোৱা উচিত নহয়। এতিয়া তেওঁ বিষয়বোৰ অধিক সাধাৰণভাৱে ল'বলৈ আৰম্ভ কৰে আৰু মুক্ত অনুভৱ কৰে। তথাপিও আন কিছুমানে তেওঁবিলাকৰ বিশ্বাস সম্পূৰ্ণৰূপে ত্যাগ কৰে আৰু আনকি আনন্দ অনুভৱ কৰিব পাৰে। একমাত্ৰ সমস্যাটো

হ'ল এই দেখা পোৱা সমাধানবোৰ হৈছে ভুল সমাধান, কিয়নো ইয়াৰ পৰিণাম সোনকালে হওঁক বা পিছতে হওঁক এইটো দেখা পোৱা যাব। ইয়াৰ সঠিক সমাধান হৈছে ঈশ্বৰৰ আজ্ঞাবোৰ গুৰুত্ব সহকাৰে লোৱা, কিয়নো সেইবোৰ প্ৰেমৰ বাবে দিয়া হৈছে আৰু আমাৰ নিজৰ মঙ্গলৰ বাবে দিয়া হৈছে। যিয়েই নহওঁক, এই কাৰ্যৰ বাবে আমাক ঈশ্বৰৰ শক্তিৰ আৱশ্যক। সঠিক উপায় হৈছে পবিত্ৰ আত্মাৰ শক্তিৰ যোগেদি আনন্দিত হোৱা, অনুপ্ৰেৰণা, শক্তি, সফলতা আৰু বিজয়ৰ সৈতে জীয়াই থকা।

## মাংসিক সমস্যা

মই ভাবো, আমি ইতিমধ্যে বুজিব পাৰিছো যে এই সকলো বেছিভাগ মাংসিক খ্ৰীষ্টিয়ানৰ সৈতে সম্পৰ্ক আছে। যীচুৱে কিয় কোনো কুহুমীয়া অনুগামীক নিবিচাৰে সেয়া স্পষ্ট হোৱা নাই? ঈশ্বৰে আমাক যিদৰে জীৱন প্ৰচুৰ পৰিমাণে দিব বিচাৰে তেনেকুৱা জীৱন তেওঁবিলাকৰ নাই, যদিও তেওঁবিলাকৰ অধিকাংশই এইটো নাজানে যিটো তেওঁবিলাকৰ এইটো ভাল উদাহৰণ নহয়। সমস্যাটো আমি ভবাতকৈ অধিক বেছি গুৰুত্বপূৰ্ণ। "দুই মনৰ খ্ৰীষ্টিয়ান সকল নাস্তিক বিলাকতকৈয়ো বেয়া ; কাৰণ তেওঁলোকৰ প্ৰতাৰণামূলক বাক্য আৰু অকৰ্ত্তৃত্বশীল স্থিতিৰ বাবে অনেকক বিপথে পৰিচালিত কৰে।" ইলেন জি. হুৱাইট, চিঠি- ৪৪।

আৰ্থাৰ জি. ডেনিয়েলছৰ দ্বাৰা লিখা 'খ্ৰীষ্ট আমাৰ ধাৰ্মিকতা' নামৰ কিতাপখনত আমি নিম্নলিখিত কথাবোৰ পঢ়িবলৈ পাওঁ ঃ

"কিন্তু আনুষ্ঠানিকতাবাদ হৈছে এটা অত্যন্ত প্ৰতাৰণামূলক আৰু ধ্বংসাত্মক। এইটো হৈছে লুকাই থকা, অপ্ৰত্যাশিত শিল, যিটোক মণ্ডলীয়ে গোটেই শতিকা জুৰি বহুবাৰ ভাঙি পেলোৱাৰ ভাবুকি দিছে। পাচনি পৌলে আমাক সতৰ্ক কৰি দিছিল যে ঈশ্বৰৰ শক্তিৰ অবিহনে (পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ নোহোৱাকৈ) এই "ভক্তিৰ আকাৰধাৰী"বোৰ (২ তিমথী ঃ ৩:৫ পদ) অন্তিম দিনৰ বাবে এক বিপদ হ'ব পাৰে আৰু আমাক এই সুখ-

প্ৰিয়, বিশ্বাসঘাতক  মনোবৃত্তি লোকৰ দ্বাৰা শিক্ষা গ্ৰহণ নকৰিবলৈ পৰামৰ্শ দিছে।

## মাংসিক খ্ৰীষ্টিয়ান হোৱাৰ দিশে পৰিচালিত কৰাৰ সম্ভাৱ্য বিষয়সমূহ

নিম্নলিখিত কাৰণসমূহ লোকবিলাকক মাংসিক খ্ৰীষ্টিয়ান হোৱাৰ দিশে পৰিচালিত কৰে ঃ

১। অজ্ঞতা — আমি পবিত্ৰ আত্মাৰ সৈতে জীৱন-যাপন কৰা বিষয়টোৰ বাবে যথেষ্ট পৰিমাণে নিজকে সমৰ্পিত কৰা নাই বা আমি কাৰ্যকৰী কৰাৰ চাবিকাঠি বিচাৰি পোৱা নাই।

২। অবিশ্বাস বা কম বিশ্বাস — পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'বৰ বাবে যীচুখ্ৰীষ্টৰ ওচৰত আমাৰ জীৱন সম্পূৰ্ণৰূপে সমৰ্পণ কৰাৰ আৱশ্যকতা আছে। এইটোৱো অজ্ঞানতাৰ বাবে হ'ব পাৰে বা হয়তো আমি ভয় কৰিব পাৰো যে প্ৰভুৱে আমাক আমি বিচৰতাকৈ বেলেগ ধৰণে চলাই নিব পাৰে। ইয়াৰ অৰ্থ হৈছে যে আমাৰ ঈশ্বৰৰ প্ৰেমৰ ওপৰত আস্থা নাই আৰু তেওঁৰ বিষয়ে জ্ঞানৰ অভাৱ আছে।

৩। ভুল ধাৰণা — এজন ব্যক্তিয়ে ভাবিব পাৰে যে তেওঁ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ আছে। যদিও তেওঁলোক বাস্তৱত হোৱা নাই বা পৰ্যাপ্ত নহয়। এইটোৱেই আটাইতকৈ সঘনাই হোৱা সমস্যা যেন লাগে।

৪। অত্যাধিক ব্যস্ত হৈ থকা — বৰ্তমান সময়ত মানুহবোৰ ইমানেই ভাৰাক্ৰান্ত আৰু ব্যস্ত যে তেওঁলোকে ভাবে যে তেওঁলোকৰ খ্ৰীষ্টৰ সৈতে সম্পৰ্ক বজায় ৰাখিবলৈ পৰ্যাপ্ত সময় নাই। বা তেওঁলোকে সময়ো লয়, কিন্তু ঈশ্বৰৰ সৈতে সংযোগ স্থাপনত কোনো অগ্ৰগতি লাভ কৰিব নোৱাৰে।

৫। গুপ্ত পাপ, সম্ভৱত অনুতাপৰ অভাৱ এইটো এটা শ্বৰ্ট-চাৰ্কিটৰ দৰে, অৰ্থাৎ ঈশ্বৰৰ শক্তিৰ সৈতে কোনো সম্পৰ্ক নাই।

৬। বেছিভাগে তেওঁলোকৰ অনুভূতি অনুসৰি কাম কৰে— ঈশ্বৰৰ বাক্যই কয় ঃ “ধাৰ্মিকজন বিশ্বাসৰ দ্বাৰাই জীৱ।” মই ঈশ্বৰক বিশ্বাস কৰো বা মোৰ অনুভূতি অনুসৰি সিদ্ধান্ত লওঁ নেকি? ৰ’গাৰ মৰ্ণেডিৰৰ এই মন্তব্যই মোক সঁচাকৈয়ে প্ৰভাৱিত কৰিছিল ঃ “আত্মাই মানুহক খ্ৰীষ্ট আৰু তেওঁৰ ভাৱবাদী সকলৰ বাক্যৰ পৰিবৰ্তে তেওঁলোকৰ অনুভূতিক শুনিবলৈ উৎসাহিত কৰিব। লোকবিলাকে কি ঘটিছে সেয়া প্ৰত্যেকে অনুভৱ নকৰাকৈ কোনো নিশ্চিত উপায়েৰে আত্মাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

## যদিও মই ইতিমধ্যে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ আছো তথাপি মই কিয় পবিত্ৰ আত্মা বিচাৰিব লাগে?

এফালে, আমাৰ লগত থাকিবলৈ আমাক পবিত্ৰ আত্মা প্ৰদান কৰা হৈছিল। আনহাতে আমি নিৰন্তৰ বিশ্বাসেৰে পবিত্ৰ আত্মাক বিচাৰিব লাগে। আমি দেখা যোৱা প্ৰতিবাদক কেনেকৈ সমাধান কৰিম?

এফালে যীচুৱে যোহন ঃ ১৪:১৭ পদত কৈছেঃ “কিয়নো তেওঁ (পবিত্ৰ আত্মা) তোমালোকে সৈতে নিবাস কৰে, আৰু তোমালোকৰ অন্তৰত থাকিব।” পাচনিকৰ্ম ঃ ২:৩৮ পদত কৈছে ঃ “তোমালোকৰ পাপ মোচনৰ অৰ্থে মন পালটোৱা, আৰু যীচু খ্ৰীষ্টৰ নামেৰে প্ৰতিজন বাপ্তাইজিত হোৱা ; তেহে তোমালোকে পবিত্ৰ আত্মা দান পাবা।”

আনফালে, যেতিয়া যীচুৱে প্ৰাৰ্থনাৰ বিষয়ে শিক্ষা দিছিল, তেতিয়া তেওঁ লূক ঃ ১১:৯-১৩ পদত কৈছিল ঃ “খোজা, তেহে তোমালোকক দিয়া হ’ব............ তেন্তে তাতকৈয়ো তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে, তেওঁত খোজা বিলাকক পবিত্ৰ আত্মা নিদিব নে?” ইফিচীয়া ঃ ৫:১৮ পদত কোৱা হৈছে ঃ “.......... আত্মাৰে পৰিপূৰ্ণ হোৱা।” মূল গ্ৰীক লিখনি অনুসৰি দুয়োটা ক্ষেত্ৰতে এইটো এটা নিৰন্তৰ অনুৰোধ।

সমাধান ঃ ইলেন জি. হ্বাইটে “পাঁচনি বিলাকৰ কাম” পুস্তকখনত কৈছে ঃ “পবিত্ৰ আত্মাই সদায় লিখিত বাক্যৰ সৈতে সামঞ্জস্য ৰাখি কাৰ্যবোৰ

কৰে। যিদৰে স্বাভাৱিকত, তেনেদৰে আত্মিক জগততো সত্য। স্বাভাৱিক জীৱন প্ৰত্যেক মুহূৰ্ত্তৰ বাবে ঐশ্বৰিক শক্তিৰ দ্বাৰা ৰক্ষিত হৈ থাকে ; তথাপিও ই প্ৰত্যক্ষ ভাৱে আচৰিত কাৰ্যৰ দ্বাৰা বাহাল নাথাকে, কিন্তু আমাৰ বাবে ৰখা আশীৰ্বাদৰ ব্যৱহাৰৰ যোগেদিহে টিকি থাকে। গতিকে ঐশ্বৰিক তত্ত্বৱধানৰ দ্বাৰা প্ৰদান কৰা সেই উপায়বোৰৰ ব্যৱহাৰে আত্মিক জীৱন বৰ্তাই ৰাখে। যদি খ্ৰীষ্টৰ অনুগামী এজন নিষ্কলঙ্ক ব্যক্তি হিচাবে বৃদ্ধি হয়, তেন্তে তেওঁ খ্ৰীষ্টৰ পৰিপূৰ্ণতাৰ মৰ্যাদাৰ পৰিমাপ অনুসৰিহে হয় (ইফিচীয়া ঃ ৪:১৩ পদ), যিজনে বৃদ্ধি হ'ব বিচাৰে তেওঁ জীৱনৰ পিঠা খাব লাগিব আৰু পৰিত্ৰাণৰ জল পান কৰিব লাগিব। তেওঁ ঈশ্বৰৰ বাক্যত দিয়া আদেশ সমূহৰ প্ৰতি আগ্ৰহী হৈ সকলো বিষয়ত চাব লাগিব আৰু প্ৰাৰ্থনা কৰিব লাগিব।"

আমি আমাৰ জন্মৰ সময়ত জীৱন লাভ কৰিছো। এই জীৱনটো বৰ্ত্তাই ৰাখিবলৈ আমি খাব লাগিব, পান কৰিব লাগিব, ব্যায়াম কৰিব লাগিব ইত্যাদি। আমাৰ আত্মিক জীৱনৰ ক্ষেত্ৰতো সম্পূৰ্ণ একে। আমাৰ জল আৰু আত্মা দ্বাৰা বাপ্তিষ্ম লোৱাৰ যোগেদি পবিত্ৰ আত্মা (পুনৰ জন্ম) লাভ কৰো আৰু এই আত্মিক জীৱন আমাৰ গোটেই জীৱন জুৰি থাকে। এই আত্মিক জীৱন বৰ্ত্তাই ৰাখিবলৈ ঈশ্বৰে প্ৰদান কৰা আত্মিক উপায়বোৰ ব্যৱহাৰ কৰা আৱশ্যক, এইবোৰ হ'ল ঃ পবিত্ৰ আত্মা, ঈশ্বৰৰ বাক্য, প্ৰাৰ্থনা, আমাৰ সাক্ষ্য ইত্যাদি।

যোহন ঃ ১৫:৪ পদত যীচুৱে কৈছিল ঃ "তোমালোকে মোত থাকা, ময়ো তোমালোকত থাকিম।" ইলেন জি. হুৱাইটে এই সন্দৰ্ভত কৈছে ঃ "খ্ৰীষ্টত লাগি থকাৰ অৰ্থ হৈছে অবিৰত ভাৱে তেওঁৰ পবিত্ৰ আত্মাটোক পাই থকা, তেওঁৰ কাৰ্যৰ নিমিত্তে সৰ্বস্ব সমৰ্পণ কৰা এটা জীৱন।" সৰ্বযুগৰ আকাংক্ষা, পৃ. ৬৭৬।

সেই কাৰণে আমি দৈনিক বিশ্বাসেৰে পবিত্ৰ আত্মাৰ কাৰণে প্ৰাৰ্থনা কৰিব লাগিব আৰু আমাৰ সকলো বিষয়েৰে সৈতে প্ৰভুৰ ওচৰত নিজকে সমৰ্পণ কৰিব লাগিব।

# মই ক'ত আছো ?

এতিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল মই কোনটো দলত আছো তাক বুজি পোৱা। মই ক'ত আছো ?

যেতিয়া মোৰ মৰমৰ মাৰ বয়স  ২০ বছৰ আছিল তেতিয়া তাই এজন পুৰুষৰ প্ৰশ্নৰ উত্তৰ দি কৈছিল যে তাই বিশ্বাসত আগ্ৰহী নহয়। তাৰ পিছত তেওঁ উত্তৰ দিছিল ঃ আৰু যদি আপোনাৰ নিশাই মৃত্যু হয় তেতিয়া কি হ'ব ? এই মন্তব্যটোৱে তাইক গভীৰ ভাৱে আঘাত কৰিছিল। কিন্তু ইয়াৰ এটা অতি ইতিবাচক প্ৰভাৱ পৰিছিল। এইটোৱে তাইক যীচু আৰু তেওঁৰ মণ্ডলীৰ বাবে সিদ্ধান্ত ল'বলৈ প্ৰেৰিত কৰিছিল। হয়তো এই প্ৰশ্নটোৱে আপোনাকো সহায় কৰিব।

ধৰি লওঁক ........ আপোনাৰ আজি মৃত্যু হ'ল..... ! (হাৰ্ট-এটেক, দুৰ্ঘটনা, ষ্ট্ৰোক ?)। যীচু খ্ৰীষ্টৰ সৈতে আপোনাৰ অনন্ত জীৱনৰ আশা আছেনে ? কেতিয়াও অনিশ্চয়তা হৈ নাথাকিব।

# কিবা উদ্বেগজনক

মই বহুত সতৰ্ক হৈ পৰিছো কিয়নো মই এই সমস্যাটোৰ গুৰুত্ব বুজিবলৈ আৰম্ভ কৰিছো। এই অনুচ্ছেদটো সঁচাকৈয়ে যোগ দিব লাগে নে নাই সেই বিষয়ে মই অনেক ভাবিছো আৰু প্ৰাৰ্থনা কৰিছো। মই এটা সুযোগ লৈ আছো কিয়নো এইটো বৰ্তমান জীৱনৰ আৰু অনন্ত জীৱনৰ বাবে আনন্দৰ বিষয় আৰু বিশেষকৈ বিবাহ আৰু পৰিয়ালৰ লগতে মণ্ডলী আৰু জীৱিকাৰ ওপৰতো ইয়াৰ প্ৰভাৱ আছে। মই নাজানো এইটো কাৰ বাবে প্ৰযোজ্য। কিন্তু মই সংশ্লিষ্ট ব্যক্তিজনৰ বাবে সহায় কৰিব বিচাৰো, কিয়নো মোকো সহায় কৰা হৈছে। এইটো গুৰুত্বপূৰ্ণ যে মাংসিক লোকৰ বিষয়টো সকলোৱে উপলব্ধি কৰা উচিত  ; অন্যথা তেওঁ ঈশ্বৰৰ সহায়ত সলনি হ'ব নোৱাৰিব। ঈশ্বৰে তেওঁৰ প্ৰেমত পবিত্ৰ আত্মা আৰু যীচুখ্ৰীষ্টৰ সৈতে এক অন্তৰংগ সম্পৰ্কৰ যোগেদি আমাক প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰিব বিচাৰে। ইয়াৰ

ফলস্বৰূপে বৃহৎ ক্ষতি হোৱাৰ পৰা ৰক্ষা কৰিব পাৰি আৰু অপৰিসীম আশীৰ্বাদ লাভ কৰিব পাৰি। আৰু আচৰিত কথাটো হ'ল যে, আমি ঈশ্বৰৰ সহায়ত পৰিস্থিতিটো শীঘ্ৰে প্ৰতিকাৰ কৰিব পাৰো ( ৩ আৰু ৫ অধ্যায়ত অধিক বিতংভাৱে দিয়া হৈছে)।

মাংসিক খ্ৰীষ্টিয়ান সকলৰ সমস্যাটো বাইবেলত বিভিন্ন ধৰণে বৰ্ণনা কৰা হৈছে। বেলেগ বেলেগ দল আৰু বেলেগ বেলেগ লোকৰ মাজত বিভিন্ন সমস্যা থাকিব পাৰে, কিন্তু মূল সমস্যাটো একে। পাৰ্থক্য সমূহ এইদৰে বৰ্ণনা কৰা হৈছে ঃ

- **"মাংসিক বা আত্মিক"** — ৰোমীয়া ঃ ৮:১-১৭ ; ১ কৰিন্থীয়া ঃ ৩:১-৪ ; গালাতীয়া ঃ ৫:১৬-২১ আৰু আন পদসমূহ।

- **"নিৰ্ব্বুদ্ধি"** — দহ গৰাকী কন্যাৰ দৃষ্টান্ত। মথি ঃ ২৫:১-১৩ পদ।

  "নিৰ্ব্বুদ্ধি" কন্যাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা মণ্ডলীৰ অৱস্থাক লায়দিকেয়া মণ্ডলী বুলিও কোৱা হয়।"

- **"কুহুমীয়া"** — প্ৰকাশিত বাক্য ঃ ৩:১৪-২১ পদ লায়দিকেয়ালৈ লিখা পত্ৰ।

  "তুমি হয় চেঁচা নহয় তপত হোৱা ভাল আছিল"। (প্ৰকাশিত বাক্যঃ ৩:১৫ পদ)। এইটো আশ্চৰ্যজনক নহয় নে? যীচুৱে কুহুমীয়াতকৈ চেঁচা পছন্দ কৰে। ইয়াৰ কাৰণ কি? দুই মনৰ খ্ৰীষ্টিয়ান সকল নাস্তিক বা অবিশ্বাসী সকলতকৈয়ো অধম ; তেওঁলোকৰ প্ৰতাৰণামূলক বাক্য আৰু অকৰ্ত্তৃত্বশীল স্থিতিৰ বাবে বহুতক বিপথে পৰিচালিত কৰে। অবিশ্বাসীয়ে তেওঁৰ নিজৰ ৰূপ দেখুৱায়। কুহুমীয়া খ্ৰীষ্টিয়ান সকলে দুয়োপক্ষক প্ৰতাৰণা কৰে। তেওঁ এজন জগতৰ ভাল ব্যক্তিও নহয় আৰু ভাল খ্ৰীষ্টিয়ানো নহয়। চয়তানে তেওঁক এনে এটা কাম কৰিবলৈ ব্যৱহাৰ কৰিছে যিটো আন কোনেও কৰিব নোৱাৰে।

- **নতুনকৈ জন্ম হোৱা নাই বা এই অৱস্থাত থকা নাই**— যোহন ঃ ৩:১-২১ পদ। নতুন জন্ম লাভ কৰা হৈছে পৃথিৱীৰ এই যুগত এক বিৰল অভিজ্ঞতা।

এই কাৰণে মণ্ডলী সমূহত বহুতো বিভ্ৰান্তি হৈছে। বহুতে, যিসকলে খ্ৰীষ্টক স্বীকাৰ কৰে, তেওঁলোক পবিত্ৰ আৰু শুচিকৰণ হোৱা নাই। তেওঁলোকক বাপ্তিষ্ম দিয়া হৈছে, কিন্তু তেওঁলোকক জীৱিত অৱস্থাতে মৈদাম দিয়া হৈছে। নিজে মৃত্যু হোৱা নাই আৰু সেই কাৰণে তেওঁলোকে খ্ৰীষ্টত জীৱনৰ নতুনত্বৰ বাবে উত্থান হোৱা নাই।"

- **ভক্তিৰ আকাৰধাৰী** — "ভক্তিৰ আকাৰধাৰী কিন্তু তাৰ শক্তি অস্বীকাৰকাৰী হ'ব" (২ তিমথীয় ঃ ২:৫ পদ)। আৰ্থাৰ জি. ডেনিয়েলছে এই বিষয়ে নিম্নলিখিতবোৰ কৈছে ঃ

"......... কিন্তু আনুষ্ঠানিকতাবাদ বা পৰম্পৰা এটা অত্যন্ত প্ৰতাৰণামূলক আৰু ধ্বংসাত্মক। এইটো হৈছে লুকাই থকা, অপ্ৰত্যাশিত শিল, যিটোক মণ্ডলীয়ে গোটেই শতিকাজুৰি বহুবাৰ ভাঙি পেলোৱাৰ ভাবুকি দিছে। পৌলে আমাক সতৰ্ক কৰি দিছিল যে ঈশ্বৰৰ শক্তিৰ অবিহনে (পবিত্ৰ আত্মাৰ দ্বাৰা পৰিপূৰ্ণ নোহোৱাকৈ) এই "ভক্তিৰ আকাৰধাৰী" ( ২ তিমথীয় ঃ ৩:৫ পদ) অন্তিম দিনবোৰত এক বিপদ হ'ব আৰু আমাক এই সুখ প্ৰিয়, বিশ্বাসঘাতক মনোবৃত্তি লোকৰ দ্বাৰা শিক্ষা গ্ৰহণ নকৰিবলৈ পৰামৰ্শ দিছে।"

আৰু ইলেন জি. হুৱাইটৰ লিখনিত কিছুমান আচৰিত মন্তব্যও আছে ঃ

- **অতি কম ঃ**

"মোৰ সপোনত এজন চকীদাৰে এটা গুৰুত্বপূৰ্ণ অট্টালিকাৰ দুৱাৰত থিয় হৈ প্ৰৱেশ কৰিবৰ বাবে অহা প্ৰত্যেককে সুধিছিল, "আপুনি পবিত্ৰ আত্মা লাভ কৰিছে নে?" তেওঁৰ হাতত এটা জোখা জৰী আছিল, আৰু কেৱল অতি কম লোকক ভৱনটোত প্ৰৱেশ কৰিবলৈ দিয়া হৈছিল।"

- **বিশ জনৰ ভিতৰত এজনো সাজু নহয় ঃ**

"এইটো এটা গাম্ভীৰ্যপূৰ্ণ মন্তব্য যিটো মই মণ্ডলীৰ বাবে দিওঁ, বিশ জনৰ ভিতৰত এজনো যাৰ নাম মণ্ডলীৰ পুস্তকত পঞ্জীয়ন কৰা হোৱা নাই আৰু

তেওঁলোকৰ পাৰ্থিৱ ইতিহাস বন্ধ কৰিবলৈ প্ৰস্তুত কৰা হৈছে, আৰু সাধাৰণ পাপী হিচাবে ঈশ্বৰৰ অবিহনে আৰু আশাৰ অবিহনে জগতত থাকিব।”

- **আমি ইমান এলেহুৱা কিয় ?**

  “খ্ৰীষ্টৰ সৈনিক সকল কিয় ইমান নিষ্ক্ৰিয় আৰু উদাসীন? কাৰণ খ্ৰীষ্টৰ সৈতে থকা তেওঁবিলাকৰ সম্বন্ধটো অতি নিশকতীয়া; কাৰণ তেওঁবিলাকৰ “তেওঁৰ” আত্মাৰ অভাৱ”।

- **মহা বিপদ ঃ**

  “মই ইয়াত জীৱনৰ সংক্ষিপ্ততা আৰু অনিশ্চয়তাৰ ওপৰত নিৰ্ভৰ নকৰো; কিন্তু এক ভয়ানক বিপদ আছে— এক বিপদ যি যথাৰ্থ ভাৱে বুজি পোৱা নাযায়— পাপতে জীৱন-যাপন কৰিবলৈ সিদ্ধান্ত লোৱাৰ বাবে ঈশ্বৰৰ পবিত্ৰ আত্মাৰ কাকুতিৰ স্বৰ শুনা নাই কাৰণ এনেকুৱা পলম সঁচাকৈয়ে হ’ব”। পাপৰ মূল কি? “কিয়নো তেওঁবিলাকে মোত বিশ্বাস নকৰে”। (যোহন ঃ ১৬:৯ পদ)। আমি যীচুক সঁচাকৈয়ে বিশ্বাস আৰু ভাৰষা কৰো তাৰ চিন হৈছে আমি তেওঁৰ ওচৰত নিজকে সম্পূৰ্ণৰূপে সমৰ্পণ কৰা। সকলোতে তেওঁক অনুসৰণ কৰিবলৈ আমাৰ ইচ্ছা থাকিব লাগিব ; আৰু সম্পূৰ্ণৰূপে আমি নিজকে সোধাই দিব লাগিব।

মই এইটো পুনৰ ক’ব বিচাৰো ঃ মই এই অতি গুৰুত্বপূৰ্ণ অনুচ্ছেদটো যোগ কৰাৰ সুযোগ লৈছিলো, কিয়নো ইয়াৰ সৈতে আমাৰ জীৱনৰ ব্যক্তিগত সুখ আৰু আমাৰ অনন্ত জীৱনৰ সম্পৰ্ক আছে আৰু লগতে আমাৰ বৈবাহিক জীৱন পৰিয়াল আৰু মণ্ডলীৰ ওপৰতো ইয়াৰ ব্যাপক প্ৰভাৱ আছে।

## প্ৰশ্ন আৰু অধিক প্ৰশ্ন

অধিক গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ’ল আপুনি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈছে নে নাই। কিন্তু এনে এজন ব্যক্তি কেতিয়া পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হয়? ইয়াৰ প্ৰয়োজনীয় প্ৰাথমিকতাবোৰ কি? যি ব্যক্তি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈছে তেওঁৰ

জীৱনৰ ইতিবাচক দিশবোৰ কি কি? যেতি য়া আপুনি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ ভুল ধাৰণাত থাকে তেতিয়া কি হ'ব?

## সংকেতবোৰৰ বাবে কৃতজ্ঞ হওঁক

ঈশ্বৰক ধন্যবাদ দিওঁ কাৰণ আমি আত্মিক জাগৰণৰ বিষয়টোত নিজকে অধিক নিয়োজিত কৰি ৰাখিছো। মই ভাবো যে আমাৰ মহান আৰু আশ্চৰ্যজনক ঈশ্বৰৰ ওচৰত আজি আমাক পুনৰ জাগৰণ কৰাৰ বাবে পবিত্ৰ আত্মাৰ দ্বাৰা আৱেগ বা শক্তি দিয়াৰ গুৰুত্বপূৰ্ণ কাৰণ আছে। এইবোৰ কাৰণ হ'ব পাৰে নেকি?

- তেওঁ আমাৰ কমি অথবা অভাৱৰ পৰা সকাহ দিব বিচাৰে আৰু আমাক আমাৰ লায়দিকেয়াৰ দৰে মণ্ডলীৰ পৰা উলিয়াই নিব বিচাৰে।
- তেওঁ আমাক যীচুৰ দ্বিতীয় আগমনৰ বাবে আৰু এইটো ঘটাৰ ঠিক আগমুহূৰ্ত্তৰ বিশেষ সময়ৰ বাবে যুগুত কৰিব বিচাৰে।
- তেওঁ "ঈশ্বৰৰ আজ্ঞা পালন কৰা, আৰু যীচুৰ সাক্ষ্য ধাৰণ কৰা" বিলাকৰ যোগেদি জগতৰ মহা সমাপ্তিত আত্মিক জাগৰণৰ সৃষ্টি কৰিব বিচাৰে। প্ৰকাশিত বাক্য ঃ ১২:১৭ ; প্ৰকাশিত বাক্য ঃ ১৮:১-২ পদ)।

আমি ঈশ্বৰক ধন্যবাদ দিওঁ যে প্ৰত্যেক মাংসিক খ্ৰীষ্টিয়ানে অতি সোনকালে আত্মিক খ্ৰীষ্টিয়ানত পৰিণত হ'ব পাৰে। আৰু যিসকলে পবিত্ৰ আত্মাত থাকে তেওঁলোক খ্ৰীষ্টত পৰিপূৰ্ণতা লাভ কৰিব পাৰে। এইটো আমাৰ পৰৱৰ্ত্তী কাম। এতিয়া এই অধ্যায়ৰ শেষত আৰু এটা অভিজ্ঞতা লাভ কৰিম।

## নতুন অনুপ্ৰেৰণা আৰু আভ্যন্তৰীণ আনন্দ

মণ্ডলীৰ এগৰাকী ভনীয়ে মোক "ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ" নামৰ পুস্তিকাখন দিছিল। পুস্তিকাখনৰ বিষয়বস্তুৰ দ্বাৰা মই অভিভূত হৈছিলো। মই দীৰ্ঘদিন ধৰি এনেকুৱা এটা কিতাপ বিচাৰি আছিলো আৰু অৱশেষত এইটো বিচাৰি পাইছিলো। তেতিয়া মই মোৰ আত্মিক জীৱন গঢ়ি তুলিবলৈ আৰম্ভ কৰিছিলো আৰু তেতিয়াহে মই অনুভৱ কৰিছিলো যে মই কিবা এটা কৰিব

লাগিব ঃ মই নিজকে সম্পূৰ্ণৰূপে যীচুৰ ওচৰত সমৰ্পণ কৰিছিলো। তেতিয়াৰ পৰা প্ৰভুৱে মোক অতি সোনকালে টোপনিৰ পৰা জগাই তুলিছিল আৰু মোৰ ব্যক্তিগত উপাসনাৰ বাবে মোক সময় দিছিল। প্ৰতিদিনে মই৪০ দিনৰ কিতাপখনৰ এটা অধ্যায় অধ্যয়ন কৰিছিলো। মই স্পষ্টকৈ লক্ষ্য কৰিছিলো যে যীচুৰ সৈতে মোৰ সম্পৰ্ক অধিক বৃদ্ধি পাইছে। এইটো গভীৰ আৰু ঘনিষ্ঠ হৈ পৰিছিল। পবিত্ৰ আত্মাই মোৰ ওপৰত কাম কৰি আছিল। ৪০ দিনৰ কিতাপখন অধ্যয়ন কৰাৰ পিছত, মই কিতাপখনৰ দ্বিতীয় খণ্ডটো অধ্যয়ন কৰিছিলো। তেতিয়াৰে পৰা মই এই দুয়োখন কিতাপ চাৰিবাৰকৈ অধ্যয়ন কৰি শেষ কৰিছিলো। মই প্ৰতিদিনে, ঈশ্বৰৰ পৰা সহভাগিতা নোপোৱা হ'লে একোৱেই কৰিব নোৱাৰিলোহেঁতেন। ইয়াৰ ফলাফলবোৰ আশ্চৰ্যজনক, কিয়নো মোৰ নতুন অনুপ্ৰেৰণা আৰু মনৰ আনন্দ আনৰ আগত অজ্ঞাত হৈ থকা নাছিল। এই সময়ছোৱাত মই ঈশ্বৰৰ সৈতে অনেক অভিজ্ঞতা লাভ কৰাৰ সৌভাগ্য লাভ কৰিছিলো। মই মোৰ অভিজ্ঞতা প্ৰকাশ কৰিবলৈ সুযোগ বিচাৰিছিলো। যীচুৰ সৈতে এক ঘনিষ্ঠ সম্পৰ্ক হোৱাৰ ফলত বহুতো বিষয় গুৰুত্বহীন হৈ পৰিছিল আৰু অপ্ৰয়োজনীয় চিন্তাৰ সমাধান হৈছিল। মই আশা আৰু প্ৰাৰ্থনা কৰো যে বহুতো মানুহে এই অভিজ্ঞতা লাভ কৰিব যিটো মই লাভ কৰাৰ সৌভাগ্য পাইছিলো।”

——

## ৩য় অধ্যায়

# আমাৰ সমস্যাবোৰৰ সমাধানযোগ্য নে – কেনেকৈ ?

***আমি কেনেকৈ সুখী আৰু শক্তিশালী খ্ৰীষ্টিয়ান হ'ব পাৰো? পবিত্ৰ আত্মাই কেনেকৈ আমাৰ জীৱন পৰিপূৰ্ণ কৰি তুলিব পাৰে?***

**যীচুৱে কৈছিল ঃ**

*"তোমালোক মোত থাকা, ময়ো তোমালোকত থাকিম।" (যোহন ঃ ১৫:৪ পদ)*
*"খ্ৰীষ্টত লাগি থকাৰ অৰ্থ হৈছে অবিৰত ভাৱে তেওঁৰ পবিত্ৰ আত্মাক পাই থকা, তেওঁৰ কাৰ্যৰ নিমিত্তে সৰ্বস্ব সমৰ্পণ কৰা এটা জীৱন।"*
*ইলেন জি. হুৱাইট, দ্যা ডিজায়াৰ অব এজেছ, পৃ. ৬৭৬।*

আমাৰ মূল সমস্যাৰ বাবে এই দুটা অংশৰ ঐশ্বৰিক সমাধান আৰু একে সময়তে এক আনন্দৰ খ্ৰীষ্টিয়ান জীৱনৰ পথ। কিয়? যীচুৱে এই বাক্যবোৰৰ ওপৰত মন্তব্য কৰিছিল ঃ "মোৰ আনন্দ তোমালোকত যেন থাকে, আৰু তোমালোকৰ আনন্দ যেন সম্পূৰ্ণ হয়, এই নিমিত্তে তোমালোকক এইবোৰ কথা দিলো"। (যোহন ঃ ১৫:১১ পদ)। এই দুটা পদক্ষেপৰ যোগেদি (সদায় পবিত্ৰ আত্মা লাভ কৰা আৰু সম্পূৰ্ণ সমৰ্পণ কৰা) খ্ৰীষ্টই আমাত বাস কৰে আৰু এইটোৱেই হৈছে প্ৰকৃত আনন্দৰ উপায়। কলচীয়া ঃ ১:১৭ পদত এইদৰে কোৱা হৈছে ঃ "তেওঁ সকলোৰে পূৰ্বৰ পৰা আছে আৰু তেওঁতেই

সকলোৰে স্থিতি হৈছে।” এইটো লক্ষণীয় নহয় নে যে যীচুৱে যোহন ১৪ অধ্যায়ত পবিত্ৰ আত্মাৰ বিষয়ে আৰু যোহন ঃ ১৬ অধ্যায়ত পবিত্ৰ আত্মাৰ কাৰ্যৰ প্ৰতিজ্ঞাত দ্ৰাক্ষালতাৰ এই দৃষ্টান্তটো অন্তৰ্ভূক্ত কৰিছিল?

*গুৰুত্বপূৰ্ণ বিষয়টো হ'ল যে আমি (নিয়ম অনুসৰি) আমাৰ সকলোবোৰ ঈশ্বৰৰ ওচৰত প্ৰতিদিনে সমৰ্পণ কৰো যাতে আমিও পবিত্ৰ আত্মাৰ বিশ্বাসৰ দ্বাৰা প্ৰতিদিনে প্ৰাৰ্থনা কৰিব আৰু গ্ৰহণ কৰিব পাৰো।*

## কিয় নিজকে প্ৰতিদিনে যীচুৰ ওচৰত সমৰ্পণ কৰাটো প্ৰয়োজনীয়?

যীচুৱে লূক ঃ ৯:২৩ পদত কৈছে ঃ “কোনোৱে যদি মোৰ পাছত আহিবলৈ ইচ্ছা কৰে, তেন্তে তেওঁ নিজকে দমন কৰক।”

যীচুৱে কৈছিল যে, শিষ্যত্ব এটা দৈনন্দিন বিষয়। নিজকে দমন কৰাৰ অৰ্থ হৈছে যীচুক মোৰ জীৱন নিয়ন্ত্ৰণ কৰিবলৈ দিয়া। ক্ৰুচ তুলি লৈ তেওঁৰ পাছে পাছে যোৱাৰ অৰ্থ এইটো নহয় যে আমাৰ প্ৰতিদিনে অসুবিধা হ'ব। ইয়াৰ অৰ্থ হৈছে ঃ দৈনিক আমাৰ অহংকাৰক দমন কৰা আৰু যীচুৰ ওচৰত আনন্দেৰে আৰু স্বেচ্ছাই সমৰ্পণ কৰা— ঠিক যেনেদৰে পৌলে নিজৰ বিষয়ে এইদৰে কৈছিল ঃ “মই দিনে দিনে মৃত্যুমুখত আছো।” যেতিয়া কোনোবাই যীচুৰ দিনত ক্ৰুচ তুলি লৈছিল, তেতিয়া তেওঁক মৃত্যুদণ্ড দিয়া হৈছিল আৰু মৃত্যুদণ্ডৰ ঠাইলৈ আগবাঢ়ি গৈছিল। গতিকে যীচুৰ পাছত চলাৰ ফলত উদ্ভৱ হোৱা দুখ-কষ্টবোৰ স্বীকাৰ কৰাৰ সৈতেও ইয়াৰ সম্পৰ্ক আছে।

আমি জন্মৰ সময়ত শাৰীৰিক জীৱন লাভ কৰিছো। আমাৰ জীৱন, শক্তি আৰু স্বাস্থ্য বজাই ৰাখিবলৈ আমি সাধাৰণতে প্ৰতিদিনে খাওঁ। যেতিয়া আমি নতুন জন্ম লাভ কৰিছিলো তেতিয়াই আমি আমাৰ আত্মিক জীৱন লাভ কৰিছো। আমাৰ আত্মিক জীৱন শক্তিশালী আৰু স্বাস্থ্যৱান কৰি ৰাখিবলৈ দৈনিক আন্তৰিক পুৰুষৰ যত্ন লোৱাটোৱো প্ৰয়োজনীয়। যদি আমাৰ শাৰীৰিক জীৱনৰ লগতে আমাৰ আত্মিক জীৱনতো এনে নহয়, তেন্তে আমি দুৰ্বল,

ৰুগীয়া বা আনকি মৃত্যুও হ'ম। আমি সাঁচি ৰখাকৈ একেবাৰে আহাৰ খাব নোৱাৰো তেনেকৈ আমি পবিত্ৰ আত্মাকো মজুত কৰি ৰাখিব নোৱাৰো।

পাচনিবিলাকৰ কাৰ্যৰ কিতাপখনত এক মূল্যৱান পৰামৰ্শ দিয়া হৈছে ঃ "প্ৰাকৃতিক, আত্মিক জগতৰ দৰে। প্ৰাকৃতিক জীৱন মূহূৰ্ত্তে মুহূৰ্ত্তে আত্মিক শক্তিৰ দ্বাৰা সংৰক্ষিত হৈ থাকে ; তথাপিও ই প্ৰত্যক্ষ ভাৱে আচৰিত কাৰ্যৰ দ্বাৰা বাহাল নাথাকে, কিন্তু আমাৰ ক্ষমতাৰ ভিতৰত ৰখা আশীৰ্বাদ ব্যৱহাৰৰ যোগেদিহে থাকে। গতিকে ঈশ্বৰে প্ৰদান কৰা সেই উপায়বোৰ ব্যৱহাৰ কৰাৰ দ্বাৰা আত্মিক জীৱন বৰ্ত্তাই ৰখা হৈছে।"

সৰ্ব যুগৰ আকাংক্ষা পুস্তকখনৰ এই মন্তব্যটোৱে মোক সঁচাকৈয়ে প্ৰভাৱিত কৰিছিল ঃ "দিন প্ৰতিদিনে আমি খ্ৰীষ্টৰ পদে পদে যাব লাগিব। অহা কালিৰ বাবে ঈশ্বৰে আজিয়েই সহায় দান কৰি নথয়।"

ইলেন জি. হুৱাইটে কৈছিল ঃ

"যীচুৰ পাছত চলিবলৈ আৰম্ভণিতে সম্পূৰ্ণ হৃদয়ৰে সৈতে পৰিবৰ্ত্তন হোৱা আৰু প্ৰতিদিনে এই পৰিবৰ্ত্তন হোৱাৰ পুনৰাবৃত্তি কৰা আৱশ্যক।" "যিমানেই সম্পূৰ্ণ নহওঁক কিয় পৰিবৰ্ত্তনৰ সময়ত আমাৰ উৎসৰ্গ কৰা হ'ব পাৰে। ই আমাক একো লাভ নকৰিব যেতিয়ালৈকে ইয়াক দৈনিক নৱীকৰণ কৰা নহয়.....।" "ৰাতিপুৱা নিজকে ঈশ্বৰৰ ওচৰত উৎসৰ্গা কৰক ; এইটো আপোনাৰ প্ৰথম কাম হিচাবে কৰক। আপোনাৰ প্ৰাৰ্থনা এইদৰে হওঁক। "হে প্ৰভু, সম্পূৰ্ণৰূপে মোক লওঁক। মই সকলো ব্যৱস্থা যাতে আপোনাৰ ভৰিত ৰাখিব পাৰো। আজি মোক আপোনাৰ কাৰ্যত ব্যৱহাৰ কৰক। মোৰ সৈতে থাকিব, মোৰ সকলো কাৰ্য আপোনাত সিদ্ধ হওঁক।" এইটো এটা দৈনিক কাৰ্য। প্ৰত্যেক ৰাতিপুৱা সেই দিনটোৰ বাবে নিজকে ঈশ্বৰৰ ওচৰত উৎসৰ্গা কৰক। আপোনাৰ সকলো পৰিকল্পনা তেওঁৰ ওচৰত সমৰ্পণ কৰক, সিদ্ধ কৰিব বা এৰি দিব তাক তেওঁৰ ঐশ্বৰিক তত্ত্বাৱধানে নিৰ্দেশ কৰিব। এনেদৰে প্ৰতিদিনে আপুনি আপোনাৰ জীৱন ঈশ্বৰৰ হাতত সোধাই দিয়ক, আৰু এনেদৰে খ্ৰীষ্টৰ জীৱনৰ অনুৰূপ আপোনাৰ জীৱনত অধিককৈ পৰিণত হ'ব।"

**মৰিছ ভে ণ্ডেনে কৈ ছিলঃ**

"যদি আপুনি দৈনিক সলনি হোৱাৰ প্ৰয়োজনীয়তা আৱিষ্কাৰ কৰিছে তেন্তে এইটো আপোনাৰ জীৱনৰ এটা ডাঙৰ সাফল্য হ'ব পাৰে। Thoughts From The Mount of Blessing, Page 101, ইয়াত এই প্ৰতিজ্ঞা দিয়া হৈছে ঃ 'যদি আপুনি প্ৰভুক বিচাৰিব আৰু প্ৰতিদিনে সলনি হ'ব.......... আপোনাৰ সকলো ভোৰভোৰণি শান্ত হ'ব, আপোনাৰ সকলো দুখ-কষ্ট স্থানান্তৰিত হ'ব, এতিয়া আপোনাৰ সন্মুখীন হোৱা সকলো জটিল সমস্যা সমাধান হ'ব।"

আমাৰ সমৰ্পণৰ দৈনিক নবীকৰণৰ জৰিয়তে যীচুৰ সৈতে থকাটো যিমান গুৰুত্বপূৰ্ণ সিমানেই গুৰুত্বপূৰ্ণ যেতিয়া আমি প্ৰথমবাৰৰ বাবে তেওঁৰ ওচৰলৈ আহিছিলো।

মৰিছ ভেণ্ডেনে আৰু কৈছে ঃ "ঈশ্বৰৰ সৈতে দৈনন্দিন সম্পৰ্ক ৰখাৰ ফলত তেওঁৰ ওপৰত সকলো সময়ত নিৰ্ভৰশীল হৈ সোধাই দিয়া হয়।"

আমি নিশ্চিত হওঁ যে ঃ যেতিয়া আমি সচেতন ভাৱে প্ৰতি ৰাতিপুৱা যীচুৰ ওচৰত সমৰ্পণ কৰো, তেতিয়া তেওঁ আমাক যি কৰাব বিচাৰে তাকে আমি কৰিছো, কিয়নো তেওঁ কৈছিল ঃ "মোৰ ওচৰলৈ আহাঁ" (মথি ঃ ১১:২৮ পদ) আৰু "........ মোৰ ওচৰলৈ অহাজনক মই কোনোমতে বাহিৰ নকৰিম।" (যোহন ঃ ৬:৩৭ পদ)।

"প্ৰভুৱে আমাৰ বাবে মহান কাম কৰিবলৈ ইচ্ছুক। আমি সংখ্যাৰ যোগেদি বিজয় লাভ নকৰো, কিন্তু যীচুৰ ওচৰত জীৱনটো সম্পূৰ্ণৰূপে সমৰ্পণ কৰাৰ যোগেদি লাভ কৰিম। আমি ইস্ৰায়েলৰ শক্তিশালী ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি, তেওঁৰ শক্তিত আগবাঢ়ি যাব লাগিব।......।"

যেতিয়া আমি সম্পূৰ্ণৰূপে তেওঁৰ ওচৰত নিজকে সমৰ্পণ কৰো তেতিয়া ঈশ্বৰে আমাৰ যোগেদি যিটো বৃহৎ প্ৰভাৱ পেলাব পাৰে তাক জন ব্ৰেছলীয়ে এনেদৰে বৰ্ণনা কৰিছে ঃ "এটা সৈন্যবাহিনীৰ গোটেই দলৰ সৈনিক বিলাকে ঈশ্বৰৰ ওচৰত ৯৯ শতাংশ সমৰ্পণ কৰিলে তেওঁবিলাকৰ যোগেদি

তেওঁ যিমানখিনি কার্য কৰিব পাৰিব তাতকৈয়ো এজন ব্যক্তিয়ে যদি নিজকে ঈশ্বৰৰ ওচৰত ১০০ শতাংশ সমৰ্পণ কৰে তেন্তে তেওঁৰ যোগেদি ঈশ্বৰে তাতকৈ অধিক কার্য কৰিব পাৰিব।”

ইলেন জি. হুৱাইটে লিখিছে ঃ

“মাত্ৰ যিসকলে খ্ৰীষ্টৰ সহকৰ্মী হ’ব, মাত্ৰ যি সকলে, “হে প্ৰভু মোৰ যি আছে সেই সকলোবোৰ তোমাৰেই” বুলি ক’ব পাৰিব, সেই সকল লোককহে ঈশ্বৰৰ পো-জী বুলি স্বীকাৰ কৰি লোৱা হ’ব।” “যি বিলাকে আত্মা, শৰীৰ আৰু মন পবিত্ৰ কৰি ৰাখে তেওঁবিলাকে সকলোৱে যুতকীয়া সম্পত্তি স্বৰূপে এক নতুন শাৰীৰিক আৰু মানসিক শক্তি অনবৰতে পাই থাকিব। হৃদয় আৰু মনত কার্য কৰিবলৈ পবিত্ৰ আত্মাই ইয়াৰ সৰ্বোচ্চ শক্তি প্ৰয়োগ কৰিছে। ঈশ্বৰৰ অনুগ্ৰহে তেওঁবিলাকৰ কাৰ্যদক্ষতাক বঢ়াই আৰু বহুগুণে বৃদ্ধি কৰে আৰু আত্মা বচোৱা কাৰ্যত তেওঁবিলাকক সহায় কৰিবলৈ ঐশ্বৰিক প্ৰকৃতিৰ প্ৰতিটো সিদ্ধতা তেওঁবিলাকৰ ওচৰলৈ আহে। ........ আৰু তেওঁবিলাকৰ মানৱীয় দুৰ্বলতাত তেওঁবিলাকে সৰ্বশক্তিমান জনাৰ কামবোৰ কৰিবলৈ সমৰ্থবান হৈ পৰে।”

প্ৰতিদিনৰ “পবিত্ৰতা” বা “প্ৰতিজ্ঞা কৰা” বা “আপোনাৰ জীৱন সমৰ্পণ কৰা” বা “সলনি কৰাৰ” বিষয়ে অনেক আছে।

## এজন ব্যক্তিয়ে কিয় প্ৰতিদিনে পবিত্ৰ আত্মাৰ নতুন বাপ্তিস্মা বিচাৰিব লাগে?

পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ যীচুৰ ওচৰত মোৰ অনুৰোধটো হৈছে তেওঁ মোৰ ওচৰত থকাৰ অনুৰোধ। কাৰণ তেওঁ যাতে পবিত্ৰ আত্মাৰ যোগেদি মোত বাস কৰে। কিন্তু প্ৰতিদিনে কিয়?

ইলেন জি. হুৱাইটে পাচনি বিলাকৰ কামত কৈছিল ঃ “পবিত্ৰ প্ৰচাৰকজনৰ এই জ্ঞানত এক আশ্চৰ্যজনক সান্ত্বনা আছে যে জগতত থকা জীৱনকালত খ্ৰীষ্টেও প্ৰয়োজনীয় অনুগ্ৰহ প্ৰতিদিনে তেওঁৰ পিতৃক বিচাৰিছিল .........

তেওঁৰ নিজৰ উদাহৰণ হৈছে এক আশ্বাস যি প্ৰভুৰ ওচৰত আন্তৰিকতাৰে নিৰন্তৰে প্ৰাৰ্থনা কৰিছিল— সেই বিশ্বাসে ঈশ্বৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীলতাৰ দিশে পৰিচালিত কৰিছিল আৰু তেওঁৰ কাৰ্যত অসংৰক্ষিত অভিনৱতা লাভ কৰিব আৰু পাপৰ বিৰুদ্ধে যুঁজত লোক বিলাকক পবিত্ৰ আত্মাৰ সহায় লাভ কৰিববলৈ সক্ষম হ'ব।"

যদি এইটো যীচুৰ বাবে দৈনন্দিন প্ৰয়োজনীয়তা আছিল, তেন্তে এইটো আমাৰ বাবে কিমান গুৰুত্বপূৰ্ণ। ২ কৰিন্থীয়া ঃ ৪:১৬ পদত এটা গুৰুত্বপূৰ্ণ বিবৃতি আছে ঃ "....... কিন্তু আমাৰ বাহ্যিক পুৰুষ যদিও নষ্ট হৈ গৈছে, তথাপি আমাৰ আন্তৰিক পুৰুষ দিনে দিনে নতুন হৈ গৈছে।"

আমাৰ আন্তৰিক পুৰুষৰ দৈনিক যত্নৰ প্ৰয়োজন। এইটো দিনে দিনে নতুন কেনেধৰণে হয়? ইফিচীয়া ঃ ৩:১৬-১৭,১৯ পদৰ মতে, এইটো পবিত্ৰ আত্মাৰ যোগেদি হয় ঃ "তেওঁ নিজ প্ৰতাপৰূপ ধনৰ দৰে নিজ আত্মাৰ দ্বাৰাই আন্তৰিক পুৰুষৰ সম্বন্ধে তোমালোকক শক্তিৰে শক্তিমন্ত হ'বলৈ দিয়ক ; আৰু বিশ্বাসৰ দ্বাৰাই তোমালোকৰ হৃদয়ত খ্ৰীষ্টক বাস কৰিবলৈ দিয়ক ; আৰু জ্ঞানৰ অগম্য যি খ্ৰীষ্টৰ প্ৰেম, তাক যেন জানিবলৈ পোৱা, এই কাৰণে তোমালোকক প্ৰেম শিপা ধৰাই আৰু মূল পতাই বলৱন্ত কৰক।"

**ইয়াৰ ফলস্বৰূপে ঃ**

- নিয়ম অনুসৰি পবিত্ৰ আত্মাৰ নৱীকৰণৰ বাবে প্ৰতিদিন প্ৰাৰ্থনা কৰা প্ৰয়োজন।
- ফলস্বৰূপে খ্ৰীষ্ট আমাত বাস কৰিব।
- তেওঁ আমাক আমাৰ আন্তৰিক পুৰুষৰ বাবে তেওঁৰ প্ৰতাপৰূপ ধন অনুসৰি শক্তি প্ৰদান কৰে। ঈশ্বৰৰ শক্তি হৈছে এক অদ্ভুত শক্তি।
- এনেদৰে ঈশ্বৰৰ প্ৰেম আমাৰ হৃদয়ত সোমাই পৰিছে।
- আৰু এইটো হৈছে "ঈশ্বৰৰ সকলো প্ৰচুৰকৈ" জীৱন পোৱাৰ পথ। (যোহন্ত ১০:১০ ; কলচীয়া ঃ ২:১০ পদ)।

ইফিচীয়া ঃ ৫:১৮ পদত আন এটা গুৰুত্বপূৰ্ণ পাঠ পোৱা যায় ঃ "...... আত্মাৰে পৰিপূৰ্ণ হোৱা।" মন কৰক যে এইটো পৰামৰ্শতকৈ অধিক। এইটো

এটা ঐশ্বৰিক আদেশ। আমাৰ ঈশ্বৰে আশা কৰে যে আমি পবিত্ৰ আত্মাৰে সৈতে জীয়াই থাকিবলৈ বিচৰা। গ্ৰীক বিশেষজ্ঞ সকলে কয় যে, এই পদটোৱে অধিক সঠিক ভাৱে কয়— আৰু মই জোহানছ মেগাৰৰ উদ্ধৃতি দিছো ঃ "নিজকে অবিৰত ভাৱে আৰু নিৰন্তৰে আত্মাৰে পৰিপূৰ্ণ কৰক।"

আমাৰ অধ্যয়ন পাঠৰ নিৰ্দেশিকাত এইদৰে কোৱা হৈছে ঃ "পবিত্ৰ আত্মাৰে বাপ্তিষ্মা লোৱাৰ অৰ্থ হৈছে সম্পূৰ্ণৰূপে পবিত্ৰ আত্মাৰ প্ৰভাৱত থকা— তেওঁৰ দ্বাৰা সম্পূৰ্ণ ৰূপে পৰিপূৰ্ণ হোৱা। এইটো এবাৰৰ অনুভৱ নহয়, বৰঞ্চ ই এনে এক বস্তু যিটো নিৰন্তৰ পুনৰাবৃত্তি কৰিব লাগিব, যেনেকৈ পাচনি পৌলে ইফিচীয়া ঃ ৫:১৮ পদত গ্ৰীক ক্ৰিয়াৰ কাল "পৰিপূৰ্ণ হোৱা" হিচাবে বৰ্ণনা কৰিছে।

পাচনি পৌলে ইফিচীয়া ঃ ৫ অধ্যায়ত এইদৰে লিখিছিল, যদিও তেওঁ ১:১৩ পদত এই বিষয়ে লিখিছিল ঃ "....... তেওঁতেই বিশ্বাসো কৰি, অঙ্গীকৃত পবিত্ৰ আত্মাৰে মোহৰ মৰা হ'ল।" ইফিচীয়া সকলে ইতিমধ্যে পবিত্ৰ আত্মা লাভ কৰিছিল। তথাপিও তেওঁলোকৰ বাবে এইটো আৱশ্যক আছিল ঃ "তেওঁৰ আত্মাৰ দ্বাৰা শক্তিশালী হোৱা" আৰু "আত্মাৰে পৰিপূৰ্ণ হোৱা" আৰু "নিজকে নিৰন্তৰে আৰু অবিৰত ভাৱে আত্মাৰে পৰিপূৰ্ণ কৰা।" ৪:৩০ পদত তেওঁ আমাক পবিত্ৰ আত্মাক অসন্তুষ্ট বা অপমান নকৰিবলৈ সতৰ্ক কৰি দিছে।

**ইলেন জি. হুৱাইটে কৈছিলঃ**

"আত্মাৰ দৈনিক বাপ্তিষ্মাৰ বাবে প্ৰতিজন কৰ্মীয়ে ঈশ্বৰৰ ওচৰত আবেদন আগবঢ়োৱা উচিত।"

"আনকি আমি হয়তো খ্ৰীষ্টৰ ধাৰ্মিকতা লাভ কৰিম, কিন্তু আমি দৈনিক আত্মাৰ প্ৰতাপৰ দ্বাৰা পৰিবৰ্তন হোৱা আৰু ঐশ্বৰিক প্ৰকৃতিৰ অংশ হোৱা আৱশ্যক। আস্বাদ উন্নত কৰা, হৃদয় পবিত্ৰ কৰা, সকলো মানুহক সন্মান কৰাটো পবিত্ৰ আত্মাৰ কাম।"

প্ৰভুৱে তাইৰ যোগেদি আন এটা ঠাইত এইদৰে কৈছিল ঃ যিসকলে

পবিত্ৰ শাস্ত্ৰৰ দ্বাৰা ঈশ্বৰৰ মাত হিচাবে প্ৰভাৱিত হৈছে আৰু ইয়াৰ শিক্ষা অনুসৰণ কৰাৰ আকাংক্ষা কৰিছে, তেওঁলোকে দৈনিক শিক্ষা লাভ কৰিব লাগিব, দৈনিক আত্মিক উৎসাহ আৰু শক্তি লাভ কৰিব লাগিব, যিবোৰ পবিত্ৰ আত্মাৰ বৰ প্ৰতিজন প্ৰকৃত বিশ্বাসীৰ বাবে প্ৰদান কৰা হৈছে।”

তাৰোপৰি তাই কৈছিল ঃ “দিন প্ৰতিদিনে আমি খ্ৰীষ্টৰ পদে পদে যাব লাগিব। অহা কালিৰ বাবে ঈশ্বৰে আজিয়েই সহায় দান কৰি নথয়।”

আৰু আন এঠাইত কৈছে ঃ “আমাৰ প্ৰগতিৰ বাবে প্ৰতিটো মুহূৰ্ত্তত ঐশ্বৰিক সংস্থাৰ সৈতে এক সম্পৰ্ক থকাটো অপৰিহাৰ্য। আমাৰ ওচৰত হয়তো ঈশ্বৰৰ আত্মাৰ এক পৰিমাণ আছিল, কিন্তু প্ৰাৰ্থনা আৰু বিশ্বাসৰ দ্বাৰা আমি নিৰন্তৰ আত্মাক অধিককৈ বিচাৰিব পাৰো।”

মই এই আচৰিত উক্তিটোও পাইছিলো ঃ “আপোনাক সেই প্ৰেমৰ দৈনিক বাপ্তিস্মাৰ প্ৰয়োজন যি পাচনি বিলাকৰ দিনত তেওঁবিলাকক এক ইচ্ছাৰে গঢ়ি তুলিছিল।”

ৰোমীয়া ঃ ৫:৫ পদত আমাক দেখুৱাইছে যে ঈশ্বৰৰ প্ৰেম পবিত্ৰ আত্মাই আমাৰ হৃদয়ত বাকি দিছে। আমি ইফিচীয়া ঃ ৩:১৭ পদত একেই কথা বিচাৰি পাওঁ। পবিত্ৰ আত্মাৰ দ্বাৰা দৈনিক বাপ্তিস্মা লোৱা (পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা) একে সময়তে প্ৰেমেৰে সৈতে দৈনিক বাপ্তিস্মা লোৱা (ঈশ্বৰৰ প্ৰেমেৰে পৰিপূৰ্ণ হোৱা)। ইয়াৰ উপৰিও গালাতীয়া ঃ ৫:১৬ পদত কোৱা হৈছে যে ইয়াৰ ফলত পাপৰ শক্তি ভাঙি গৈছে।

## ব্যক্তিগত উপাসনাৰ গুৰুত্ব

এইটো ইমান গুৰুত্বপূৰ্ণ যে মই নিজকে প্ৰতিদিনে যীচুৰ ওচৰত সমৰ্পণ কৰো আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ’বলৈ বিচাৰো তেন্তে ব্যক্তিগত উপাসনাৰ কি গুৰুত্ব আছে?

প্ৰতিদিনে উপাসনা আৰু বিশ্ৰামদিন পালন কৰাই হৈছে আত্মিক জীৱনৰ ভেটিস্বৰূপ।

আমি ইতিমধ্যে বাইবেলৰ পদসমূহ আৰু বিভিন্ন উক্তিসমূহ পঢ়িছো। সেইবোৰে আমাক দেখুৱায় যে আন্তৰিক পুৰুষক দিন-প্ৰতিদিনে নতুন কৰা হয়। এইটোৱে আমাক প্ৰতিদিন ব্যক্তিগত উপাসনাৰ গুৰুত্বৰ ওপৰত স্পষ্ট আলোকপাত কৰে।

আবাস তম্বুত সেৱা কমার্যৰ গোটেই ভেটিটো আছিল ৰাতিপুৱা আৰু সন্ধ্যা উৎসৰ্গা কৰা অগ্নিকৃত উপহাৰ। বিশ্ৰামবাৰে এটা অতিৰিক্ত ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰা হৈছিল (গণনাপুস্তক ঃ ২৮:৪,১০ পদ)। ভক্ষ্য নৈবেদ্যৰ কি গুৰুত্ব আছিল?

"অগ্নিকৃত উপহাৰে পাপীৰ সম্পূৰ্ণ সমৰ্পণক প্ৰভুৰ ওচৰত প্ৰতিনিধিত্ব কৰিছিল। ইয়াত ব্যক্তিজনে নিজৰ বাবে একো ৰখা নাছিল, কিয়নো সকলোবোৰ ঈশ্বৰৰ আছিল।"

"ৰাতিপুৱা আৰু সন্ধ্যাৰ বলিদানৰ বাবে নিৰূপণ কৰা সময়বোৰক পবিত্ৰ বুলি গণ্য কৰা হৈছিল আৰু সেইবোৰ যিহুদী জাতিৰ সেৱাৰ নিৰ্দ্ধাৰিত সময় হিচাবে পালন কৰা হৈছিল ....... এই ৰীতি-নীতিত খ্ৰীষ্টিয়ান সকলৰ ওচৰত ৰাতিপুৱা আৰু সন্ধ্যা প্ৰাৰ্থনাৰ এক উদাহৰণ আছে। যদিও ঈশ্বৰে কিছুমান নীতি-নিয়মক নিন্দা কৰিছিল, যিটো আত্মাৰ অবিহনে উপাসনা কৰিছিল, যিসকলে তেওঁক প্ৰেম কৰে, তেওঁলোকৰ প্ৰতি তেওঁ অতি আনন্দেৰে দৃষ্টি কৰে, ৰাতিপুৱা আৰু সন্ধ্যা সেৱা কৰি সোধাই দিয়া পাপৰ বাবে ক্ষমা বিচাৰে আৰু প্ৰয়োজনীয় আশীৰ্বাদৰ বাবে তেওঁলোকৰ অনুৰোধ উপস্থাপন কৰে।" — Patriarchs and Prophets, Page 353.

আপুনি লক্ষ্য কৰিছেনে যে দৈনিক উপাসনা আমাৰ আত্মিক জীৱনৰ আধাৰ হিচাবে বিশ্ৰামদিনৰ সৈতে সম্পৰ্কিত? ইয়াৰ উপৰিও ই স্পষ্টকৈ কৈছে নেকি যে ইয়াৰ সৈতে যীচু খ্ৰীষ্টৰ ওচৰত দৈনিক সমৰ্পণ কৰাৰ সৈতে সম্পৰ্ক আছে, যাক পবিত্ৰ আত্মাৰ যোগেদি আমাত বাস কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে?

আপুনি আটাইতকৈ গুৰুত্বপূৰ্ণ আত্মিক নীতিটোক নিজৰ কৰি লৈছে

নেকি ঃ প্ৰতিদিনে সকলো বস্তুতকৈ ঈশ্বৰক প্ৰাথমিকতা দিয়া? যীচুৱে পৰ্বতৰ ওপৰত দিয়া উপদেশত কৈছিল ঃ

"কিন্তু তোমালোকে প্ৰথমে তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা; তাতে এই সকলোও তোমালোকক দিয়া হ'ব।" (মথি ঃ ৬:৩৩ পদ)।

যেতিয়া আপোনাৰ হৃদয়ত খ্ৰীষ্ট আছে, তেতিয়া এইটো ঈশ্বৰৰ ৰাজ্য বুলি কোৱা হৈছে। এই কাৰণে আমি প্ৰতিদিনে সমৰ্পণ কৰিব লাগিব আৰু আমাৰ উপাসনাৰ সময়ত প্ৰতিদিনে পবিত্ৰ আত্মা বিচাৰিব লাগিব। নিৰ্ণায়ক মুহূৰ্ত্তটো হ'ব যেতিয়া আমি ঈশ্বৰৰ সন্মুখত থিয় হ'ম ঃ আমাৰ খ্ৰীষ্টৰ সৈতে ব্যক্তিগত সম্পৰ্ক আছিল নেকি আৰু আমি তেওঁত আছিলো নেকি? (যোহন ঃ ১৫:১-১৭ পদ চাওঁক)। আপোনাৰ বিশ্বাসত মহান সিদ্ধি হোৱাৰ বাবে আপুনি আৰু অধিক কামনা কৰেনে?

যিসকলে ঈশ্বৰৰ সৈতে অলপ বা নিৰৱে সময় অতিবাহিত নকৰে বা কেৱল অতি কম উপাসনাৰ সময় কটায় তেওঁলোকক সম্ভৱতঃ সপ্তাহত এবাৰ বা দুবাৰহে তেওঁলোকৰ উপাসনাৰ দ্বাৰা শক্তিশালী কৰা হ'ব। এইটো কোনোবাই সপ্তাহত কেৱল এবাৰ আহাৰ খোৱাৰ দৰে। তুলনা কৰিবলৈঃ সপ্তাহত কেৱল এবাৰ নিজকে পুষ্টি দিব বিচৰাটো অযৌক্তিক নহ'বনে? ইয়াৰ অৰ্থ উপাসনা নকৰা এজন খ্ৰীষ্টিয়ান মাংসিক নহয় নে?

*"যাতে আমি খ্ৰীষ্টৰ ধাৰ্মিকতা পাব পাৰো তাৰ বাবে আমি প্ৰতিদিন আত্মাৰ প্ৰভাৱত পৰিবৰ্তিত হ'ব লাগিব আৰু ঐশ্বৰিক প্ৰকৃতিৰ অংশ হ'ব লাগিব।"*

ইয়াৰ অৰ্থ এইটোও যে যদি তেওঁ এই অৱস্থাত থাকে তেন্তে তেওঁ ৰক্ষা নাপাব। যেতিয়া আমি মাংসিক খ্ৰীষ্টান হওঁ তেতিয়া উপাসনা কৰাটো কেৱল এক বাধ্যবাধকতা হ'ব পাৰে। যেতিয়া আমি আত্মিক হ'ম তেতিয়া উপনাসনা অধিক প্ৰয়োজনীয় হৈ পৰিব।

বহু বছৰ আগতে মই জিম ভাউছৰ এখন পুস্তিকা পঢ়িছিলো তেতিয়া মই এজন গুণ্ডা আছিলো। তেওঁ এজন অপৰাধী আছিল, যিজন পাছত

পৰিবৰ্তন হৈছিল। তেওঁ আন্তৰিকতাৰে তেওঁৰ পাপ স্বীকাৰ কৰিছিল— উদাহৰণ স্বৰূপে তেওঁ মিছা সাক্ষ্য, চুৰি ইত্যাদি কৰিছিল। তেওঁ তীব্ৰ ঐশ্বৰিক সহায় অনুভৱ কৰিছিল। এইটোৱে মোক প্ৰভাৱিত কৰিছিল। মই নিজকে ক'লো ঃ মই প্ৰায় সকলো দিশত ভালে কৰি আছো। কিন্তু তেনে অভিজ্ঞতা নাই। তাৰ পিছত মই প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰিছিলো ঃ স্বৰ্গত থকা পিতৃ, মই মোৰ সকলো জ্ঞাত পাপ আৰু আপুনি এতিয়াও মোক দেখুৱাব পৰা সকলো পাপ স্বীকাৰ কৰিব বিচাৰো। ইয়াৰ উপৰিও, মই এঘন্টাৰ আগতে উঠি প্ৰাৰ্থনা কৰিম আৰু বাইবেল পঢ়িম। ইয়াৰ পিছত মই চাব বিচাৰো যে আপুনিও মোৰ জীৱনত সহায় কৰিব নেকি।"

ঈশ্বৰৰ প্ৰশংসা হওঁক! তেওঁ মোৰ জীৱনত হস্তক্ষেপ কৰিছিল। তেতিয়াৰে পৰা, বিশেষকৈ বিশ্ৰামদিন আৰু ৰাতিপুৱাৰ উপাসনা সংযুক্ত হৈ ঈশ্বৰৰ সৈতে এইটো মোৰ জীৱনৰ আধাৰ হৈ পৰিছে।

*দৈনিক সমৰ্পণৰ যোগেদি আৰু দৈনিক পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ যোগেদি আমাৰ জীৱন লাভজনক ভাৱে সলনি হ'ব। এইটো আমাৰ ব্যক্তিগত উপাসনাৰ সময়ত হ'ব।*

## আত্মাৰে আৰু সত্যেৰে ভজনা কৰা

উপাসনাৰ উদ্দেশ্যৰ বিষয়ে চিন্তা কৰো আহক। মানৱ জাতিলৈ ঈশ্বৰৰ শেষ বাৰ্ত্তাত পশুক সেৱা কৰাৰ বিপৰীতে সৃষ্টিকৰ্ত্তাক সেৱা কৰাৰ সৈতে ইয়াৰ সম্পৰ্ক আছে। (প্ৰকাশিত বাক্য ঃ ১৪:৬-১২ পদ)। উপাসনাৰ চিন হৈছে বিশ্ৰামদিন (সৃষ্টিকৰ্ত্তাক উপাসনা কৰা)। যোহন ঃ ৪:২৩-২৪ পদত উপাসনাৰ আন্তৰিক মনোবৃত্তিক দেখুওৱা হৈছে ঃ "কিন্তু যি কালত স্বৰূপ ভকত সকলে আত্মাৰে আৰু সত্যেৰে পিতৃৰ ভজনা কৰিব, এনে কাল আহিছে, এতিয়াও হৈছে ; কিয়নো পিতৃয়ে এনেকুৱা ভকত সকলক বিচাৰে। ঈশ্বৰেই আত্মা, আৰু তেওঁৰ ভজনা কৰা বিলাকে আত্মাৰে আৰু সত্যেৰে তেওঁৰ ভজনা কৰিব লাগে।"

আত্মাৰে ভজনা কৰাৰ অৰ্থ হৈছে সচেতন ভাৱে উপাসনা কৰা, কিন্তু লগতে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা। সত্যেৰে ভজনা কৰাৰ অৰ্থ হৈছে যীচুৰ ওচৰত সম্পূৰ্ণ সমৰ্পণ কৰা, যিজন ব্যক্তিগত ভাৱে সত্য। যীচুৱে এইদৰে কৈছিল ঃ "ময়েই সত্য"। (যোহন ঃ ১৪:৬)। আৰু ইয়াৰ অৰ্থ হৈছে যীচুৱে ঈশ্বৰৰ বাক্য আৰু নিৰ্দেশনা অনুসৰি জীয়াই থকা, কিয়নো তেওঁ এইদৰে কৈছিল ঃ "তোমাৰ বাক্যেই সত্য।" (যোহন ঃ ১৭:১৭)। আৰু গীতমালা ঃ ১১৯:১৪২ পদত কৈছে ঃ "তোমাৰ ব্যৱস্থা সত্য।" যদি এতিয়া আমি প্ৰকৃত উপাসনা কৰা নাই ; তেন্তে আমি এক সংকটজনক মুহূৰ্ত্তত বিফল হোৱাৰ আশংকা নাই নে? এইটো সকলো মাংসিক খ্ৰীষ্টিয়ানৰ বাবে এটা ডাঙৰ সমস্যা হ'ব।

মই ভাবো আমি সকলোৱে ঈশ্বৰৰ সহায়ত উন্নতি কৰিব বিচাৰো আৰু জ্ঞানত বৃদ্ধি পাব বিচাৰো। এয়া হ'ব পাৰে যে নিম্নলিখিত ভুল বিশ্বাস কিছুমানৰ বাবে আগবাঢ়ি যোৱাত বাধা আছিল।

## বাপ্তিষ্মা আৰু পবিত্ৰ আত্মা

কিছুমান মানুহে ভাবে যে তেওঁলোক পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ আছে কিয়নো তেওঁলোক বাপ্তিষ্মা লৈছে আৰু এনেদৰে সকলো ঠিকে আছে আৰু তেওঁলোকে আৰু একো কৰাৰ প্ৰয়োজন নাই। ডি. এল. মুডিয়ে এই সন্দৰ্ভত মন্তব্য কৰিছিল ঃ "বহুতে ভাবে যে কিয়নো এবাৰ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ পিছত চিৰকালৰ বাবে পৰিপূৰ্ণ হৈছে। হে মোৰ বন্ধু, আমি ছিদ্ৰযুক্ত জাহাজ ; ভৰ্ত্তি হ'বলৈ আমি একেৰাহে ঝৰ্ণাৰ তলত থকাটো প্ৰয়োজন।"

**যোচেফ এইচ. ৱাগনাৰে এইদৰে কৈছিল ঃ**

"সকলো ক্ষেত্ৰতে, য'ত বাপ্তিষ্মাক পবিত্ৰ আত্মাৰ উপহাৰৰ প্ৰমাণ হিচাবে দেখা যায়, তাত অনুতাপ কৰা পাপীক শাৰীৰিক নিৰাপত্তাৰ বাবে সুথিলতা কৰা হয়। তেওঁ কেৱল ঈশ্বৰৰ অনুগ্ৰহৰ চিন হিচাবে তেওঁৰ বাপ্তিষ্মাৰ ওপৰত বিশ্বাস কৰে। বাপ্তিষ্মা আৰু তেওঁৰ হৃদয়ৰ আত্মা তেওঁৰ চিন বা 'সাক্ষ্য' নহ'ব.......।

বাপ্তিস্মা নিশ্চিত ভ াৱে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত ; এইটো ঈশ্বৰৰ ইচ্ছাৰ সৈতে খাপ খায়। ইয়াৰ যথেষ্ট গুৰুত্ব আছে আৰু থাকিব। কিন্তু আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ প্ৰমাণ হিচাবে অতীতৰ ঘটনালৈ ঘূৰি চাব নালাগে। ইয়াৰ পৰিবৰ্তে আমি এতিয়া জানিব লাগিব আৰু এতিয়া অনুভৱ কৰিব লাগিব যে আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈছো।

কিছুমান লোক বাপ্তিস্মা লোৱাৰ আগতে পবিত্ৰ আত্মা লাভ কৰিছিল— উদাহৰণ স্বৰূপে কৰ্ণেলিয়াচ আৰু তেওঁৰ পৰিয়াল বা চৌল। আন কিছুমানে বাপ্তিস্মা লোৱাৰ পিছত পবিত্ৰ আত্মা লাভ কৰিছিল— উদাহৰণ স্বৰূপে চমৰীয়া আৰু ইফিচাছৰ ১২ জন লোক। কিন্তু যদি এজন ব্যক্তিয়ে বাপ্তিস্মা লোৱাৰ আগত বা পিছত পবিত্ৰ আত্মা লাভ কৰে তেন্তে এই সকলোবোৰ একেই ঃ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে আমি কেতিয়াবা পবিত্ৰ আত্মা লাভ কৰিছিলো আৰু এতিয়া তেওঁ আমাৰ হৃদয়ত আছে নে নাই। অতীতত কি ঘটিছিল সেয়া গুৰুত্বপূৰ্ণ নহয়, কিন্তু এতিয়া কেনে অৱস্থাত আছো সেইটো গুৰুত্বপূৰ্ণ।

মই আপোনাক পুনৰ মনত পেলাই দিব বিচাৰো ঃ আমি জন্মৰ সময়ত আমাৰ শাৰীৰিক জীৱন লাভ কৰো। আমাৰ জীৱন দৈনিক খাদ্য, পানী, ব্যায়াম, টোপনি ইত্যাদিৰ দ্বাৰা বজাই ৰখা হয়। অন্যথা আমি বেছিদিন জীয়াই নাথাকিম। আমাৰ শাৰীৰিক জীৱনৰ দৰে একেই নিয়ম আমাৰ আত্মিক জীৱনৰ ক্ষেত্ৰতো প্ৰযোজ্য। আমি পবিত্ৰ আত্মাৰ যোগেদি নতুন জীৱন লাভ কৰো অৰ্থাৎ যেতিয়া আমি খ্ৰীষ্টৰ ওচৰত সম্পূৰ্ণৰূপে সমৰ্পণ কৰো। আমাৰ আত্মিক জীৱন পবিত্ৰ আত্মা, প্ৰাৰ্থনা, ঈশ্বৰৰ বাক্য আদিৰ যোগেদি বজাই ৰাখিব পাৰো। ইলেন জি. হুৱাইটে কৈছিল ঃ "প্ৰাকৃতিক জীৱন দিন প্ৰতিদিনৰ বাবে ঐশ্বৰিক শক্তিৰ দ্বাৰা সংৰক্ষিত হৈ থাকে ; তথাপিও ই পোনপটীয়া আচৰিত ঘটনাৰ দ্বাৰা বাহাল নাথাকে, কিন্তু আমাৰ ঢুকি পোৱাৰ ভিতৰত ৰখা আশীৰ্বাদৰ দ্বাৰাহে থাকে । গতিকে ঈশ্বৰে প্ৰদান কৰা সেই উপায়বোৰ ব্যৱহাৰ কৰি আত্মিক জীৱন বৰ্তাই ৰখা হৈছে।"

শাৰীৰিক বা আত্মিক জীৱন আমাৰ মাজত কোনোটোৱেই স্বয়ংক্ৰিয়ভাৱে নাথাকে। ঈশ্বৰে আমাৰ বাবে যি উপায় প্ৰদান কৰিছে তাক ব্যৱহাৰ কৰাটো আৱশ্যক।

ইয়াৰ অৰ্থ হৈছে ঃ যেতিয়া আমি নতুন জন্মগ্ৰহণ কৰো তেতিয়া আমাক পবিত্ৰ আত্মা প্ৰদান কৰা হয়। কিন্তু তেওঁ আমাত বাস কৰাটো প্ৰভুৱে আমাক প্ৰদান কৰা উপায়বোৰৰ প্ৰতিদিন ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰে। যদি আমি উপায়বোৰ ব্যৱহাৰ নকৰো তেন্তে আমি কি ফলাফল আশা কৰিব পাৰো?

এই সকলোবোৰ উপায়ৰ ভিতৰত পবিত্ৰ আত্মা আটাইতকৈ গুৰুত্বপূৰ্ণ। ইয়াৰ উপৰিও প্ৰাৰ্থনা অতি গুৰুত্বপূৰ্ণ, তেওঁৰ বাক্যৰ যোগেদি ঈশ্বৰৰ সৈতে সংযুক্ত হোৱা, উপাসনা সেৱা কাৰ্যত আৰু অন্যান্য বিষয়ত অংশগ্ৰহণ কৰা।

মই ভাবো আমি সন্মত হ'ব পাৰো যে নিয়ম অনুসৰি আন্তৰিক পুৰুষক প্ৰতিদিনে যত্ন লোৱাটো প্ৰয়োজনীয়। যদি আমি এইটো নকৰো, তেন্তে আমি দুখজনক আত্মা অনুভৱ কৰিম। "অহাকালিৰ বাবে ঈশ্বৰে আজিয়েই সহায় দান কৰি নথয়।" মই ভাবো যে যীচুৰ ওচৰত প্ৰতিদিন সমৰ্পণ কৰা উচিত আৰু আমি আমাৰ জীৱনত প্ৰতিদিন পবিত্ৰ আত্মাক আমন্ত্ৰণ কৰা উচিত।

এই দুয়োটা বিষয়েই একে উদ্দেশ্য পূৰণ কৰে— সেইবোৰ একেটা মুদ্ৰাৰ দুটা পিঠি ; খ্ৰীষ্টৰ সৈতে এক অন্তৰংগ সম্পৰ্ক থকা। মই সমৰ্পণৰ যোগেদি আৰু পবিত্ৰ আত্মা বিচৰাৰ যোগেদি মই তেওঁক সোধাই দিওঁ আৰু তেওঁক মোৰ হৃদয়লৈ আমন্ত্ৰণ কৰো। ১ যোহন ঃ ৩:২৪ পদ আৰু বাইবেলৰ আন পদসমূহত (যোহন ঃ ১৪:১৭,২৩ পদ চাওঁক)। এইদৰে কোৱা হৈছে যে যীচুৱে পবিত্ৰ আত্মাৰ দ্বাৰা আমাৰ মাজত বাস কৰে ঃ "আৰু ইয়াৰ দ্বাৰা আমি জানো যে তেওঁ আমাক যি আত্মা প্ৰদান কৰিছে, সেই আত্মাৰ দ্বাৰা তেওঁ আমাৰ মাজত বাস কৰিছে।"

## পবিত্ৰ আত্মাৰ প্ৰভাৱ

যেতিয়া পবিত্ৰ আত্মা মোত থাকে, তেতিয়া তেওঁ মোত খ্ৰীষ্টই যি লাভ কৰে তাক সিদ্ধ কৰে। ৰোমীয়া ঃ ৮:২ পদত কৈছে ঃ "কিয়নো খ্ৰীষ্ট

যীচুত জীৱনৰ আত্মাৰ বিধানে মোক পাপ আৰু মৃত্যুৰ বিধানৰ পৰা মুক্ত কৰিলে।" আমি "আত্মাৰ বিধান"ক বৰ্ণনা কৰিব পাৰো যে পবিত্ৰ আত্মাই যিদৰে আত্মাত কাৰ্য কৰে, সেইটোৱে হৈছে ঈশ্বৰৰ ওচৰত সম্পূৰ্ণৰূপে সমৰ্পণ কৰা। খ্ৰীষ্টই যি সিদ্ধি কৰিলে সেইবোৰ কেৱল পবিত্ৰ আত্মাইহে মোৰ জীৱনত আনিব পাৰে। ইলেন জি. হুৱাইটে ইয়াক ভালদৰে ব্যাখ্যা কৰিছে ঃ **"নতুন নতুন শক্তি আৰু উৎসাহ প্ৰদান কৰা কাৰক হিচাবে পবিত্ৰ আত্মা প্ৰদান কৰা হৈছিল আৰু ইয়াৰ অবিহনে খ্ৰীষ্টৰ বলিদানটোৰ কোনো তাৎপৰ্য নাথাকিলহেঁতেন** ......... এই পবিত্ৰ আত্মাইহে জগতৰ উদ্ধাৰকৰ্ত্তাজনাৰ দ্বাৰাই সম্পন্ন হোৱা সকলো ধৰণৰ বিষয় কাৰ্যবোৰক ফলপ্ৰসূ কৰে। পবিত্ৰ আত্মাৰ যোগেদিহে বিশ্বাসীজন ঐশ্বৰিক প্ৰকৃতিৰ অংশীদাৰী হয়। ...... ঈশ্বৰৰ শক্তিয়ে তেওঁলোকৰ দাবী আৰু অভ্যৰ্থনাৰ বাবে অপেক্ষা কৰি আছে।" (ইলেন জি. হুৱাইট, ডিজায়াৰ অব এজেছ, পৃষ্ঠা- ৬৭১)।

থমাছ এ. ডেভিছে এই প্ৰক্ৰিয়াটো নিম্নলিখিত ধৰণে বৰ্ণনা কৰিছে ঃ "ইয়াৰ অৰ্থ হৈছে যে মানুহৰ বাবে খ্ৰীষ্টৰ কাৰ্যৰ পৰিণামো পবিত্ৰ আত্মাৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁৰ অবিহনে যীচুৱে এই পৃথিৱীত কৰা সকলোবোৰ গেৎচিমানীত, ক্ৰুচত, পুনৰুত্থান আৰু স্বৰ্গত তেওঁৰ পুৰোহিত কাৰ্যত কৃতকাৰ্য নহ'লহেঁতেন। খ্ৰীষ্টৰ কাৰ্যৰ পৰিণাম জগতৰ কোনো ডাঙৰ ধৰ্ম বা নৈতিক নেতাতকৈ বেছি মহান নহ'লহেঁতেন। কিন্তু যদিও খ্ৰীষ্ট এই সকলোবোৰতকৈ বহুত মহান আছিল, তথাপিও তেওঁ নিজৰ আৰ্হি আৰু শিক্ষাৰ জৰিয়তে অকলে মানৱ জাতিক ৰক্ষা কৰিব নোৱাৰিলেহেঁতেন। মানুহক পৰিবৰ্তন কৰিবলৈ সিহঁতৰ মাজত কাৰ্য কৰাটো প্ৰয়োজনীয় আছিল। এই কাৰ্য পবিত্ৰ আত্মাৰ দ্বাৰা কৰা হৈছে ; যিজনক মানুহৰ হৃদয়ত এনে কৰিবলৈ পঠোৱা হৈছিল, যিটো যীচুৱে সম্ভৱ কৰি তুলিছিল।"

আপুনি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ থকাটো চাবলৈ এইটোৱেই কেৱল যুক্তি যথেষ্ট নহয় নে?

"যেতিয়া ঈশ্বৰৰ আত্মাই হৃদয়ত বাহ লয়, ই জীৱনটোকেই সলনি কৰি পেলায়। পাপময় চিন্তা-ভাৱনাবোৰ দূৰ হয়, অসৎ কাৰ্যবোৰ পৰিত্যাগ কৰা

যায় ; খং, ঈৰ্ষা আৰু সংঘাতৰ স্থানত, প্ৰেম, মানৱতা আৰু শান্তিয়ে থিতাপি লয়। আনন্দই, বিষণ্ণতাৰ স্থান অধিকাৰ কৰে আৰু মুখমণ্ডলে স্বৰ্গৰ জ্যোতি প্ৰতিফলিত কৰে।"

পবিত্ৰ আত্মাৰ সৈতে জীৱনৰ আন বহুতো মূল্যৱান ফলাফল আছে, কিন্তু তেওঁৰ অবিহনে বহুতো অভাৱ আৰু লোকচান আছে। পবিত্ৰ আত্মাৰ সৈতে আৰু অবিহনে জীৱনৰ মাজৰ পাৰ্থক্যৰ বিষয়ে অধ্যায় ৪ত অধিক বিতং ভাৱে অধ্যয়ন কৰা হ'ব।

## মই পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈছো নে?

অনুগ্ৰহ কৰি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ বিষয়ে নিম্নলিখিত প্ৰশ্নবোৰ নিজকে সোধক ঃ

- মোৰ জীৱনত পবিত্ৰ আত্মাৰ কোনো লক্ষণীয় প্ৰভাৱ আছে নেকি? উদাহৰণ স্বৰূপে, তেওঁ যীচুক আপোনাৰ বাবে প্ৰকৃত আৰু মহান কৰি তুলিছে নেকি? (যোহন ঃ ১৫:১৬ পদ)।
- মই পবিত্ৰ আত্মাৰ আন্তৰিক মাত শুনিবলৈ আৰু বুজিবলৈ আৰম্ভ কৰিছো নে? তেওঁ মোক মোৰ জীৱনৰ ডাঙৰ আৰু সৰু সিদ্ধান্তত নেতৃত্ব দিব পাৰিব নে? (ৰোমীয়া ঃ ৮:১৪ পদ)।
- মোৰ সহকৰ্মীজনৰ প্ৰতি এক নতুন ধৰণৰ প্ৰেম মোৰ মনত উদ্ভৱ হৈছে নে? পবিত্ৰ আত্মাই মোক মানুহৰ প্ৰতি কোমল সহানুভূতি আৰু গভীৰ চিন্তা কৰে নে, যাক মই সাধাৰণতে মোৰ বন্ধু হিচাবে বাছনি নকৰো? (গালাতীয়া ঃ ৫:২২ ; যাকোব ঃ ২:৮,৯ পদ)।
- পবিত্ৰ আত্মাই মোক মোৰ সহকৰ্মী সকলৰ সৈতে কেনেদৰে আচৰণ কৰাত সহায় কৰে তাক মই বাৰে বাৰে অনুভৱ কৰো নে?
- তেওঁ মোক এজন ব্যক্তিৰ হৃদয়ত উপনীত হ'বলৈ সঠিক শব্দ দিয়ে নে? যিজনৰ যত্নৰ আৰু চিন্তাৰ প্ৰয়োজন আছে?
- পবিত্ৰ আত্মাই মোক যীচুৰ বিষয়ে সাক্ষ্য দিবলৈ আৰু আনক তেওঁৰ ওচৰলৈ চলাই নিবলৈ শক্তি প্ৰদান কৰে নেকি?

- তেওঁ মোৰ প্ৰাৰ্থনাৰ জীৱনত মোক কেনেদৰে সহায় কৰে আৰু মোক মোৰ হৃদয়ৰ গভীৰ অনুভূতি ঈশ্বৰৰ ওচৰত প্ৰকাশ কৰাত সহায় কৰে, তাক মই অনুভৱ কৰো নে?

যেতিয়া আমি এই প্ৰশ্নবোৰৰ বিষয়ে চিন্তা কৰো, তেতিয়া আমি দেখা পাওঁ যে, আমি পবিত্ৰ আত্মাত বৃদ্ধি লাভ কৰিবলৈ, তেওঁক ভালদৰে জানিব লাগিব আৰু তেওঁক অধিক প্ৰেম কৰিব লাগিব।

এজন ভাইয়ে এইদৰে লিখিছিল ঃ মোৰ পিতৃ আৰু মোৰ মাজত পুনৰ মিলন হৈছিল। "ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ ঃ ৪০ দিনৰ" পুস্তকখনৰ এক আৰু দুই অধ্যায়ত অধ্যয়ন কৰাৰ পিছত, মই পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ আশ্চৰ্যজনক অভিজ্ঞতা লাভ কৰিছিলো। পবিত্ৰ আত্মাই কেনেদৰে কাম কৰে আৰু মোৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰত কাম কৰিব বিচাৰে সেয়া অনুভৱ কৰাটো মোৰ বাবে বিশেষভাৱে ৰোমাঞ্চকৰ বিষয় আছিল।

## পিতৃ আৰু পুত্ৰৰ মাজত পুনৰমিলন

মোৰ পিতৃৰ সৈতে মোৰ সম্পৰ্ক সদায় কিছু জটিল আছিল। মোৰ শৈশৱ আৰু যৌৱনকালত মোৰ ইচ্ছা আৰু প্ৰাৰ্থনা সদায় আছিল যে মোৰ পিতৃৰ সৈতে মোৰ ভাল সম্পৰ্ক থাকিব। কিন্তু ই ক্ৰমান্বয়ে বেয়া হৈ গৈছিল। আৰু ছয়ৰ পৰা সাত বছৰ পাৰ হৈ গ'ল। ঈশ্বৰে মোৰ হৃদয়ৰ মহান শূন্যতা পূৰণ কৰিছিল। পবিত্ৰ আত্মাৰ বাবে অধ্যয়ন আৰু প্ৰাৰ্থনা কৰোতে মই আৰু মোৰ পত্নীৰ সৈতে ঈশ্বৰৰ বিষয়ে মহান অভিজ্ঞতা হৈছিল। আমি আমাৰ পৰিয়ালৰ বাবে আৰু বিশেষকৈ মোৰ পিতৃৰ বাবে প্ৰাৰ্থনা কৰিছিলো। এই সময়ছোৱাত মই মোৰ পিতৃক প্ৰেম কৰাৰ নতুন শক্তি লাভ কৰিছিলো। মোৰ সৰু কালৰে পৰা আমাৰ সম্পৰ্কত যি সকলোবোৰ ভাল নাছিল সেইবোৰৰ বাবে মই তেওঁক ক্ষমা কৰিবলৈ সক্ষম হৈছিলো। মোৰ পিতৃ আৰু মই এতিয়া বন্ধু। তেওঁ অধিক আধ্যাত্মিক হোৱাৰ কথা কৈছিল আৰু আন লোকবিলাকক ঈশ্বৰৰ বিষয়ে কোৱা বুলিও কৈছিল। দুবছৰৰ পিছত, এতিয়াও

মোৰ পিতৃৰ সৈতে সম্পৰ্ক বহুত ভাল। এই অভিজ্ঞতাৰ বাবে মই ঈশ্বৰক ধন্যবাদ দিওঁ। মই শক্তিহীন আৰু প্ৰায়ে অকলশৰীয়া অনুভৱ কৰিছিলো। যিহেতু মই পবিত্ৰ আত্মাৰ বাবে দৈনিক প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিছো, মই ঈশ্বৰৰ সৈতে এক নতুন আৰু আচৰিত ধৰণৰ জীৱন আৰু সম্পৰ্ক অনুভৱ কৰি আছো।

**প্ৰাৰ্থনা ঃ** *প্ৰভু যীচু, মই আপোনাক ধন্যবাদ জনাইছো যে, আপুনি পবিত্ৰ আত্মাৰ যোগেদি মোত থাকিব বিচাৰে। আপোনাক ধন্যবাদ দিওঁ যে, দৈনিক সমৰ্পণৰ যোগেদি আমাৰ বিশ্বাস আৰু প্ৰেমৰ সম্পৰ্ক বৃদ্ধি পাইছে। প্ৰভু, মোক পবিত্ৰ আত্মা আৰু তেওঁৰ কাৰ্যক ভালদৰে জানিবলৈ সহায় কৰক। মই জানিব বিচাৰো যে, তেওঁ মোৰ বাবে আৰু মোৰ মণ্ডলীৰ বাবে কি কৰিব বিচাৰে আৰু আমি কেনেকৈ নিশ্চিত হ'ব পাৰো যে আমি দৈনিক বিচাৰিলে পবিত্ৰ আত্মা লাভ কৰিব পাৰো। ইয়াৰ বাবে আপোনাক ধন্যবাদ। আমেন।*

## ইফিচীয়া ঃ ৫:১৮ পদৰ পৰিপূৰক– "আত্মাৰে পৰিপূৰ্ণ হোৱা"

আমি ইতিমধ্যে ইফিচীয়া ঃ ৫:১৮ পদত দেখিবলৈ পাইছো যে এই আবেদন আৱশ্যকীয় ভাৱে কৰা হৈছে। ইয়াৰ উপৰিও, আমি দেখিবলৈ পাওঁ যে এই আদেশ সকলোকে নিৰ্দেশিত কৰা হৈছে। আৰু আমি এইটোও দেখিবলৈ পাওঁ যে পবিত্ৰ আত্মাৰ পৰিপূৰ্ণতা বিচৰাটো আমাৰ কৰ্ত্তব্য। কিন্তু মূল গ্ৰীক শাস্ত্ৰপদে ইয়াক আৰু অধিক স্পষ্ট কৰি তোলে।

জোহানছ মেগাৰে এই বিষয়ে এইদৰে মন্তব্য কৰিছে ঃ "নতুন নিয়মৰ পত্ৰত কেৱল এটা অংশ আছে, যিটো পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ বিষয়ে পোনপটীয়াকৈ কয় ঃ "আত্মাৰে পৰিপূৰ্ণ হোৱা।" (ইফিচীয়া ঃ ৫:১৮ পদ)। পাঁচনিকৰ্ম পুস্তকখনত আমি পবিত্ৰ আত্মাৰে সৈতে জড়িত হোৱাটো এক উপহাৰ, যিটো নিৰ্দিষ্ট পৰিস্থিতিত শক্তিশালী ভাৱে কাৰ্য কৰিবলৈ ব্যৱহাৰ কৰা হয়। কিন্তু পৌলে এইদৰে কৈছে যে পবিত্ৰ আত্মাই এটা আজ্ঞা হিচাবে

পৰিপূৰ্ণ হৈ আছে, যি জীৱনৰ পৰিস্থিতিৰ পৰা স্বতন্ত্ৰ আৰু সকলো যীচুৰ অনুগামীৰ বাবে প্ৰযোজ্য। এইটো চমু, কিন্তু গুৰুত্বপূৰ্ণ আদেশটো চাৰিটা গুৰুত্বপূৰ্ণ দিশেৰে গঠিত।

১। ‘পৰিপূৰ্ণ’ হোৱা ( plerein) ক্ৰিয়া পদটো আৱশ্যকীয় ৰূপত ব্যৱহাৰ কৰা হয়। পৌলে ইয়াত কোনো পৰামৰ্শ বা বন্ধুত্বপূৰ্ণ পৰামৰ্শ দিয়া নাই। তেওঁ কোনো পৰামৰ্শ নিদিয়ে, যিটো এজন ব্যক্তিয়ে গ্ৰহণ বা প্ৰত্যাখ্যান কৰিব পাৰে। তেওঁ এজন ক্ষমতাশালী পাঁচনি হিচাবে আদেশ দিছে। এটা আদেশে সদায়ে এজন ব্যক্তিৰ ইচ্ছাক আপীল কৰে। যদি এজন খ্ৰীষ্টিয়ান পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ থাকে, তেন্তে ই নিজৰ ওপৰত যথেষ্ট পৰিমাণে নিৰ্ভৰ কৰে। খ্ৰীষ্টিয়ান সকল পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ থাকিবলৈ চেষ্টা কৰাৰ আদেশ দিয়া হৈছে। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ থকাটো মানুহ হিচাবে আমাৰ দায়িত্ব।

২। ক্ৰিয়াটো বহুবচন ৰূপত ব্যৱহাৰ কৰা হৈছে। আদেশটো মণ্ডলীৰ এজন ব্যক্তিৰ ওপৰত নিৰ্দেশিত নহয়, যি জনৰ বিশেষ দায়িত্ব আছে। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাটো কেইজনমান অনুকুল লোকৰ বাবে এক বিশেষাধিকাৰ নহয়। আমন্ত্ৰণটো মণ্ডলীৰ অন্তৰ্ভূক্ত সকলোৰে বাবে প্ৰযোজ্য— সদায় আৰু সকলো ঠাইতে। ইয়াৰ কোনো ব্যতিক্ৰম নাই। কিয়নো সকলো খ্ৰীষ্টিয়ানে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ থকাটো প্ৰয়োজন।

৩। ক্ৰিয়াটো কৰ্মবাচ্য কালত আছে। ইয়াত এইদৰে কোৱা হোৱা নাই ঃ ‘আত্মাৰে নিজকে পৰিপূৰ্ণ কৰক !’ কিন্তু ইয়াৰ পৰিবৰ্তে, আত্মাৰে পৰিপূৰ্ণ হোৱা কোনো ব্যক্তিয়ে নিজকে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ কৰিব নোৱাৰে। এয়া কেৱল পবিত্ৰ আত্মাৰ কাম। ইয়াত তেওঁৰ সাৰ্বভৌমত্ব আছে। কিন্তু প্ৰত্যেকজনে পৰিস্থিতি সৃষ্টি কৰা উচিত যাতে পবিত্ৰ আত্মাই তেওঁক পৰিপূৰ্ণ কৰিব পাৰে। তেওঁৰ সক্ৰিয়তাৰ অবিহনে পবিত্ৰ আত্মাই তেওঁৰ ওপৰত কাম কৰিব নোৱাৰে।

৪। গ্ৰীক ভাষাত আৱশ্যকতা বৰ্তমান কালত আছে। এই আৱশ্যকীয়

বৰ্তমান কালটোৱে এনে এটা ঘটনা বৰ্ণনা কৰে যিটো নিৰন্তৰ পুনৰাবৃত্তি কৰা হয়, যিটো এবাৰৰ কাৰ্যক বৰ্ণনা কৰে। ইয়াৰ মতে, পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাটো এবাৰৰ অভিজ্ঞতা নহয়, বৰঞ্চ এইটো বাৰে বাৰে আৰু প্ৰগতিশীল প্ৰক্ৰিয়া। এজন খ্ৰীষ্টিয়ান সকলো সময়ৰ বাবে এবাৰতে ভৰ্তি হোৱা পাত্ৰৰ দৰে নহয়, বৰঞ্চ একেৰাহে বাৰে বাৰে ভৰ্তি কৰিব লাগিব। বাক্যটো এনেদৰে প্ৰকাশ কৰিব পাৰি ঃ 'নিজকে নিৰন্তৰে আৰু বাৰে বাৰে আত্মাৰে পৰিপূৰ্ণ কৰক।'

বাপ্তিস্মা লোৱাৰ সময়ত আমাক দিয়া পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা (যদিহে এইটো সম্পূৰ্ণ সমৰ্পণৰ সৈতে জল আৰু আত্মাত বাপ্তিস্মা আছিল), হয়তো হেৰাই যাব পাৰে, যদিহে আমাক দিয়া পৰিপূৰ্ণতা বাহাল ৰখা নহয়। যদি এইটো হেৰাই যায়, ইয়াক পুনৰ লাভ কৰিব পাৰি। আত্মাৰে পৰিপূৰ্ণ হোৱাৰ পুনৰাবৃত্তি কৰিব লাগিব যাতে পবিত্ৰ আত্মাই আমাৰ জীৱনৰ সকলো দিশ দখল কৰিব পাৰে আৰু আমাৰ আত্মিক জীৱন দুৰ্বল হৈ হালি নপৰে। আত্মাৰে পৰিপূৰ্ণ হোৱাৰ অৰ্থ এইটো নহয় যে, আমাৰ ওচৰত পৰিমাণগত ভাৱে তেওঁতকৈ অধিক আছে, কিন্তু পবিত্ৰ আত্মা আমাত অধিককৈ বিৰাজ কৰা । সেইবাবে পৌলে সকলো বিশ্বাসীক নিৰন্তৰ আত্মাৰে পৰিপূৰ্ণ হৈ থাকিবলৈ আদেশ দিছিল। এজন খ্ৰীষ্টিয়ানৰ বাবে এয়া এক স্বাভাৱিক অৱস্থা। এটা বাপ্তিস্মা, কিন্তু পৰিপূৰ্ণ অনেক।

**প্ৰভু ৰে নিজেই আদেশ দিছেঃ**

**নিজকে নিজে নিৰন্তৰে আৰু বাৰে বাৰে পুনৰায় আত্মাৰে পৰি পূৰ্ণ ক ৰক ।**

———

## ৪ৰ্থ অধ্যায়

# আমি কেনেধৰণৰ পাৰ্থক্যসমূহ আশা কৰিব পাৰো ?

*পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ জীৱনৰ সৈতে আমাৰ কি সুবিধা আছে? যেতিয়া আমি পবিত্ৰ আত্মাৰ বাবে প্ৰাৰ্থনা নকৰো তেতিয়া আমি কি হেৰুৱাওঁ?*

## মাংসিক আৰু আত্মিক খ্ৰীষ্টিয়ানৰ মাজত তুলনা

মাংসিক খ্ৰীষ্টিয়ানৰ পৰিণামবোৰৰ ইতিমধ্যে আংশিক ভাৱে ব্যক্তিগত মানুহৰ তালিকাভূক্ত কৰা হৈছে। সেইবোৰৰ ভিতৰত নিম্নলিখিত ফলাফল সমূহ প্ৰকাশ পাব পাৰে ঃ

- ব্যক্তিজনক এই অৱস্থাত ৰক্ষা কৰা হোৱা নাই। (ৰোমীয়া ঃ ৮:৬-৮ ; প্ৰকাশিত বাক্য ঃ ৩:১৬ পদ)।
- ঈশ্বৰৰ প্ৰেম — নিঃস্বাৰ্থ প্ৰেম — ব্যক্তিজনৰ অন্তৰত নাই (ৰোমীয়া ঃ ৫:৫ ; গালাতীয়া ঃ ৫:২২ পদ) ; তেওঁলোক সম্পূৰ্ণ ৰূপে তেওঁলোকৰ মানৱীয় প্ৰেমৰ ওপৰত নিৰ্ভৰশীল ; তেওঁলোকৰ মাংসৰ অভিলাষ ত্যাগ কৰা নাই। (গালাতীয়া ঃ ৫:১৬ পদ)।
- ব্যক্তিজনক তেওঁৰ আত্মাৰ শক্তিৰ যোগেদি শক্তিশালী কৰা হোৱা নাই। (ইফিচীয়া ঃ ৩:১৬-১৭ পদ)।

- খ্ৰীষ্ট এই ব্যক্তিজনৰ সৈতে নিবাস নকৰে। (১ যোহন ঃ ৩:২৪ পদ)।
- ব্যক্তিজনে খ্ৰীষ্টৰ সাক্ষী হোৱাৰ ক্ষমতা লাভ কৰা নাই (পাচনিকৰ্ম ঃ ১:৮ পদ)।
- ব্যক্তিজনে মানৱীয় ধৰণে কাৰ্য কৰে ( ১ কৰিন্থীয়া ঃ ৩:৩ পদ) যি সহজে প্ৰতিদ্বন্দ্বিতা আৰু উত্তেজনাৰ সৃষ্টি কৰিব পাৰে।
- নিয়ম অনুসৰি এই ব্যক্তিজনৰ বাবে উপদেশ গ্ৰহণ কৰা কঠিন।
- প্ৰাৰ্থনাৰ জীৱন অপৰ্যাপ্ত হ'ব পাৰে।
- ব্যক্তিজনৰ কেৱল ক্ষমা কৰাৰ আৰু বিদ্বেষ বহন নকৰিবলৈ মানৱীয় শক্তি আছে।

মাংসিক খ্ৰীষ্টিয়ান সকলে কেতিয়াবা স্বাভাৱিক মানুহৰ দৰে কাম কৰে। পৌলে এইদৰে কৈছে ঃ "তোমালোকে মাংসিক নোহোৱা নে? আৰু মানুহৰ দৰেই আচাৰ-ব্যৱহাৰ নকৰা নে?" ( ১ কৰিন্থীয়া ঃ ৩:৩ পদ)। অন্য সময়ত তেওঁৰ কাৰ্যবোৰ আত্মিক ব্যক্তিৰ দৰে হয়, যদিও তেওঁ নিজৰ শক্তি আৰু সামৰ্থৰ দ্বাৰা জীয়াই থাকে।

আত্মিক খ্ৰীষ্টিয়ানে ঈশ্বৰৰ পৰিপূৰ্ণতা অনুভৱ কৰে ঃ

"তেওঁ নিজ প্ৰতাপৰূপ ধনৰ দৰে নিজ আত্মাৰ দ্বাৰাই আন্তৰিক পুৰুষৰ সম্বন্ধে তোমালোকক শক্তিৰে শক্তিমন্ত হ'বলৈ দিয়ক, আৰু বিশ্বাসৰ দ্বাৰাই তোমালোকৰ হৃদয়ত খ্ৰীষ্টক বাস কৰিবলৈ দিয়ক আৰু ঈশ্বৰৰ সকলো পৰিপূৰ্ণতালৈকে তোমালোক পৰিপূৰ্ণ হ'বলৈ, সকলো পবিত্ৰ লোকে সৈতে যেন বহল, দীঘল, ওখ আৰু দৰ অনুভৱ পোৱা আৰু জ্ঞানৰ অগম্য যি খ্ৰীষ্টৰ প্ৰেম, তাক যেন জানিবলৈ পোৱা, এই কাৰণে তোমালোকক প্ৰেমত শিপা ধৰাই আৰু মূল পতাই বলৱন্ত কৰক। যিজনাই আমাৰ অন্তৰত কাৰ্য সাধন কৰোতা শক্তি অনুসাৰে আমাৰ যাচনাৰ আৰু বুদ্ধিৰ অতীত অতিৰিক্ত কৰ্ম কৰিব পাৰে, মণ্ডলীত আৰু খ্ৰীষ্ট যীচুত সদা সৰ্বদায় পুৰুষানুক্ৰমে তেওঁৰেই মহিমা হওক। আমেন।" ইফিচীয়া ঃ ৩:১৬-২১ পদ।

# মাংসিক খ্ৰীষ্টিয়ান সকলৰ প্ৰভাৱ

মই মোৰ পৰিয়াল আৰু মোৰ মণ্ডলী সমূহত হোৱা লোকচানৰ বাবে দুঃখিত য'ত মই পবিত্ৰ আত্মাৰ অভাৱৰ ফলস্বৰূপে পাষ্টৰ হিচাপে কাম কৰিছিলো। এইক্ষেত্ৰত এইটোও সঁচা যে নিজকে যিদৰে পৰিচালনা কৰিব তেনেকৈ আনক কৰিব নোৱাৰো। আমি এইটোও উপলব্ধি কৰিব লাগিব যে পৰিয়াল আৰু মণ্ডলীৰ প্ৰত্যেক ব্যক্তিৰ মাজত পবিত্ৰ আত্মাৰ অভাৱ অনুভৱ কৰা প্ৰয়োজন।

# শিশু আৰু যুৱক-যুৱতী

মাংসিক খ্ৰীষ্টিয়ান জীৱন হৈছে এক উদাৰ খ্ৰীষ্টিয়ান জীৱনৰ এক উৎপাদনশীল স্থান। মানুহে অজানিতে ভাল মনোভাৱেৰে তেওঁলোকে কৰিব নোৱাৰা কাম কৰিবলৈ চেষ্টা কৰে আৰু তাৰ পিছত বেলেগ পথ বিচাৰি উলিয়ায়। এই কাৰণেই আমি আমাৰ বহুতো যুৱক-যুৱতীক হেৰুৱাই আছো নেকি? আমি অজানিতে বা আন কাৰণত আমাৰ ল'ৰা-ছোৱালী আৰু মাংসিক খ্ৰীষ্টিয়ান যুৱক-যুৱতী সকলৰ বাবে এক উদাহৰণ স্থাপন কৰিছো নে? ইয়াৰ ফলস্বৰূপে, তেওঁলোক মাংসিক খ্ৰীষ্টিয়ান হৈছে নেকি আৰু সেয়েহে তেওঁলোকে নিৰুৎসাহিত হৈ সংঘৰ্ষ কৰিব লগা হৈছে নেকি? এই কাৰণে বহুতে এইটো অতি গুৰুত্ব সহকাৰে নলয় নেকি আৰু গীৰ্জালৈ নাহে বা মণ্ডলী এৰি গৈছে নেকি?

অলপ দিনৰ আগতে এজন ডাঙৰ ভাইয়ে তেওঁৰ মণ্ডলীক এইদৰে কৈছিল ঃ "আমাৰ নিজৰ জীৱনত আৰু আমাৰ যুৱক-যুৱতী সকলৰ জীৱনত আজি আমাৰ সমস্যাবোৰৰ এটা কাৰণ আছে ঃ আগৰ প্ৰজন্মই পবিত্ৰ আত্মাৰ কাৰ্যবোৰ বুজি পোৱাত আৰু তেওঁৰ দ্বাৰা পৰিপূৰ্ণ হোৱাত ব্যৰ্থ হৈছিল।"

মই আপোনালোকক পুনৰ কুহুমীয়া হোৱাৰ পৰিণামৰ বিষয়ে সোঁৱৰাই দিব বিচাৰো (খ্ৰীষ্টৰ ওচৰত সম্পূৰ্ণৰূপে সমৰ্পণ নকৰা) ঃ অমনোযোগী খ্ৰীষ্টিয়ান অবিশ্বাসী সকলতকৈয়ো বেয়া ঃ তেওঁলোকৰ প্ৰৱঞ্চনামূলক

কথা আৰু অকৰ্ত্তৃত্বশীল স্থিতিয়ে বহুতক বিপথে পৰিচালিত কৰে। অবিশ্বাসীজনে তাৰ ৰূপ দেখুৱায়। কুহুমীয়া খ্ৰীষ্টিয়ান সকলে দুয়ো পক্ষকে প্ৰতাৰণা কৰে। তেওঁ এজন ভাল সাংসাৰিক লোক বা ভাল খ্ৰীষ্টিয়ান নহয়। চয়তানে তেওঁক এনে এটা কাম কৰিবলৈ ব্যৱহাৰ কৰে যিটো আন কোনেও কৰিব নোৱাৰে।"

কিন্তু যদি আমি আত্মিক ভাৱে জীয়াই থাকো, তেন্তে আমি আমাৰ সন্তানবিলাকক ঈশ্বৰৰ সহায় পোৱাৰ পথ দেখুৱাব পাৰো। ইলেন জি. হুৱাইটে সঁচাকৈয়ে কিছুমান আশ্চৰ্যজনক কথা কৈছে ঃ

"আপোনাৰ সন্তানক শিকাওঁক যে তেওঁলোকৰ পবিত্ৰ আত্মাৰ বাপ্তিষ্মা প্ৰতিদিনে লাভ কৰাটো তেওঁলোকৰ বিশেষাধিকাৰ। খ্ৰীষ্টই আপোনাক তেওঁৰ উদ্দেশ্যবোৰ সম্পাদন কৰিবলৈ সহায়ৰ পথ বিচাৰি উলিয়াই। প্ৰাৰ্থনাৰ দ্বাৰা আপুনি এনে এক অভিজ্ঞতা লাভ কৰিব পাৰে যি আপোনাৰ সন্তানৰ বাবে আপোনাৰ কাৰ্যই প্ৰকৃত সফলতা আনিব পাৰে।"

আমি আমাৰ সন্তান বিলাকক প্ৰাৰ্থনা কৰিবলৈ শিকাইছিলো। কিন্তু আমি তেওঁলোকক পবিত্ৰ আত্মাৰ বাবে প্ৰতিদিনে প্ৰাৰ্থনা কৰিবলৈ শিকাইছিলো নে? নে আমি নিজেই নাজানিছিলো? সেই সময়ত মই আৰু মোৰ পত্নীয়ে এইটো নাজানিছিলো। মই কৃতজ্ঞ যে ঈশ্বৰে এইবাৰ অমনোযোগ কৰিছিল য'ত আমাৰ জ্ঞানৰ অভাৱ আছিল। কিন্তু ইয়াৰ ফলস্বৰূপে কিমান লোকচান হৈছিল?

যেতিয়া তেওঁলোকে দৈনিক যীচুৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হ'ব আৰু পবিত্ৰ আত্মাৰ বাবে প্ৰাৰ্থনা কৰিব তেতিয়া আত্মিক পিতৃ-মাতৃসকলে কি যে আচৰিত সন্তান লাভ কৰিব।

## ঐশ্বৰিক প্ৰেম বা ইজনে-সিজনৰ সৈতে ভাল সম্পৰ্ক থকাৰ পৰিবেশ

যদি শৃংখলাবদ্ধ জীৱনত ঈশ্বৰৰ শক্তিৰ অভাৱ থাকে, যদি ঈশ্বৰৰ

প্ৰেমৰ অভাৱ থাকে আৰু পাপৰ শক্তি ভংগ নহয় অথবা যদি ঈশ্বৰৰ অনুগ্ৰহত এই বিষয়সমূহ সন্নিবিষ্ট থাকে তেনেহ'লে মাংসিক বা আত্মিক খ্ৰীষ্টিয়ান সকলৰ সৈতে বিবাহ, পৰিয়াল, মণ্ডলী আৰু সহভাগিতাৰ মাজত কি পাৰ্থক্য থাকিব?

ৰক্ষণশীল মাংসিক খ্ৰীষ্টিয়ান সকলে সমালোচনা কৰে। এইটো ভাল নহয়। যদিও আমি ঈশ্বৰৰ ভাল নিৰ্দেশনাৰ বিষয়ে ক'ব লাগিব, তথাপিও আমি একে সময়তে উপলব্ধি কৰা উচিত যে পৰিবৰ্তন তেতিয়াহে হ'ব যেতিয়া পৰিবৰ্তনটো ভিতৰৰ পৰা আহিব।

উদাৰবাদী সকলে কথাবোৰ গুৰুত্বসহকাৰে নলয় আৰু সাংসাৰিক নীতিৰ সৈতে মিলি যায়। ঈশ্বৰে ইয়াকো আশীৰ্বাদ কৰিব নোৱাৰে।

যোচেফ কিড্ডাৰে বৰ্তমানৰ মণ্ডলীৰ নিম্নলিখিত সাধাৰণ অৱস্থাটো আৱিষ্কাৰ কৰিছিল ঃ আলস্য, পৃষ্ঠপোষকতা, জাগতিকতা, দানশীলতাৰ অভাৱ, চলাওঁতা সকলৰ অমনোযোগীতা, কিশোৰ-কিশোৰী সকলে মণ্ডলী ত্যাগ কৰিছে, দুৰ্বল আত্ম-অনুশাসন, কোনো প্ৰকৃত পৃষ্ঠভূমি বা ফলাফল অবিহনে পৰিকল্পনা কৰা, শক্তিশালী আৰু সমৰ্পিত মানুহৰ অভাৱ।"

আমাৰ সমস্যাৰ কাৰণ হৈছে যীচুৰ সৈতে আমাৰ সম্পৰ্কৰ অভাৱ (যোহন ঃ ১৫:১-৫ পদ) আৰু মানৱ জাতিৰ প্ৰচেষ্টাৰ ওপৰত অত্যাধিক বিশ্বাস (জখৰীয়া ঃ ৪:৬ পদ)। কিড্ডাৰে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা জীৱনৰ সমাধানো দেখিছে (পাচনিকৰ্ম ঃ ১:৮ পদ)।

## যীচুৱে আমাক এটা নতুন আদেশ দিছে ঃ

*"মই তোমালোকক এটা নতুন আজ্ঞা দিওঁ যে, তোমালোকে যেন পৰস্পৰে প্ৰেম কৰা ; মই যেনেকৈ তোমালোকক প্ৰেম কৰিলো, তেনেকৈ তোমালোকেও যেন পৰস্পৰে প্ৰেম কৰা। তোমালোকে যদি পৰস্পৰৰ মাজত প্ৰেম ৰাখা, তেন্তে তোমালোক যে মোৰ শিষ্য ইয়াক তাৰ দ্বাৰাই সকলোৱে জানিব।" (যোহন ঃ ১৩:৩৪-৩৫ পদ)।*

যীচুৱে কৰা প্ৰেমৰ অৰ্থ হৈছে ঃ ঐশ্বৰিক প্ৰেমৰ দৰে প্ৰেম কৰা। আমি এইটো কেৱল তেতিয়াহে কৰিব পাৰিম যেতিয়া আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হম।

ঈশ্বৰৰ প্ৰতি সৰ্বোচ্চ প্ৰেম আৰু ইজনে-সিজনৰ প্ৰতি নিঃস্বাৰ্থ প্ৰেম এইটো আমাৰ স্বৰ্গীয় পিতৃয়ে প্ৰদান কৰিব পৰা সৰ্বশ্ৰেষ্ঠ উপহাৰ। এই প্ৰেম এক আৱেগ নহয়, কিন্তু এক ঐশ্বৰিক নীতি, এক স্থায়ী শক্তি। উৎসৰ্গীত নকৰা হৃদয়ে ইয়াৰ উৎপত্তি বা উৎপাদন কৰিব নোৱাৰে। কেৱল যীচুৱে অধিকাৰ কৰা হৃদয়তহে এই প্ৰেম পোৱা যায়।

মই ভাবো যে যদি আমি কেৱল ইজনে সিজনৰ কাৰণে ভাল আচৰণ কৰো বা যদি আমি ইয়াতকৈ অধিক কিবা কৰো আৰু ঈশ্বৰৰ প্ৰেমৰ সৈতে প্ৰেম কৰো তেন্তে ইয়াত নিশ্চয় এটা পাৰ্থক্য আছে। ইলেন জি. হুৱাইটে আমাক এটা গুৰুত্বপূৰ্ণ সন্ধান দিছে ঃ

“নম্ৰ আৰু স্থিৰ আত্মাৰ অলংকাৰ পিন্ধি, এশটা সমস্যাৰ ভিতৰত নিৰানব্বৈটা সমস্যা যিটো ইমান ভয়ানক তিক্ত জীৱন তাক ৰক্ষা কৰিব পাৰে।”

ঈশ্বৰৰ বাক্যই ১ থিচলনীকীয়া ঃ ৪:৩-৮ পদত বৈবাহিক জীৱনৰ বিষয়ে কিছু উল্লেখ কৰিছে। অন্যান্য বিষয়ৰ উপৰিও এই পদবোৰে বৈবাহিক জীৱনত পবিত্ৰতা আৰু সমাদৰ কৰি বাস কৰাৰ বিষয়ে কয়। এইটো পৰজাতি সকলৰ কামাভিলাষৰ বশবৰ্ত্তী হোৱাৰ বিপৰীত। যিহেতু ইয়াত তিনিবাৰ পবিত্ৰতা জীৱন আৰু পবিত্ৰ আত্মাৰ বিষয়ে উল্লেখ কৰা হৈছে, সেয়েহে আমি উপলব্ধি কৰিব পাৰো যে, পবিত্ৰ আত্মাৰ সৈতে জীৱনে আমাৰ বিবাহৰ সম্পৰ্কবোৰো সলনি কৰিব পাৰে আৰু কৰা উচিত। ঈশ্বৰে আমাৰ বৈবাহিক জীৱনত মহান আনন্দ আৰু পৰিপূৰ্ণতা লাভ কৰাৰ অৰ্থ বুজাইছে। এইটোৱে আমাক দেখুৱাই নিদিয়ে যে, ঈশ্বৰে আমাক কামাভিলাষৰ সলনি প্ৰেমময় কোমলতাৰ সৈতে মোকাবিলা কৰাত সহায় কৰিব বিচাৰে?

যীচুৱে তেওঁৰ শিষ্য সকলৰ একতাৰ বাবে প্ৰাৰ্থনা কৰিছিল ঃ “যেন

তেওঁবিলাক সকলো এক হয় ; হে পিতৃ তুমি যে মোক পঠালা, ইয়াক জগতে বিশ্বাস কৰিবলৈ, তুমি যেনেকৈ মোত, আৰু মই যেনেকৈ তোমাত, তেওঁবিলাকো তেনেকৈ যেন আমাত হয়।" (যোহন ঃ ১৭:২১ পদ)।

উইলিয়াম জি. জনচনে এইদৰে কৈছে ঃ "বহুতো এড্ভেন্টিষ্টে এতিয়াও বুজিব লাগিব যে খ্ৰীষ্টৰ সৈতে এক হোৱাৰ অৰ্থ কি। অতীতত আমি সম্ভৱতঃ এইটো যথেষ্ট গুৰুত্ব দিয়া নাই বা ভুল অভিপ্ৰায়েৰে কাৰ্য কৰিছো।"

"যেতিয়া ঈশ্বৰৰ লোকসকল আত্মাৰ একতাত এক হয় তেতিয়া সকলো ফৰিচীবাদ, সকলো স্ব-ধাৰ্মিকতা আদিৰ যোগেদি কৰা যিহুদী জাতিৰ যিবোৰ পাপ আছিল সেই সকলো হৃদয়ৰ পৰা বাহিৰ কৰা হয়।"

যেতিয়া আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হওঁ তেতিয়া খ্ৰীষ্ট আমাত থাকে। আত্মিক খ্ৰীষ্টিয়ান আদৰ্শই আমাৰ প্ৰাৰ্থনাৰ উত্তৰ প্ৰভুৰ দ্বাৰা দিয়াত অৰিহণা যোগায়। ইলেন জি. হুৱাইটে এইদৰে কৈছে ঃ "যেতিয়া ঈশ্বৰৰ লোক সকল আত্মাৰ একতাত এক হয়, তেতিয়া সকলো ফৰিচীবাদ, সকলো স্ব-ধাৰ্মিকতা আদিৰ যোগেদি কৰা যিহুদী জাতিৰ যিবোৰ পাপ আছিল, সেই সকলো হৃদয়ৰ পৰা কৰা হ'ব ....... ঈশ্বৰে সেই ৰহস্যটো জনাব যিটো যুগ যুগ ধৰি লুকুৱাই ৰখা হৈছিল। তেওঁ জানিব পাৰিব।" "পৰজাতি বিলাকৰ মাজত সেই নিগূঢ়-তত্ত্বৰ প্ৰতাপ-ধন কি, তাক সেই পবিত্ৰ বিলাকক জনাবলৈ ঈশ্বৰে মনস্থ কৰিলে ; সেই ধন তোমালোকত থকা খ্ৰীষ্ট, তেৱেঁই প্ৰতাপৰ আশা।" (কলচীয়া ঃ ১:২৭ পদ)।

## সংশোধনমূলক পৰামৰ্শ

যেতিয়া এইটো ঈশ্বৰৰ প্ৰেমৰ যোগেদি কৰা নহয় বা প্ৰায় নহয় তেতিয়া সংশোধনমূলক পৰামৰ্শৰ ওপৰত কিবা প্ৰভাৱ পৰিব নেকি? মণ্ডলীয়ে কি সিদ্ধান্ত ল'ব, যিটো মুখ্যতঃ মাংসিক খ্ৰীষ্টান সকলৰ দ্বাৰা গঠিত বা আনকি মাংসিক পাষ্টৰ বা অধ্যক্ষও আছে? যেতিয়া মই এজন পাষ্টৰ হিচাবে মোৰ কামৰ বিষয়ে চিন্তা কৰো, তেতিয়া মোৰ ধাৰণা হয় যে আত্মিক

মণ্ডলীৰ সদস্য সকলে পতিত সদস্য সকলক মীমাংসালৈ ঘূৰাই আনিব পাৰে। আৰু যেতিয়া ব্যক্তিজনে অনুতাপ কৰে আৰু স্বীকাৰ কৰে, তেতিয়া পৰামৰ্শটোৱে ইয়াৰ উদ্দেশ্য পূৰণ কৰে। কেতিয়াবা মাংসিক খ্ৰীষ্টান সকলে পৰামৰ্শক শাস্তি বুলি ভাবে আৰু আনকি ক্ষমতা প্ৰয়োগ কৰিবলৈ ইয়াৰ অপব্যৱহাৰ কৰে (মথি ঃ ১৮:১৫-১৭ ; ১ কৰিন্থীয়া ঃ ৩:১-৪ ; ২ কৰিন্থীয়া ঃ ১০:৩ ; যাকোব ঃ ১:১৯ পদ)।

## অন্তিম দিনৰ বাবে ঈশ্বৰৰ ভৱাবাণীমূলক বাক্য

ঈশ্বৰে তেওঁৰ ভাৰবাদী সকলৰ যোগেদি নিগূঢ় মন্ত্ৰণা প্ৰকাশ কৰাৰ ৰীতি আছে (আমোচ ঃ ৩:৭ পদ)। এনেদৰে তেওঁ ইলেন জি. হুৱাইটৰ যোগেদি অন্তিম দিনৰ বাবে গুৰুত্বপূৰ্ণ ভাৰবাণী মূলক বাৰ্ত্তা দিছিল। যিহেতু বহুতো কথা অতীতৰ তুলনাত সম্পূৰ্ণ পৃথক হ'ব, সেয়েহে ঈশ্বৰৰ পৰা প্ৰাসঙ্গিক অতিৰিক্ত তথ্য পোৱাটো গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় আছিল। আজি আমি ইয়াক এটা "উন্নীত কৰা" বুলি কম। ইলেন জি. হুৱাইটৰ মতে, যীচুৰ পুনৰ আগমনলৈকে এই বাৰ্ত্তবোৰ যুক্তিযুক্ত। যিহেতু তাইৰ পৰামৰ্শৰ ভিতৰত আছে জীৱনশৈলীৰ পৰিবৰ্তন, প্ৰতিৰোধ, উপদেশ ইত্যাদি। এজন আত্মিক ব্যক্তিয়ে মাংসিক ব্যক্তিতকৈ এইটো সহজে গ্ৰহণ কৰিব পাৰে। (কিন্তু যদি কোনোবাই এই পৰামৰ্শবোৰ গুৰুত্ব সহকাৰে লয় তেন্তে, ইয়াৰ অৰ্থ এইটো নহয় যে তেওঁবিলাক আত্মিক)। দ্বিতীয় বিৱৰণ ঃ ১৮:১৯ পদত এইদৰে কোৱা কথাবোৰৰ বিষয়ে চিন্তা কৰাটো বুদ্ধিমানৰ কাম হ'ব বুলি কোৱা হৈছে ঃ "মোৰ নামেৰে তেওঁ মোৰ যি যি বাক্য ক'ব, তালৈ যিজনে কাণ নিদিব, মই তাৰ প্ৰতিশোধ ল'ম।"

এইটোৱে আমাক স্পষ্টকৈ দেখুৱায় যে, এজন প্ৰকৃত ভাৰবাদীৰ বাৰ্ত্তাৰ সৈতে সেই ব্যক্তিজনৰ সম্পৰ্ক নাই, বৰঞ্চ ঈশ্বৰৰ সৈতে সম্পৰ্ক আছে। কোনোবা এজন প্ৰকৃত ভাৰবাদী হয়নে নহয় আমি কেনেকৈ জানিব পাৰো? ঈশ্বৰৰ বাক্যই আমাক এই পাঁচটা পৰীক্ষামূলক বিষয় প্ৰদান কৰিছে। এজন প্ৰকৃত ভাৰবাদীয়ে পাঁচটা বিষয় মানি চলিব লাগিব।

১। তেওঁলোকৰ জীৱন ধাৰণ— "সিহঁতৰ কৰ্মফলৰ দ্বাৰাই তোমালোকে সিহঁতক চিনিবা।" (মথি ঃ ৭:১৫-২০ পদ)।

২। ভাৱবাণী সমূহৰ সিদ্ধ হোৱা— দ্বিতীয় বিৱৰণ ঃ ১৮:২১-২২ পদ (চৰ্ত্ত সাপেক্ষে ভাৱবাণীৰ উদাহৰণ হিচাবে যোনাৰ কথা ক'ব পাৰি)।

৩। ঈশ্বৰৰ প্ৰতি বিশ্বাসী হোৱাৰ আহ্বান — (ঈশ্বৰৰ বাক্য)। দ্বিতীয় বিৱৰণ ঃ ১৩:১-৫ পদ।

৪। যীচুক এজন প্ৰকৃত ব্যক্তি আৰু প্ৰকৃত ঈশ্বৰ হিচাবে চিনাক্ত কৰা।১ যোহন ঃ ৪:১-৩ পদ।

৫। বাইবেলৰ শিক্ষাৰ সৈতে একমত হোৱা। যোহন ঃ ১৭:১৭ পদ।

ভাৱবাদী সকলৰ দ্বাৰা দিয়া তেওঁৰ পৰামৰ্শকে ধৰি ঈশ্বৰৰ সকলো আজ্ঞা আমাৰ নিজৰ হিতৰ কাৰণে দিয়া হৈছে। সেইকাৰণে তেওঁলোক ব্যতিক্ৰমী ভাৱে মূল্যৱান। সেয়েহে আত্মিক লোকসকলে ঈশ্বৰৰ শক্তি আৰু আনন্দেৰে আজ্ঞা পালন কৰিব পাৰে আৰু জানিব পাৰে যে ই জীৱনত সফলতা লাভ কৰাত অৰিহণা যোগায়। "তোমালোকে নিজ ঈশ্বৰ যিহোৱাত বিশ্বাস কৰা, তাতে তোমালোক সুস্থিৰ হ'বা ; আৰু তেওঁৰ ভাৱবাদী বিলাকত বিশ্বাস কৰা, তাতে তোমালোক কৃতকাৰ্য হ'বা।" ( ২ বংশাৱলী ঃ ২০:২০ পদ)।

আমাৰ অধ্যয়ন নিৰ্দেশিকাই চাবাথ স্কুলৰ পাঠৰ বিষয়ে এইদৰে কৈছে ঃ "যিজনে ভাৱবাণীৰ বাক্যক অস্বীকাৰ কৰে, তেওঁ পবিত্ৰ আত্মাৰ নিৰ্দেশনাৰ পৰা নিজকে বন্ধ কৰে। আজিৰ পৰিণাম তেতিয়াৰ তুলনাত বেলেগ নহয়— ঈশ্বৰৰ সৈতে সম্পৰ্ক হেৰুওৱা আৰু নেতিবাচক প্ৰভাৱৰ বাবে মুক্ত হোৱা।"

## পৰিকল্পনা / ৰণনীতি

এটা গুৰুত্বপূৰ্ণ কাম হ'ল মণ্ডলীত আৰু মিছনৰ কামত কৰ্ত্তব্যৰ বাবে ভাল সমাধান আৰু নীতি বিচাৰি উলিওৱা। এইটো আমাৰ পৰিকল্পনা আৰু ৰণনীতিৰ এটা প্ৰশ্ন। ইয়াত বিশেষকৈ মণ্ডলীক আত্মিক ভাৱে শক্তিশালী কৰা আৰু অধিক লোকৰ মন আত্মিকত জয় কৰা।

মই বাপ্তিষ্মা লোৱা ৬৫ বছৰ হ'ল আৰু ৪৩ বছৰ ধৰি পৰিচাৰক হৈ আছো। আমি অনেক কাৰ্যসূচী আৰু পদ্ধতি বিকশিত কৰিছো। আমি বহুত পৰিশ্ৰমী আছিলো। এই সন্দৰ্ভত মই ২০০৫ চনৰ জেনেৰেল কনফাৰেঞ্চত কোৱা ডুইট নেলছনৰ কথাবোৰৰ বিষয়ে পুনৰ ভাবিব লাগিব।

"আমাৰ মণ্ডলীয়ে সম্পূৰ্ণৰূপে প্ৰশংসনীয় নীতি, পৰিকল্পনা আৰু কাৰ্যসূচী বিকশিত কৰিছে, কিন্তু যদি আমি অৱশেষত আমাৰ আত্মিকত দৰিদ্ৰ হোৱা (পবিত্ৰ আত্মাৰ অভাৱ) স্বীকাৰ নকৰো, যি আমাৰ পৰিচাৰক আৰু চলাওঁতাক ধৰি ৰাখিছে, তেনেহ'লে আমি কেতিয়াও আমাৰ খ্ৰীষ্টিয়ান আদৰ্শৰ যাব নোৱাৰিম।"

একে সময়তে ডেনিছ স্মিথে কয় ঃ "পৰিকল্পনা, কাৰ্যসূচী আৰু নীতিসমূহৰ বিৰুদ্ধে মোৰ ক'বলগীয়া একো নাই। কিন্তু মই আশংকা কৰো যে আমি প্ৰায়ে ঈশ্বৰৰ কাৰ্যক আগুৱাই নিয়াৰ বাবে এইবোৰৰ ওপৰত নিৰ্ভৰ কৰো। পৰিকল্পনা, কাৰ্যসূচী আৰু নীতি সমূহে ঈশ্বৰৰ কাৰ্য সম্পূৰ্ণ নকৰে। মহান বক্তা, অসাধাৰণ খ্ৰীষ্টান সংগীতানুষ্ঠান, চেটেলাইট সম্প্ৰচাৰে ঈশ্বৰৰ কাৰ্য শেষ নকৰে। ঈশ্বৰৰ আত্মাই সেই কাৰ্যৰ অন্ত পেলাব — যি ঈশ্বৰৰ আত্মাই আত্মাৰে পৰিপূৰ্ণ হোৱা পুৰুষ আৰু মহিলাৰ দ্বাৰা কথা কয় আৰু কাৰ্য কৰে।"

## বাপ্তিষ্মা / আত্মাক জয় কৰা

বাইবেলে আমাক দেখুৱাইছে যে, খ্ৰীষ্টৰ বাবে লোক বিলাকক জয় কৰিবলৈ পবিত্ৰ আত্মা হৈছে এক গুৰুত্বপূৰ্ণ প্ৰাথমিক তাৎপৰ্য (পাচনি কৰ্মৰ পুস্তকখন চাওঁক)। জাৰ্মনাত এফালে আমাৰ মণ্ডলী আছে যিবোৰ বাঢ়ি আছে আৰু আনফালে বৃদ্ধি নোহোৱা বা কমি যোৱা মণ্ডলীবোৰ আছে। বিশ্বজুৰি যোৱা যাঠি বছৰত আমাৰ মণ্ডলীত সদস্যৰ সংখ্যা বিশ গুণ বৃদ্ধি পাইছে। আমি নিশ্চিত ভাৱে জাৰ্মানৰ এই পৰিস্থিতিৰ বহুতো কাৰণ তালিকাভূক্ত কৰিব পাৰো। কিন্তু এটা কথা মোৰ বাবে স্পষ্ট ঃ মূল কাৰণটো হৈছে পবিত্ৰ আত্মাৰ অভাৱ। স্বাভাৱিকতে এই সমস্যাটোৱে আমাক তীব্ৰ ভাৱে ব্যস্ত কৰি

পেলাইছে। আমি বহুতো পৰিকল্পনা আৰু কাৰ্যসূচী বিকশিত বা উপযোগী কৰি তুলিছো। আমি দেখিছো যে এই মহান প্ৰচেষ্টাত পবিত্ৰ আত্মাৰ অভাৱৰ ফলত আমি অপ্ৰয়োজনীয় বা অসফল উপায় অনুসৰণ কৰাৰ পিছত পুঁজি আৰু সময় হেৰুৱাইছো। ইলেন জি. হুৱাইটৰ দুটা উক্তিয়ে এই পৰিস্থিতিটো বৰ্ণনা কৰিছে ঃ

"প্ৰভুৱে এতিয়া বহুতো আত্মাক সত্যলৈ আনিবৰ বাবে কাম কৰা নাই, কিয়নো মণ্ডলীৰ সভ্য সকলৰ কাৰণে যিসকল কেতিয়াও পৰিবৰ্তন হোৱা নাছিল আৰু যিসকল এসময়ত পৰিবৰ্তন হৈছিল কিন্তু সেই সকল বিশ্বাসৰ পৰা খহি পৰিছিল। নতুনকৈ পৰিবৰ্তন হোৱা সকলৰ ওপৰত এই উছৰ্গিত নোহোৱা সদস্য সকলে (মাংসিক খ্ৰীষ্টিয়ান) কি প্ৰভাৱ পেলাব পাৰে?"

"যদি আমি ঈশ্বৰৰ আগত নিজকে নম্ৰ কৰো, আৰু দয়ালু হওঁ আৰু বিনীত আৰু কোমল হৃদয়ৰ আৰু সহানুভূতিশীল হওঁ, তেন্তে সত্যলৈ এশজন সলনি হ'ব য'ত এতিয়া কেৱল এজনহে হৈছে।" আনহাতে, আমাৰ ওচৰত এনেকুৱা ব্যপ্তিষ্মা লোৱা লোক আছে, যিসকল ভালদৰে যুগুত হোৱা নাই। ইলেন জি. হুৱাইটে কৈছিল ঃ

"নতুন জন্ম পৃথিৱীৰ এই যুগত এক বিৰল অভিজ্ঞতা। এই কাৰণেই মণ্ডলীসমূহত বহুতো বিভ্ৰান্তি আছে। অনেক লোক, যিসকলে খ্ৰীষ্টৰ নাম ধাৰণ কৰে, তেওঁলোক অশুচি আৰু অপবিত্ৰ। তেওঁলোকক বাপ্তিষ্মা দিয়া হৈছে, কিন্তু তেওঁলোক জীৱিত অৱস্থাতে মৃত্যু হৈছে। সেয়েহে তেওঁলোকে খ্ৰীষ্টত জীৱনৰ নতুনত্ব জী উঠা নাই।"

এইটো ১৮৯৭ চনত লিখা হৈছিল। আজিৰ পৰিস্থিতি কেনেকুৱা? সমস্যাটো হ'ল ঃ যিজন পুনৰ জন্ম হোৱা নাই তেওঁ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা নাই। যীচুৱে কৈছিল ঃ "জল আৰু আত্মাৰ পৰা জন্ম নাপালে, কোনেও ঈশ্বৰৰ ৰাজ্যত সোমাব নোৱাৰে (যোহন ঃ ৩:৫ পদ)। এইটো সঁচা নহয় নে যে আমি প্ৰতিটো ক্ষেত্ৰতে পবিত্ৰ আত্মাৰ অভাৱ অনুভৱ কৰিছো?

# পবিত্ৰ আত্মা আৰু প্ৰচাৰ কাৰ্য

ঈশ্বৰে আমাক পবিত্ৰ আত্মাৰ অৰ্থ আৰু প্ৰচাৰ কাৰ্যৰ বিষয়ে নিম্নলিখিত কথাবোৰ কৈছে ঃ "পবিত্ৰ আত্মাৰ নিৰৱচ্ছিন্ন সহায়ৰ অবিহনে আৰু তেওঁৰ অনুপস্থিতিত জগতৰ প্ৰচাৰ কাৰ্যৰ কোনো মূল্য নাথাকিব। ঐশ্বৰিক সত্যতাৰ সফল বা কৃতি শিক্ষকজন এওঁৱেই। পবিত্ৰ আত্মাটোৰ সৈতে যেতিয়া সত্য হৃদয়ৰ ভিতৰলৈ সোমাই যাব কেৱল তেতিয়াহে বিবেক জাগৃত হ'ব নতুবা জীৱনটো পৰিবৰ্তন হ'ব। কোনোবা এজনে হয়তো ঈশ্বৰৰ বাক্যবোৰক আখৰে আখৰে ভালকৈ বুজাই দিব পাৰে ; ঈশ্বৰৰ আটাই আজ্ঞা আৰু প্ৰতিজ্ঞা সমূহৰ বিষয়ে তেওঁ হয়তো সলসলীয়াকৈ ক'ব পাৰিব পাৰে, কিন্তু পবিত্ৰ আত্মাই সত্যক অন্তৰত স্থাপন নকৰালৈকে, কোনো এজন ব্যক্তি সেই শিলটোৰ ওপৰত নপৰিব আৰু ভগ্ন নহ'ব। ঈশ্বৰৰ আত্মাৰ সহযোগিতাৰ অবিহনে, যিমান শিক্ষিতেই নহওঁক, যিমান সুবিধাই নপাওঁক কিয়, যিমান গণ্য-মান্যই নহওঁক কিয়, তেওঁ পোহৰৰ এটা কোমল চেনেল বনাব নোৱাৰে।" প্ৰচাৰ কাৰ্য কেৱল এটা উপদেশৰ সময়ত নহয়, কিন্তু বক্তৃতা দিয়া, বাইবেল অধ্যয়ন কৰা বা আদৰ-যত্ন কৰা দলৰ মাজতো হ'ব পাৰে।

ৰেণ্ডি মেক্সৱেলে কয় ঃ "কিন্তু সঁচা কথাটো হ'ল, আমি জীৱিত ঈশ্বৰৰ সংস্পৰ্শৰ বাবে তৃষ্ণাত মৰি আছো।"

পবিত্ৰ আত্মাৰ অভাবো ভয়ৰ কাৰণ নেকি ? এমিলিঅ নেকটলে কোৱা কথাটো সঠিক নেকি ঃ "আমি কিয় এই দুৰ্নীতিগ্ৰস্ত পৃথিৱীখনক সলনি কৰাত সফল নহওঁ ? আমাৰ বিশ্বাসত কিবা এটা ভুল হৈছে। আমি বিবাদৰ ভয় কৰো, আমি যুঁজিবলৈ ভয় কৰো, আমি দুখ-কষ্ট ভয় কৰো, আমি আমাৰ চাকৰি হেৰুৱাবলৈ ভয় কৰো, আমি আমাৰ খ্যাতি হেৰুৱাবলৈ ভয় কৰো, আমি আমাৰ জীৱন হেৰুৱাবলৈ ভয় কৰো। গতিকে আমি নিৰৱ হৈ থাকো আৰু লুকাই থাকো। আমি প্ৰেমেৰে আৰু শক্তিশালী ভাৱে জগতত শুভবাৰ্ত্তা ঘোষণা কৰিবলৈ ভয় কৰো।"

এই সমস্যাৰ সমাধান পোৱা যায় পাচনিকৰ্ম ঃ ৪:৩১ পদত ঃ "এই

প্ৰাৰ্থনা কৰিলত, তেওঁবিলাকে গোট খোৱা ঠাই কঁপিবলৈ ধৰিলে আৰু সকলোৱে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ, ঈশ্বৰৰ বাক্য সাহেৰে ক'লে।"

## পবিত্ৰ আত্মা আৰু আমাৰ পুস্তকসমূহ

আমাৰ পুস্তকবিলাকৰ বিষয়ে তলৰ কথাবোৰ কোৱা হৈছে ঃ কিতাপ-পত্ৰত যি লিখা হৈছে তাতেই যদি ঈশ্বৰৰ পৰিত্ৰাণ থাকিলেহেঁতেন, তেন্তে পঢ়ুৱৈসকলেও একেই আত্মা অনুভৱ কৰিলেহেঁতেন। ঈশ্বৰৰ আত্মাৰ যোগেদি যি লিখা হয় তাক দূত বিলাকেও সমৰ্থন কৰে আৰু পঢ়ুৱৈ সকলৰ ওপৰতো একেই প্ৰভাৱ পৰে। কিন্তু যেতিয়া লিখকে সামগ্ৰিক ভাৱে ঈশ্বৰৰ গৌৰৱৰ কাৰণে জীৱন-যাপন নকৰে আৰু সম্পূৰ্ণ ৰূপে নিজকে সমৰ্পণ নকৰে, তেতিয়া দূতবিলাকে দুখ অনুভৱ কৰে। তেওঁবিলাকে সেই পুস্তকৰ বিষয়বস্তুৰ পৰা আঁতৰি যায় আৰু পঢ়ুৱৈ সকলক প্ৰভাৱিত কৰিব নোৱাৰে কাৰণ তাত ঈশ্বৰ আৰু তেওঁৰ আত্মা নাই।"

**মই পুনৰ গুৰুত্ব দিব বিচাৰো ঃ** *স্বাভাৱিকতে আমি কৰা সকলোবোৰ ভুল নাছিল। কোনো প্ৰকাৰে নহয়। আমি ভাল আৰু বহুত ভাল বস্তু বিকশিত কৰিছো ; ঈশ্বৰে যিমান দূৰ সম্ভৱ আমাৰ মানৱীয় প্ৰচেষ্টাক আশীৰ্বাদ কৰিছিল। কিন্তু গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছে ঃ আমি আত্মিক বা মাংসিক খ্ৰীষ্টিয়ান হিচাবে এই কৰ্ত্তব্যবোৰৰ কাষ চাপিছো নে? এটা কথা নিশ্চিত ঃ যেতিয়া আমি মাংসিক ভিত্তিত সমাধান বিচাৰিবলৈ সংগ্ৰাম কৰো, আমি যথেষ্ট সময় বৃথাই নষ্ট কৰো ; আমি বহুতো কাম কৰিম, যিবোৰ কোনো কামৰ নহ'ব।*

## পবিত্ৰ আত্মা ঃ আগতীয়া আৰু পাছতীয়া বৰষুণ নাই

"আগতীয়া বৰষুণ, পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ ফলত আমালৈ প্ৰয়োজনীয় আত্মিক পৰিপক্কতা আনিছিল। যিটো অতি আৱশ্যক যাতে আমি পাছতীয়া বৰষুণৰ পৰা উপকৃত হ'ব পাৰো।"

“পৃথিৱীৰ শস্য চপোৱা পাছতীয়া বৰষুণে আত্মিক অনুগ্ৰহক প্ৰতিনিধিত্ব কৰে যিটোৱে মণ্ডলীৰ মানুহৰ পুত্ৰৰ আগমনৰ বাবে যুগুত কৰে। কিন্তু আগতীয়া বৰষুণ নপৰিলে, কোনো জীৱন নাথাকিব আৰু সেউজীয়া ঘাঁহ-বন নগজিব। যেতিয়ালৈকে আগতীয়া বৰষুণে তেওঁলোকৰ মাজত কাম নকৰে, তেতিয়ালৈকে পাছতীয়া বৰষুণে কোনো পৰিপক্ক ফল আনিব নোৱাৰে।”

## পবিত্ৰ আত্মা আৰু বাইবেলৰ শুচিকৰণ

“এই কাৰ্য (বাইবেলৰ শুচিকৰণ) কেৱল খ্ৰীষ্টত বিশ্বাস ৰখাৰ দ্বাৰা আৰু ঈশ্বৰৰ আন্তৰিক আত্মাৰ শক্তিৰ দ্বাৰাহে সম্পূৰ্ণ কৰিব পাৰি।” ইলেন জি. হুৱাইট, দ্যা গ্ৰেট কন্ট্ৰোভাৰ্চি, পৃষ্ঠা ঃ ৪৬৯।

## পবিত্ৰ আত্মা অবিহনে মহান পৰিচৰ্যা কাৰ্য?

পবিত্ৰ আত্মা অবিহনে মহান প্ৰতিষ্ঠান সমূহে, সফল প্ৰচাৰ কাৰ্যসূচী আৰু শক্তিশালী কাৰ্যৰ ৰণনীতি বিকশিত কৰিব পাৰিবনে? দক্ষিণ আফ্ৰিকাৰ মহান মিছনাৰী এণ্ড্ৰিউ মুৰেয়ে জানিছিল যে দৃশ্যপট অতি সম্ভৱ আছিল আৰু প্ৰকৃততে, বেছিভাগ খ্ৰীষ্টিয়ান জগতৰ বাস্তৱতা যেতিয়া তেওঁ এইদৰে লিখিছিল ঃ

“মই হয়তো প্ৰচাৰ কৰিব বা লিখিব বা চিন্তা বা ধ্যান কৰিব পাৰো আৰু ঈশ্বৰৰ পুস্তক আৰু ঈশ্বৰৰ ৰাজ্যত থকা বস্তুবোৰৰ সৈতে আৱদ্ধ হৈ আনন্দিত হ'ব পাৰো ; তথাপিও পবিত্ৰ আত্মাৰ শক্তি স্পষ্টৰূপে অনুপস্থিত থাকিব পাৰে। মই আশা কৰো যে যদি আপুনি গোটেই খ্ৰীষ্টৰ মণ্ডলীত প্ৰচাৰ কৰে আৰু সুধিব যে ইয়াত কিয় আছে, হায়! কিয় বাক্য প্ৰচাৰ কাৰ্যত ইমান কম পৰিবৰ্তন কৰা শক্তি, কিয় ইয়াত ইমান অধিক কাম আৰু প্ৰায়ে অনন্তকালৰ বাবে ইমান কম সাফল্য, পবিত্ৰতা আৰু উছৰ্গী কৰণত বিশ্বাসী সকলৰ বাক্যত কম শক্তি কিয়— উত্তৰটো হৈছে ঃ পবিত্ৰ আত্মাৰ শক্তিৰ অনুপস্থিতি। আৰু এইটো কিয়? আন কোনো কাৰণ থাকিব নোৱাৰে কিন্তু মাংস (গালাতীয়া ঃ ৩:৩ পদ চাওঁক) আৰু মনুষ্যৰ শক্তিয়ে পবিত্ৰ আত্মাৰ স্থান পাইছে।

# পবিত্ৰ আত্মা আৰু স্বাস্থ্য

"এতেকে, হে ভাইবিলাক, ঈশ্বৰৰ সকলো কৰুণাৰ দ্বাৰাই মই তোমালোকক এই বিনয় কৰো, তোমালোকে নিজ নিজ শৰীৰক জীৱিত, পবিত্ৰ আৰু ঈশ্বৰৰ গ্ৰহণীয় বলিস্বৰূপে উৎসৰ্গা কৰা ; এয়েই তোমালোকৰ যুক্তিসঙ্গত আৰাধনা।" ৰোমীয়া ঃ ১২:১ পদ।

"তোমালোকে যে ঈশ্বৰৰ মন্দিৰ আৰু ঈশ্বৰৰ আত্মা তোমালোকত নিবাস কৰে, ইয়াক তোমালোকে নাজানা নে? কোনোৱে যদি ঈশ্বৰৰ মন্দিৰ নষ্ট কৰে, তেন্তে ঈস্বৰে তেওঁকো নষ্ট কৰিব ; কিয়নো ঈশ্বৰৰ মন্দিৰ পবিত্ৰ ; তোমালোকো তেনে ।" ১ কৰিন্থীয়া ঃ ৩:১৬-১৭ পদ।

"তোমালোকৰ শৰীৰ যে তেওঁৰ মন্দিৰ, ইয়াক তোমালোকে নাজানা নেকি? তোমালোক নিজৰ নোহোৱা ; কিয়নো তোমালোক মূল্যেৰে কিনা হ'লা ; এই হেতুকে তোমালোকৰ শৰীৰত ঈশ্বৰক গৌৰৱান্বিত কৰা।" ১ কৰিন্থীয়া ঃ ৬:১৯-২০ পদ। (যাত্ৰাপুস্তক ঃ ১৫:২৬ পদো চাওঁক)।

পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা লোকসকল হৈছে ঈশ্বৰৰ মন্দিৰ। কেতিয়াবা আপুনি ভাবিছে নে আপোনাৰ জীৱনত ইয়াৰ কি প্ৰভাৱ আছে? মন্দিৰ হৈছে ঈশ্বৰৰ আৱাসস্থান। ঈশ্বৰে মোচিক কৈছিল ঃ "আৰু মই তেওঁবিলাকৰ মাজত বাস কৰিবৰ নিমিত্তে, তেওঁবিলাকে মোৰ অৰ্থে এটা ধৰ্মধাম নিৰ্মাণ কৰক।" যাত্ৰাপুস্তক ঃ ২৫:৮ পদ।

যদি আমি এই মন্তব্যক গুৰুত্বসহকাৰে লওঁ, তেন্তে আমাৰ স্বাস্থ্য আৰু আমাৰ জীৱনশৈলীৰ যত্ন লোৱাটো আমাৰ শিষ্যত্বৰ এক ইচ্ছাকৃত অংশ হৈ পৰিব। আমাৰ শৰীৰটো ঈশ্বৰৰ। আপুনি ঈশ্বৰৰ সম্পত্তিক যত্নেৰে ব্যৱহাৰ কৰিব বিচাৰে নে? হয়, আমি আমাৰ শৰীৰটোক যত্নেৰে ব্যৱহাৰ কৰিবলৈ আৰু ঈশ্বৰৰ নিৰ্দেশ অনুসৰি ব্যৱহাৰ কৰিবলৈ বিচাৰো ; ই এক নিৰ্দিষ্ট পৰিমাণৰ অনুশাসনৰ দাবী কৰে। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা কোনোবা জনে সাধাৰণতে এই অনুশাসনক আনন্দেৰে ৰূপায়ণ কৰিব পাৰে। পুৰস্কাৰটো হৈছে শৰীৰ, মন আৰু আত্মাৰ উত্তম স্বাস্থ্য। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ নোহোৱা

লোকে সংগ্ৰাম কৰিব আৰু অসুবিধাৰ সন্মুখীন হ'ব। ঈশ্বৰে আশা কৰে যে, আমি তেওঁৰ গৌৰৱ, তেওঁৰ সেৱা আৰু আমাৰ নিজৰ আনন্দৰ বাবে শৰীৰ আৰু আত্মাৰ সৰ্বোত্তম স্বাস্থ্য বজায় ৰখা। এইক্ষেত্ৰত পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ কোনো বিকল্প নাই। যেতিয়া যীচুৱে পবিত্ৰ আত্মাৰ যোগেদি আমাত নিবাস কৰে, তেতিয়া তেওঁ আমাক আৰোগ্যও কৰে, কিয়নো "মই তোমাৰ আৰোগ্যকাৰী যিহোৱা" (যাত্ৰাপুস্তক ঃ ২০:২৬ পদ)। সংশ্লিষ্ট ব্যক্তিজনৰ বাবে আৰু ঈশ্বৰৰ গৌৰৱৰ বাবে আৰোগ্য কৰা সদায়ে সৰ্বশ্ৰেষ্ঠ। এইটো প্ৰশ্ন উত্থাপন কৰিব পাৰে ঃ ঐশ্বৰিক চিকিৎসকে সকলোকে আৰোগ্য কৰে নে?

"থাইলেণ্ডৰ এটা শৰণাৰ্থী শিবিৰত থকা মিছন চিকিৎসালয়লৈ শৰণাৰ্থী হিচাবে কম্বোডিয়াৰ এগৰাকী বৃদ্ধা মহিলা আহিছিল। তাই এগৰাকী বৌদ্ধ সন্ন্যাসিনীৰ কাপোৰ পিন্ধিছিল। তাই ডাক্তৰ যীচুৰ যোগেদি চিকিৎসা কৰিবলৈ কৈছিল। সেই কাৰণে তেওঁবিলাকে তাইক যীচুৰ বিষয়ে কৈছিল। তাই তেওঁৰ ওপৰত বিশ্বাস ৰাখিছিল আৰু শৰীৰ আৰু আত্মাক আৰোগ্য কৰিছিল। যেতিয়া তাই কম্বোডিয়ালৈ উভতি আহিবলৈ সক্ষম হৈছিল তেতিয়া তাই খ্ৰীষ্টত ৩৭ জন লোকক আনিবলৈ সক্ষম হৈছিল।"

নিষ্ঠাৱান ৰজা হিষ্কিয়াৰ নৰিয়াৰ সময়ত প্ৰভুৱে তেওঁলৈ এইদৰে বাৰ্ত্তা প্ৰেৰণ কৰিছিল ঃ "মই তোমাক সুস্থ কৰিম" ( ২ ৰজাৱলী ঃ ২০:১-১১ পদ)। কিন্তু প্ৰভুৱে তেওঁক কিয় কথাৰ যোগেদি সুস্থ কৰা নাছিল। বৰঞ্চ তেওঁক ডিমৰু গুটি আনি খহুৰ ওপৰত লগোৱাৰ কাম দিছিল? এনে হ'ব পাৰে নেকি যে প্ৰভুৱে প্ৰাকৃতিক ঔষধ বা আমাৰ আহাৰ, ব্যায়াম, বিশ্ৰাম আদিৰ পৰিবৰ্তনৰ কাৰ্যত আমাৰ অংশগ্ৰহণ কৰা আশা কৰে? ঈশ্বৰে কিয় পৌলক আৰোগ্য কৰা নাছিল আৰু তেওঁক "তেওঁৰ শৰীৰত এটা কাঁইটৰ" সৈতে এৰি দিছিল? পৌলে নিজে কৈছিল ঃ "সেই প্ৰকাশিত বিষয়ৰ অনুপমতাত মই যেন অতিশয় দৰ্প নকৰো।" ( ২ কৰিন্থীয়া ঃ ১২:৭-১০ পদ)। কিন্তু ইলেন জি. হুৱাইটে আমাক কৈছে ঃ "ঈশ্বৰৰ আত্মাৰ প্ৰভাৱ হৈছে এজন ৰুগীয়া পুৰুষ বা মহিলাই গ্ৰহণ কৰিব পৰা অতি উত্তম ঔষধ। স্বৰ্গ হৈছে সুস্বাস্থ্যময় আৰু যিমানেই স্বৰ্গীয় প্ৰভাৱবোৰ

গভীৰভাৱে উপলব্ধি কৰিব, সিমানেই অধিক আৰোগ্য হোৱাটো নিশ্চিত হ'ব।" মেডিকেল মিনিষ্ট্ৰি, পৃষ্ঠা- ১২।

এজন নিৰ্দিষ্ট ব্যৱসায়ীয়ে কি লিখিছিল সেয়া লক্ষণীয় আৰু গুৰুত্বপূৰ্ণ নহয় নে? তেওঁ কৈছিল যে সকলো স্বাস্থ্য কৰ্মশালাই তেওঁৰ কোনো উপকাৰ কৰা নাছিল। কিন্তু যেতিয়া তেওঁ পবিত্ৰ আত্মাৰ বাবে দৈনিক প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিছিল, তেওঁ সম্পূৰ্ণৰূপে এক স্বাস্থ্যকৰ জীৱনশৈলীলৈ স্থানান্তৰিত হৈছিল আৰু নিৰামিষ অহাৰ গ্ৰহণ কৰিছিল। এইটোৱে দেখুৱাই নিদিয়ে নে যে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাই আমাক অনুপ্ৰাণিত কৰিব পাৰে আৰু এক স্বাস্থ্যকৰ জীৱনশৈলী গ্ৰহণ কৰিবলৈ আনন্দৰ সৈতে আমাক শক্তি প্ৰদান কৰিব পাৰে?

এগৰাকী ভনীয়ে এই অভিজ্ঞতাটো পঢ়িছিল। তাই এইদৰে লিখিছিল ঃ যীচুৰ ওচৰত মোৰ সম্পূৰ্ণ সমৰ্পণৰ যোগেদি ঈশ্বৰে মোৰ জীৱনটো এক মুহূৰ্ত্তত সম্পূৰ্ণৰূপে সলনি কৰি দিছিল। সমৰ্পণৰ প্ৰাৰ্থনাৰ পিছত মই পিছদিনা ৰাতিপুৱা পাকঘৰলৈ গৈছিলো, আৰু কফি মেচিনৰ কাষত থিয় হৈছিলো, মূৰ জোকাৰি মই নিজকে কৈছিলো ঃ নহয়, মই আৰু কফি নাখাওঁ। অতীতত এইটো কল্পনা কৰিব নোৱাৰিলোহেঁতেন, কিয়নো যেতিয়া মই কফি খোৱা এৰিবলৈ চেষ্টা কৰিছিলো, মোৰ পাঁচদিনলৈকে ভয়ংকৰ মূৰৰ বিষ হৈছিল— এইবোৰ কফি নোখোৱাৰ শক্তিশালী লক্ষণ আছিল। এইবাৰ মই মোৰ কি পৰিণাম হ'ব সেই বিষয়ে ভবা নাছিলো। মই কেৱল জানিছিলো যে মই আৰু কফি খাব নিবিচাৰো। আজি মোৰ কফিৰ বাবে কোনো ইচ্ছা নাই। এইটো তাইৰ জীৱনৰ বহুতো পৰিবৰ্তনৰ ভিতৰত এটা আছিল। (যিসকলে আসক্তৰ পৰা মুক্ত হ'ব বিচাৰে, তেওঁলোকৰ বাবে ধপাত আৰু সুৰাৰ পৰা মুক্ত হ'বৰ বাবে মই পঞ্চম "এণ্ড্ৰিয়াছব্ৰিফ" ( Andreasbrief)ৰ পৰামৰ্শ দিওঁ। এইটো কেৱল প্ৰাৰ্থনা আৰু প্ৰতিজ্ঞাৰ যোগেদি প্ৰদান কৰা উপায়ৰ বিষয়ে বৰ্ণনা কৰে (কেৱল জাৰ্মানী ভাষাত উপলব্ধ)।

**এটা জীৱনে পপিত্ৰ আত্মাৰ সৈতে স্বাস্থ্য সলনি কৰাক যথেষ্ট প্ৰচাৰ**

**কৰিব। এইটো সলনি কৰাৰ শক্তিৰ সৈতে সম্পৰ্কিত স্বাস্থ্য তথ্যৰ বিষয়।** ডন মেকিন্টোচ, নিউ ষ্টাৰ্ট গ্লোবেলৰ সঞ্চালক, ৰেইমাৰ, চি.এ. কৈছে ঃ

"আমাৰ ওচৰত উৎকৃষ্ট তথ্য আছে যে আমাৰ দিনটোৰ প্ৰকৃত প্ৰয়োজনীয়তা কেৱল স্বাস্থ্য নহয়। প্ৰয়োজনীয়তা হ'ল স্বাস্থ্য তথ্য আৰু ইয়াক কাৰ্যকৰী কৰাৰ ক্ষমতা, যিটো হৈছে পৰিবৰ্তন কৰাৰ শক্তি।"

ড° টিম হাউই কৈছে ঃ

"কেৱল স্বাস্থ্য বিষয়ক শিক্ষা দিয়াই মেডিকেল মিচনাৰীৰ কাম নহয়। ঈশ্বৰৰ ব্যৱস্থা যি পৰিত্ৰাণ যোগায় তাৰোপৰি স্বাস্থ্য বিষয়ক শিক্ষা অধিক আৰোগ্য নিদিয়ে। স্বাস্থ্য আৰু পৰিত্ৰাণৰ বিষয় উপলব্ধি কৰাবলৈ হ'লে ঈশ্বৰৰ পৰিবৰ্তনকাৰী ক্ষমতাৰ অভিজ্ঞতা লাভ কৰিব লাগিব।"

অৱশেষত, মই এই প্ৰশ্নটো সুধিব বিচাৰো ঃ বিশ্বাসত আৰোগ্য হোৱাৰ বিষয়ে কি কোৱা হৈছে? পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ অবিহনে কিবা আশা কৰিব পাৰি নে? (মাৰ্ক ঃ ১৬:১৭-১৮ পদ ; যাকোব ঃ ৫:১৪-১৬ পদ)।

## যীচুৰ দ্বিতীয় আগমনৰ কাৰণে যুগুত হোৱা

দ্বিতীয় আগমনৰ বাবে যুগুত হ'বলৈ পবিত্ৰ আত্মাৰ যোগেদি যীচুৰ সৈতে ঘনিষ্ঠ সম্পৰ্কৰ কোনো বিকল্প নাই। যেতিয়া খ্ৰীষ্টই পবিত্ৰ আত্মাৰ যোগেদি মোত বাস কৰে, তেতিয়া মই তেওঁৰ অনুগ্ৰহৰ দ্বাৰা যুগুত হওঁ। তিনিটা দিশে এইটো দেখুৱাব পাৰে। (ফেণী স্মিথৰ দ্বাৰা কোৱা এইটো আত্মাৰ বাপ্তিষ্মা আৰু পৃথিৱীৰ অন্তিম ঘটনাবোৰৰ বিষয়ে বিতং ভাৱে আলোচনা কৰা হৈছে।

## খ্ৰীষ্টৰ সৈতে ব্যক্তিগত সম্পৰ্ক

যীচুৱে কৈছিল ঃ "আৰু একমাত্ৰ সত্য ঈশ্বৰ যি তুমি, তোমাক আৰু তুমি পঠোৱা যীচু খ্ৰীষ্টক জনা, এয়েই অনন্ত জীৱন" (যোহন ঃ ১৭:৩ পদ)।

ইংৰাজীত “ know” (জনা) আজিৰ তুলনাত বাইবেলত ইয়াৰ গভীৰ অৰ্থ আছে। ইয়াৰ অৰ্থ হৈছে এক সম্পূৰ্ণ, পাৰস্পৰিক আৰু মৰমৰ প্ৰতিশ্ৰুতি। এইটো কেৱল পবিত্ৰ আত্মাৰ সৈতে জীৱনত উপস্থিত থাকে। এই ধাৰণাটো নিম্নলিখিত উদ্ধৃতিত প্ৰকাশ কৰা হৈছে ঃ

“ঈশ্বৰৰ সৈতে আমাৰ এক জীৱিত সম্পৰ্ক থাকিব লাগিব। পবিত্ৰ আত্মাৰ বাপ্তিস্মাৰ দ্বাৰা আমি স্বৰ্গীয় শক্তিক পৰিধান কৰিব লাগিব, যাতে আমি উচ্চ মানদণ্ডত উপনীত হ’ব পাৰো ; কিয়নো আমাৰ সহায়ৰ বাবে আন কোনো ধৰণৰ পথ নাই।” যীচুৱে এই দৃষ্টান্তত দহ গৰাকী কন্যাক নিৰ্ব্বুদ্ধি বুলি কৈছিল ঃ “তোমালোকক মই নিচিনো”। ইয়াৰ কাৰণ কি আছিল? তেলৰ অভাৱ, যিটো পবিত্ৰ আত্মাৰ অভাৱক প্ৰতিনিধিত্ব কৰে। (মথি ঃ ১:১৩ পদ)। যিসকল লোকে যীচুক ক্ৰুচত দিছিল, তেওঁলোকৰ পুৰণি নিয়মৰ বিষয়ে যথেষ্ট জ্ঞান আছিল। কিন্তু তেওঁলোকৰ ভুল ব্যাখ্যাৰ বাবে তেওঁলোকে যীচুৰ সৈতে ব্যক্তিগত সম্পৰ্ক স্থাপন কৰিব বিচৰা নাছিল।

আমি অৱগত নে যে অন্তিম দিনৰ পৰিস্থিতিৰ বাবে, অন্তিম দিনৰ প্ৰজন্মক ঈশ্বৰৰ সৈতে এক আন্তৰিক সম্পৰ্কৰ প্ৰয়োজন হ’ব?

## বিশ্বাসৰ দ্বাৰা ধাৰ্মিকতা

তৃতীয় দূতৰ বাণীত আৰু মানৱ জাতি ৰ বাবে ঈশ্বৰৰ শেষ বাণীত “অনন্ত শুভবাৰ্ত্তা”ৰ ঘোষণাৰ প্ৰশ্নৰ সম্পৰ্ক আছে (প্ৰকাশিত বাক্য ঃ ১৪:৬-৭ পদ)। এই বাৰ্ত্তাৰ মূল বিষয়বস্তু কি তাক সমগ্ৰ বিশ্বই শুনিব লাগিব আৰু শুনিব? কেৱল যীচু খ্ৰীষ্টত অনুগ্ৰহেৰে বিশ্বাসৰ দ্বাৰা এই ধাৰ্মিকতা পাব পাৰো (ইফিচীয়া ঃ ২:৮-৯ পদ)। যিসকলে এই অন্তিম দিনৰ বাণীটো ক্ষমতাৰে ঘোষণা কৰে, তেওঁলোকে নিজেই বাণীৰ শক্তি অনুভৱ কৰিব লাগিব। তেওঁলোকে কেৱল যীচুৰ দ্বাৰা পাপ ক্ষমা কৰোতা আৰু মুক্তিদাতা হিচাবে বিশ্বাসৰ দ্বাৰা ধাৰ্মিকতাক জানিব লাগিব আৰু অনুভৱ কৰিব লাগিব। এইটো কেৱল পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা

জীৱনতহে সম্ভৱ যাৰ যোগেদি যীচু খ্ৰীষ্টই আমাৰ আজ্ঞাধীনতাক সক্ষম কৰি তুলিব পাৰে। ঈশ্বৰৰ সকলো আজ্ঞা পালন কৰাৰ দ্বাৰা যীচুৱে আমাত বাস কৰাটো দেখুওৱা হৈছে। এই বাণীৰ দ্বাৰা পৃথিৱীখন দীপ্তিময় হ'ব। (প্ৰকাশিত বাক্য ঃ ১৮:১ পদ)।

## সত্যৰ প্ৰতি প্ৰেম

সত্যৰ প্ৰতি প্ৰেম, ঈশ্বৰৰ বাক্য অধ্যয়ন কৰা আৰু আমাৰ জীৱনত সত্যক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ জীৱনৰ সৈতে বা অবিহনে বৰ্তমান আমাৰ জীৱনত কি প্ৰভাৱ পৰিব? ২ থিচলনীকিয়া ঃ ২:১০ পদত কোৱা হৈছে যে, "কিয়নো তেওঁবিলাকে পৰিত্ৰাণ পাবৰ কাৰণে সত্যতালৈ যি প্ৰেম, তাক গ্ৰাহ্য নকৰিলে।" যি সকলক বিপথে পৰিচালিত কৰিব নোৱাৰি, তেওঁলোকৰ হৃদয়ত সত্যতালৈ প্ৰেম আছে। আমি এই প্ৰেম কেনেকৈ পাম? আমি এই প্ৰেম কেৱল তেতিয়াহে পাব পাৰো যেতিয়া যীচু খ্ৰীষ্ট পবিত্ৰ আত্মাৰ যোগেদি আমাত বাস কৰিব। ৰোমীয়া ঃ ৫:৫ পদত কোৱা হৈছে যে , আমাৰ হৃদয়ত থকা প্ৰেম পবিত্ৰ আত্মাৰ যোগেদি আহিছে। ইফিচীয়া ঃ ৩:১৯ পদে আমাক কৈছে যে , তোমালোকক পবিত্ৰ আত্মাৰ যোগেদি "প্ৰেমত শিপা ধৰাই আৰু মূল পতাই বলবন্ত" কৰিব। যোহন ঃ ১৬:১৩ পদত পবিত্ৰ আত্মাক "সত্যৰ আত্মা" বুলি কোৱা হৈছে। এইটোৱে আমাক স্পষ্টকৈ দেখুৱায় যে সত্যৰ প্ৰতি প্ৰেম ৰখাৰ বাবে আত্মিক খ্ৰীষ্টান হোৱাটো আৱশ্যক। বৰ্তমান সময়ত সত্যৰ প্ৰতি থকা প্ৰেম, ঈশ্বৰৰ বাক্য, ভাৱবাণীমূলক লিখনিৰ প্ৰতি থকা প্ৰেমৰ বিষয়ে আমাৰ সমস্যা আছে নেকি? আমাৰ আগৰ সময়বোৰৰ বিষয়ে বিবেচনা কৰক ঃ "মাত্ৰ সেই সকল, যিসকলে বাইবেলৰ প্ৰতি প্ৰৱল ধাউতি থকা শিকাৰু হৈ আহিছে তাৰ যিসকলে সত্যতাৰ প্ৰেম লাভ কৰিলে, তেওঁবিলাকেহে, সেই অতি শক্তিশালী প্ৰতাৰণাৰ পৰা ৰক্ষা পৰিবলৈ ৰক্ষাকবচ লাভ কৰিব, যি প্ৰতৰণাই জগতখনকে বন্দী কৰি পেলাব.......... চকুৰে দেখিও আৰু কাণেৰে শুনিও, প্ৰতাৰণাক বিশ্বাস

নকৰিবলৈ ঈশ্বৰৰ মানুহখিনিয়ে এতিয়া বাৰু তেওঁৰ বাক্যৰ ওপৰত অতি দৃঢ়তাৰে শিপাইছে নে? মহা বিবাদ, পৃষ্ঠা - ৬২৫।

ঈশ্বৰে সোধা নাই যে আমি সকলো সত্যতা আৱিষ্কাৰ কৰিছো নে নাই, কিন্তু তেওঁ সুধিছে যে আমি সত্যতাৰ প্ৰেম লাভ কৰিছো নে নাই।

## আত্মাৰ ফল বা মাংসৰ কাৰ্যসমূহ

"পবিত্ৰ আত্মাৰ প্ৰভাৱ হৈছে আত্মাত খ্ৰীষ্টৰ জীৱন। আমি খ্ৰীষ্টক দেখা নাই আৰু তেওঁৰ সৈতে থকাও নাই। কিন্তু তেওঁৰ পবিত্ৰ আত্মা আন ঠাইৰ দৰে এই ঠাইতো আমাৰ ওচৰত আছে। ই খ্ৰীষ্টক গ্ৰহণ কৰা প্ৰত্যেকজন ব্যক্তিৰ মাজত আৰু অন্তৰত কাৰ্য কৰে। যিসকলে আত্মাই বাস কৰাৰ বিষয়ে জানে তেওঁলোকে আত্মাৰ ফল প্ৰকাশ কৰে..........।"

গালাতীয়া ঃ ৫:২২ পদ ঃ প্ৰেম, আনন্দ, শান্তি, চিৰসহিষ্ণুতা, মৰম, মঙ্গলভাৱ, বিশ্বাস, মৃদুভাৱ, ইন্দ্ৰিয় দমন। ইফিচীয়া ঃ ৫:৯ পদ ঃ সকলো মঙ্গলভাৱ, ধাৰ্মিকতা আৰু সত্যতা।

গালাতীয়া ঃ ৫:১৬-২১ পদে আমাক দেখুৱায় যে, পবিত্ৰ আত্মাৰ যোগেদি পাপৰ শক্তি আমাত ভগ্ন হ'ব।

"......... আত্মাৰে চলা ; তাতে কোনোমতে তোমালোকে মাংসৰ অভিলাষ পূৰ নকৰিবা। কিয়নো মাংসই আত্মাৰ বিৰুদ্ধে আৰু আত্মাই মাংসৰ বিৰুদ্ধে অভিলাষ কৰে ; কাৰণ তোমালোকে যি কৰিবলৈ ইচ্ছা কৰা, তাক যাতে তোমালোকে নকৰিবা, তাৰ কাৰণে এই দুয়ো পৰস্পৰ বিৰুদ্ধা-বিৰুদ্ধী। কিন্তু তোমালোক যদি আত্মাৰ দ্বাৰাই চালিত হোৱা, তেন্তে তোমালোক বিধানৰ অধীন নোহোৱা। কিন্তু মাংসৰ কাৰ্যবোৰ জনাজাত ; সেয়ে, ব্যভিচাৰ, অশুচি, লম্পট-আচৰণ, দেৱপূজা, মায়াকৰ্ম, নানাবিধ শত্ৰুতা, বিবাদ, ঈৰ্ষা, খং-ৰাগ, বিৰোধ, বিভেদ, নানা মত, অসূয়া, মত্ততা, ৰঙ্গৰস আৰু এইবোৰে নিচিনা আন আন কাৰ্য ; এই সকলোৰ

বিষয়ে যেনেকৈ মই পূৰ্বে তোমালোকক কৈছিলো, তেনেকৈ এতিয়াও আগেয়ে কৈছো, যিবিলাকে এনে আচৰণ কৰে, তেওঁবিলাকে ঈশ্বৰৰ ৰাজ্যত অধিকাৰ নাপাব” (গালাতীয়া ঃ ৫:১৯-২১ পদ।

## আত্মিক বৰসমূহ

“আত্মিক বৰৰ অধীন অর্থাৎ আমি বুজাত পবিত্র আত্মাৰ কাৰ্যৰ দ্বাৰা প্রদান কৰা বৰ ; যিবোৰ ১ কৰিন্থীয়া ঃ ১২:২৮ পদ আৰু ইফিচীয়া ঃ ৪:১৩ পদত তালিকাভূক্ত কৰা হৈছে ঃ কিছুমানক পাচনি, ভাৱবাদী ; শুভবাৰ্ত্তা প্রচাৰক, ৰক্ষক আৰু শিক্ষক, সুস্থ কৰিব পৰা বৰ, উপকাৰ, শাসন-পদ, নানা ভাষা দিলে। এই বৰসমূহ পৰিচৰ্যা কাৰ্যৰ বাবে পবিত্র সকলক সজ্জিত কৰাৰ ক্ষেত্ৰত ভূমিকা পালন কৰে......... সেইবোৰে মণ্ডলীৰ সাক্ষ্য প্রমাণিত কৰে আৰু ইয়াক নেতৃত্ব আৰু নির্দেশনা দিয়ে।” পবিত্র আত্মাই নির্দিষ্ট উদ্দেশ্যৰ বাবে আন আন বৰও প্রদান কৰে ঃ “সকলো জ্ঞানী লোকৰ হৃদয়ত জ্ঞান আৰু নমুনা দিলে” (যাত্ৰাপুস্তক ঃ ৩১:২-৬ ; ১ বংশাৱলী ঃ ২৮:১২,১৯ পদ)।

যেতিয়া আমি যীচুৰ শিষ্য হ’বলৈ যাওঁ তেতিয়া আমি আমাৰ সকলোবোৰ তেওঁৰ ওচৰত সোধাই দিওঁ। সেয়েহে আমাৰ সকলো প্রতিভা আৰু সামর্থ, অন্তর্নিহিত অৱস্থা আৰু শিকা, তেওঁৰ হাতত ৰখা হৈছে। তেওঁ আমাক অতিৰিক্ত বৰ দিব পাৰে আৰু / বা তেওঁ আমাৰ প্রকৃত দক্ষতাসমূহ শুদ্ধ আৰু নির্মল কৰিব পাৰে।

যেতিয়া আমাৰ পবিত্র আত্মাৰ অভাৱ হয় তেতিয়া আমি আত্মিক বৰ পাব পাৰো নে?

## ঈশ্বৰৰ সিদ্ধান্ত নে মানুহৰ সিদ্ধান্ত?

মণ্ডলীত আমাৰ বিশ্বব্যাপী গণতান্ত্রিক গাঁথনি আছে। কিন্তু এইটো কেতিয়াও সর্বপ্রিয় গণতন্ত্রৰ যোগেদি চলা নাছিল। আমাৰ ভোটৰ প্রকৃত লক্ষ্য হৈছে যে সকলোৱে ব্যক্তিগত ভাৱে ঈশ্বৰৰ মাত শুনা আৰু সেই

অনুসৰি ভোট দিয়া। ঈশ্বৰৰ মাত শুনাৰ দ্বাৰা এইটো ঈশ্বৰৰ ইচ্ছাক ভোটৰ দ্বাৰা প্ৰকাশ কৰা হয়। যিকোনো পৰিষদৰ সভাত অংশগ্ৰহণ কৰাৰ আগতে আমি নিশ্চিতভাৱে প্ৰাৰ্থনা কৰো। প্ৰায়ে ভোট দিয়াৰ আগতে ব্যক্তিগত প্ৰাৰ্থনাৰ বাবে সুযোগ দিয়া হয় যাতে প্ৰত্যেক ব্যক্তিৰে এইটো স্পষ্ট হয় যে ঈশ্বৰে তেওঁলোকক কেনেদৰে ভোট প্ৰদান কৰিব লাগে তাক জানিবলৈ দিয়ে। নহিমিয়া কৈছিল ঃ মোৰ ঈশ্বৰে মোক মতি দিলে....” (নহিমিয়া ঃ ৭:৫ পদ) আৰু নহিমিয়া ১ অধ্যায়ৰ বিষয়ে ইলেন জি. হুৱাইটে কৈছিল ঃ “আৰু তেওঁ প্ৰাৰ্থনা কৰাৰ সময়ত তেওঁৰ মনত এক পবিত্ৰ উদ্দেশ্য গঢ় লৈ উঠিছিল.........।” চাউদাৰ্ণ ওৱাচমেন, মাৰ্চ ১, ১৯০৪।

এজন মাংসিক খ্ৰীষ্টিয়ানে ঈশ্বৰৰ মাত শুনে নে? যদি তেওঁ সচেতন ভাৱে আৰু সম্পূৰ্ণৰূপে প্ৰভুৰ ওচৰত সোধাই নিদিয়ে, তেন্তে তেওঁ নিশ্চিত ভাৱে উত্তৰ নাপাব (গীতমালা ঃ ৬৬:১৮ ; গীতমালা ঃ ২৫:১২ পদ)। যদি কোনোবা এজন মাংসিক খ্ৰীষ্টিয়ানে, তেওঁ উত্তম জ্ঞানেৰে সৈতে আন্তৰিকতাৰে ভোট দিয়ে, তেন্তে মানৱীয় ভাৱে এনেদৰে কৰাটো ঠিকে আছে। কিন্তু তাৎক্ষণিক মানুহৰ চুক্তি সমূহে কাৰচাজি আৰু পাপ জন্মায়।

পৰিচাৰক সকলে ঈশ্বৰৰ কাৰ্যত যথেষ্ট প্ৰভাৱ পেলায়। ই নিশ্চিত ভাৱে এক বৃহৎ পাৰ্থক্যৰ সৃষ্টি কৰে আৰু এইটো বৃহৎ পৰিণাম হ'ব পাৰে যদিহে ভাই-ভনী সকলে পৰিচালনা কৰে, যি সকলক ঈশ্বৰে আমন্ত্ৰণ কৰিছে বা যি সকলক মানুহৰ ভোটৰ দ্বাৰা নিৰ্বাচিত কৰা হৈছে।

প্ৰাৰ্থনাৰ বিষয়ে এখন কিতাপ পঢ়ি থাকোতে মই অনুভৱ কৰিছিলো যে আমি কেনেদৰে চলা উচিত তাৰ পথ দেখুৱাবলৈ আমি ঈশ্বৰক ক'ব পাৰো (গীতমালা ঃ ৩২:৮ পদ)। তেওঁ ৰ কথা শুনাৰ পিছত মোৰ গোটেই জীৱন সলনি হৈছিল। মই “ব্যৱসায়িক প্ৰতিনিধিৰ পৰা পাষ্টৰলৈ” নামৰ এটা প্ৰৱন্ধত লিখা এই অভিজ্ঞতাৰ বিষয়ে কৈছো (কেৱল জাৰ্মানত উপলব্ধ)। “মই কেনেকৈ সঠিক সিদ্ধান্ত ল'ব পাৰো?” ইয়াৰ ওপৰত কাৰ্ট হাচেলৰ পৰা শুনিব লগা এটা ভাল উপদেশ আছে (এইটো কেৱল জাৰ্মানত উপলব্ধ)

আৰু “মই ঈশ্বৰৰ ইচ্ছাক কেনেকৈ জানিব পাৰো?” হেনৰী ড্ৰুমণ্ডৰ দ্বাৰা লিখিত উপদেশো আছে যিটো বহু বছৰৰ পৰা পঢ়িবলৈ পোৱা যায়। (কেৱল জাৰ্মানত উপলব্ধ)।

২৩ অক্টোবৰ, ২০১৪ তাৰিখে সংঘটিত হোৱা এক অভিজ্ঞতা তুলি ধৰা হৈছেঃ অষ্ট্ৰিয়াৰ কৰিন্থীয়াত থকা মিছন কেন্দ্ৰ Country Life Institute Austria (TGM Trainingszentrum fur Gesundheitsmission und Gesundheitszentrum Mattersdorferhof) এটা সিদ্ধান্তৰ সন্মুখীন হৈছিল ঃ আমি ভৱনৰ সম্প্ৰসাৰণ কৰা উচিত নে অনুচিত? ইয়াৰ সপক্ষে আৰু ইয়াৰ বিৰুদ্ধে বহুতো কথা আছিল। গুৰুত্বপূৰ্ণ প্ৰশ্নটো আছিল যে এই বিষয়টোত ঈশ্বৰৰ ইচ্ছা কি? আমি আৰু ভাল-বেয়াৰ বিষয়ে আলোচনা কৰা নাছিলো, কিন্তু ইয়াৰ পৰিবৰ্তে, দহদিন ধৰি প্ৰাৰ্থনা কৰিছিলো যে প্ৰভুৱে আমাক তেওঁৰ মাত শুনিবলৈ যুগুত কৰিব আৰু ২৩ অক্টোবৰত এক প্ৰাৰ্থনা সভাত তেওঁ আমাক তেওঁৰ উত্তৰ দিব (নিউ ষ্টাৰ্ট অতিথি সকল যোৱাৰ পিছত) সম্প্ৰসাৰণ কাৰ্য কৰিব লাগে বা নালাগে। অনুষ্ঠিত হোৱা প্ৰাৰ্থনা সভাখনত ২০ জনতকৈ অধিক লোক অংশগ্ৰহণ কৰিছিল। সহভাগিতাৰ পিছত প্ৰাৰ্থনাত প্ৰতিজন ব্যক্তিয়ে ঈশ্বৰক সুধিছিল যে তেওঁলোকে নিৰ্মাণ কৰিব লাগে নে নালাগে। ঈশ্বৰৰ পৰা ব্যক্তিগত উত্তৰটো পাবৰ বাবে গোটটোৰ সৈতে এইদৰে ভাগ কৰা হৈছিল ঃ যেতিয়া তেওঁলোকে নিৰ্মাণ কৰিব লাগে বুলি ক'লে “ +” কাকতখনত লিখিব লাগিব, “—” যেতিয়া নিৰ্মাণ কৰিব নালাগে বুলি ক'লে লিখিব লাগিব, যেতিয়া তেওঁলোকৰ কোনো উত্তৰ নাছিল তেতিয়া “ ০” লিখিব লাগে আৰু তেওঁলোকৰ উত্তৰ নিশ্চিত নোহোৱাৰ সময়ত আনটো চিহ্ন আছিল “?” ইয়াৰ পৰিণাম আছিল ঈশ্বৰৰ আচৰিত পৰিচালনাৰ এক চিহ্ন ঃ ইয়াত ১৪টা “+” (ইয়াৰে ৪টাত “+?”, ৬ টাত “ ০” আৰু ৪টা খালী আছিল। লগতে ২টা উত্তৰ অস্পষ্ট আছিল আৰু গণনা কৰা হোৱা নাছিল। সেয়েহে ঈশ্বৰৰ পৰিচালনাই স্পষ্টকৈ কৈছিল যে আমি নিৰ্মাণ কৰা উচিত। মই নিশ্চিত যে আমি শেষৰ দিনত অধিককৈ অধিক ঈশ্বৰৰ পৰামৰ্শ পোনপটীয়াকৈ বিচাৰিম।

যোৱেল ঃ ২:২৮-২৯ পদ নির্দেশ কৰি ইলেন জি. হুৱাই টৰে লিখিছে ঃ "হৃদয়ত কোৱা তেওঁৰ কথাখিনিক আমি নিজ কাণেৰে শুনিবই লাগিব। যেতিয়া অন্য প্রতিটো মাত নিস্তব্ধতাত থাকে, আৰু নীৰৱতাত আমি তেওঁৰ সন্মুখত অপেক্ষা কৰো, তেতিয়া আত্মাৰ নিঃশব্দ অৱস্থাই ঈশ্বৰৰ মাতটোক অধিক স্পষ্ট কৰে। তেওঁ আমাক আদেশ দিছে, "ক্ষান্ত হোৱা, মই যে ঈশ্বৰ তাক জ   ানা।" (গীতমালা ঃ ৪৬:১০ পদ)। (ডিজায়াৰ অব এজেছ, পৃষ্ঠা ৩৬৩)

## টকা-পইচা

ধন লাভ আৰু লেন-দেনৰ ক্ষেত্রত আত্মিক আৰু মাংসিক খ্রীষ্টিয়ানৰ মাজত কি পাৰ্থক্য আছে? আমি নিজকে আমাৰ সম্পদ সমূহৰ গৰাকী বা ঈশ্বৰৰ ঘৰগিৰী হিচাবে চাওঁ নে? টকা-পইচাৰ প্ৰেম আৰু প্ৰদৰ্শনৰ প্ৰেমে এই পৃথিৱীখনক চোৰ আৰু ডকাইতৰ গুহা হিচাবে গঢ়ি তুলিছে। শাস্ত্ৰত সেই লোভ অত্যাচাৰক চিত্ৰিত কৰিছে যিটো খ্রীষ্টৰ দ্বিতীয় আগমনৰ আগেয়ে অধিক জয় লাভ কৰিব। ইলেন জি. হুৱাইট, প্ৰফেটচ এণ্ড কিংচ, পৃষ্ঠা-৬৫১।

## ঈশ্বৰ-ভয়কাৰী লোকক ঈশ্বৰৰ দূতবিলাকে ৰক্ষা কৰে

ঈশ্বৰৰ ভয়কাৰী লোকক ঈশ্বৰৰ দূতবিলাকে ৰক্ষা কৰে। "যিহোৱাৰ দূতে তেওঁলৈ ভয় ৰাখোতা বিলাকৰ চাৰিওফালে ছাউনি পাতে আৰু তেওঁবিলাকক উদ্ধাৰ কৰে।" (গীতমালা ঃ ৩৪:৭ পদ)। "খ্রীষ্টৰ প্ৰত্যেকজন অনুসৰণকাৰী সকলৰ বাবে এজন এজনকৈ, স্বৰ্গদূতক ৰক্ষাকৰ্ত্তা হিচাবে নিযুক্ত কৰা হৈছে। স্বৰ্গৰ এই ৰক্ষাকৰ্ত্তা সকলে, দুষ্টজনৰ শক্তিৰ পৰা ধাৰ্মিক সকলক ৰক্ষাণাবেক্ষণ দিয়ে।" যেতিয়া ঈশ্বৰৰ ভয়কাৰী লোক, খ্রীষ্টৰ অনুসৰণকাৰী আৰু ধাৰ্মিক লোক সকলক ঈশ্বৰৰ অধীনত ৰক্ষণাবেক্ষণৰ কথা কোৱা হয়, তেতিয়া ইয়াৰ অৰ্থ এইটো নেকি যে যিসকলে নিজকে খ্রীষ্টিয়ান বুলি ভাবে তেওঁলোকৰ ক্ষেত্ৰত প্ৰযোজ্য ? যি সকলে ঈশ্বৰৰ ওচৰত সম্পূৰ্ণৰূপে তেওঁলোকৰ জীৱনটো সোধাই দিয়া

নাই তেওঁলোকৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য নেকি? এইটো শিশু বিলাকৰ ক্ষেত্ৰত সঁচা, কিয়নো যীচুৱে মথি ঃ ১৮:১০ পদত এইদৰে কৈছিল ঃ “সাৱধান হোৱা ; তোমালোকে এই সৰু বিলাকৰ মাজৰ এজনকো হেয়জ্ঞান নকৰিবা ; কিয়নো মই তোমালোকক কওঁ, স্বৰ্গত সিহঁতৰ দূতবিলাকে, স্বৰ্গত থকা মোৰ পিতৃৰ মুখ সদায় দেখা পায়।” দায়ুদ, যিজনে নিজৰ জীৱন সম্পূৰ্ণ ৰূপে ঈশ্বৰৰ হাতত সোধাই দিছিল, তেওঁ জানিছিল যে তেওঁৰ ভয়ৰ কোনো কাৰণ নাই। তেওঁ কৈছিল, “যিহোৱা মোৰ দীপ্তি আৰু মোৰ পৰিত্ৰাণ ; মই কালৈ ভয় কৰিম? যিহোৱা মোৰ জীৱনৰক্ষক কোঁহ ; মই কাৰ নিমিত্তে ত্ৰাসযুক্ত হ’ম?” (গীত মালা ঃ ২৭:১ পদ)।

(মই পৰামৰ্শ দিওঁ যে আপোনালোকে মহা বিবাদ পুস্তকখনৰ ৩১ অধ্যায়ত থকা ভাল স্বৰ্গদূত সকলৰ কাৰ্যৰ বিষয়ে লিখা অংশটো পঢ়িব। ঈশ্বৰৰ প্ৰত্যেকজন সন্তানৰ বাবে এয়া এক মহান আনন্দ।)

## অন্তিম মন্তব্য

আমি কেৱল কেইটামান অংশ স্পৰ্শ কৰিছো। এতিয়াও জীৱন আৰু বিশ্বাসৰ বিষয়ে বহুতো অংশ আছে যিটো যোগ কৰিব পাৰি। তলত লিখা সেই সকলোবোৰ সঁচা।

**যেতিয়া আমি পাৰ্থক্যটো পৰ্যালোচনা কৰো, তেতিয়া দেখা যায় যে, এনেকুৱা এটা ঠাই নাই য’ত পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা এটা জীৱনৰ দ্বাৰা গুৰুত্বপূৰ্ণ প্ৰাধান্য বা সুবিধা নাই। আৰু আনহাতে, এনে কোনো ঠাই নাই য’ত পবিত্ৰ আত্মাৰ অবিহনে জীৱনত আমাৰ মহা সমস্যা নাই। আমাৰ বাবে প্ৰতি দিনে আমাৰ জীৱনটো ঈশ্বৰৰ ওচৰত উৎসৰ্গা কৰিবলৈ আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ থাকিবলৈ কোৱাটো এটা ডাঙৰ অনুপ্ৰেৰণাৰ বিষয় হোৱা উচিত নহয় নে?**

“কিছু বছৰ আগতে এটা বোয়িং ৭০৭ টোকিঅ’ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মাৰিছিল। এইটো এটা ভাল উৰণ আছিল। তেতিয়া এক ফৰকাল আৰু উজ্জ্বল আকাশ আছিল। সোনকালেই যাত্ৰীসকলে

জাপানৰ বিখ্যাত ফুজি পৰ্বতখন চাবলৈ পাব। হঠাৎ পাইলটজনৰ মনত পৰ্বতৰ চাৰিওফালে ঘূৰাৰ ধাৰণা আহিল যাতে যাত্ৰীসকলে এই বিৰল দৃশ্য উপভোগ কৰিব পাৰে।

তেওঁ বিমানৰ নিৰ্দ্ধাৰিত দিশ এৰিছিল আৰু দৃশ্যমান উৰণলৈ পৰিবৰ্তন কৰিছিল। উৰণৰ সময়ত পাইলটে গ্ৰাউণ্ড কন্ট্ৰোল চেন্টাৰৰ নিৰাপত্তাৰ পৰা দূৰ হৈ গৈছিল আৰু তেওঁ যি দেখিছিল তাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিছিল। পাইলটজনে পৰ্বতটোক অতি ওচৰৰ পৰা দেখা পাইছিল। তেওঁৰ এলটিমিটাৰ (উচ্চতা পৰিমাপক মিটাৰ) ৪০০০ মিটাৰ দেখুৱাইছিল। তেওঁ যি দেখা নাছিল সেয়া হ'ল ধ্বংসৰ বতাহ, বতাহৰ কোব, যি ফুজি পৰ্বতৰ চাৰিওফালে বিয়পি পৰিছিল। বোয়িং ৭০৭ বিমানখন বতাহৰ সৈতে বিপৰীত আছিল। বিমানখন বতাহত ভাঙি পৰিছিল আৰু দুৰ্ঘটনাগ্ৰস্ত হৈছিল আৰু সকলো যাত্ৰীৰ মৃত্যু হৈছিল।"

মাংসিক খ্ৰীষ্টিয়ান সকলে "দৃশ্যমান উৰণৰ গতিত (ভিজুৱেল ফ্লাইট মোড) বাস কৰে। তেওঁবিলাকে সকলো সিদ্ধান্ত নিজেই লয়। উত্তম অভিপ্ৰায় থকা স্বত্বেও তেওঁলোকে বিফল হয়। আত্মিক খ্ৰীষ্টিয়ান সকলে তেওঁলোকৰ প্ৰভুৰ সৈতে এক প্ৰেমময় আৰু বিশ্বাসৰ সম্পৰ্কত পবিত্ৰ আত্মাৰ ৰক্ষণাবেক্ষণত জীয়াই থাকে, যিয়ে তেওঁলোকক এক সুৰক্ষিত গন্তব্যস্থানলৈ লৈ যায়।

**প্ৰাৰ্থনা ঃ** *স্বৰ্গত থকা পিতৃ, আপোনাক ধন্যবাদ দিওঁ যে, পবিত্ৰ আত্মাৰ যোগেদি যীচুৱে আমাত বাস কৰাত আমাত আৰু আমাৰ কাৰ্যত এক ইতিবাচক পৰিবৰ্তন আনিছে। অনুগ্ৰহ কৰি পবিত্ৰ আত্মাৰ কাৰ্যবোৰক দৃষ্টি কৰিবলৈ মোৰ চকু অধিককৈ মুকলি কৰক। অনুগ্ৰহ কৰি মোক তেওঁৰ যোগেদি জীৱনৰ এই পৰিপূৰ্ণতা দিয়ক, যিটো যীচুৱে আমাক দিব বিচাৰে। অনুগ্ৰহ কৰি মোক পাছৰ অধ্যায়ত এই সমস্যাটো সমাধান কৰাৰ চাবিকাঠি আৱিষ্কাৰ কৰাত আৰু কাৰ্যকৰী কৰাত সহায় কৰক। ধন্যবাদ, আমেন।*

## ৫মে অধ্যায়
# ব্যৱহাৰিক অভিজ্ঞতাৰ বাবে চাবিকাঠি

***মই কেনেকৈ মোৰ বাবে ঈশ্বৰৰ সমাধানক ৰূপায়ণ কৰিব আৰু অভিজ্ঞতা লাভ কৰিব পাৰো? মই কেনেকৈ প্ৰাৰ্থনা কৰা উচিত যাতে মই পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাটো নিশ্চিত হ'ব পাৰো?***

## প্ৰাৰ্থনা আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ থকা

এইটো গুৰুত্বপূৰ্ণ যে, আমি বিশ্বাসৰ যোগেদি এই যাত্ৰাত আগবাঢ়ি যাওঁ আৰু আমি বিশ্বাসেৰে পবিত্ৰ আত্মাক বিচাৰো। ইয়াৰ অৰ্থ হৈছে যে পবিত্ৰ আত্মাৰ বাবে প্ৰাৰ্থনা কৰাৰ পিছত আমি বিশ্বাস কৰা আৰু নিশ্চিত হোৱা উচিত যে, প্ৰভুৱে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিছে আৰু তেওঁ ইতিমধ্যে আমি বিচৰা পবিত্ৰ আত্মা প্ৰদান কৰিছে।

গালাতীয়া ঃ ৩:১৪ পদত কোৱা হৈছে ঃ ".......... আমি যেন অঙ্গীকৃত আত্মা বিশ্বাসৰ দ্বাৰাই পাওঁ।" অন্য অনুবাদত ( NIRV) কোৱা হৈছে ঃ "......আমি যেন অঙ্গীকৃত আত্মা খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাই পাওঁ।"

ঈশ্বৰে আমাক এক মহান সহায় আগবঢ়াইছে যাতে আমি আমাৰ স্বৰ্গীয় পিতৃক সহজে বিশ্বাস কৰিব পাৰো। আমি এইটো "প্ৰতিশ্ৰুতিৰ সৈতে প্ৰাৰ্থনা কৰা" বুলি কওঁ।

# প্ৰতিশ্ৰুতিৰ সৈতে প্ৰাৰ্থনা কৰা

প্ৰথমতে, ইয়াত এটা সহায়ক হিচাবে উদাহৰণ দিয়া হৈছে ঃ ধৰি লওঁ যে মোৰ সন্তান স্কুলত ফৰাচী ভাষাত ভাল নহয়। মই মোৰ সন্তানক ফৰাচী ভাষা অধ্যয়ন কৰিবলৈ উৎসাহিত কৰিব বিচাৰো। মই তেওঁক প্ৰতিশ্ৰুতি দিছো যে, যদি তেওঁ তেওঁৰ ৰিপ'ৰ্ট কাৰ্ডত ভাল গ্ৰেড পায় তেনেহ'লে তেওঁ মোৰ পৰা ২০ ডলাৰ লাভ কৰিব। সন্তানটিয়ে কঠোৰ অধ্যয়ন কৰিবলৈ আৰম্ভ কৰে। মইয়ো তেওঁক ফৰাচী শিকাত সহায় কৰো আৰু তেওঁ সঁচাকৈয়ে এটা ভাল গ্ৰেড পায়। এতিয়া কি হ'ব? যেতিয়া ল'ৰাটোৱে স্কুলৰ পৰা ঘৰলৈ আহে আৰু দুৱাৰৰ সন্মুখৰ পৰা তেওঁ ডাঙৰকৈ মাতে ঃ দেউতা, ২০ ডলাৰ! তেওঁ কিয় ইমান নিশ্চিত যে তেওঁ ২০ ডলাৰ পাব? কাৰণ এটা প্ৰতিজ্ঞা কৰা হৈছিল আৰু তেওঁ প্ৰয়োজনীয়খিনি পূৰণ কৰিছে। দৰাচলতে, আজিৰ বেছিভাগ লোকৰ বাবে এয়া স্বাভাৱিক।

কিন্তু এইটো হ'ব পাৰে যে, সেই মুহূৰ্ত্তত মোৰ ওচৰত ২০ ডলাৰ নাথাকিব পাৰে। এইটো হ'ব পাৰে নেকি ঈশ্বৰৰ ওচৰত যিটো নাই তাক প্ৰতিজ্ঞা কৰিছে? অসম্ভৱ!

বা এনেকুৱাও হ'ব পাৰে নেকি যে মই মোৰ প্ৰতিশ্ৰুতি ঘূৰাই লওঁ আৰু কওঁ ঃ "মই শিক্ষাৰ ওপৰত এখন কিতাপ পঢ়িছো যিটো আপোনালোকে ল'ৰা-ছোৱালীবিলাকক টকা দি পঢ়িবলৈ অনুপ্ৰাণিত কৰিব নালাগে। গতিকে মই তোমাক ২০ ডলাৰ দিব নোৱাৰো।" ঈশ্বৰে পিছত তেওঁৰ মন সলনি কৰে নেকি? অসম্ভৱ!

আমি দেখিবলৈ পাওঁ যে যেতিয়া আমি ঈশ্বৰৰ পৰা প্ৰতিশ্ৰুতি পাওঁ আৰু প্ৰয়োজনীয়তাবোৰ পূৰণ কৰো, তেতিয়া কেৱল এটা সম্ভাৱনা থাকে সেইটো হৈছে আমি প্ৰতিজ্ঞা লাভ কৰা।

ঈশ্বৰৰ প্ৰতিজ্ঞাৰ দ্বাৰা তেওঁ আমাক এক নিৰ্দিষ্ট দিশত যাবলৈ উৎসাহিত কৰিব বিচাৰে, উদাহৰণ স্বৰূপে, পবিত্ৰ আত্মা লাভ কৰা, যিয়ে

আমাক আমাৰ জীৱনত ঈশ্বৰৰ শক্তি প্ৰদান কৰে। তেওঁ আমাৰ বাবে তেওঁক বিশ্বাস কৰাটো সহজ কৰি তুলিব বিচাৰে। ভাৰযা হৈছে বিশ্বাসৰ কেন্দ্ৰবিন্দু।

এতিয়া আমি ১ যোহন ঃ ৫:১৪-১৫ পদত প্ৰতিশ্ৰুতিৰ সৈতে প্ৰাৰ্থনা কৰাৰ বাবে বাইবেলৰ কিছুমান গুৰুত্বপূৰ্ণ পদ পঢ়িবলৈ বিচাৰো ঃ

*“আৰু তেওঁৰ উদ্দেশ্যে আমি পোৱা সাহ এই যে, আমি যদি তেওঁৰ ইচ্ছাৰ দৰে কিবা যাচনা কৰো, তেন্তে তেওঁ আমাৰ সেই যাচনা শুনে।”*

ঈশ্বৰে এটা সাধাৰণ প্ৰতিজ্ঞা কৰিছে যে তেওঁ তেওঁৰ ইচ্ছা অনুসৰি প্ৰাৰ্থনাৰ উত্তৰ দিয়ে। ঈশ্বৰৰ ইচ্ছা আজ্ঞা আৰু প্ৰতিজ্ঞা সমূহত প্ৰকাশ পায়। আমি আমাৰ প্ৰাৰ্থনাত সেইবোৰৰ ওপৰত নিৰ্ভৰ কৰিব পাৰো। ইয়াৰ পিছত ১৫ পদত এইদৰে কোৱা হৈছে ঃ

*“আৰু আমি যিকোনো যাচনা কৰো, আমাৰ সেই যাচনা তেওঁ শুনে, ইয়াকে যদি জানো, তেন্তে তেওঁত যি যি যাচনা কৰিলো, সেই সকলোকে পালো বুলি আমি জানো।”*

অন্য অনুবাদত কোৱা হৈছে ( NIRV) ঃ

*“আমি কিহৰ বাবে যাচনা কৰো, আমাৰ সেই যাচনা তেওঁ শুনে ইয়াকে যদি জানো, তেন্তে আমি সেই সকলোকে পালো বুলি জানো।”*

সেইটোৰ অৰ্থ কি? ঈশ্বৰৰ ইচ্ছা অনুসৰি আমাৰ প্ৰাৰ্থনাৰ উত্তৰ সেই সময়তে দিয়া হয় যেতিয়া আমি সেইবোৰ ঈশ্বৰৰ ওচৰত যাচনা কৰো। কিন্তু আৱেগিক ভাৱে আমি সাধাৰণতে একো লক্ষ্য নকৰো। আমাৰ প্ৰাৰ্থনাৰ উত্তৰ বিশ্বাসৰ দ্বাৰা দিয়া হয়, আমাৰ অনুভূতিৰ দ্বাৰা নহয়। অনুভৱবোৰ পিছত আহিব।

নিকোটিন আৰু সুৰাত আসক্ত লোকৰ সৈতে প্ৰাৰ্থনা কৰাৰ সময়ত মই দেখা পাইছিলো যে যেতিয়া তেওঁলোকে উদ্ধাৰৰ কাৰণে প্ৰাৰ্থনা কৰে সেই সময়ত তেওঁলোকে লক্ষ্য নকৰে। তেওঁবিলাকে বিশ্বাসৰ দ্বাৰা প্ৰাৰ্থনাৰ উত্তৰ লাভ কৰিছিল। কিন্তু কেইঘন্টামানৰ পিছত তেওঁলোকে লক্ষ্য কৰিলে যে

তেওঁলোকৰ ধপাত বা সুৰাৰ প্ৰতি কোনো হেঁপান নাই। সেই সময়ত তেওঁলোকে তেওঁলোকৰ প্ৰাৰ্থনাৰ ব্যৱহাৰিক উত্তৰ পাইছিল।

মাৰ্ক ঃ ১১:২৪ পদত যীচুৱে কৈছিল ঃ "এই হেতুকে মই তোমালোকক কওঁ, তোমালোকে প্ৰাৰ্থনা কৰি যি যি খোজা, সেই সকলোকে পালো বুলি বিশ্বাস কৰা ; তেহে পাবা "

ইলেন জি. হুৱাইটে কৈছিল ঃ "আশীৰ্বাদৰ কোনো বাহিৰৰ প্ৰমাণ বিচাৰিব নালাগে। বৰটো প্ৰতিজ্ঞাত আছে আৰু আমি আমাৰ কাৰ্যৰ বাবে নিশ্চিত হ'ব পাৰো যে ঈশ্বৰে যি প্ৰতিজ্ঞা কৰিছে তাক তেওঁ সম্পাদন কৰিবলৈ সক্ষম আৰু বৰ যিটো আমি ইতিমধ্যে লাভ কৰিছো, সেইটো যেতিয়া আমাৰ সকলোতকৈ প্ৰয়োজন হ'ব তেতিয়াই আমি উপলব্ধি কৰিম।"

গতিকে আমি বাহ্যিক প্ৰমাণ বিচাৰিব নালাগে। নিশ্চিত ভাৱে ইয়াত ইয়াৰ অৰ্থ হৈছে এক আৱেগিক অভিজ্ঞতা বিচাৰি উলিওৱা। ৰজাৰ জে. মৰনেডে এইদৰে কৈছিল ঃ "আত্মাবিলাকে (ভূত) লোক সকলক খ্ৰীষ্ট আৰু ভাৱবাদী সকলৰ বাক্যৰ পৰিবৰ্তে তেওঁলোকৰ অনুভূতিক শুনিবলৈ উৎসাহিত কৰিব। লোকবিলাকে কি ঘটিছে সেয়া অনুভৱ নকৰাকৈ কোনো নিশ্চিত উপায়েৰে আত্মাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰিব নোৱাৰে।"

প্ৰতিজ্ঞাৰ সৈতে প্ৰাৰ্থনা কৰিলে আমাৰ বাবে ঈশ্বৰৰ ধনৰ ভঁৰাল মুকলি হয়। আমাৰ প্ৰেমময় স্বৰ্গীয় পিতৃয়ে আমাৰ বাবে এক অক্ষয় মূল্য ৰাখিছে। "যদি তেওঁলোকে (শিষ্য সকল) তেওঁৰ প্ৰতিজ্ঞাত বিশ্বাস ৰাখে তেন্তে তেওঁলোকে বৃহৎ সম্পদৰ আশা কৰিব পাৰে।"

## প্ৰতিজ্ঞাৰ দুটা ভাগ

একে সময়তে বাইবেলত দিয়া প্ৰতিজ্ঞা সমূহৰ মাজত সাৱধানে পাৰ্থক্য কৰাটো গুৰুত্বপূৰ্ণ ঃ "পাপৰ ক্ষমাৰ বাবে, পবিত্ৰ আত্মাৰ বাবে, তেওঁৰ কাৰ্য কৰাৰ শক্তিৰ বাবে আত্মিক প্ৰতিজ্ঞা সমূহ সদায়ে আছে। (পাচনিকৰ্মঃ

২:৩৮-৩৯ পদ চাওঁক)। কিন্তু সাময়িক আশীৰ্বাদৰ প্ৰতিজ্ঞাবোৰ আনকি জীৱনৰ বাবেও, কেতিয়াবা দিয়া হয় আৰু কেতিয়াবা বন্ধ কৰা হয়, কিয়নো ঈশ্বৰৰ তত্ত্বাৱধানত উত্তমৰূপে পৰিচালনা কৰা হয়।"

এটা উদাহৰণ ঃ "জুইৰ মাজেদি চলিলে তুমি দগ্ধ নহ'বা, তাৰ শিখাই তোমাক নুপুৰিব" (যিচয়া ঃ ৪৩:২ পদ)। ঈশ্বৰে এই প্ৰতিজ্ঞাটো অগ্নিকুণ্ডত থকা তিনিজন বন্ধুৰ বাবে এক আচৰিত ধৰণে পালন কৰিছিল (দানিয়েল ৩ অধ্যায়)। কিন্তু আনহাতে, সংস্কাৰক হুচ আৰু জেৰমক কন্সটেন্সত ধৰ্ম প্ৰচাৰৰ কাৰণে জ্বলাই দিয়া হৈছিল। আমি ক'ব পাৰো যে, তেওঁলোকৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়া হোৱা নাছিল। কিন্তু তথাপিও, তেওঁলোকক এনেধৰণে উত্তৰ দিয়া হৈছিল নেকি যাৰ সৈতে আমি পৰিচিত নহয়? কিয়? এজন ৰোমান কেথলিক মণ্ডলীৰ ব্যক্তিয়ে এই শ্বহীদ সকলৰ মৃত্যুৰ বিষয়ে এইদৰে কৈছিল ঃ "তেওঁবিলাকৰ অন্তিম মুহূৰ্ত্ত অহালৈকে উভয়ে তেওঁবিলাকে নিজৰ বিশ্বাসক অলৰ হৈ ধৰি ৰাখিছিল। তেওঁবিলাকে সেই প্ৰকাণ্ড অগ্নিকুণ্ডত মৰিবলৈ এনেকৈ সাজু হৈছিল যেন বিবাহৰ ভোজলৈহে গৈছে। তেওঁবিলাকে বেদনা পোৱাৰ কোনো চিঞৰ মৰা নাছিল। যেতিয়া অগ্নি দপ্ দপ্কৈ জ্বলি উঠিছিল, তেওঁবিলাকে ধৰ্মীয় গীত গাবলৈ আৰম্ভ কৰিছিল ; আৰু অগ্নিৰ লেলিহান শিখাও তেওঁবিলাকৰ গীতক স্তব্ধ কৰিব পৰা নাছিল।" যদি কাৰোবাক জ্বলাই দিয়া হয়, তেন্তে তেওঁলোকে কেৱল চিঞৰিব পাৰিব। তেওঁলোকৰ ব্যৱহাৰে দেখুৱাইছে যে ঈশ্বৰে তাত উপস্থিত আছিল, কেৱল আমাৰ বাবে অনায়াসে দৃশ্যমান হোৱা নাছিল। এইটোৱে মোক দেখুৱায় যে আচৰিত প্ৰতিজ্ঞাবোৰ এতিয়াও আমাৰ বাবে গুৰুত্বপূৰ্ণ।

## উত্তৰৰ বাবে ধন্যবাদ জনোৱা

এতিয়া আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে ঃ যেতিয়া আমি যাচনা কৰো সেই সময়তে আমাৰ অনুৰোধ গ্ৰহণ কৰা হয়, তেতিয়া আমি উত্তৰ দিয়াৰ বাবে ঈশ্বৰক ধন্যবাদ জনোৱা উচিত। এই মুহূৰ্ত্তত, তেওঁ আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়াৰ বাবে, আমাৰ ধন্যবাদেই ঈশ্বৰৰ ওপৰত আমাৰ বিশ্বাসক প্ৰকাশ

কৰে আৰু যেতিয়া আমাৰ অধিক প্ৰয়োজন হয় তেতিয়াই পূৰণ হোৱাটো আমি আশা কৰো। কিছুমান বিশ্বাসী লোকে প্ৰাৰ্থনা কৰাৰ লগে লগে কিবা পাবলৈ আশা কৰে। কিন্তু বহুতো বিশ্বাসী লোকৰ বাবে এইটো এলিয়াৰ অভিজ্ঞতাৰ দৰে ঃ যিহোৱা প্ৰচণ্ড বায়ুত, ভূমিকম্প বা অগ্নিত নাছিল, ইয়াৰ পৰিবৰ্তে এটা মৃদু স্বৰত আছিল ( ১ ৰাজাৱলী ঃ ১৯:১১-১২ পদ)। এইটোও মোৰ অভিজ্ঞতা আছিল।

বহু সময়ৰ পিছত মই ভাবিছিলো যে একোৱে ঘটা নাই। তেতিয়া মই হঠাতে লক্ষ্য কৰিছিলো যে মই অনুভৱ নকৰাকৈয়ে মোৰ জীৱনত বহুতো ঘটনা ঘটি গৈছিল।

## মোৰ চিন্তাধাৰা সলনি কৰা

ইয়াৰ অৰ্থ হৈছে ঃ এই মুহূৰ্ত্তত মোৰ চিন্তাধাৰা সলনি কৰাটো প্ৰয়োজনীয় ঃ “............ তোমালোকে নতুন মন কৰাৰ দ্বাৰাই আন ৰূপ ধৰা............” (ৰোমীয়া ঃ ১২:২ পদ)।

এতিয়া এইদৰে কোৱাটো শুদ্ধ ঃ ধন্যবাদ জনাওঁ যে, আপুনি মোৰ প্ৰাৰ্থনাৰ উত্তৰ দিছে। মোৰ নিবেদন গ্ৰহণ কৰাৰ বাবে আপোনাক ধন্যবাদ। ধন্যবাদ দিওঁ যে মই সঠিক সময়ত এইটো অনুভৱ কৰিম।

এইটো নিজ ইচ্ছানুৰূপ নহয়। নিজ ইচ্ছানুৰূপে মই নিজকে সৈমান কৰিবলৈ চেষ্টা কৰিছো। যেতিয়া মই প্ৰতিজ্ঞা নিৰ্ভৰ কৰি প্ৰাৰ্থনা কৰো, তেতিয়া মোৰ পৰিবৰ্তিত চিন্তাধাৰাৰ বাবে মোৰ এক ঐশ্বৰিক ভিত্তি আছে, কিয়নো মোক ইতিমধ্যে বিশ্বাসৰ দ্বাৰা উত্তৰ দিয়া হৈছে। এইক্ষেত্ৰত যদি মই মোৰ চিন্তাধাৰা সলনি নকৰো, তেন্তে মই ঈশ্বৰক দেখুৱাইছো যে মই তেওঁক বিশ্বাস নকৰো, কিন্তু ইয়াৰ পৰিবৰ্তে, মই প্ৰভাৱযুক্ত অনুভৱ কৰিছো। এই আচৰণৰ যোগেদি মই ঈশ্বৰক মিছলীয়া পাতিছো আৰু এইদৰে মই একোৱেই লাভ নকৰিম।

এইটোও গুৰুত্বপূৰ্ণ যে মই সেই অনুসৰি কাৰ্য কৰো। আনকি যেতিয়া

মই প্ৰাৰ্থনাৰ উত্তৰ পোৱাৰ কোনো চিন দেখা নাপাওঁ, তেতিয়াও ঈশ্বৰে সদায় বিশ্বাস কৰাৰ প্ৰয়োজনীয়তাক একগোট কৰে। আমি তেওঁক বিশ্বাস কৰাটো তেওঁ বিচাৰে। জৰ্দান নদী পাৰ হোৱাৰ বিষয়ে চিন্তা কৰক। পুৰোহিত সকলে প্ৰথমে পানীত খোজ দিব লগা হৈছিল আৰু তাৰপিছতহে পানী বিভক্ত হৈছিল। নামানে সুস্থ হোৱাৰ আগতে পানীত সাতবাৰ ডুব মাৰিব লগা হৈছিল।

হয়তো আপুনি কৈছে ঃ "মই সেইটো কৰিব নোৱাৰো। মই সেইটো কৰাৰ কল্পনাও কৰিব নোৱাৰো।" অনুগ্ৰহ কৰি মনত ৰাখিব যে আমি বৰ্ণনা কৰিব নোৱাৰা বহুতো কথা আছে। আজিলৈকে, আমি নাজানো বিদ্যুৎ কি, যদিও আমি সকলোৱে ইয়াক ব্যৱহাৰ কৰো। আজিলৈকে, আমি নাজানো শিশুৱে কেনেদৰে কথা পাতিবলৈ শিকে। কিন্তু তেওঁলোকে সকলোৱে এইটো শিকে। প্ৰাকৃতিক পৃথিৱীত আমি নিৰন্তৰ আমাৰ বোধগম্যতাৰ বাহিৰত আচৰিত কাৰ্যৰ দ্বাৰা আৱৰি ৰাখিছো। তেনেহ'লে আমি আত্মিক জগতত এনে ৰহস্য বিচাৰি পাই আচৰিত হোৱা উচিত নে যিবোৰ আমি অনুধাৱন কৰিব নোৱাৰো?

হিতোপদেশ ঃ ৩:৫-৬ পদৰ বিষয়ে চিন্তা কৰো আহক ঃ "তুমি সমস্ত মনেৰে সৈতে যিহোৱাত ভাৰসা কৰা ; তোমাৰ নিজ বিবেচনাত তুমি নিৰ্ভৰ নকৰিবা। তোমাৰ সকলো কাৰ্যত তেওঁক স্বীকাৰ কৰা ; তাতে তেওঁ তোমাৰ পথবোৰ সমান কৰিব।" ইয়াত আমি আমাৰ পথবোৰ সমান কৰাৰ এই প্ৰতিজ্ঞাৰ বাবে ঈশ্বৰৰ পৰা স্পষ্ট পূৰ্বচৰ্ত্ত বিচাৰি পাওঁ। প্ৰত্যেকটো পূৰ্বচৰ্ত্তও এটা আজ্ঞা। যদি আমি নিশ্চিত নহওঁ যে আমি পূবচৰ্ত্তটো পূৰণ কৰিছো। তেনেহ'লে আমি এই নিশ্চয়তাৰ সৈতে ইচ্ছা বা সন্মতিৰ বাবে প্ৰাৰ্থনা কৰিব পাৰো যে, প্ৰভুৱে আমাক লগে লগে উত্তৰ দিব। "কিন্তু যদি "ইচ্ছুক হ'বলৈ ইচ্ছা কৰে" তেন্তে ঈশ্বৰে আপোনাৰ বাবে কাৰ্যটো সিদ্ধ কৰিব......।"

কিছুমান সৰু বস্তুৱেও সহায় কৰিব পাৰে ঃ আমি কি কৰিছো তাক জানোনে, যেতিয়া আমি ঈশ্বৰৰ প্ৰতিজ্ঞা ত নিৰ্ভৰ কৰি প্ৰাৰ্থনা কৰো,

তেতিয়া আৰশ্যকতা পূৰণ কৰিছো আৰু ইয়াৰ পিছতো উত্তৰ দিয়াৰ বিষয়ে সন্দেহ কৰিছো নেকি ? আমি ঈশ্বৰক মিছলীয়া সজাইছো। কোনো পৰিস্থিতিতে আমি সেইটো নিবিচাৰো। এই ক্ষেত্ৰত প্ৰাৰ্থনা কৰক ঃ প্ৰভু, মই বিশ্বাস কৰো, মোৰ অবিশ্বাস দূৰ কৰিবলৈ সহায় কৰক। তাৰ পিছত ভাৰষা কৰিবলৈ।

**ইলেন জি. হুৱাইটৰ দ্বাৰা লিখা কিতাপ "শিক্ষা"ত "বিশ্বাস আৰু প্ৰাৰ্থনা"ৰ অধ্যায়ত প্ৰতিজ্ঞাৰে প্ৰাৰ্থনা কৰাৰ বিষয়ে অতি মূল্যৱান পৰামৰ্শ দিয়া আছে।**

## পবিত্ৰ আত্মাৰ বাবে প্ৰাৰ্থনা

মই ভাবো পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'বলৈ প্ৰাৰ্থনা কৰাৰ বাবে আমাৰ শ্ৰেষ্ঠ অৰ্হতা আছে। কিন্তু আমি পাহৰিব নালাগে যে ঈশ্বৰক আমাৰ ইচ্ছা পালন কৰিবলৈ সন্মত কৰাৰ সৈতে ইয়াৰ কোনো সম্পৰ্ক নাই, বৰঞ্চ তেওঁৰ প্ৰতিজ্ঞা আৰু তেওঁৰ বিশ্বাসযোগ্যতাৰ সৈতে সম্পৰ্ক আছে।

## পবিত্ৰ আত্মা দান কৰাৰ বাবে প্ৰতিজ্ঞা

প্ৰভুৱে আমাক পবিত্ৰ আত্মা লাভ কৰাৰ বাবে মহান প্ৰতিজ্ঞা কৰিছে ঃ

**লূক ঃ ১১:১৩ পদঃ** *"এতেকে তোমালোকে দুৰ্জন হৈয়ো নিজ নিজ সন্তান বিলাকক যদি ভাল বস্তু দিব জানা, তেন্তে তাতকৈয়ো তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে, তেওঁত খোজা বিলাকক পবিত্ৰ আত্মা নিদিব নে?"*

আমাৰ স্বৰ্গীয় পিতৃয়ে ইয়াত এক বাধ্যতামূলক প্ৰতিজ্ঞা কৰা নাই নে? এই সুন্দৰ প্ৰতিজ্ঞাৰ প্ৰয়োজনীয়তা হৈছে ঃ খোজা! কিন্তু যীচুৱে এবাৰ খোজাৰ কথা কোৱা নাই, বৰঞ্চ, নিৰন্তৰ আপীল কৰাৰ কথা কৈছে ।

যিয়েই নহওক ইয়াত বিষয়টো চোৱা গুৰুত্বপূৰ্ণ। উদাহৰণ স্বৰূপে, আমি আন শাস্ত্ৰপদবোৰো পঢ়িব লাগে, যিবোৰ একেটা বিষয়ৰ বিষয়ে কয় ঃ

**পাচনিকৰ্ম ঃ ৫:৩২ পদ ঃ** *"আমি এই কথাৰ সাক্ষী আছো আৰু ঈশ্বৰে তেওঁৰ আজ্ঞা মনা বিলাকক দিয়া যি পবিত্ৰ আত্মা, তেৰোঁ সাক্ষী আছে।"*

ইয়াত প্ৰয়োজনীয়তা হৈছে বাধ্যতা ! আমি ইয়াত দেখিবলৈ পাওঁ যে আমি কেৱল এটা শাস্ত্ৰপদৰ যোগেদি নিজকে সহায় কৰিব নোৱাৰো ঃ আমি প্ৰতিজ্ঞাৰ বিষয়টোও বিবেচনা কৰিব লাগিব। এইটো আমাৰ বাবে আনন্দদায়ক কিবা কথাৰ সৈতে এবাৰ আজ্ঞাধীন হোৱাৰ ইয়াৰ কোনো সম্পৰ্ক নাই। ইয়াৰ পৰিবৰ্তে, তেওঁক মানি চলাৰ সৈতে সম্পৰ্ক আছে ঃ যিজনা আমাৰ আচৰিত উদ্ধাৰকৰ্ত্তা আৰু বন্ধু। বাধ্যতাই আনন্দৰ সৃষ্টি কৰে। আজ্ঞাকাৰী হৃদয়ৰ বাবে প্ৰত্যেক ৰাতিপুৱা প্ৰাৰ্থনা কৰক! প্ৰাৰ্থনা কৰক যাতে প্ৰভুৱে আপোনাক তেওঁ বিচৰা সকলোবোৰ কৰিবলৈ ইচ্ছা শক্তি প্ৰদান কৰে আৰু ইয়াক সিদ্ধ কৰাত আপোনাক সহায় কৰে । ই এটা ভাল প্ৰাথমিকতা সৃষ্টি কৰে।

**যোহন ঃ ৭:৩৭ পদ ঃ** *"কোনো মানুহৰ যদি পিয়াহ লাগে, তেওঁ মোৰ ওচৰলৈ আহি পান কৰক।"*

ইয়াত ইয়াৰ সৈতে পবিত্ৰ আত্মাৰ আকাংক্ষাৰ সম্পৰ্ক আছে। যদি আপোনাৰ কোনো আকাংক্ষা নাই বা আপোনাৰ অতি কম আছে বুলি ভাবে তেন্তে আপুনি আকাংক্ষাৰ বাবে প্ৰাৰ্থনা কৰিব পাৰে। এই অনুৰোধ যদি ঈশ্বৰৰ ইচ্ছাৰ অনুসৰি কৰা হৈছে, তেন্তে তাৰ উত্তৰ লগে লগে পোৱা যায়। যেতিয়া আমি আমাৰ মহান ঈশ্বৰক খুজিম তেতিয়া তেওঁ আমাত "আকাংক্ষা আৰু সিদ্ধি কৰা" সৃষ্টি কৰিব। ইয়াৰ উপৰিও আমি ঈশ্বৰৰ সৈতে এক ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিবলৈ, তেওঁক সম্পূৰ্ণ হৃদয়েৰে সৈতে প্ৰেম কৰিবলৈ, আনন্দেৰে সেৱা কৰিবলৈ, যীচুৰ প্ৰতি আকাংক্ষা বৃদ্ধি পাবলৈ আৰু তেওঁৰ দ্বিতীয় আগমনত আৰু ঈশ্বৰৰ ৰাজ্যত পুনৰ মিলন হ'বলৈ, ঈশ্বৰৰ বাক্য অধ্যয়ন কৰিবলৈ আৰু ইয়াৰ পৰা শিক্ষা লাভ কৰিবলৈ আৰু লগতে হেৰুওৱা লোক সকলক ৰক্ষা কৰিবলৈ সহায় আৰু সজ্জিত হোৱাৰ আকাংক্ষাৰ বাবেও প্ৰাৰ্থনা কৰিব পাৰো।

**যোহন ঃ ৭:৩৮-৩৯ পদ ঃ** *"যি কোনোৱে মোত বিশ্বাস কৰে, ধৰ্মশাস্ত্ৰে কোৱাৰ দৰে, তেওঁৰ ভিতৰৰ পৰা জীৱনময় জলৰ নৈবোৰ ওলাই বৈ যাব। তেওঁৰ বিশ্বাস কৰাবিলাকে যে আত্মা পাব, তাৰ অৰ্থে তেওঁ এই কথা ক'লে।"*

ইয়াত চৰ্ত্তটো হৈছেঃ বিশ্বাস! আমি ইয়াত দেখিছো যে যীচু খ্ৰীষ্টৰ ওপৰত আমাৰ বিশ্বাস, যিহোৱাৰ ওপৰত আমাৰ বিশ্বাস, আৰু পবিত্ৰ আত্মা লাভ কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰাথমিক তাৎপৰ্য। কিন্তু যেতিয়া আমি প্ৰতিজ্ঞাৰ সৈতে প্ৰাৰ্থনা কৰো, তেতিয়া বিশ্বাস কৰাটো সহজ।

**গালাতীয়াঃ ৫:১৬ পদ ঃ** *"কিন্তু মই কওঁ, তোমালোকে আত্মাৰে চলা ; তাতে কোনোমতে তোমালোকে মাংসৰ অভিলাষ পূৰ নকৰিবা।"*

ইয়াত আমাৰ প্ৰকৃততে এটা প্ৰতিজ্ঞা আছে, যিটোক এটা আদেশ হিচাবে প্ৰকাশ কৰা হৈছে। যেতিয়া ঈশ্বৰে মোক আত্মাৰে চলাটো বিচাৰে, তেতিয়া ইয়াৰ অৰ্থ স্পষ্ট হয় যে, তেওঁ মোক পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ কৰিব বিচাৰে। আৰু তেওঁ আমাক ইয়াত দেখুৱাইছে যে যেতিয়া আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হওঁ, তেতিয়া আমি আৰু আমাৰ অভিলাষৰ বশ নাই। পবিত্ৰ আত্মাই আমাৰ পাপৰ শক্তিক ভাঙি পেলায় (ৰোমীয়া ঃ ৮:১-১৭ পদ বিশেষকৈ ২ পদ পঢ়ক)। পবিত্ৰ আত্মাৰ দ্বাৰা "আমাৰ শৰীৰ কৰ্মবোৰ" বধ কৰা হ'ব (ৰোমীয়া ঃ৮:১৩ পদ)। পাচনি পৌলে তেওঁৰ বিষয়ে এইদৰে কৈছিল ঃ *"মই দিনে দিনে মৃত্যুমুখত পৰিছো"।* শৰীৰ কৰ্মৰ বশত থকাটো অতি গুৰুত্বপূৰ্ণ নহয়, (গালাতীয়া ঃ ৫:১৮-২১ পদ)। কিন্তু ইয়াৰ পৰিবৰ্তে আত্মাৰ ফলবোৰ বৃদ্ধি কৰাটো গুৰুত্বপূৰ্ণ (গালাতীয়া ঃ ৫:২২ পদ)।

আমি আমাৰ জীৱন আক্ৰমণ কৰিব নোৱাৰা পাপক দূৰবীক্ষণ যন্ত্ৰৰ সৈতে তুলনা কৰিব পাৰো। লেঞ্চবোৰত ধূলি নোসোমাবলৈ ঠাইটো সেই অনুসৰি অত্যাধিক চাপ দিব লাগিব। ইয়াৰ অৰ্থ হৈছে যে দুৱাৰখন খোলাৰ সময়ত বায়ুখিনি বাহিৰলৈ যায় আৰু কোনো ধূলি প্ৰৱেশ কৰিব নোৱাৰে। একেদৰে, যেতিয়া আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হওঁ, "কোনোমতে তোমালোকে মাংসৰ অভিলাষ পূৰ নকৰিবা।" (এই বিষয়ৰ ওপৰত অতিৰিক্ত তথ্য এই অধ্যায়ত আছে ঃ "এজন ব্যক্তি আত্মিকতে থাকিব পাৰেনে?" অধ্যায়টোৰ শেষৰ অংশত আছে।)

**ইফিচীয়াঃ ৩:১৬-১৭, ১৯ পদঃ** *"তেওঁ নিজ প্ৰতাপৰূপ ধনৰ দৰে*

*নিজ আত্মাৰ দ্বাৰাই আন্তৰিক পুৰুষৰ সম্বন্ধে তোমালোকক শক্তিৰে শক্তিমন্ত হ'বলৈ" দিয়ক ; আৰু বিশ্বাসৰ দ্বাৰাই তোমালোকৰ হৃদয়ত খ্ৰীষ্টক বাস কৰিবলৈ দিয়ক ; ...... এই কাৰণে তোমালোকক প্ৰেমত শিপা ধৰাই আৰু মূল পতাই বলবন্ত কৰক।"*

হয়তো আমি দীৰ্ঘদিন ধৰি কোনো শক্তিৰ লক্ষ্য নকৰো। এইটো এনেকুৱা হ'ব পাৰে যে এইটো প্ৰকৃতিত আছে। শীতকালত গছবোৰ শুকান আৰু বসন্তকালত সেউজীয়া হয়। এই পুনৰুজ্জীৱিতকৰণ কাৰ্যত প্ৰচণ্ড শক্তি আছে। কিন্তু আমি সেইবোৰ চাব বা শুনিব নোৱাৰো। কিন্তু আমি পাছত ফলাফলবোৰ দেখা পাওঁ। এইটো মোৰ বাবে তেনেকুৱাই আছিল। মই ঈশ্বৰক ধন্যবাদ জনাওঁ যে তেওঁ মোক প্ৰচুৰ পৰিমাণে শক্তি প্ৰদান কৰে।

আন এটা উদাহৰণ ঃ আমি কেইটামান দশক ধৰি জানি আহিছো যে আমাৰ শৰীৰত বৈদ্যুতিক প্ৰৱাহ আছে। সেইবোৰ শৰীৰত আছে। কিন্তু আমি সেইবোৰৰ বিষয়ে অৱগত নহয়।

**ইফিচীয়াঃ ৫:১৮ পদঃ** *"....... আত্মাৰে পৰিপূৰ্ণ হোৱা।"*

**পাচনিকৰ্ম্ম ১:৮ পদঃ** *"কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পবিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে শক্তি পাবা। আৰু ......... তোমালোকে মোৰ সাক্ষী হ'বা।"*

শিষ্য সকলে পৱিত্ৰ আত্মা অহালৈকে অপেক্ষা কৰাৰ আদেশ আছিল। তেওঁবিলাকে এনেয়ে অপেক্ষা কৰি থকা নাছিল। "তেওঁলোকে তেওঁলোকৰ দৈনন্দিন জীৱনত লোকবিলাকক লগ ধৰিবৰ বাবে আৰু পাপী সকলক খ্ৰীষ্টলৈ অনাৰ বাবে সঠিক বাক্য প্ৰয়োগ কৰিবলৈ আন্তৰিকতাৰে প্ৰাৰ্থনা কৰিছিল। তেওঁলোকে তেওঁলোকৰ সকলো পাৰ্থক্যতা আৰু ক্ষমতাৰ আকাংক্ষা আঁতৰাই ৰাখিছিল।" আমিও এই প্ৰতিজ্ঞাৰে প্ৰাৰ্থনা কৰিব পাৰো।

## কোনো ইতিবাচক ফলাফল নাই...... ?

এজন যুৱকে পৰামৰ্শৰ বাবে এজন সঠিক লোক বিচাৰিছিল, কিয়নো

তেওঁ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'বলৈ বিচাৰিছিল তেওঁ সঁচাকৈয়ে আপ্ৰাণ চেষ্টা কৰিছিল। পাষ্টৰে তেওঁক এইদৰে কৈছিল ঃ "আপুনি ঈশ্বৰৰ ওচৰত আপোনাৰ মনৰ ইচ্ছাক সম্পূৰ্ণৰূপে সমৰ্পণ কৰিছে নে?" "মই নাভাবো যে, মই সম্পূৰ্ণৰূপে অৰ্পণ কৰিছো।" ঠিক আছে, পাষ্টৰে কৈছিল, "তেনেহ'লে আপুনি ঈশ্বৰৰ ওচৰত আপোনাৰ ইচ্ছাক সম্পূৰ্ণৰূপে সমৰ্পণ নকৰা পৰ্যন্ত কেৱল প্ৰাৰ্থনা কৰি একো লাভ নহ'ব আৰু পবিত্ৰ আত্মাও নাপাব। এতিয়াই ঈশ্বৰৰ ওচৰত আপোনাৰ ইচ্ছাক সমৰ্পণ কৰিব বিচাৰে নেকি? "মই নোৱোৰো" তেওঁ উত্তৰ দিলে। ঈস্বৰে আপোনাৰ বাবে এই কাৰ্যটো কৰা আপুনি বিচাৰে নেকি? "হয়", তেওঁ উত্তৰ দিলে। তেনেহ'লে তেওঁক এই কাৰ্যটো কৰিবলৈ অনুৰোধ কৰক। তেওঁ প্ৰাৰ্থনা কৰিলে ঃ "হে প্ৰভু, মোক মোৰ নিজৰ ইচ্ছাৰ পৰা মুক্ত কৰক। মোৰ সকলো ইচ্ছা মনৰ পৰা দূৰ কৰক। মোৰ বাবে একেটি ইচ্ছা দিয়ক। মই যীচুৰ নামত প্ৰাৰ্থনা কৰো। তেতিয়া পাষ্টৰে সুধিলে ঃ 'এনেদৰে হৈছিল নে?' 'এইটো হোৱা উচিত', তেওঁ ক'লে। মই প্ৰভুৰ ইচ্ছা অনুসৰি কিছু বিচাৰিছো আৰু মই জানো তেওঁ মোক উত্তৰ দিছে আৰু মই যি বিচাৰিছিলো সেইটো এতিয়া মোৰ ওচৰত আছে ( ১ যোহন ঃ ৫:১৪-১৫ পদ)। হয়, এইটো ঘটিছে — মোক এক ইচ্ছা দিয়া হৈছে। ইয়াৰ পিছত পাষ্টৰে ক'লে ঃ 'এতিয়া পবিত্ৰ আত্মাৰ বাপ্তিষ্মাৰ কাৰণে প্ৰাৰ্থনা কৰক যাতে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হয়।' তেওঁ প্ৰাৰ্থনা কৰিলে ; 'হে প্ৰভু, পবিত্ৰ আত্মাৰ দ্বাৰা মোক বাপ্তাইজিত কৰক। মই এই প্ৰাৰ্থনা যীচুৰ নামত বিচাৰো। আৰু এইটো তেতিয়াই ঘটিছিল যেতিয়া তেওঁ তেওঁৰ সম্পূৰ্ণ ইচ্ছা প্ৰভুৰ ওচৰত ৰাখিছিল।"

## ডাঙৰ পাৰ্থক্য আগত আৰু পাছত

যদিও মই বহুদিন ধৰি আশাৰ সহিত প্ৰাৰ্থনা কৰাৰ সৈতে পৰিচিত আছিলো আৰু বিশেষ পৰিস্থিতিত এইটো ব্যৱহাৰো কৰিছো আৰু প্ৰাৰ্থনাৰ উত্তৰ পোৱাৰ আচৰিত অভিজ্ঞতা লাভ কৰিছো, মই বহু বছৰ ধৰি চিন্তা কৰিছো যে যদি মই বিশেষ প্ৰতিজ্ঞাৰ ওপৰত নিৰ্ভৰ নকৰি কেৱল পবিত্ৰ

আত্মাৰ কাৰণে প্ৰাৰ্থনা কৰা হ'লে ভাল হ'লহেঁতেন। মই জানো যে বহুতেই একে চিন্তা কৰে। মই ক'ব নিবিচাৰো যে এইটো ভুল। কিন্তু যেতিয়া মই অতীতলৈ ঘূৰি চাওঁ, তেতিয়া মই অনুতপ্ত হওঁ কাৰণ মই কোনো প্ৰতিজ্ঞাৰ অবিহনে কেৱল এনেদৰেই প্ৰাৰ্থনা কৰিছিলো। কেইবছৰমানৰ পৰা মই পবিত্ৰ আত্মাৰ প্ৰতিজ্ঞাৰ সৈতে প্ৰতিদিনে প্ৰাৰ্থনা কৰি আহিছো, যাতে মোৰ প্ৰাৰ্থনাৰ পিছত মই নিশ্চিত হওঁ যে মই এতিয়া পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈছো। ২০১১ চনৰ ২৮ অক্টোবৰত এটা অভিজ্ঞতাৰ যোগেদি মই মোৰ জীৱনত প্ৰাৰ্থনা কৰাৰ আগত আৰু পিছত যথেষ্ট পাৰ্থক্য উপলব্ধি কৰিছো।

যেতিয়াই মই প্ৰতিজ্ঞাৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিছো তেতিয়াৰ পৰাই ঈশ্বৰৰ সৈতে মোৰ সম্পৰ্ক ঘনিষ্ঠ হৈ পৰিছে আৰু যীচু মোৰ ওচৰত আছে আৰু মোৰ বাবে অধিক মহান হৈ পৰিছে। এয়া কেৱল এক ব্যক্তিগত অনুভৱ নহয় ; মই এইটো নিম্নলিখিত বিষয়বোৰৰ সৈতে সংযোগ কৰিব পাৰো ঃ

- যেতিয়া মই বাইবেল অধ্যয়ন কৰো তেতিয়া মই নতুন আৰু উৎসাহমূলক অন্তৰ্দৃষ্টি পাওঁ।
- পৰীক্ষাৰ যুদ্ধত মই বিজয়ী হৈ থাকিব পাৰো।
- মোৰ প্ৰাৰ্থনাৰ সময় মোৰ বাবে অতি মূল্যৱান হৈ পৰিছে আৰু মোক অতি আনন্দিত কৰি তুলিছে।
- ঈশ্বৰে মোৰ অনেক প্ৰাৰ্থনাৰ উত্তৰ দিছে।
- আনৰ ওচৰত যীচুৰ বিষয়ে ক'বলৈ মোৰ অনেক আগ্ৰহ আৰু সাহস আছে (পাচনিকৰ্ম ঃ ৪:৩১ পদ)।
- মই মোৰ বন্ধু বিলাকৰ সৈতে আৰু অধিক বন্ধুত্বপূৰ্ণ হৈছো।
- মই ঈশ্বৰৰ অনুগ্ৰহত আনন্দেৰে জীয়াই আছো।
- এক কঠিন পৰিস্থিতিতো ঈশ্বৰে মোক আচৰিত ধৰণে জীয়াই ৰাখিছে আৰু মোৰ অন্তৰত শক্তি সঞ্চাৰ কৰিছে।

- মই উপলব্ধি কৰিছো যে ঈশ্বৰে মোক আত্মিক বৰ প্ৰদান কৰিছে।
- সমালোচনা বন্ধ হ'ল। যেতিয়া মই আনক সমালোচনা কৰা শুনো তেতিয়া মই অস্বস্তি অনুভৱ কৰো।

নীৰৱে মোৰ অন্তৰত এই পৰিবৰ্তন হৈছিল। বাইবেলৰ প্ৰতিজ্ঞাৰ সৈতে পবিত্ৰ আত্মাৰ বাবে প্ৰাৰ্থনা কৰি প্ৰতিদিনে কিছু সময় অতিবাহিত কৰাৰ পিছত মই এই পৰিবৰ্তন প্ৰথমে লক্ষ্য কৰিছিলো। তেতিয়াৰ পৰা মই এক বেলেগ ধৰণৰ খ্ৰীষ্টিয় আদৰ্শৰ অভিজ্ঞতা লাভ কৰিছো। আগতে ঈশ্বৰৰ সৈতে মোৰ জীৱন প্ৰায়ে কষ্টকৰ আৰু কঠিন আছিল ; এতিয়া মই আনন্দ আৰু শক্তি অনুভৱ কৰো।

মোৰ ব্যক্তিগত জীৱনত পবিত্ৰ আত্মাৰ অভাৱৰ বাবে হোৱা লোকচানৰ কাৰণে মই অনুশোচনা কৰো। মোৰ বৈবাহিক জীৱন, পাৰিবাৰিক জীৱনত আনকি মণ্ডলীত য'ত মই পাষ্টৰ হিচাবে পৰিচৰ্যা কৰিছো তাতো ক্ষতি হৈছে। যেতিয়া মই এইটো উপলব্ধি কৰিছিলো মই প্ৰভুক ক্ষমা বিচাৰিছিলো।

দুৰ্ভাগ্যবশত এইটো সঁচা যে এই বিষয়ত আমি নিজে যিমান আগুৱাই যাব পাৰো, তাতকৈ অধিক আনক আগুৱাই নিব নোৱাৰো। আমি এইটোও মনত ৰাখিব বিচাৰো যে, পৰিয়াল আৰু মণ্ডলীৰ লোক সকলৰ ব্যক্তিগত দুৰ্বলতাসমূহ বৃদ্ধি পাইছে।

আনবিলাকে যাতে তেওঁলোকৰ জীৱনৰ একেটা ভুলৰ বাবে অনুশোচনা কৰিব লগা নহয়, তাৰ বাবে মই কিছু চিন্তাৰ বিষয় তুলি ধৰিব বিচাৰো।

২ পিতৰ ঃ ১:৩-৪ পদত এইদৰে কোৱা হৈছে ঘনিষ্ঠ সম্পৰ্কৰ যোগেদি যীচুৰ সৈতে আমি, *"সেইবোৰৰ দ্বাৰাই বহুমূলীয়া আৰু অতি মহৎ প্ৰতিজ্ঞাবোৰ ............. ঐশ্বৰিক স্বভাৱৰ সহভাগী" হওঁ।*

ইয়াৰ অৰ্থ এইটোও যে প্ৰতিজ্ঞা অনুসৰি মোক পবিত্ৰ আত্মা প্ৰদান কৰা হৈছে। আপুনি প্ৰতিজ্ঞাবোৰ বেংক চেকৰ সৈতে তুলনা কৰিব পাৰে। যেতিয়া আমি কোনো একাউন্টৰ মালিকৰ স্বাক্ষৰিত চেক বেংকত দিওঁ,

তেতিয়া আমি সেই লোকজনৰ জমা টকাৰ পৰা টকা উলিয়াব পাৰো। ঈশ্বৰৰ সন্তান হিচাবে (যোহন ঃ ১:১২ পদ) আমি যীচুৰ স্বাক্ষৰিত চেকৰ যোগেদি প্ৰতিদিনে প্ৰতিজ্ঞাৰ উপহাৰ লাভ কৰিব পাৰো। আমি নিজে বনোৱা অথবা কোনো কাৰু শিল্পীৰ যোগেদি বনোৱা চেক উপস্থাপন কৰাটো কোনো ভাল কাৰ্য নহ'ব। আমাক প্ৰয়োজন হ'ব একাউন্ট ধাৰকৰ স্বাক্ষৰিত চেক।

আৰু এটা কাৰণ আছে যিটো আমাক প্ৰতিজ্ঞাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ উৎসাহিত কৰিব পাৰে। ঈশ্বৰৰ বাক্যত শক্তি আছে। কিয় যীচুৱে ক্ৰুচৰ ওপৰত তিনিবাৰ গীতমালাৰ বাক্য উল্লেখ কৰি প্ৰাৰ্থনা কৰিছিল? কিয় যীচুৱে নিজে প্ৰতিৰোধ কৰিছিল আৰু বাইবেলত উল্লেখিত বাক্য ব্যৱহাৰ কৰি অৰণ্যত চয়তানক পৰাভূত কৰিছিল? মথি ঃ ৪:৪,৭,১০ পদত তেওঁ কৈছিল ঃ "মানুহ কেৱল ........ ঈশ্বৰৰ মুখৰ পৰা ওলোৱা প্ৰত্যেক বাক্যেৰেহে জীৱ।"

সৃষ্টিকৰ্ত্তা, যীচুৱে জানিছিল যে, ঈশ্বৰৰ বাক্যত শক্তি আছে। "ঈশ্বৰৰ বাক্যৰ প্ৰতিটো আদেশ আৰু প্ৰতিজ্ঞাত শক্তি আছে আৰু জীৱন্ত ঈশ্বৰৰ প্ৰতিটো আদেশ সিদ্ধ হ'ব আৰু প্ৰতিজ্ঞা ফলবন্ত হ'ব।" কি যে এক আশ্চৰ্যকৰ মন্তব্য! ঈশ্বৰৰ শক্তি আৰু তেওঁৰ জীৱন প্ৰতিটো প্ৰতিজ্ঞাত আছে। যেতিয়া আমি প্ৰতিজ্ঞাৰ সৈতে প্ৰাৰ্থনা কৰো তেতিয়া আমি আমাৰ প্ৰাৰ্থনাত ঈশ্বৰৰ বাক্য ব্যৱহাৰ কৰো। ই ঈশ্বৰৰ বাক্যৰ বিষয়ে কয় ঃ "মোৰ মুখৰ পৰা ওলোৱা বাক্য তেনেকুৱা হ'ব ; সেয়ে বৃথা মোৰ ওচৰলৈ উলটি নাহিব.......।" (যিচয়া ঃ ৫৫:১১ পদ)।

মই কেৱল প্ৰতিজ্ঞা অনুসৰি পবিত্ৰ আত্মাৰ বাবে প্ৰাৰ্থনা কৰাৰ পৰিকল্পনা কৰিছো। যেতিয়া মই ঈশ্বৰৰ প্ৰতিজ্ঞা অনুসৰি প্ৰাৰ্থনা কৰো, মই জানো যে, মই পবিত্ৰ আত্মাৰ কাৰণে প্ৰাৰ্থনা কৰাৰ পিছত ১ যোহন ঃ ৫:১৫ পদৰ অনুসৰি মই বিশ্বাস কৰিব লাগিব যে মই সেইটো পাইছো। "আৰু আমি যি কোনো যাচনা কৰো, আমাৰ সেই যাচনা তেওঁ শুনে, ইয়াকে যদি জানো, তেন্তে তেওঁক যি যি যাচনা কৰিলো, সেই সকলোকে পালো বুলি আমি

জানো।”

যেতিয়া মই কোনো প্ৰতিজ্ঞা অবিহনে প্ৰাৰ্থনা কৰো, তেতিয়া মই আশা কৰো যে মোৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়া হ’ব। এনেধৰণৰ প্ৰাৰ্থনাৰ বাবে সময় লোৱা আৰু সন্ধিয়া বিফলতাৰ বিষয়ে অভিযোগ কৰাৰ সলনি এটা আশীৰ্বাদপূৰ্ণ দিন হিচাবে অনুভৱ কৰা ভাল।

মই এটা ই-মেইল পাইছিলো যিটো অতি আনন্দৰ সৈতে লিখা হৈছিল ঃ “মই কোনো দিনো ভাবিব পৰা নাছিলো যে, এইটো সম্ভৱ হ’ব যে যদি মই গোটেই দিন মোৰ নিজৰ কথাত প্ৰাৰ্থনা কৰো অথবা বাইবেলৰ প্ৰতিজ্ঞাৰ বাবে প্ৰাৰ্থনা কৰো তেনেহ’লে ইমান ডাঙৰ পাৰ্থক্য দেখা যাব। প্ৰতিজ্ঞা সকলো সময়তে মোৰ বাবে এটি গুৰুত্বপূৰ্ণ বিষয়। মই সকলো সময়তে ইয়াৰ ওপৰত বিশ্বাস ৰাখিছো, কিন্তু মই প্ৰতিদিনে এইটো বিচৰাত বিফলতা হৈছো। যীচুৰ সৈতে মোৰ জীৱনে এক গভীৰ, অধিক আনন্দ, অধিক আত্ম-বিশ্বাস আৰু শান্তি লাভ কৰিছে। মই এই কাৰণে ঈশ্বৰক ধন্যবাদ জ্ঞাপন কৰিছো।”

এই কাৰণে মই সিদ্ধান্ত লৈছো যে মই পবিত্ৰ আত্মাৰ প্ৰতিজ্ঞাৰ সৈতে প্ৰাৰ্থনা কৰাৰ এটি আৰ্হি দেখুৱাম। স্বাভাৱিকতে এইটো চুটি হ’ব পাৰে। প্ৰভুৰ বাক্যৰ দ্বাৰা আমি প্ৰত্যক্ষভাৱে নিজৰ বাবে প্ৰাৰ্থনা কৰিবলৈ শিকাটো গুৰুত্বপূৰ্ণ। কিন্তু লক্ষণীয় বিষয়টো হ’ল যে আমাৰ বিশ্বাস প্ৰতিজ্ঞাৰ দ্বাৰা এনেদৰে শক্তিশালী হয় যে, আমি প্ৰাৰ্থনা কৰাৰ পিছত পবিত্ৰ আত্মা লাভ কৰিছো বুলি আমাৰ বিশ্বাস জন্মে। যেতিয়া আমি প্ৰাৰ্থনা কৰো আৰু তাক বিশ্বাস কৰো তেতিয়া আমি পবিত্ৰ আত্মা লাভ কৰো।

## পবিত্ৰ আত্মাৰে প্ৰতিদিন নৱীকৰণ হোৱাৰ প্ৰতিজ্ঞা অনুসৰি এক দৃষ্টান্তমূলক প্ৰাৰ্থনা

স্বৰ্গত থকা পিতৃ, মই আমাৰ ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ নামেৰে আপোনাৰ ওচৰলৈ আহিছো। আপুনি কৈছে ঃ তোমাৰ হৃদয় মোক দিয়া (হিতোপদেশ ঃ ২৩:২৬ পদ)। মই নিজকে আজি মোৰ যি আছে সেই সকলোবোৰৰ সৈতে

সোধাই দিব বিচাৰো। ধন্যবাদ দিওঁ যে আপুনি আপোনাৰ ইচ্ছা অনুসৰি এই প্ৰাৰ্থনাৰ উত্তৰ দিছে, কিয়নো আপোনাৰ বাক্যই কয় যে যদি আমি আপোনাৰ ইচ্ছা অনুসৰি প্ৰাৰ্থনা কৰো তেন্তে আমি জানিম যে আমি ইতিমধ্যে এইটো লাভ কৰিছো ( ১ যোহন ঃ ৫:১৫ পদ)। আৰু আপুনি এইটোও কৈছিল যে আপোনাৰ ওচৰলৈ যিবিলাকে আহিব তেওঁবিলাকক আপুনি কোনোমতে বাহিৰ নকৰিব (যোহন ঃ ৬:৩৭ পদ)।

যীচুৱে কৈছিল ঃ "এতেকে তোমালোকে দুৰ্জন হৈয়ো নিজ নিজ সন্তান বিলাকক যদি ভাল বস্তু দিব জানা, তেন্তে তাতকৈয়ো তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে, তেওঁত খোজা বিলাকক পবিত্ৰ আত্মা নিদিব নে?" (লূক ঃ ১১:১৩ পদ)।

*পিতৃ আপুনি আৰু কৈছিল যে যি কোনোৱে আপোনাক বিশ্বাস কৰিব (যোহন ঃ ৭:৩৪-৩৯ পদ), যিকোনোৱে আপোনাৰ আজ্ঞা মানিব (পাচনি কৰ্ম ঃ ৫:৩২ পদ), যিকোনোৱে পবিত্ৰ আত্মাৰে দ্বাৰা নবীকৰণ হ'ব (ইফিচীয়া ঃ ৫:১৮ পদ), আৰু যি কোনোৱে আত্মাৰে চলিব (গালাতীয়া ঃ ৫:১৬ পদ) তেওঁ বিলাকক পবিত্ৰ আত্মা দান কৰিব। এইটো মোৰ ইচ্ছা। অনুগ্ৰহ কৰি মোত পবিত্ৰ আত্মা দান কৰক। এই কাৰণে মই আজি আন্তৰিকতাৰে পবিত্ৰ আত্মা দান কৰাৰ অনুৰোধ কৰিছো। যিহেতু মই আপোনাৰ ইচ্ছা অনুসৰি যাচনা কৰিছো, মই ধন্যবাদ দিওঁ যে আপুনি মোক পবিত্ৰ আত্মা দান কৰিছে (যোহন ঃ ৫:১৫ পদ)। আপোনাক ধন্যবাদ দিওঁ যে মই লগতে আপোনাৰ ঐশ্বৰিক প্ৰেম লাভ কৰিছো, কাৰণ আপোনাৰ বাক্যই কৈছে ঃ "কিয়নো আমাক দিয়া পবিত্ৰ আত্মাৰ দ্বাৰাই আমাৰ হৃদয়ত ঈশ্বৰৰ প্ৰেম বাকি দিয়া হৈছে।" (ৰোমীয়া ঃ ৫:৫ ; ইফিচীয়া ঃ ৩:১৭ পদ)। মই গীত ৰচকৰ সৈতে ক'ব বিচাৰো ঃ "হে মোৰ বৰস্বৰূপ যিহোৱা, মই তোমাক প্ৰীতি কৰো"। (গীতমালা ঃ ১৮:১ পদ)। ধন্যবাদ দিওঁ যে মই আপোনাৰ প্ৰেমৰ দ্বাৰা মোৰ সহকৰ্মী লোকক প্ৰেম কৰিব পাৰো।*

*ধন্যবাদ দিওঁ যে পবিত্ৰ আত্মাৰ দ্বাৰা মোত থকা পাপৰ শক্তি বিনষ্ট হৈছে (ৰোমীয়া ঃ ৮:১৩ ; গালাতীয়া ঃ ৫:১৬ পদ)। অনুগ্ৰহ কৰি আজি*

*মোক পাপ আৰু জগতৰ পৰা মুক্ত আৰু ৰক্ষা কৰক, মোক পতিত স্বৰ্গদূত সকলৰ পৰা সুৰক্ষা দিয়ক, মোক পৰীক্ষাৰ পৰা ৰক্ষা কৰক আৰু যেতিয়া প্ৰয়োজন হয় মোক কাঢ়ি নিয়ক আৰু মোৰ পুৰণি পাপ প্ৰকৃতিৰ পৰা ৰক্ষা কৰক ( ১ যোহন ঃ ৫:১৮ পদ)।*

*অনুগ্ৰহ কৰি মোক আপোনাৰ বাক্য আৰু কাৰ্যৰ সাক্ষী হ'বলৈ সহায় কৰক (পাচনিকৰ্ম ঃ ১:৮)। মোৰ প্ৰাৰ্থনা শুনাৰ কাৰণে মই আপোনাৰ প্ৰশংসা আৰু ধন্যবাদ প্ৰদান কৰো। আমেন।*

পবিত্ৰ আত্মাৰ যোগেদি যীচুৱে নিজে আমাৰ হৃদয়ত বাস কৰিব বিচাৰে (১ যোহন ঃ ৩:২৪ পদ ; যোহন ঃ ১৪:২৩ পদ)। *ইলেন. জি. হুৱাইটে কৈছিল ঃ "আমাত খ্ৰীষ্টৰ জীৱন হৈছে পবিত্ৰ আত্মাৰ প্ৰভাৱ।"* পবিত্ৰ আত্মাৰ শক্তিয়ে পিতৰ, পৌল আৰু অনেকক পৰিবৰ্তন কৰিছে, সেইয়া আমাৰ বাবেও আছে। তেওঁ এই শক্তি আমাকো দান কৰিছে। "তেওঁ নিজ প্ৰতাপৰূপ ধনৰ দৰে নিজ আত্মাৰ দ্বাৰাই আন্তৰিক পুৰুষৰ সম্বন্ধে তোমালোকক শক্তিৰে শক্তিমন্ত হ'বলৈ দিয়ক" (ইফিচীয়া ঃ ৩:১৬ পদ)। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাটো হৈছে আনন্দ, প্ৰেম, শক্তি আৰু পাপৰ ওপৰত জয়যুক্ত হোৱাৰ এটি বিশ্বাসপূৰ্ণ জীৱনৰ মূল চাবিকাঠি। "........ য'তে প্ৰভুৰ আত্মা, ত'তে স্বাধীনতাও" ( ২ কৰিন্থীয়া ঃ ৩:১৭ পদ)।

মই এটা বাৰ্ত্তা পাইছিলো তাত এইদৰে কোৱা হৈছিল ঃ "মণ্ডলীৰ অনেক সদস্য সকলে দুজন দুজন কৰি দৈনিক প্ৰাৰ্থনা কৰিছিল। যোৱা পাঁচ মাহ ধৰি মই মোৰ প্ৰেমিকাৰ সৈতে প্ৰাৰ্থনা কৰি আছো। কেৱল ব্যক্তিগত জীৱনতে নহয়, কিন্তু আমাৰ পৰিয়াল, সম্পৰ্ক, বিবাহ, আত্মিকত আৰু মণ্ডলীতো আগবাঢ়ি গৈছো, এইটো নহয় যে এক বৃহৎ মতানৈক্যৰ সৃষ্টি কৰে, বৰঞ্চ এইটো এক শান্ত, প্ৰাকৃতিক উপায়েৰে ফল প্ৰদান কৰে। আমি আচৰিত হৈছো আৰু লক্ষ্য কৰিছো যে এইটো এক ঈশ্বৰৰ শোধন প্ৰক্ৰিয়া, যিয়ে জীৱনক বিভিন্ন ধৰণে সহজ কৰি তুলিব পাৰে, কিয়নো আমি ঈশ্বৰৰ ঘনিষ্ঠতা অধিক অনুভৱ কৰো।

# এজন ব্যক্তি আত্মিক হৈ থাকিব পাৰে নে?

হয়, যেতিয়া আমি অবিশ্বাসৰ মনোভাৱ বিকশিত হ'বলৈ নিদিওঁ আৰু আমি আত্মিক ভাৱে জীয়াই থাকো ঃ "শ্বাস ত্যাগ" কৰাৰ দ্বাৰা আমাৰ পাপ স্বীকাৰ কৰো আৰু "শ্বাস গ্ৰহণ" কৰাৰ দ্বাৰা ঈশ্বৰৰ প্ৰেম আৰু ক্ষমা পাওঁ আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'বলৈ বিশ্বাসৰ প্ৰাৰ্থনাৰ দ্বাৰা নবীকৰণ হওঁ।

এইটো আমাৰ সন্তানবিলাকৰ সৈতে থকা সম্পৰ্কৰ দৰে। যেতিয়া এটি সন্তান অবাধ্য হয় তেতিয়াও আমাৰেই সন্তান হৈ থাকে। কিন্তু আমি সম্পৰ্কত বিশৃংখল হোৱা অনুভৱ কৰো। সন্তানটোৱে আমাক হয়তো সেইদৰে চাব নোৱাৰিব পাৰে। এই বিশৃংখল অৱস্থা অনুতাপৰ যোগেদি সংশোধন কৰিব পাৰি।

কিন্তু এজন ব্যক্তিয়ে জীৱনৰ দীঘলীয়া পথত পুনৰাই হয়তো জাগতিক হ'ব পাৰে। বাইবেলে আমাক এইদৰে শিক্ষা নিদিয়ে "এবাৰ ধাৰ্মিক হোৱাই গোটেই জীৱন ধাৰ্মিক।" আমাৰ পাপৰ প্ৰৱণতা সকলো সময়তে থাকে। কোনো পাচনি আৰু ভাৱবাদীয়ে কেতিয়াও কোৱা নাই যে তেওঁলোকে পাপ প্ৰকৃতিৰ পৰা মুক্ত আছিল।

কিন্তু পবিত্ৰ আত্মাৰ সৈতে আৰু যীচুক অন্তৰত স্থান দি জীৱনত পাপৰ প্ৰৱণতাক ধ্বংস কৰিব পাৰো আৰু আমি এক সুখী আৰু শক্তিশালী খ্ৰীষ্টিয়ান জীৱন-যাপন কৰিব পাৰো। আমাৰ ধাৰ্মিকতা কেৱল যীচুখ্ৰীষ্টতহে আছে। ".......... ঈশ্বৰৰ পৰা আমালৈ জ্ঞান, অৰ্থাৎ ধাৰ্মিকতা, পবিত্ৰতা লাভ আৰু মুক্তি হ'ল" ( ১ কৰিন্থীয়া ঃ ১:৩০ পদ)। অতি সোনকালে এই গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত বিতং ভাৱে আলোচনা কৰা হ'ব।

যদি আমি দীৰ্ঘদিন ধৰি আত্মিক জীৱনটো অৱহেলা কৰাৰ যোগেদি আৰু আত্মিক জীৱন-যাপন কৰাত অকৃতকাৰ্য হোৱাৰ যোগেদি আমি জাগতিক হৈছো তেনেহ'লে অমি সোঁৱৰণ কৰা উচিত যে আমাৰ ধৈৰ্যশীল উদ্ধাৰকৰ্ত্তা আমাৰ বাবে অপেক্ষা কৰি আছে। আমি এইটো অৱশ্যে জনা উচিত যে আমি ঈশ্বৰৰ অনুগ্ৰহত নবীকৰণ হ'ব পাৰো আৰু অনন্তকালৰ বাবে এটা আত্মিক

জীৱনৰ আশা কৰিব পাৰো। কোনো মনুষ্যই গোটেই জীৱন জাগতিক হোৱাৰ প্ৰয়োজন নাই।

কিন্তু ব্যক্তিগত ভাৱে আৰু সাধাৰণ ভাৱে মনত ৰখা উচিত যে যিটো ৰেণ্ডি মেক্সওৱেল কৈছিল ঃ "আমি ভাবোনে যে আত্মিক মৃত্যুৰ পৰা ঈশ্বৰৰ মণ্ডলীৰ পুনৰুজ্জীৱিতকৰণ কোনো প্ৰচেষ্টা অবিহনে সম্পন্ন কৰিব পাৰি?"

ইয়াত থকা প্ৰচুৰ জীৱন আৰু অনন্ত জীৱন, বহুতো লোকৰ পৰিত্ৰাণ আৰু যীচুৰ মহান বলিদানৰ বাবে আমাৰ কৃতজ্ঞতা প্ৰচেষ্টাৰ যোগেদিয়েই সফল হ'ব। গুৰুত্বপূৰ্ণ কথাটো হ'ল প্ৰতিদিনে ৰাতিপুৱা উপাসনাত ঈশ্বৰৰ সৈতে মিলিত হোৱা। কাৰণ ইয়াতে তেওঁ আমাক তেওঁৰ শক্তিৰে সজ্জিত কৰিব।

আমি পাচনি যোহনৰ বিষয়ে এইদৰে পঢ়িছো ঃ "তেওঁৰ হৃদয় প্ৰতিদিন এনেভাৱে খ্ৰীষ্টৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰিলে যে, তেওঁ নিজ প্ৰভুৰ প্ৰেমত লীন হৈ গ'ল। খ্ৰীষ্টৰ পুনৰ গঢ়ি লোৱা শক্তিত তেওঁৰ আটাই পুৰণি স্বভাৱবোৰ নাইকিয়া হ'ল। পবিত্ৰ আত্মাৰ পুনৰুদ্ধাৰ কৰা শক্তিয়ে তেওঁৰ হৃদয় নতুন কৰিলে আৰু খ্ৰীষ্টৰ প্ৰেমৰ শক্তিয়ে তেওঁৰ দোষবোৰৰ পৰিবৰ্তন সাধিলে। এইয়াই হ'ল খ্ৰীষ্টত বাস কৰাৰ নিশ্চিত পৰিণাম। খ্ৰীষ্ট যেতিয়াই আমাৰ হৃদয়ত বাস কৰে, আমাৰ জীৱন সলনি হয়।"

*"মই তোমাৰ ব্যৱস্থাত আচৰিত আচৰিত বিষয় দেখিবৰ নিমিত্তে, মোৰ চকু মুকলি কৰা" (গীতমালা ঃ ১১৯:১৮ পদ)। আপুনি মোক চলাই নিয়াৰ কাৰণে ধন্যবাদ আৰু মই ক'ব পাৰো ঃ "বহুত লুট দ্ৰব্য পোৱাজনৰ নিচিনাকৈ, মই তোমাৰ বাক্যত হৰ্ষ কৰো" (গীতমালা ঃ ১১৯:১৬২ পদ)।*

——

## ৬ষ্ঠ অধ্যায়

# আমাৰ আগত কেনেধৰণৰ অভিজ্ঞতা আছে?

*ব্যক্তিগত অভিজ্ঞতা, লগতে মণ্ডলীৰ অভিজ্ঞতা, কনফাৰেঞ্চ আৰু ইউনিয়নৰ পৰাও অভিজ্ঞতা।*

## এজন ভাইৰ অভিজ্ঞতা

"যোৱা দুই বছৰ ধৰি মই মোৰ জীৱনত পবিত্ৰ আত্মা দান কৰাৰ বাবে প্ৰতিদিনে প্ৰাৰ্থনা কৰি আছো। মোৰ প্ৰাৰ্থনা হৈছে যে যীচুৱে মোৰ হৃদয়ত প্ৰতিদিনে বাস কৰক। ঈশ্বৰৰ সৈতে চলাটো (এই সময়ত) অবিশ্বাস্য আছিল। মই যীচুক মোৰ হৃদয়ত বাস কৰিবলৈ, মোৰ যোগেদি তেওঁৰ ইচ্ছা পূৰণ কৰিবলৈ আৰু পবিত্ৰ আত্মাৰে মোক প্ৰতিদিনে নৱীকৰণ কৰিবলৈ অনুৰোধ জনোৱাৰ পিছত গালাতীয়া ঃ ৫ অধ্যায়ৰ পবিত্ৰ আত্মাৰ ফল মোৰ জীৱনত অধিককৈ প্ৰকাশ পাইছে। বাইবেল অধ্যয়ন, আনৰ সৈতে খ্ৰীষ্টৰ বিষয়ে আলাপ-আলোচনা কৰি মই অধিক আনন্দ লাভ কৰিছো আৰু আনৰ কাৰণে প্ৰাৰ্থনা কৰাৰ তীব্ৰ ইচ্ছা জাগি উঠিছে ; তদুপৰি, মোৰ জীৱনশৈলী নাটকীয়ভাৱে সলনি হৈছে। মই এই সকলোবোৰ প্ৰতিদিন ঈশ্বৰৰ অনুসন্ধান কৰাৰ আৰু পবিত্ৰ আত্মাৰ বাবে প্ৰাৰ্থনা কৰাৰ নিশ্চয়তা ফল হিচাবে চাওঁ। তেওঁ আৰু কৈছে ঃ

*"মই আপোনাক মাত্ৰ ছয় সপ্তাহ প্ৰতিদিন পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ*

*থাকিবৰ বাবে প্ৰাৰ্থনা কৰাৰ আহ্বান জনাওঁ আৰু ইয়াৰ পিছত আপোনাৰ জীৱনত কি হয় চাওঁক।”*

## চাৰ্বিয়াত ৪০ দিনৰ প্ৰাৰ্থনা ফল

“২০১০ চনৰ চেপ্তেম্বৰ মাহত আমি “দ্বিতীয় আগমনৰ বাবে যুগুত হ'বলৈ প্ৰাৰ্থনা আৰু উপাসনাৰ” ৪০ দিনৰ কিতাপখন অনুবাদ আৰু প্ৰকাশ কৰিছিলো। আমি এইটো আমাৰ ইউনিয়নৰ সকলো মণ্ডলীৰ সদস্যৰ বাবে উপলব্ধ কৰিলো। তাৰ পিছত আমি পৰবৰ্তী ৪০ দিনত স্থানীয় মণ্ডলীত আৰু সভ্য সকলৰ ঘৰত সাপ্তাহিক আৰু দৈনিক প্ৰাৰ্থনা সভাৰ আয়োজন কৰিছিলো, য'ত লোকবিলাকে উপবাস কৰিছিল আৰু পবিত্ৰ আত্মা পুনৰায় বাকি দিয়াৰ বাবে প্ৰাৰ্থনা কৰিছিল।

এই কাৰ্য যেতিয়া আৰম্ভ হ'ল, মণ্ডলী আৰু সাধাৰণ লোক সকলৰ মাজত এটা নতুন পৰিবৰ্তন দেখা গ'ল। মণ্ডলীৰ অনিয়মিত সদস্য সকল সক্ৰিয় হ'ল আৰু আনৰ সেৱা কৰিবলৈ অধিক আগ্ৰহী হৈ উঠিল। যিসকলে বহু বছৰ ধৰি ইজনে সিজনৰ সৈতে বিভিন্ন সময়ত কাজিয়া কৰিছিল (আনকি ইজনে সিজনৰ সৈতে কথা পতা বন্ধ কৰিছিল), তেওঁবিলাকৰ মাজত এটা পৰিবৰ্তন দেখা গ'ল আৰু সকলোৰে সৈতে এটা নতুন সম্পৰ্ক স্থাপন হ'ল। তেওঁবিলাকে এতিয়া একেলগে প্ৰচাৰ কৰাৰ কাৰণে পৰিকল্পনা কৰিবলৈ উদ্যত হ'ল।

ইয়াৰ পিছত ২০১০ চনৰ অক্টোবৰ মাহত, বাৰ্ষিক অধিবেশনৰ সময়ত, পুনৰ জাগৰণ আৰু সংস্কাৰৰ প্ৰচেষ্টা আৰম্ভ কৰা হৈছিল। আমি আনন্দেৰে ইয়াক গ্ৰহণ কৰিলো আৰু বুজিব পাৰিলো যে ঈশ্বৰে আমাৰ ইউনিয়নত যি কাৰ্য আৰম্ভ কৰিছে তাৰ আৰম্ভণি মাত্ৰ।

এই প্ৰাৰ্থনা সভাৰ তাৎক্ষণিক ফলাফল হিচাবে ইউনিয়নৰ বিষয়া সকলৰ মাজত ঘনিষ্ঠ সহভাগিতা, মহা ঐক্য আৰু অসাধাৰণ বুজাবুজি দেখিবলৈ পালো।

# জুৰিখ/চুইজাৰলেণ্ডত ৪০ দিনৰ প্ৰাৰ্থনা

“আমাৰ পাষ্টৰ আৰু মই পৃথকে পৃথকে এখনকৈ কিতাপ পাইছিলো যাৰ বিষয়বস্তুৱে আমাক আকৰ্ষিত কৰিছিল। কিতাপখনৰ নাম আছিল ঃ ৪০ দিন ঃ দ্বিতীয় আগমনৰ বাবে যুগুত হ'বলৈ প্ৰাৰ্থনা আৰু উপাসনা, কিতাপখনৰ লিখক আছিল ডেনিছ স্মিথ, ৰিভিউ এণ্ড হেৰাল্ড পাবলিচিং এচ'চিয়েচনৰ দ্বাৰা প্ৰকাশিত। এই কিতাপখন তেতিয়া পঢ়া হোৱা নাছিল, এফালে থৈ দিয়া হৈছিল। কিন্তু ইয়াৰ বিষয়বস্তুৱে মোৰ জীৱন সলনি কৰি দিছিল।

যিহেতু জুৰিখ— ৱল্‌ফচউইস্কেলত থকা আমাৰ মণ্ডলীত (মাত্ৰ এশজন সদস্য আছিল) পুনৰ জাগৰণ আৰু প্ৰাৰ্থনাৰ যথেষ্ট প্ৰয়োজনীয়তা অনুভৱ কৰিছিল তেতিয়া আমি ২০১১ চনত ৪০ দিনৰ বাবে প্ৰাৰ্থনাৰ পৰিকল্পনা কৰিছিলো। এই পুস্তকখনে প্ৰাৰ্থনাৰ বাবে বিতং আৰু গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰিছিল আৰু ইয়াৰ উপৰিও ৪০ দিনৰ উপযুক্ত দৈনিক উপাসনাৰ কাৰ্যক্ৰম প্ৰদান কৰিছিল।

পুস্তকখনৰ বিষয়বস্তুত পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা, প্ৰাৰ্থনা, যীচুৰ জীৱন, প্ৰচাৰ কৰা আৰু আত্মিক সহভাগিতাৰ বিষয়ে আলোচনা কৰা হৈছে।

সেয়েহে আমি ২০১১ চনৰ ১ অক্টোবৰৰ পৰা অতি আগ্ৰহেৰে আৰু আনন্দেৰে ৪০ দিনৰ কাৰ্যক্ৰম আৰম্ভ কৰিছিলো। সৌভাগ্যক্ৰমে মণ্ডলীৰ বেছিভাগ সদস্যই অংশগ্ৰহণ কৰিছিল। প্ৰাৰ্থনাত অংশগ্ৰহণকাৰী সকলে সদায়ে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে, প্ৰতিদিনৰ কাৰণে শাস্ত্ৰৰ পদ তেওঁলোকলৈ পঠোৱা হৈছিল আৰু লোকবিলাকে ফোনৰ যোগেদিও প্ৰাৰ্থনা কৰিছিল। এটা দলে প্ৰতিদিন ৰাতিপুৱা ৬ বজাত প্ৰাৰ্থনা আৰু উপাসনাৰ বাবে একত্ৰিত হৈছিল।

আমাৰ ৪০ দিনৰ অভিজ্ঞতা আছিল অতুলনীয়, পাহৰিব নোৱাৰা এটা অভিজ্ঞতা। ঈশ্বৰে আমাৰ অনেকক প্ৰাৰ্থনাৰ উত্তৰ দিছিল, বিশেষকৈ একে সময়তে বাইবেলৰ ভাৱবাণীৰ ওপৰত ধাৰাবাহিক ভাৱে বক্তৃতা প্ৰদান কৰা হৈছিল। এই উপদেশবোৰ এক মহান আশীৰ্বাদ আছিল। আমাৰ মাজত

অনেক আলহী আছিল তাৰে ভাৱবাণীৰ বিষয়ে অধ্যয়ন কৰিবলৈ ২০ জনৰ নাম পঞ্জীয়ন কৰা হৈছিল। ( ২০১৩ চনৰ মাৰ্চ মাহত ভাৱবাণী চেমিনাৰত ৫০-৬০ জন লোক আহিছিল, যিটো জুৰিখৰ ২০ বছৰৰ ইতিহাসত কেতিয়াও ঘটা নাছিল।)

ঈশ্বৰৰ আত্মাই আমাৰ মণ্ডলীত পৰিবৰ্তনৰ কাৰ্য কৰিবলৈ ধৰিলে আৰু এটা অতি আনন্দৰ বিষয় যে কিদৰে আমাৰ সৰু সৰু দলবোৰ বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে আৰু মণ্ডলীৰ আগ্ৰহী সদস্য-সদস্যা সকলে বাইবেল শিক্ষা দিয়াৰ কাৰণে আগ্ৰহী শিক্ষাৰ্থী পাইছে। যি সকলে অংশগ্ৰহণ কৰিছিল তেওঁলোকৰ এতিয়া ঈশ্বৰৰ আত্মাৰ কাৰ্য কৰা অব্যাহত ৰখাৰ গভীৰ ইচ্ছা জাগি উঠিছে। আমি আমাৰ সম্পূৰ্ণ হৃদয়েৰে সৈতে তেওঁক ধন্যবাদ দিব বিচাৰো। — বিয়েটৰাইচ এগাৰ, জুৰিখ এডভেন্টিষ্ট চাৰ্চ, উল্‌ফচুইঙ্গেল।

## কলন/জাৰ্মানত ৪০ দিন প্ৰাৰ্থনা আৰু শুভবাৰ্ত্তা প্ৰচাৰ

পাষ্টৰ জোয়াও লোজি এগৰাকী জাৰ্মান-ব্ৰাজিলিয়ান। তেওঁ ব্ৰাজিলৰ বিভিন্ন চিকিৎসালয়ত আৰু বিভিন্ন মণ্ডলীত ৩৮ বছৰ কাম কৰিছিল, ইয়াৰ উপৰিও তেওঁ এটা ইউনিয়নত আৰু দক্ষিণ আমেৰিকা ডিভিজনতো কাম কৰিছিল। তেওঁ ২০১৩ চনৰ মাৰ্চ মাহত অৱসৰ লৈছিল। তেওঁ আৰু তেওঁৰ পত্নীয়ে কলনত আহি মিচনাৰী হিচাবে কাম কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল আৰু পৰ্তুগীজ আৰু স্পেনিচ ভাষা-ভাষী লোক সকলৰ মাজত কাম কৰিছিল।

"আমি কলনত এটা সৰু দল গঠন কৰিলো যাতে মণ্ডলীৰ সদস্য সকলক উৎসাহিত কৰিব পাৰো আৰু আমি অতিথিসকলক আমন্ত্ৰণ জনালো। ব্ৰাজিলৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি কলনত আমি ৪০ দিনৰ প্ৰাৰ্থনা সভা আৰম্ভ কৰিলো। আমাক কাম আৰম্ভ কৰিবলৈ যিবোৰ সামগ্ৰীৰ প্ৰয়োজন আছিল সেইবোৰ পৰ্তুগীজত সহজেই পাইছিলো।

পৰ্তুগীজ, স্পেনিচ আৰু জাৰ্মান ভাষাভাষীৰ লোক সকলে অতি আগ্ৰহেৰে ৪০ দিনৰ প্ৰাৰ্থনা সভা আৰম্ভ কৰিছিল। আমি ১০০ জন পৰিচিত

বন্ধুৰ কাৰণে প্ৰাৰ্থনা কৰিছিলো। আৰু এই ১০০ জনৰ নাম মণ্ডলীৰ ব্লেক ব'ৰ্ডত লিখি ৰখা হৈছিল। আৰু ৩০-৩৫ দিন পাৰ নোহোৱালৈকে আমি তেওঁলোকক জনোৱা নাছিলো যে আমি তেওঁলোকৰ কাৰণে প্ৰাৰ্থনা কৰিছো, আৰু একে সময়ত তেওঁলোকক বিশেষ অতিথি হিচাবে বিশ্ৰামবাৰত উপাসনা কৰিবলৈ আমন্ত্ৰণ জনাইছিলো। মণ্ডলীৰ এই বিশেষ প্ৰাৰ্থনা সেৱাত ১২০ জন লোক আহিছিল। এই প্ৰাৰ্থনা সভাত নড্ৰিয়েন ওৱেষ্টফলেনৰ পাৰচনেল মিনিষ্ট্ৰি বিভাগৰ পৰিচালক খ্ৰীষ্টিয়ান বেডৰেকে শিক্ষা প্ৰদান কৰিছিল। অতিথি সকলৰ মাজত কেইজনমানে যেতিয়া তেওঁলোকৰ নাম ব'ৰ্ডত লিখি থোৱা দেখা পাইছিল তেওঁবিলাকে আনন্দত উচুপি উঠিছিল।

ইয়াৰ পিছত, আন্তোনিয় নামেৰে এজন ব্ৰাজিলৰ প্ৰচাৰকে ১৫ দিনৰ বাবে প্ৰচাৰ সভা আৰম্ভ কৰিছিল। প্ৰত্যেকদিন সন্ধিয়া তেওঁ এক ঘন্টা ১৫ মিনিট কৰি শিক্ষা দিছিল (অনুবাদৰ সৈতে)। প্ৰচাৰ সভাৰ মূল বিষয়বস্তু আছিল "বাইবেলে আপোনালোকক আচৰিত কৰক।" শিৰোণাম বা মূল বিষয়বস্তুৱে যদিও দ্বিতীয় আগমনৰ বিষয়ে কয় তথাপি প্ৰকৃত বিষয়বস্তু আছিল, দানিয়েল আৰু প্ৰকাশিত বাক্য। শিক্ষা আৰু গানবোৰ পৰ্তুগীজৰ পৰা জাৰ্মানী ভাষালৈ অনুবাদ কৰা হৈছিল। তাত এটা সৰু দল আছিল যি সকলে প্ৰতি সন্ধিয়া সুন্দৰভাৱে গান-বাদ্য কৰিছিল। প্ৰতি সন্ধিয়া বেদীৰ ওচৰলৈ মতা হৈছিল। ভাল প্ৰতিক্ৰিয়াৰ বাবে আমি ঈশ্বৰৰ ওচৰত চিৰকৃতজ্ঞ। মণ্ডলীৰ সদস্য সকলে অতি গভীৰভাৱে প্ৰাৰ্থনা কৰিছিল, বিশেষকৈ ৪০ দিনৰ প্ৰাৰ্থনা সভাত গোটখোৱা লোক সকলৰ কাৰণে।

আমাৰ মণ্ডলীৰ উপাসনা গৃহটোত ৮০ জন লোক বহিব পৰা আসন আছে। কিন্তু ১০০ জনতকৈ অধিক লোক আহিছিল। গোটেই সপ্তাহটোত প্ৰায় ৬০ জনমানকৈ লোক গোট খাইছিল কিন্তু সপ্তাহৰ শেষত উপাসনা গৃহটোত সম্পূৰ্ণৰূপে ভৰ্তি হৈছিল। ৩২ জন অতিথি আছিল যিসকলে নিয়মিত ভাৱে যোগদান কৰিছিল। এইদৰে ৮ জন প্ৰাণীয়ে বাপ্তিষ্মা গ্ৰহণ কৰিছিল আৰু ১৪ জন ব্যক্তিয়ে বাপ্তিষ্মা ক্লাচত যোগদান কৰি আছিল। বছৰৰ শেষত ১৩ জন ব্যক্তিয়ে বাপ্তিষ্মা লৈছিল।

আমাৰ অনেক আশ্চৰ্যজনক অভিজ্ঞতা আছে। এজনো অনুবাদক বিচাৰি পাবলৈ কঠিন হৈছিল। এগৰাকী কেথলিক মহিলা শিক্ষকে আমাক সহায় কৰিবলৈ আগবাঢ়ি আহিল। কিন্তু বাইবেলৰ বিষয়ে তাইৰ কোনো অভিজ্ঞতা নাছিল। পিছত আমি এজন প্ৰটেষ্টান্ট অনুবাদকৰ কাৰণে প্ৰাৰ্থনা কৰিছিলো। অতি সোনকালেই আমি এখন ৰেষ্টুৰেন্টত এগৰাকী মহিলাক লগ পাইছিলো, তাই অতি আনন্দেৰে কৈছিল যে, তাই পৰ্তুগীজৰ পৰা জাৰ্মানী ভাষালৈ অনুবাদ কৰিব পাৰে আৰু তাই এদিন পেন্টিকষ্ট মণ্ডলীত জাৰ্মানী ভাষালৈ অনুবাদ কৰিছিল। তাই আমাৰ শুভবাৰ্ত্তা প্ৰচাৰ সভাৰ অনুবাদক আছিল আৰু তাই শেষত বাপ্তিষ্মাও লৈছিল।

অনুবাদক মাৰিয়াই তাইৰ বান্ধৱী এলিজাবেথক প্ৰাৰ্থনা সভাত আমন্ত্ৰণ জনাবলৈ অনুমতি বিচাৰিছিল। তাই কলম্বিয়ান এটা সৰু মণ্ডলীৰ চলাওঁতা আছিল তাৰ সদস্য কেৱল ১৩ জন আছিল। মাৰিয়াই তাইৰ মণ্ডলীৰ সদস্য সকলকো লগত লৈ আনিছিল। পাছত ইয়াৰ দুজনে বাপ্তিষ্মা লৈছিল। বৰ্তমান এলিজাবেথ আৰু তাইৰ পৰিয়ালৰ সদস্য সকলে বাইবেলৰ শিক্ষা গ্ৰহণ কৰি আছে।

হ'প চেনেলৰ সৈতে আৰু এটা অভিজ্ঞতা আছে। এগৰাকী জাৰ্মানী মহিলাই সৌভাগ্যক্ৰমে হ'প চেনেলৰ সন্ধান পাইছিল আৰু তাই বিশ্ৰামদিনৰ বিষয়ে যি প্ৰচাৰ কৰা হৈছিল তাক শুনি অনুপ্ৰাণিত হৈছিল। মাৰিয়াই তাইৰ স্বামীক তাইৰ সৈতে শুনিবলৈ অনুৰোধ কৰিছিল। বাৰ্ত্তাটো শুনি তেওঁৰো ভাল পাইছিল। যেতিয়া এদিন তেওঁলোকে তাইৰ মাকক লগ ধৰিবলৈ গৈ আছিল, তেওঁলোকে সিদিনা অন্য এটা পথত গৈছিল। তেতিয়া চাইনব'ৰ্ড দেখিবলৈ পালে। তেওঁলোকে বুজিব পাৰিলে যে এওঁ বিলাকেই হ'প চেনেলত কোৱা এড্‌ভেন্টিষ্ট লোক। বিশ্ৰামবাৰে তাই উপাসনা গৃহলৈ গৈছিল। তাৰপিছত তাইৰ স্বামীক আৰু মাকক তাইৰ সৈতে যাবলৈ আমন্ত্ৰণ জনাইছিল। পাছত তেওঁলোকে তিনিওজনে বাপ্তিষ্মা ল'লে।

আৰু এগৰাকী ৰাচিয়ান-জাৰ্মানী ভনীৰ অভিজ্ঞতাৰ কথা মনত পৰে। তাই ৪০ দিনৰ প্ৰাৰ্থনা সভাত যোগদান কৰিছিল আৰু তাইৰ ৰাচিয়ান

চুবুৰীয়াৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিছিল। যেতিয়া তাই তেওঁৰ চুবুৰীয়াৰ বাবে প্ৰাৰ্থনা কৰাৰ কথা এজনক কৈছিল, তেতিয়া চুবুৰীয়াজনে বহুত আচৰিত হৈছিল আৰু কৈছিল যে তেওঁ এনেকুৱাই এটা মণ্ডলী বিচাৰি আছিল যিসকলে বাইবেলৰ মতে বিশ্ৰামবাৰ পালন কৰে। তাই আৰু আন চুবুৰীয়া সকলেও প্ৰচাৰ সভাত যোগদান কৰিছিল। তেওঁলোকৰ মাজৰ দুজনে বাপ্তিষ্মা লৈছিল।

জেনী নামৰ এগৰাকী মহিলাৰ সৈতে জড়িত আন এটা অভিজ্ঞতা। তাই ব্ৰাজিলৰ এটা ব্যাপ্টিষ্ট মণ্ডলীৰ সদস্যা আছিল আৰু তাই ব্ৰাজিলত এটা পৰ্তুগীজ ভাষাৰ মণ্ডলীৰ অন্বেষণ কৰিছিল। তাই এটা এড্‌ভেন্টিষ্ট মণ্ডলীৰ সংস্পৰ্শলৈ আহিল, তাই তাত বাইবেলৰ শিক্ষা গ্ৰহণ কৰিলে আৰু পাছত বাপ্তিষ্মা ল'লে। তাই বাপ্তিষ্মা লোৱাৰ পিছত ব্ৰাজিলত থকা আত্মীয় বিলাকক আৰু তাইৰ মামাকক এড্‌ভেন্টিষ্টৰ বিষয়ে জনালে আৰু ক'লে তাইয়ো এতিয়া এড্‌ভেন্টিষ্ট। এই খবৰটো তাইৰ মা, মামাক আৰু ব্ৰাজিলৰ ব্যাপ্টিষ্ট মণ্ডলীৰ কাৰণে আশ্চৰ্যৰ বিষয় আছিল, য'ত তাই এগৰাকী সদস্যা আছিল। ব্ৰাজিলত থকা তাইৰ পৰিয়ালে পৰবৰ্তী সময়ত বিশ্ৰামবাৰৰ বিষয়ে জানিবলৈ এটা এড্‌ভেন্টিষ্ট মণ্ডলীলৈ গৈছিল। আৰু ইয়াৰ ফলত তাইৰ মাতৃ, দুগৰাকী ভনী আৰু দুজন আত্মীয়, মুঠ পাঁচজনে বাপ্তিষ্মা ল'লে। আৰু এতিয়া তাই আৰ্জেন্টিনাত থকা আন ভনী বিলাকৰ পৰিবৰ্তন হোৱাৰ কাৰণে প্ৰাৰ্থনা কৰি আছে। তাই ঈশ্বৰৰ ৰাজ্যত তেওঁলোকৰ সৈতে একেলগে থাকিব বিচাৰে।

ঈশ্বৰৰ পৰিচালনাত এনে ধৰণৰ অভিজ্ঞতা আৰু অনেক আছে— প্ৰথম অৱস্থাত ইটালী, জাৰ্মানী, পেৰু, ব্ৰাজিল, ইউক্ৰেইন, ভেনেজুৱেলা, কলম্বিয়া আৰু ৰাছিয়াৰ পৰা এজনকৈ মুঠ আঠজন লোকক বাপ্তিষ্মা দিয়া হৈছিল।

বছৰৰ আৰম্ভণিত আমি আৰু ৪০ দিনৰ প্ৰাৰ্থনা সভা আৰম্ভ কৰিলো। জিমি কাৰ্ডচো আৰু তেওঁৰ পত্নী, যিসকল প্ৰকৃততে ব্ৰাজিলৰ নিবাসী, কিন্তু বৰ্তমান তেওঁলোকে আমেৰিকাত বাস কৰে, তেওঁলোকে এই প্ৰচাৰ সভাৰ প্ৰচাৰক। যদিও প্ৰচাৰ সভাখন কেৱল এক সপ্তাহৰ কাৰণে আছিল, আমি

অৱশেষত চাৰিজন লোকক বাপ্তিষ্মা দিবলৈ সক্ষম হৈছিলো। তেওঁবিলাকক আগেয়ে বাইবেলৰ শিক্ষা দিয়া হৈছিল। তেওঁবিলাকৰ তিনিজন জাৰ্মানৰ আৰু অন্য এজন ইটালীৰ আছিল। দুয়োটা বাপ্তিষ্মা কলনৰ মুখ্য মণ্ডলীত হৈছিল, য'ত বাপ্তিষ্মা দিব পৰা ভাল সুবিধা আছে আৰু তাত ৪০০ জন লোক আছে।

আমি ঈশ্বৰক ধন্যবাদ জনাওঁ কিয়নো তেওঁ আমাক অতি আচৰিত ভাৱে সহায় কৰিছে। আমি বিশ্বাস কৰো যে ইয়াতকৈয়ো আৰু অধিক মহান কাৰ্য কৰিব লগা আমাৰ আগত আছে। আপোনালোকৰ প্ৰাৰ্থনাত আমাক সোঁৱৰণ কৰিব। — জোয়াও লটজ, কলন জাৰ্মান।

**গুৰুত্ব পূৰ্ণ মধ্যস্থত ঃ** "মই প্ৰথমে ( ৪০ দিনৰ পুস্তকখন) অধ্যয়ন কৰিছিলো। মই প্ৰথম পৃষ্ঠাৰ পৰাই পঢ়ি অতি প্ৰভাৱিত হৈছিলো। আমি কেৱল কাৰোবাৰ কাৰণে প্ৰাৰ্থনা কৰিলেই নহ'ব কিন্তু তেওঁৰ যত্নও ল'ব লাগিব। এইটোৱে মধ্যস্থতাৰ কাৰ্যক জীৱন্ত কৰি তোলে। দুৰ্ভাগ্যক্ৰমে, মই আগতে কেতিয়াও এনেকুৱা মধ্যস্থতাৰ কাৰ্য দেখা নাছিলো। বিশ্বাস কৰি জীৱন-যাপন কৰা ! মই বিশ্বাস কৰো যে প্ৰাৰ্থনা কৰি থকা ব্যক্তিজনৰ বাবে এইটো যিমান গুৰুত্বপূৰ্ণ, সেই ব্যক্তিজনৰ বাবেও সিমানেই গুৰুত্বপূৰ্ণ, যাৰ বাবে প্ৰাৰ্থনা কৰা হৈছে। একেদৰে, এইটোৱে মোক আৰম্ভণিৰ পৰাই নিশ্চিত কৰিছিল যে মণ্ডলীৰ সহভাগিতাই আমাক শক্তিশালী কৰে। হয় ! এই পুস্তকখনৰ শেষৰ অধ্যায়ত যিদৰে বৰ্ণনা কৰা হৈছে তেনেকুৱা সহভাগিতা যদি সকলো সময়তে থাকে। এনে ধৰণৰ সহভাগিতাৰ কাৰণে মই বহু বছৰ ধৰি অপেক্ষা কৰিছো। "মোৰ সৈতে খ্ৰীষ্ট" পুস্তকখনে নিজকে যত্ন কৰাৰ নিৰ্দেশনা দিয়ে আৰু নিজৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ পৰা মুক্ত হ'বলৈ সহায় কৰে। মোৰ সৈতে খ্ৰীষ্ট, এই বিষয়ে বহুত ধৰণৰ কিতাপ পঢ়িছো, কিন্তু এই পুস্তকখনে হয়তো অধিক সহায় কৰিছে যেন বোধ হয়। বিশ্বাস কৰো পুস্তকখন পঢ়ি আপোনাৰ প্ৰাৰ্থনাৰ জীৱন আৰু অধিক শক্তিশালী হ'ব আৰু ইয়াৰ ফলত মণ্ডলীত সহভাগিতাৰ কাৰ্যত সহায় কৰিব আৰু মধ্যস্থতা অধিক জীৱন্ত কৰি তুলিব। এই পুস্তকখনে মোক, মণ্ডলীক আৰু জগতখনৰ

বাবে আশা প্ৰদান কৰে। এই পুস্তকখনৰ বাবে মই ঈশ্বৰক ধন্যবাদ দিওঁ। ইয়াৰ পিছত মই ৪০ দিনৰ সহায়িকা পুস্তকখন অধ্যয়ন কৰাৰ পৰিকল্পনা কৰিছো, মোৰ কাৰণে প্ৰাৰ্থনা কৰিব যাতে ঈশ্বৰে য'ত মোক পৰিচালনা কৰে তাতেই যাব পাৰো।

**কেইসপ্তাহমানৰ পিছত ঃ**মই ভনী গৰাকীৰ পৰা আন এটা ই-মেইল পাইছিলো। "আপুনি জানে যে পুস্তকখন পোৱাৰ পিছতে মই প্ৰথমৰ পৰা পঢ়া আৰম্ভ কৰিছিলো, কিন্তু এইবাৰ যেতিয়া প্ৰাৰ্থনাত যোগদান কৰা লোক বিলাকৰ সৈতে পুস্তকখন পঢ়া আৰম্ভ কৰিলো, তেতিয়া আৱিষ্কাৰ কৰিলো যে মই প্ৰথমে যিমান ভাবিছিলো তাতকৈয়ো অধিক গুৰুত্বপূৰ্ণ। যি বিলাক প্ৰশ্নৰ উত্তৰ পোৱা নাছিলো সেই সকলো প্ৰশ্নৰ উত্তৰ এই পুস্তকখনৰ পৰা পাইছো। মোৰ প্ৰাৰ্থনাৰ সঙ্গীৰ বাবে ঈশ্বৰক ধন্যবাদ দিওঁ, যিজনে গভীৰ ভাৱে আৰু সক্ৰিয়ভাৱে যোগদান কৰিছিল।" এইচ. কে।

**আমি নিশ্চিত নাছিলোঃ** "ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ" পুস্তিকাটিয়ে মোক বিশেষভাৱে স্পৰ্শ কৰিছে। এটি এড্‌ভেন্টিষ্ট পৰিয়ালত জন্মগ্ৰহণ কৰি মই বিশ্বাস কৰিছিলো যে মই সঠিক পথতেই আছো। কিন্তু দহজনী কন্যা আৰু ৰোমীয়া ঃ ৮:৯ পদত লিখা "যি জনত খ্ৰীষ্টৰ আত্মা নাই, তেওঁ খ্ৰীষ্টৰ নহয়" এই বাক্যই মোক আঘাত কৰে। মই হঠাতে নিশ্চিত নাছিলো যে, মোৰ লগত পবিত্ৰ আত্মা আছে নে নাই আৰু তেওঁ মোৰ হৃদয়ত কাৰ্য কৰিছে নে নাই, কিয়নো মই পবিত্ৰ আত্মাৰ ফলবোৰ মোৰ জীৱনৰ পৰা হেৰুৱাই পেলাইছিলো। বিশ্ৰামবাৰৰ আবেলি মই পুস্তকখন পঢ়া শেষ কৰিলো। আৰু গভীৰ বিষণ্ণতাই মোক আৱৰি ধৰিলে। ইয়াৰ পিছত মই পুস্তকখনৰ শেষৰ ফালে থকা প্ৰাৰ্থনাটো পঢ়িলো আৰু পবিত্ৰ আত্মা লাভ কৰা, তেওঁক মোৰ হৃদয় পৰিবৰ্তন কৰিবলৈ সুযোগ দিয়া আৰু ঈশ্বৰৰ ইচ্ছা অনুসৰি গঠিত হোৱাৰ গভীৰ ইচ্ছা জাগি উঠিল।

**তেওঁক জনাঃ** কিছু সময়ৰ আগতে মই পুনৰ জাগৰণৰ ওপৰত লিখা আপোনাৰ প্ৰৱন্ধটো পঢ়িলো। প্ৰায় তিনি বছৰ ধৰি মই এই বিষয়টো লৈ ব্যস্ত আছিলো। এতিয়া মই "ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ" পুস্তকখন পঢ়া

আৰম্ভ কৰিছো। মই পুস্তকখন যদি গৌৰৱেৰে আমেন বুলি ক'ব পাৰো। মই অতি আনন্দিত কাৰণ এই পুস্তকৰ বহুতো পৃষ্ঠাত মোৰ নিজৰ কথা বিচাৰি পাইছো। মই উপলব্ধি কৰিব পাৰিছো যে আমাৰ মণ্ডলীত আমি এক এক ইঞ্চি কৰি লক্ষ্যৰ পৰা আঁতৰি গৈছো। আমি অপৰিহাৰ্য উদ্দেশ্যৰ পৰা দৃষ্টি হেৰুৱাইছো যিটো আমি অনুভৱো কৰিব পৰা নাই। অনেক সময়ত প্ৰশ্ন উদ্ভৱ হয় "সত্য কি, আমি কিদৰে জীৱন-যাপন কৰা উচিত অথবা ভাৱবাণী কিমান গুৰুত্বপূৰ্ণ" মই কোৱা নাই যে এইবোৰ ভুল। কিন্তু ঈশ্বৰে আমাক কিয় এইবোৰ দিছে যিটো আমি মনোযোগ নকৰো! সত্যৰ প্ৰকৃত লক্ষ্য ঈশ্বৰৰ সৈতে সম্পূৰ্ণ সহভাগিতা কৰা নহয় নে? ইয়াৰ পৰিবৰ্তে, এই দিশসমূহে প্ৰকৃততে ঈশ্বৰক জনাত সহায় নকৰেনে? আমি ঈশ্বৰৰ মহানতা আৰু সৰ্বশক্তিমান তাক স্বীকাৰ কৰা ভাৱবাণীৰ লক্ষ্য নহয়নে? যাতে আমি বুজিব পাৰো যে তেওঁ গোটেই পৃথিৱীখন তেওঁৰ হাতেৰে পৰিচালনা কৰিছে আৰু ইয়াক ধৰি ৰাখিছে আৰু একেদৰে তেওঁ আমাকো পৰিচালনা কৰিব পাৰে আৰু আমাৰ জীৱন গঢ়ি তুলিব পাৰে। এতিয়া প্ৰশ্ন হ'ল অনন্ত জীৱন কি? যোহন ঃ ১৭:৩ পদত কোৱা হৈছে ঃ "আৰু একমাত্ৰ সত্য ঈশ্বৰ যি তুমি, তোমাক আৰু তুমি পঠোৱা যীচু খ্ৰীষ্টক জনা, এয়েই অনন্ত জীৱন।" দৰা অহাৰ দৃষ্টান্তত নিৰ্বোধী পাঁচগৰাকী কন্যাক কৈছিল। 'তোমালোকক মই নিচিনো।' আমাৰ প্ৰকৃত উদ্দেশ্য হৈছে ঈশ্বৰক জনা, তেওঁৰ সৈতে সহভাগিতা কৰা, যাতে তেওঁ যিদৰে আগৰ কালত ঈশ্বৰৰ মন্দিৰ প্ৰতাপেৰে পৰিপূৰ্ণ কৰিছিল, সেইদৰে আমাকো পৰিপূৰ্ণ কৰিব পাৰে ( ২ বংশাৱালী ঃ ৫:১৩-১৪ পদ)। আৰু যেতিয়া তেওঁ আমাৰ মাজত বিৰাজ কৰে তেতিয়া তেওঁ আমাৰ সম্পূৰ্ণ সত্তাক পৰিপূৰ্ণ কৰে, আৰু তেতিয়া আমি নিজত থকা নাই কিন্তু খ্ৰীষ্টই আমাত বাস কৰে।"

## মধ্যস্থতাকাৰী প্ৰাৰ্থনাৰ আশ্চৰ্যজনক উত্তৰ

"ডি স্মিথৰ লিখা দ্বিতীয় ' ৪০ দিনৰ' পুস্তকখন মোৰ বাবে অবিশ্বাস্য আশীৰ্বাদস্বৰূপ আছিল। মই যি বিলাকৰ কাৰণে প্ৰাৰ্থনা কৰিছিলো তেওঁবিলাকৰ মাজৰ কিছুমানে জীৱনত ১৮০° পৰিবৰ্তনৰ অভিজ্ঞতা লাভ কৰিছে।

এই চল্লিশ দিনৰ পুস্তকখন পঢ়াৰ সময়ত এজন বন্ধুৰ সৈতে মই আত্মিক বিষয়ৰ ওপৰত গভীৰ আলোচনা কৰিছিলো। তেওঁ মোক কৈছিল যে, যোৱা কেই সপ্তাহমানত তেওঁৰ জীৱন সম্পূৰ্ণ বেলেগ পথত পৰিচালিত হৈছিল। তেওঁৰ বহুত প্ৰাৰ্থনাৰ প্ৰয়োজন আছিল, এতিয়া তেওঁ ঈশ্বৰৰ বাক্যৰ ওপৰত অধিককৈ নিৰ্ভৰশীল হৈ পৰিছে, আৰু আগতে যি বস্তুবোৰ অতি মূল্যৱান আৰু আকাংক্ষিত আছিল, সেইবোৰ এতিয়া তুচ্ছ জ্ঞান কৰিছে। মই উৎসাহিত হৈছিলো আৰু তেওঁক 'চল্লিশ দিন'ৰ পুস্তকখনৰ বিষয়ে কৈছিলো, তেওঁক এইটোৱো কৈছিলো যে, তেওঁ সেই পাঁচ জন লোকৰ ভিতৰত এজন যাৰ কাৰণে আমি নিয়মিত ভাৱে প্ৰাৰ্থনা কৰিছিলো। তেতিয়া তেওঁ আচৰিত ৰূপে ইতিবাচক ভাৱে উত্তৰ দিছিল ঃ 'তেনেহ'লে এই সম্পূৰ্ণ বিষয়টোৰ কৃতিত্ব আপোনাৰ ওপৰত আছে'।

এজনী ছোৱালীয়ে সিদ্ধান্ত লৈছিল যে তাইৰ জীৱনটো ১০০ শতাংশই ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰিব। যদিও তাই সৰুৰে পৰা খ্ৰীষ্টক জানিছিল, তথাপিও তাই ঈশ্বৰৰ অবিহনে জীৱন-যাপন কৰিছিল। বিশ্বাসৰ প্ৰতি তাইৰ কোনো আগ্ৰহ নাছিল আৰু তাই সম্পূৰ্ণৰূপে সাংসাৰিকত মত্ত আছিল। এতিয়া তাই সম্পূৰ্ণৰূপে সলনি হৈছে ; যি সকলে তাইক চিনি পায় সেইবিলাকে এতিয়া তাইক দেখি অতি আচৰিত হৈছে। তাই এতিয়া মোৰ সৈতে বাইবেল অধ্যয়ন কৰে আৰু আমাৰ মণ্ডলীত ৪০ দিনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে আৰু জীৱনত বিশ্বাসক অধিক গুৰুত্ব সহকাৰে লোৱাৰ বাবে অনুপ্ৰাণিত কৰিছে।

আন এগৰাকী যুৱতী যাৰ কাৰণেও মই প্ৰাৰ্থনা কৰিছিলো, তাই সপ্তাহজোৰা এটা প্ৰশিক্ষণ কৰ্মশালাত যোগদান কৰিছিল আৰু আন অংশগ্ৰহণকাৰী সকলৰ সৈতে একেলগে তাত থাকিব লগা হৈছিল। তাই এই অচিনাকি লোক বিলাকৰ সৈতে থকাৰ বিষয়ে বৰ চিন্তিত আছিল। তাই যোৱাৰ এদিনৰ আগত তাইক মই প্ৰাৰ্থনা কৰাৰ কাৰণে উৎসাহিত কৰিছিলো আৰু কৈছিলো যে, মই তাইৰ কাৰণে কিছুদিনৰ পৰা প্ৰাৰ্থনা কৰি আছো। সেইকাৰণে এতিয়াও আমি প্ৰাৰ্থনা কৰিলো যাতে ঈশ্বৰে এই পৰিস্থিতিত

তাইক শান্তি দিয়ে আৰু তেওঁ যাতে এই অভিজ্ঞতাক প্ৰাৰ্থনাৰ উত্তৰ হিচাবে দান কৰে। এই প্ৰশিক্ষণ কৰ্মশালাৰ সময়ত তাই মোক ফোন কৰি উৎসাহেৰে কৈছিল যে ঈশ্বৰে তাইৰ জীৱনত বিশ্বাস কৰিব নোৱাৰা কিছুমান কাৰ্য কৰিছে। তেওঁ কেৱল তাইক শান্তি দিয়াই নহয়, কিন্তু তাইক সন্ধিয়াৰ মনোৰঞ্জনৰ অনুষ্ঠানত অংশগ্ৰহণ নকৰিবলৈ মনোবল দিছিল।

যিহেতু মই ঈশ্বৰে কিদৰে প্ৰাৰ্থনাৰ উত্তৰ দিয়ে তাৰ মহান উপায়বোৰৰ বিষয়ে শুনিছো আৰু দেখিছো সেই বাবে চল্লিশ দিনৰ কাৰ্যসূচী শেষ কৰাৰ পাছতো মই সেই সকলো লোকৰ কাৰণে সদায়ে প্ৰাৰ্থনা কৰিছিলো।

## মধ্যস্থতাৰ যোগেদি ঈশ্বৰে কিদৰে কাৰ্য কৰে

“যোৱা পাঁচ বছৰ ধৰি মই মোৰ এজন অতি গুৰুত্বপূৰ্ণ ব্যক্তিৰ সৈতে সম্পূৰ্ণ ৰূপে মোৰ কোনো যোগাযোগ নাছিল। তেওঁ মোৰ বাৰ্ত্তাবোৰ অৱহেলা কৰা যেন লাগিছে। মই শুনিছিলো যে তেওঁ যোৱা তিনি বছৰ ধৰি গীৰ্জালৈ যোৱা নাই (তেওঁ মণ্ডলীতেই ডাঙৰ দীঘল হৈছিল)। আৰু তেওঁ এগৰাকী অখ্ৰীষ্টিয়ান মহিলাৰ সৈতে সম্পৰ্ক আছিল। মই এই ডেকা ল’ৰাজনৰ নামো মোৰ প্ৰাৰ্থনাৰ তালিকাত যোগ কৰিছিলো, যদিও মই কেতিয়াও ভবা নাছিলো যে তেওঁৰ সৈতে পুনৰ যোগাযোগ কৰাটো সম্ভৱ হ’ব, কিয়নো তেওঁ মোৰ পৰা প্ৰায় ৬০০ কিলোমিটাৰ দূৰত থাকে আৰু কেতিয়াও মোৰ চিঠি বা ই-মেইলৰ কোনো উত্তৰ দিয়া নাছিল। তথাপিও মই তেওঁৰ ভাল জীৱনৰ কাৰণে প্ৰাৰ্থনা কৰিছিলো।

কিছুদিনৰ ভিতৰত মণ্ডলীৰ আগন্তুক বাপ্তিস্মা কাৰ্যসূচীত এই ভাইজনৰ নাম থকা শুনিবলৈ পালো, এই বাপ্তিস্মা কাৰ্যসূচী আমাৰ ওচৰতে থকা মণ্ডলীত হ’ব লগা আছিল আৰু এইটো চল্লিশ দিনৰ প্ৰাৰ্থনা সভাৰ সময়তে আছিল। (আচলতে অন্য এটা তাৰিখতহে বাপ্তিস্মাৰ দিন ধাৰ্য কৰা হৈছিল)। মই সেই বাপ্তিস্মা কাৰ্যসূচীত উপস্থিত থাকিবলৈ আৰু তেওঁৰ সৈতে কথা পাতিবলৈ সিদ্ধান্ত লৈছিলো আৰু তেওঁক লগ পাই এটা গভীৰ আলোচনা কৰিবলৈ সক্ষম হৈছিলো। তেওঁ মোক কৈছিল যে তেওঁ ঈশ্বৰৰ ওচৰলৈ ঘূৰি

অহাটো অতি প্ৰয়োজন আছিল, কিন্তু তেওঁৰ জীৱন সলনি কৰাৰ শক্তি নাছিল। মই তেওঁক কৈছিলো যে, যোৱা ২০ দিন ধৰি মই আন্তৰিকতাৰে তেওঁৰ কাৰণে প্ৰাৰ্থনা কৰিছিলো আৰু ইয়াৰ আগৰ পৰাই তেওঁ মোৰ প্ৰাৰ্থনাৰ তালিকাত আছিল। এই কথা শুনি তেওঁ হতবাক হ'ল, কিয়নো ঠিক সেই সময়ৰ পৰাই তেওঁ উপলব্ধি কৰিব পাৰিছিল যে ঈশ্বৰে তেওঁৰ ওপৰত কাৰ্য কৰিছে।

এই বাপ্তিস্মা কাৰ্যসূচীৰ সময়ত তেওঁ বহুত উত্তেজিত হৈছিল আৰু যেতিয়া পাষ্টৰে আবেদন কৰিলে, তেতিয়া তেওঁৰ মনত এক সংঘৰ্ষ হৈছিল তাক আমি অনুভৱ কৰিব পাৰিছিলো আৰু এক দীঘলীয়া সংগ্ৰামৰ পিছত অৱশেষত তেওঁ আঁঠুকাঢ়ি ক্ৰন্দন কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ পুনৰায় ঈশ্বৰৰ ওচৰত নিজকে সমৰ্পণ কৰিলে। সেই দিনা সন্ধিয়াৰ কাৰ্যসূচীৰ শেষত, তেওঁ মোক কৈছিল যে, তেওঁ পুনৰায় নিয়মিত ভাবে মণ্ডলীত যোগদান কৰিব আৰু তেওঁৰ জীৱনশৈলী পৰিবৰ্তন কৰাৰ সিদ্ধান্ত লৈছিল। তেওঁ কেতিয়াও আশা কৰা নাছিল সপ্তাহৰ শেষৰ দিনটো এনেদৰে কটাব।

কেই সপ্তাহমানৰ পিছত মই তেওঁক যুব অভিযান সন্মিলনত লগ পাইছিলো, তেওঁক সন্মিলনটোৱে পুনৰ শক্তিশালী কৰিছিল আৰু গঢ়ি তুলিছিল। এনে প্ৰিয়জনৰ অনুতাপৰ বাবে মই ঈশ্বৰক ধন্যবাদ জনাইছো।" এম.এইচ.।

## জাৰ্মানৰ ব্যাডেন - ৱাৰটিমবাৰ্গেৰল উডিজবাৰ্গ মণ্ডলী

"প্ৰথমে আমি দুজন দুজন কৰি "চল্লিশ দিন" পুস্তকখন পঢ়িলো আৰু প্ৰাৰ্থনাৰ কালছোৱাত ব্যক্তিগতভাৱে মহান অভিজ্ঞতা আৰু আশীৰ্বাদ লাভ কৰিলো। ইয়াৰ পিছত আমি এটা মণ্ডলীত সপ্তাহত দুবাৰ প্ৰাৰ্থনা সভাৰ আয়োজন কৰিলো আৰু মণ্ডলীৰ সভ্য সকলৰ সৈতে পুস্তকখন পঢ়া আৰম্ভ কৰিলো। আমি স্পষ্টভাৱে ঈশ্বৰৰ আশীৰ্বাদ আৰু পৰিচালনা কৰা দেখিবলৈ পালো আৰু চল্লিশ দিনৰ প্ৰাৰ্থনাৰ সভাৰ সময়ত নানা ধৰণৰ আচৰিত কাৰ্যও দেখিবলৈ পোৱা গ'ল। মণ্ডলী হিচাবে ঈশ্বৰে আমাক সজীৱ, প্ৰাণৱন্ত আৰু

পুনৰ্জীৱিত কৰিছে ঃ মণ্ডলীৰ যি সকল সদস্য কেতিয়াও অচিনাকি লোকৰ সৈতে কথা পাতিবলৈ সাহস কৰা নাছিল, তেওঁবিলাকে হঠাতে নিজৰ প্ৰচেষ্টাত অপৰিচিত লোকবিলাকৰ সৈতে কথা ক'বলৈ আৰম্ভ কৰিছিল। প্ৰাৰ্থনাৰ যোগেদি ঈশ্বৰে আমাক মণ্ডলী হিচাবে এক বান্ধোন কৰিছে। মধ্যস্থতাকাৰী কাৰ্যৰ ফলত আমাৰ বিশেষ অভিজ্ঞতা লাভ কৰাৰ সুযোগ হৈছে আৰু পাঁচজন লোকক সহায় কৰাৰ সুযোগ পাইছো যি সকলৰ কাৰণে আমি চল্লিশ দিনৰ প্ৰাৰ্থনাৰ সময়ত প্ৰাৰ্থনা কৰিছিলো। এই লোক বিলাকৰ জীৱনত ঈশ্বৰে বিশেষ ধৰণে কাম কৰিছে। বাৰে বাৰে লোকবিলাকে বিশ্ৰাম দিনত বাটৰ পৰা হঠাতে উপাসনাৰ সময়ত আহি উপস্থিত হোৱা দেখা গৈছিল। আমি এই লোকবিলাকৰ এটা পৰিয়ালক বাইবেলৰ শিক্ষা প্ৰদান কৰিছো। তেওঁবিলাকে ইন্টাৰনেটৰ যোগেদি ভিডিঅ' চাইছে আৰু ইলেন জি. হুৱাইটৰ 'মহা বিবাদ' পুস্তকখনৰ যোগেদি বিশ্ৰামবাৰৰ সৈতে পৰিচিত হৈছে। সেই কাৰণে কিছুদিনৰ পৰা এই মণ্ডলীটোক বিচাৰি আহিছিল।" কাটজা আৰু খ্ৰীষ্টিয়ান চিণ্ডলাৰ, চেভেন্থ-ডে-এড্‌ভেন্টিষ্ট মণ্ডলী, লাউডিজবাৰ্গ (সংক্ষেপে দিয়া হ'ল)।

## ৪০ দিনৰ অভিজ্ঞতা

"সকলোবোৰ 'ব্যক্তিগত আত্মিক জাগৰণৰ পদক্ষেপ' পুস্তকখনৰ ওপৰত ভিত্তি কৰি চেমিনাৰৰ যোগেদি আৰম্ভ কৰা হৈছিল। সেই সময়ত মোৰ মনত ইচ্ছা জাগি উঠিছিল যে মোৰ দৈনন্দিন জীৱনত ঈশ্বৰে মোত বাস কৰাৰ অভিজ্ঞতা লাভ কৰিম। আৰু তেতিয়াই মই চল্লিশ দিনৰ প্ৰাৰ্থনা আৰু অভিজ্ঞতাৰ কথা জানিবলৈ পালো। তাৎক্ষণিক ভাৱে এইটো মোৰ বাবে স্পষ্ট হ'ল যে, মই এই যাত্ৰাৰ অভিজ্ঞতা লাভ কৰিব বিচাৰো। প্ৰকৃততে, মই তেতিয়াও জনা নাছিলো যে মই ক'ত অন্তৰ্ভূক্ত হ'বলৈ গৈ আছো। উপযুক্ত এজন প্ৰাৰ্থনাৰ লগৰীয়া পোৱাটো (যিটো এই কাৰ্যসূচীৰ এটা অংশ) খুব কঠিন কাম নহয়। কিন্তু মোৰ কাৰণে এটা প্ৰত্যাহ্বান আছিল কাৰণ প্ৰতিদিনে ইজনে সিজনৰ কাৰণে এনেদৰে চল্লিশ দিন সময় উলিওৱা। এগৰাকী নাৰ্চ হিচাবে মোৰ কামৰ সময় অনিয়মীয়া হোৱাৰ কাৰণে মই বেলেগ বেলেগ

সময়ত কাম কৰিব লগা হৈছিল। আনকি মই সেই বিষয়ে চিন্তাও কৰা নাছিলো। তথাপিও ঈশ্বৰে প্ৰথমৰ পৰাই মোৰ সিদ্ধান্তত আশীৰ্বাদ কৰিছে। অনেক আকাংক্ষাৰে আমি ইজনে সিজনৰ কাৰণে অপেক্ষা কৰিছিলো, কেতিয়াবা সেই মূল্যৱান মুহূৰ্ত্তত আমি ইজনে সিজনৰ সৈতে নিৰ্দিষ্ট বিষয়ৰ ওপৰত আলোচনা কৰিছিলো আৰু পবিত্ৰ আত্মাৰ কাৰণে প্ৰাৰ্থনা কৰিছিলো। আমি আৱিষ্কাৰ কৰিলো যে প্ৰাৰ্থনাই আমাৰ জীৱনত কিছুমান বিষয় সলনি কৰিছে। আৰু আমি এইবোৰ প্ৰকাশ নকৰাকৈ নিজৰ ভিতৰত লুকুৱাই ৰাখিব নোৱাৰিলো। প্ৰতিটো সুযোগেই আমি জনাবলৈ উৎসাহী হৈছিলো। অন্য লোক সকলক একেই অভিজ্ঞতা লাভ কৰিবলৈ অনুপ্ৰাণিত কৰাটো মোৰ বাবে গুৰুত্বপূৰ্ণ আছিল। ইয়াৰ প্ৰভাৱ কেতিয়াও ব্যৰ্থ হোৱা নাছিল। মণ্ডলীৰ অনেক লোক আমাৰ উৎসাহৰ যোগেদি অনুপ্ৰাণিত হৈছিল। কিছুদিনৰ ভিতৰতে কিছুমানে উপাসনাৰ বাবে আমাৰ সৈতে মিলিত হৈছিল। আমি যি অভিজ্ঞতা লাভ কৰিছিলো তাক প্ৰতি সপ্তাহতে জনাবৰ কাৰণে সুযোগ বিচাৰিছিলো। এই উৎসাহৰ 'ভাইৰাজ' মণ্ডলীৰ কিছুমান যুৱক-যুৱতীৰ মাজতো সংক্ৰমিত হৈছিল। চল্লিশ দিনৰ প্ৰাৰ্থনা সভাটো যেন অতি সোনকালে শেষ হৈ গ'ল। আমি এইটো ইমান সোনকালে শেষ হোৱা আশা কৰা নাছিলো। গতিকে আমি ইলেন জি. হুৱাইটে লিখা 'মাৰানাথা ঃ প্ৰভু আহি আছে' পুস্তকখন পঢ়াৰ যোগেদি আমাৰ উপাসনাৰ কাৰ্যসূচী চলাই লৈ গৈছিলো। আৰু ঈশ্বৰে আমাক দীৰ্ঘদিন অপেক্ষা কৰিবলৈ নিদিলে। চল্লিশ দিনৰ প্ৰাৰ্থনাৰ পিছৰ পৰা আজিলৈকে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ আচৰিত ধৰণে দিছে। সেই সময়ত আমি যিসকলৰ কাৰণে প্ৰাৰ্থনা কৰিছিলো তেওঁবিলাকৰ মাজৰ কিছুমানে বহুত দিনৰ পিছত পুনৰাই মণ্ডলীত ঘূৰি আহিল। তেওঁবিলাকক পায় আমি অতি আনন্দিত হ'লো। মোৰ চাৰিওফালে থকা লোকবিলাক মোৰ বাবে আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰিল। মোৰ ইচ্ছা অন্য লোকবিলাকেও যেন দৃঢ় বিশ্বাসেৰে আত্মিকত বৃদ্ধি পাব পাৰে তাৰ বাবে ঈশ্বৰৰ প্ৰেমক জনোৱা। মোৰ জীৱন সলনি হৈছিল। আমাৰ মাজৰ অনেকেই আগতকৈ অধিক ভালদৰে ইজনে সিজনক জানিব আৰু চিনিব পাৰিছে। সহভাগিতা আমাৰ মাজত এটা নতুন ভাল অৰ্থ লৈ আনিছে। ডেনিচ স্মিথে লিখা 'চল্লিশ

দিনৰ প্ৰাৰ্থনা আৰু উপাসনা’ নামৰ পুস্তকখন মোৰ বাবে বৰ সহায় হৈছিল। প্ৰাৰ্থনাৰ এজন লগৰীয়া পোৱা আৰু ঈশ্বৰৰ অভিজ্ঞতা লাভ কৰা যিমান কঠিন বুলি ভাবিছিলো তাতকৈ এইটো অনেক সহজ। আমাৰ প্ৰিয়জনে এই কাৰ্যৰ বাবে আমাক ধন্যবাদ জনায়।” হিল্ডিগাৰ্ড ওৱেকাৰ, কেৰিলচিয়িম চেভেন্থ-ডে-এড্‌ভেন্টিষ্ট চাৰ্চৰ এগৰাকী সদস্যা, তাই অস্ত্ৰোপচাৰ বিভাগৰ এগৰাকী নাৰ্চ হিচাবে কাম কৰে।

## যীচুৱেই আমাৰ আৰ্হি

প্ৰতিটো ক্ষেত্ৰতেই যীচু আমাৰ মহান আৰ্হি। লূক ঃ ৩:২১,২২ পদত আমি দেখিবলৈ পাওঁ “সকলো মানুহক বাপ্তাইজ কৰা সময়ত, যীচুকো বাপ্তাইজ কৰা হ’লত, তেওঁ প্ৰাৰ্থনা কৰোতে, স্বৰ্গৰ দুৱাৰ মুকলি হ’ল আৰু পবিত্ৰ আত্মাই দৈহিক আকাৰ ধৰি, কপৌৰ নিচিনা হৈ, তেওঁৰ ওপৰলৈ নামি আহিল............।”

এই বিষয়টো ইলেন জি. হ্বাইটে এইদৰে বৰ্ণনা কৰিছে, “পিতৃৰ ওচৰত তেওঁৰ প্ৰাৰ্থনাৰ উত্তৰত স্বৰ্গৰ দুৱাৰ মুকলি হ’ল আৰু পবিত্ৰ আত্মা কপৌৰ নিচিনা হৈ নামি আহিল আৰু তেওঁৰ ওপৰত স্থিতি হ’ল।”

তেওঁৰ পৰিচৰ্যাৰ কালত হোৱা ঘটনাবোৰ আছিল অতি আৰ্শ্চৰ্জনক ঃ “প্ৰতিদিন ৰাতিপুৱা তেওঁ তেওঁৰ স্বৰ্গীয় পিতৃৰ সৈতে যোগাযোগ কৰিছিল, প্ৰতিদিনে তেওঁৰ পৰা পবিত্ৰ আত্মাৰ নতুন বাপ্তিষ্মা লাভ কৰিছিল।” যীচুৱেই যদি প্ৰতিদিনে পবিত্ৰ আত্মাৰ নতুন বাপ্তিষ্মৰ প্ৰয়োজন হয় তেনেহ’লে আমাৰ বাবে এইটো কিমান অধিক প্ৰয়োজন!

## সামৰণিৰ মন্তব্যসমূহ

পবিত্ৰ আত্মাৰ যোগেদি আমাৰ জীৱনত প্ৰতিটো পৰিস্থিতিতে আমি এজন মহান চলাওঁতা লাভ কৰিছো আৰু তেওঁৰ মহিমাৰ প্ৰতাপত শক্তিমন্ত হৈছো।

এইদৰে আমাৰ চৰিত্ৰও পৰিবৰ্তিত হ’ব পাৰে আৰু আমি ঈশ্বৰৰ কাৰ্যৰ

ক্ষেত্রত মূল্যৱান অস্ত্র হ'ব পাৰো। প্ৰতিদিন আমাৰ সমৰ্পণ আৰু বাপ্তিষ্মাৰ যোগেদি পবিত্ৰ আত্মাই আমাৰ জীৱনত প্ৰকৃত উৎসৰ দিশে পৰিচালিত কৰে।

জগতৰ ইতিহাসৰ মহান সময়ৰ কাৰণে প্ৰভূৱে আমাক যুগুত কৰিব বিচাৰে। পবিত্ৰ আত্মাই বিচাৰে যে আমি তেওঁৰ আগমনৰ কাৰণে ব্যক্তিগত ভাৱে যুগুত হওঁ আৰু পবিত্ৰ আত্মাৰ শক্তিৰ যোগেদি শুভবাৰ্ত্তাৰ কাৰ্য সম্পূৰ্ণ কৰাৰ কাৰণে আমি একেলগে যাতে কাৰ্য কৰো। সংকটৰ সময়তো তেওঁ আমাক জয়যুক্ত হ'বৰ বাবে চলাই নিব বিচাৰে। ঈশ্বৰে আপোনালোকক ব্যক্তিগত পুনঃজাগৰণ দান কৰক আৰু প্ৰতিদিনে সমৰ্পণৰ যোগেদি সংস্কাৰ কৰক আৰু পবিত্ৰ আত্মাই প্ৰতিদিনৰ বাপ্তিষ্মা দান কৰক।

বাইবেলৰ এই পদৰ যোগেদি আৰু পুনজাগৰণৰ বাবে প্ৰাৰ্থনাৰ যোগেদি মই শেষ কৰিব বিচাৰো ঃ

"তেন্তে মোৰ নামেৰে প্ৰখ্যাত হোৱা মোৰ প্ৰজা বিলাকে যদি নিজকে নম্ৰ কৰি প্ৰাৰ্থনা কৰে, আৰু মোৰ সাক্ষাৎ হ'বলৈ বিচাৰে, আৰু নিজ নিজ কু-পথৰ পৰা উভতি আহে, তেন্তে মই স্বৰ্গৰ পৰা শুনি তেওঁবিলাকৰ পাপবোৰ ক্ষমা কৰিম, আৰু তেওঁবিলাকৰ দেশ আৰোগ্য কৰিম (২ বংশাৱলী ঃ ৭:১৪ পদ)।

**প্ৰাৰ্থনা ঃ** *স্বৰ্গীয় পিতা, আমাক নম্ৰতা দান কৰক (মীখা ঃ ৬:৮ পদ)। প্ৰাৰ্থনা কৰাৰ আৰু আপোনাৰ মুখ চোৱাৰ মহান ইচ্ছা আমাৰ অন্তৰত দান কৰক। মন্দৰ পৰা ঘূৰি আহিবলৈ সহায় কৰক আৰু ইচ্ছা শক্তি দান কৰক। অনুগ্ৰহ কৰি আপোনাৰ উত্তৰ শুনাৰ পূৰ্বচৰ্ত্ত সমূহ পূৰণ কৰাত আমাক সহায় কৰক আৰু আপোনাৰ প্ৰতিজ্ঞাৰ ফল হিচাবে আপোনাৰ উত্তৰ শুনিবলৈ দিয়ক। আমাৰ সকলো পাপ ক্ষমা কৰক আৰু আমাৰ কুহুমীয়া ভাৱ আৰু অধাৰ্মিকতা দূৰ কৰক। আমাক আশীৰ্বাদ কৰক যাতে প্ৰত্যেকদিন যীচুৰ ওচৰত নিজকে সমৰ্পণ কৰিব পাৰো আৰু বিশ্বাসৰ দ্বাৰা পবিত্ৰ আত্মা লাভ কৰিব পাৰো। আমেন।*

প্ৰাৰ্থনাৰ উত্তৰ হিচাবে পুনঃজাগৰণৰ আশা কৰা প্ৰয়োজন ।” পঞ্চাশ দিনীয়া পৰ্বৰ দিনা পবিত্ৰ আত্মাৰ বাপ্তিষ্মা যিদৰে প্ৰকৃত ধৰ্মৰ পুনঃজাগৰণ আৰু অনেক আচৰিত কাৰ্য কৰাৰ বাবে পৰিচালনা কৰিছিল সেইদৰে আমাৰ বাবেও প্ৰয়োজন।”

## ৭৭৭ বিশ্বব্যাপী অবিচ্ছিন্ন প্ৰাৰ্থনা

“৭৭৭” কি? এইটো গোটেই বিশ্বব্যাপী প্ৰাৰ্থনাৰ এটা অবিচ্ছিন্ন চেইন। ঈশ্বৰৰ লোকসকলে সপ্তাহৰ সাতোটা দিনেই পুৱা ৭.০০ বজা আৰু সন্ধিয়া ৭.০০ বজাত আমাৰ পৰিয়াল, চলাওঁতা, মণ্ডলী আৰু জাতি সমূহত পবিত্ৰ আত্মাৰ উপস্থিতিৰ বাবে প্ৰাৰ্থনা কৰি আছে। যিকোনো সময়তে প্ৰাৰ্থনাৰ সময়ত, এজন ব্যক্তিয়ে পৃথিৱীৰ আন এক সময়ত হাজাৰ হাজাৰ লোকৰ সৈতে একত্ৰিত হ’ব আৰু ঐক্যতা আনিব পাৰিব। আন্তৰিকতাৰে পবিত্ৰ আত্মাৰ কাৰণে অবিৰত ভাৱে প্ৰাৰ্থনা কৰি বিশ্বাসী সকলে পৃথিৱীখনক আৱৰি ৰাখিব লাগে।” ( Review and Herald, January 3, 1907) www.revivalandreformation.org).

## পৰিশিষ্ট

### অতিৰিক্ত অধ্যয়নৰ কাৰণে পৰামৰ্শ

এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ ঃ এই পুস্তকখন পঢ়ক, যদি সম্ভৱ হয় ছয় দিনৰ প্ৰতিদিনেই পঢ়ক। এটা শৈক্ষিক গৱেষণাত দেখা গৈছে যে আমাৰ জীৱনৰ কাৰণে এনেকুৱা এটা গুৰুত্বপূৰ্ণ বিষয় সম্পূৰ্ণৰূপে উপলব্ধিৰ কাৰণে ছয়ৰ পৰা দহ বাৰ পুস্তকখন পঢ়া বা শুনা উচিত। এবাৰ চেষ্টা কৰি চাওঁক। ফলাফলে আপোনাক মুগ্ধ কৰিব।

এজন শিক্ষকে চেষ্টা কৰিছিল ঃ “এই পুস্তকৰ অনুপ্ৰেৰণামূলক বাক্য সমূহে মোক মুগ্ধ কৰিছে। “এবাৰ হ’লেও চেষ্টা কৰক। ফলাফলে আপোনাক সৈমান কৰিব।” মই এই অভিজ্ঞতা লাভ কৰিবলৈ বিচাৰিছিলো আৰু

তৃতীয়বাৰ পঢ়াৰ পিছত এইটোৱে মোক আকৰ্ষিত কৰিছিল আৰু মই আমাৰ ত্ৰাণকৰ্ত্তাৰ প্ৰতি এক গভীৰ প্ৰেম অনুভৱ কৰিছিলো, আৰু যিটো প্ৰেমৰ কাৰণে মই গোটেই জীৱন আগ্ৰহী আছিলো। দুই মাহৰ ভিতৰত পুস্তকখন মই ছয়বাৰ পঢ়িছো আৰু ইয়াৰ ফলাফল আছিল অসাধাৰণ। এইটো এনেকুৱা আছিল যে, যীচু যেতিয়া আমাৰ ওচৰলৈ আহে আৰু আমি যেতিয়া তেওঁৰ শুদ্ধ, দয়ালু আৰু প্ৰেমময় চকুলৈ লক্ষ্য কৰো, তেতিয়াই বিষয়টো কেনেকুৱা সেইয়া যদি মই বুজিব পাৰিলোহেঁতেন। তেতিয়াৰ পৰা মই কেতিয়াও মোৰ উদ্ধাৰকৰ্ত্তাৰ এই আনন্দৰ অবিহনে চলা নাই।”

মই অনেকৰ পৰা পবিত্ৰ আত্মাৰ যোগেদি তেওঁলোকৰ নতুন জীৱনৰ বিষয়ে বহুতো কৃতজ্ঞতাৰ বাৰ্ত্তা আৰু ইতিবাচক সাক্ষ্য লাভ কৰিছো। তেওঁলোকৰ প্ৰায় সকলোৱে পুস্তকখনৰ পঢ়ুৱৈ, যিসকলে পুস্তকখন বহুবাৰ গভীৰভাৱে পঢ়িছিল।

## এই বিষয়ৰ পুস্তকসমূহ


- 40 Days (Book 1) Prayers and Devotions to prepare for the Second coming, Dennis Smith, Review and Herald, 2009.
- 40 Days (Book 2) Prayers and Devotions to Revive your Experience with God, Dennis Smith, Review and Herald, 2011.
- 40 Days (Book 3) God's Health Principles for His Last Day People, Dennis Smith, Review and Herald, 2011.
- 40 Days (Book 4) Prayers and Devotions on Earth's Final Events, Dennis Smith, Review and Herald, 2013.
- If My People Pray  An Eleventh - Hour Call to prayer and Revival, Randy Maxwell, Pacific Press 1995.

- Revive Us Again, Mark A. Finley, Pacific Press 2010.
- How to Be Filled with the Holy Spirit und know it, Garrie F. Williams, Review and Herald, 1991.
- The Radical Prayer, Derck J. Morris, Review and Herald 2008.


## ৪০ দিনৰ নিৰ্দেশনাৰ পুস্তিকা

৪০ দিনৰ নিৰ্দেশনাৰ পুস্তিকাৰ অধীনত ডেনিচ স্মিথৰ চল্লিশ দিনৰ পুস্তকখন ৰেবচাইটৰ পৰা ব্যৱহাৰ কৰি www.Spirit Baptism.org ৪০ দিনৰ প্ৰাৰ্থনাৰ কাৰ্যসূচী পৰিচালনাৰ কাৰণে আপুনি প্ৰয়োজনীয় উপকৰণ পাব পাৰে।

## পবিত্ৰ আত্মাৰ সৈতে জীয়াই থকাৰ নতুন অভিজ্ঞতা

প্ৰভু যীচুৱে কৈছিল ঃ “কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পবিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে শক্তি পাবা, আৰু পৃথিৱীৰ সীমালৈকে তোমালোকে মোৰ সাক্ষী হ’বা” (পাচনিকৰ্ম ঃ ১:৮ পদ)।

এটা বিশেষ অনুৰোধ ঃ আপোনাৰ ব্যক্তিগত জীৱনত যেতিয়া পবিত্ৰ আত্মাই বাস কৰাৰ অভিজ্ঞতা লাভ কৰিব অথবা ইয়াৰ বিষয়ে সাক্ষ্য দিব তেতিয়া আমি সঁচাকৈয়ে এইটো প্ৰশংসা কৰিম, যদি আপুনি হেলমুট হাউবেইললৈ এটা চমু প্ৰতিবেদন প্ৰেৰণ কৰিব পাৰে যাতে তেওঁ এইটো মিচনচব্ৰিফত জনাব পাৰে (মিচন কামৰ প্ৰতিবেদন প্ৰকাশৰ বাবে জাৰ্মানৰ এখন সৰু সংবাদ পত্ৰিকা)। প্ৰতিবেদনৰ পিছত আপোনাৰ উদ্যোগৰ বিষয়ে অথবা আপোনাৰ সম্পূৰ্ণ নাম আৰু আপুনি যি মণ্ডলীত উপাসনা

কৰে তাৰ বিষয়ে সবিশেষ জনাব বিচাৰে তেনেহ'লে দয়া কৰি আমাক জনাব। অনুগ্ৰহ কৰি মনত ৰাখিব, আপোনাৰ অভিজ্ঞতা আন বিলাকক পবিত্ৰ আত্মাৰ পথত চলিবলৈ বা পবিত্ৰ আত্মাৰ পথত চলা আৰম্ভ কৰিবলৈ শক্তিশালী কৰিব।

**যোগাযোগৰ বাবে ঃ**

**Helmut Haubeil**

Rosenheimerstr.49

D-83043 Bad Aibling/Oberbayern, Germany

E-mail : helmut@haubeil.net

Language : German or English.



**ASI Board Members**